# সোণালী

সোণাৰি মহাবিদ্যালয় আলোচনী ২০১১-২০১২ বৰ্ষ

সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

# SONALI



সম্পাদক ঃ অভিলেখ গগৈ

S246

SOME GLIMPSES OF COLLEGE




# সোণালী

সোণাৰি মহাবিদ্যালয় আলোচনী ২০১১-২০১২ বৰ্ষ

সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

Sonari College Library • Estd. 1970



সম্পাদক ঃ অভিলেখ গগৈ

# SONALI

*Sonari College Magazine 2011-12 Edited by Abhilakh Gogoi, Published by Sonari College students Union; 2011-2012, on behalf of Sonari College, Sonari (Sivasagar) Pin: 785690*

Printed at : Amar Jyoti Printers,
R.G.B Road, Opp of Guwahati Commerce College
Boy's Hostel, Guwahati - 3.
Ph : +9198648-53070.

EDITORIAL BOARD
President : Dr. Rajen Tamuli
Editor : Abhilakh Gogoi
Prof-in-Charge : Dr. Rana Konwar
Mr. Suchitra Nr Rajkhuwa
Mrs. Lindy Goodwin
Student Member : Harit Pallab Gogoi
Cover : Debasish Konwar
Sketch : Pranty, Mithu, Abhilakh
D.T.P & Designing : Namita , Ritu.





PRINCIPAL - DR. RAJEN TAMULI




VICE PRINCIPAL - Mr. A.K.BORUAH

# EDITORIAL BOARD



PRINCIPAL - DR. RAJEN TAMULI



Prof.in- charge
Mr. SUCHITRA NR RAJKHUWA



Prof.in- charge
DR. RANA KONWAR



Prof.in- charge
Mrs. LINDY GOODWIN



EDITOR
ABHILAKH GOGOI



STUDENT MEMBER
HARIT PALLOB GOGOI

# SONARI COLLEGE TEACHING STAFF



REETA DUTTA
(HEAD,
Deptt. OF ASSAMESE)



RAGHUNATH KAGYUNG
(Deptt. OF ASSAMESE)



PODMA GOGOI
(Deptt. OF ASSAMESE)



BIJOY LAKSHMI GOGOI
(Deptt. OF ASSAMESE)



REKHA MONI GOGOI
(Deptt. OF ASSAMESE)



SUNIL DUTTA
(HEAD,
Deptt. OF ENGLISH)



DR. ANITA KONWAR
(Deptt. OF ENGLISH)



DIPANKAR BASUMATARI
(Deptt. OF ENGLISH)



ANJUARA BEGUM
(Deptt. OF ENGLISH)



GANESH BORUAH
(HEAD,
Deptt. OF POL-SCIENCE)



BINUD RAJKHONIKAR
(Deptt. OF POL-SCIENCE)



CHAKRAPANI PATIR
(Deptt. OF POL-SCIENCE)



LUCKY CHETIA
(Deptt. OF POL-SCIENCE)



ARPON KR BORUAH
(HEAD,
Deptt. OF ECONOMICS)



DILIP RANJAN BORUAH
(Deptt. OF ECONOMICS)



MINTOO GOGOI
(Deptt. OF ECONOMICS)



PARANAN KONWAR
(Deptt. OF ECONOMICS)



SUSIL SURI
(HEAD,
Deptt. OF HISTORY)



DIBYAJYOTI KONWAR
(Deptt. OF HISTORY)



LINDY GOODWIN
(Deptt. OF HISTORY)



PANKAJ GOGOI
(Deptt. OF HISTORY)



RANU MOHAN
(HEAD,
Deptt. OF EDUCATION)



PRANITA KOLITA
(Deptt. OF EDUCATION)



RAJIB KATOKY
(Deptt. OF EDUCATION)



PURABI CHETIA
(Deptt. OF EDUCATION)

# SONARI COLLEGE TEACHING STAFF


RINA BORTHAKUR
(HEAD, Deptt. OF PHYSICS)


UTPAL KONWAR
(Deptt. OF PHYSICS)


NOBIN GOGOI
(Deptt. OF PHYSICS)


DR. RANA KONWAR
(HEAD, Deptt. OF CHEMISTRY)


AMRIT KR BORPUJARI
(Deptt. OF CHEMISTRY)


SUCHITRA NR RAJKHUWA
(Deptt. OF CHEMISTRY)


RAMESH BORGOHAIN
(Deptt. OF CHEMISTRY)


TANKESWAR BORUAH
(HEAD,
Deptt. OF MATHEMATICS)


BHUPEN CH DIHINGIA
(Deptt. OF MATHEMATICS)


MUHIDHAR CHETIA
(Deptt. OF MATHEMATICS)


MONURANJAN KONWAR
(Deptt. OF MATHEMATICS)


RANJIT CH BURAGOHAIN
(HEAD,
Deptt. OF BOTANY)


PHANINDRA KR BORUAH
(Deptt. OF BOTANY)


PROBIN BORAH
(Deptt. OF BOTANY)


KASTORI BORUAH
(Deptt. OF BOTANY)


PALTU PAUL
(HEAD,
Deptt. OF ZOOLOGY)


RANA KONWAR
(Deptt. OF ZOOLOGY)


JYOTI PRASAD PHUKAN
(Deptt. OF ZOOLOGY)


MANAKHI CHANGMAI
(Deptt. OF ZOOLOGY)


# শ্ৰদ্ধাঞ্জলি



সাগৰ সংগমত কতনা সাতুৰিলোঁ
তথাপিতো হোৱা নাই ক্লান্ত।
অক্লান্ত সাধক তুমি, তোমাৰ সমাধি চাই
আমি যেন হলো উদভ্ৰান্ত।

শুনি শোষিতৰ ক্ৰন্দন
তুমি বজালা জ্ঞানৰ বীণা,
জ্ঞানৰ দেউলৰ অক্ষয় বন্তি হৈ দিলা যে
আত্মিক প্ৰেৰণা।





সকলো শিল্পীৰ থাকে ভিন্ন প্ৰকাশ!
টুকি টুকি আনি সাজি শব্দৰ চাক
নিত্য নৱ ভাৱনাৰে টৌৱাই
তোমাৰ গীত কবিতাই
সাজি যায় চেতনাত সুন্দৰৰ মৌচাক।।



PRINCIPAL WITH STUDENTS' UNION MEMBERS




COLLEGE LIBRARY



COLLEGE FIELD



COLLEGE FLOWER GARDEN



COLLEGE COMPUTER ROOM

# উচৰ্গা



বিনন্দ মহন

জন্ম ঃ ১৯৪৬ চন

মৃত্যু ঃ ২০১২ চন


# কৃতজ্ঞতা

- মহাবিদ্যালয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়।
- আলোচনীৰ সকলো লেখক লেখিকা।
- উপদেষ্টা ড° ৰাণা কোঁৱৰ, সুচিত্ৰ নাৰায়ন ৰাজখোৱা আৰু ছাত্ৰ সদস্য হৰিৎ পল্লব।
- মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া।
- অমৰজ্যোতি প্ৰিণ্টাৰ্চৰ পৰিয়ালবৰ্গ।



# সূচীপত্ৰ


## প্ৰবন্ধ




- সোণাৰিৰ উৎপত্তি আৰু বিকাশ — শ্ৰীগোলাপ বৰগোহাঁই ১
- **The Impact of Renaissance on English Literature** — **Dr. Anita Konwar** ৫
- বিশ্ব দৰবাৰত শংকৰদেৱক প্ৰতিষ্ঠা — হৃষীকেশ বুঢ়াগোহাঁই ৯
- **Women's History And Its Importance** — **Lindy Goodwin** ১১
- স্বাধীনোত্তৰ কালৰ লোকাচাৰ-লোকবিশ্বাসত 'গৰু-বিহু'ৰ পৰম্পৰা — ৰীতা দত্ত ১৫
- **Making Reading a Habit** — **Miss Sangeeta Roy** ২০
- আধুনিক অসমীয়া কবিতাত প্ৰেমৰ প্ৰতিচ্ছবি — অভিজিৎ শইকীয়া ২৩
- **Music : The Hindustani Classical** — **Miss Pooja Gogoi** ২৬
- গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড° ৰংগনাথন আৰু গ্ৰন্থাগাৰ বিজ্ঞানলৈ তেখেতৰ অৱদান — নিৰ্জুমণি চাংমাই ২৭
- বিহুগীতত 'গগণা' — এটি আলোকপাত — শ্ৰীমতী সম্পূৰ্ণা বুঢ়াগোঁহাই ৩০
- নেপথ্যত এজন পথিকৰ কথাৰে — ধ্ৰুৱজ্যোতি গগৈ ৩২
- প্ৰসঙ্গত ব্যাকৰণ চৰ্চা ঃ এটি আলোকপাত — পদ্ম কুমাৰী গগৈ ৩৪
- নীলগিৰিৰ পাহাৰীয়া চহৰ ৰাণী — বাণী দেৱী ৩৮
- অসমীয়া সমাজত নামঘৰ আৰু সত্ৰ সমূহৰ ভূমিকা — চুমী তামুলী ৪২
- **River dams in North-Eastern India Impact, Assessment and Concern** — **Anurag Protim Das** ৪৪
- সামাজিক শৃঙ্খলা বনাম যুৱ উশৃঙ্খলতা — চক্ৰধৰ বাইলুং ৪৯
- পতনৰ গৰাহত শিক্ষা — পবিত্ৰ চেতিয়া ৫০
- **Impossible Spells 'I'm Possible** — **Miss Purabi Saikia** ৫২
- কৃত্ৰিম উপগ্ৰহ আৰু ইয়াৰ প্ৰস্তুত প্ৰণালী — লক্ষী গগৈ ৫৪





## গল্প




- মাক আৰু মৰম — ৰতিপ্ৰভা গগৈ ৫৭
- শেষ ষ্টপেজ — শ্ৰীমতী প্ৰিয়ংকা চেতীয়া ফুকন ৬০
- জীৱন অনুক্ৰমণিকাৰ বিষাদৰ পৃষ্ঠাবোৰৰ সোঁৱৰণ — অভিলেখ গগৈ ৬৪
- হাংগেৰীৰ লকাৰ — মমিনা বেগম ৬৬
- কুঁহিৰ সুবাস — কৃতী চাংমাই ৭০
- অতিথি দেৱ ভৱ — মৃগাংক হাতীমূৰীয়া ৭১
- এটা উত্তৰবিহীন প্ৰশ্ন — শ্ৰীমতী দেৱযানী গগৈ ৭৪

## কবিতা


- আহ্বান — শ্ৰীমতী সাগৰীকা সন্দিকৈ — ৭৯
- এপিয়লা নীলা আবেগ — প্ৰণীতা কলিতা — ৭৯
- সময়ৰ বালিত স্পৰ্শৰ কলম — শ্ৰীপবিত্ৰ চেতিয়া — ৮০
- তোমাৰ জন্মদিনত — ননীমাধৱ ফুকন — ৮১
- 'ৰ'দালিৰ মৃত্যু' — শ্ৰীমতী জুৰি দত্ত — ৮২
- অনুভৱ আৰু দুটা স্তৱক নিয়ৰৰ গান... — সৌৰভ চেতিয়া — ৮৩
- অপ্ৰকাশ্য বেদনা — শ্ৰীমতী ময়ুৰী বৰঠাকুৰ — ৮৩
- সুখবোৰ বাটিৰুৱা .......... — বিতুপৰ্ণা শৰ্মা — ৮৪
- যান্ত্ৰিক জীৱন — শ্ৰীদিব্যজ্যোতি গগৈ — ৮৪
- শৰৎ — শ্ৰীশৰত কুমাৰ গগৈ — ৮৫
- **GOD** — **Sri Nabajyoti Khandadhara** — ৮৫
- **In search of.......** — **Miss Porishmita Buragohain** — ৮৬
- উত্তপ্ত চকুলো — শ্ৰীঅমৃত প্ৰধান — ৮৬
- মোৰ অনুভৱ — শ্ৰীসঞ্জীৱ শইকীয়া — ৮৭
- মানুহে ভৰা গুদাম — শ্ৰীমতী প্ৰিয়ংকা শৰ্মা — ৮৭
- জীৱন — সৌৰভ বৰ গোঁহাই — ৮৮
- আহিনৰ বৰষুণ — অশোক নায়ক — ৮৮
- **My college** — **By Samim Rajashree** — ৮৯
- জ্ঞান মন্দিৰ — শ্ৰীমতী বৰ্ণালী গগৈ — ৮৯
- **The Almighty God** — **Miss Rajashree Kaushik** — ৯০
- দুখৰ চিঠি আৰু তুমি — শ্ৰী ভাস্কৰ জ্যোতি হাজৰিকা — ৯০
- **Nagative Attitude** — **Miss Bandita Dey** — ৯১
- দুখৰ স'তে 'কম্প্ৰমাইজ' — শ্ৰীমতী পৰিস্মিতা বুঢ়াগোঁহাই — ৯১
- কবিতা — শ্ৰী নীতিশ চেতিয়া ফুকন — ৯২
- **Easy v/s Difficult** — **Satroghna Borah** — ৯২
- আঁকিছে হৃদয়ে প্ৰেমৰ ছবি — শ্ৰীমতী উৰ্মিলা গগৈ — ৯৩
- শৈশৱ — শ্ৰীমতী অলিম্পীকা বৰগোঁহাই — ৯৩
- অপেক্ষাৰে — টুনুমণি ফুকন — ৯৪
- ভূপেনদাৰ কবিতা — জুলি বৰুৱা — ৯৪
- নুমাই গ'ল বন্তি গছি — শ্ৰীহেমন্ত গগৈ — ৯৫
- লুইতৰ বুকুত মৃত্যুঞ্জয়ৰ সুধা — শৰৎ গগৈ — ৯৬
- তোমাৰ অপেক্ষাত.... — কল্যাণী বৰুৱা — ৯৭
- অপেক্ষাত — শ্ৰীমতী প্ৰন্তীময়ী দত্ত — ৯৮
- অনুভৱৰ তিনিটা স্তৱক — শ্ৰীঅতুল বৰগোহাঁই — ৯৮



## অনুভৱ


- সোণাৰি কলেজৰ সোণসেৰীয়া দিন — শ্ৰীচিন্ময় গগৈ — ৯৯
- "বেলি গ'ল গধূলি হ'ল আমাৰো দিহা-দিহি যাবৰ হ'ল" — ত্ৰিভূৱন গগৈ — ১০১


## নাটক


- প্ৰকৃত বন্ধু — শ্ৰীভৱেশ গগৈ — ১০৩

- ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন — ১০৯-১৩৬




# সম্পাদকীয় ........



পদূলিৰ ধুলি উৰুৱাই কুৰুৱা বতাহে পশ্চিমৰ আকাশত সূৰ্যাস্ত চায়। জিৰি জিৰি বতাহৰ নিবিড় পৰশে সেমেকায় মনৰ গধূলি। এনেকৈয়ে, অতিবাহিত হয় পল, অনুপল, ঘণ্টা, দিন, ৰাতি। হেৰাই যায় অনেকজন কালৰ বুকুত আৰু অনেক জনে দি যায় ধৰাৰ বুকুত স্বৰ্ণোজ্বল সম্বল আৰু সেই স্বৰ্ণৰ জ্যোতিয়ে অন্ধকাৰৰ প্ৰাচীৰ ভাঙি বোৱাই আনে পোহৰৰ ঢল।

"অন্ধকাৰৰ প্ৰাচীৰ ভাঙি
পোহৰৰে ঢল বোৱাও আমি ........

মহাবিদ্যালয় সংগীতৰ এই দুশাৰীক অনুকৰণ কৰি আমি যেন আগুৱাই যাওঁ জ্ঞানৰ বাটেৰে। এই জ্ঞানৰ বাটটি পোহৰাই ৰাখিবলৈ জাজ্বল্যমান সেই চাকি গচি যি সকল মহান মানৱৰ ছত্ৰ ছায়াত প্ৰজ্বলিত হৈছিল সেই সকললৈ মোৰ শ্ৰদ্ধা নিবেদিছো।

নীলাভ আকাশ হেঙুলীয়া কৰিলে পশ্চিমৰ বেলিয়ে। এজাক ঘৰমুৱা পক্ষীৰ কলকলনীত উৎসৱমুখৰ হ'ল পৰিবেশটো। হয়তু কোনোবা চিত্ৰকৰৰ কেনভাচত বন্দী হ'ল সেই দৃশ্যপট আৰু হয়তো কাৰোবাৰ কলমেৰে নিগৰি ওলাল কবিতা নাইবা গল্প। এনেকৈয়ে সৃষ্টিৰ পথাৰখন চহকী হওক সৰু বৰ দৃশ্যপট নাইবা সকলৰ ঘটনাৰ পৰা। খৰাৰ বুকুত জীপাল হৈ ৰওঁক আমাৰ ভাষা সংস্কৃতি। মহাবিদ্যালয়ৰ আলোচনী মানেই মহাবিদ্যালয়খনৰ দাপোন। যত প্ৰতিফলিত হয় ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, সাংস্কৃতিক, মানসিক আৰু শৈক্ষিক বিকাশ। ভাষা-সংস্কৃতিৰ এই পথাৰখনক আমি কিদৰে চহকী কৰিছো সেইয়া ভবাটো আমাৰ সকলোৰে কৰ্তব্য। এই কৰ্তব্যসমূহ নিয়াৰিকৈ পালন কৰিবলৈ হ'লে আমি কাকত, আলোচনী বিলাকত গুৰুত্ব দিব লাগিব। কিন্তু অকল গুৰুত্ব দিয়াতেই আমাৰ কৰ্তব্য শেষ হৈ নাযায়। এই কাকত, আলোচনী বিলাকত আমি আমাৰ চিন্তাধাৰা সমূহ কেনেদৰে প্ৰকাশ কৰিছো আৰু আমাৰ চিন্তাধাৰাই কিবা পৰিৱৰ্তন অনাত সক্ষম হৈছেনে সেইটোহে গুৰুত্বপূৰ্ণ। যদি আমি সঁচাকৈ আমাৰ ভাষাটোক, আমাৰ সংস্কৃতিক ভাল পাওঁ তেন্তে আমি সকলোৱেই আলোচনী বিলাকত গুৰুত্ব আৰোপ কৰিব লাগিব। আলোচনী এখনত সন্নিবিষ্ট লিখনি সমুহ সাম্প্ৰতি পৰিস্থিতি সাপেক্ষে প্ৰাসংগিক হোৱাৰ লগতে ছাত্ৰ সমাজৰ মৌলিক চিন্তাৰ উত্তৰণ প্ৰতিফলিত কৰিবলৈ সক্ষম হোৱা প্ৰয়োজন কাৰণ সামাজিক দায়বদ্ধতা, জাতীয় চেতনা অংকুৰিত হ'বলৈ



আলোচনীখনেই হ'ল প্ৰকৃত ক্ষেত্ৰ আৰু এনে দৃষ্টিভংগীৰে যদি আমি আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনক চাওঁ তেন্তে ভৱিষ্যতলৈকে মহাবিদ্যালয়ৰ পৰা একোখন ভাল তথা চকুতলগা আলোচনী প্ৰকাশ পাব।

মহাবিদ্যালয়ৰ আলোচনী এখনৰ সম্পাদকৰ দৰে গধুৰ দায়িত্ব থাকি যিমান গৌৰবান্বিত হওঁ তাতোতকৈ বেছি ভয়হে অনুভৱ কৰো। কাৰণ অলপ মাত্ৰ ভুলৰ বাবেই যাতে আলোচনীখনে মহাবিদ্যালয়ৰ মৰ্যাদা হানি নকৰে তাৰ বাবে সদা সচকিত হৈ থাকিব লাগে। এই চেগতে আলোচনীখন প্ৰকাশত যদি কিবা ত্ৰুটি থাকি গৈছে তেন্তে সকলোৰে ওচৰত ক্ষমা মাগিছো।

কৃতজ্ঞতা —

আলোচনী বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত হোৱাৰ দিনৰে পৰা যি সকলে লোক আলোচনীখন প্ৰকাশত পূৰ্ণ সহযোগিতা আগবঢ়ালে সেইসকলৰ সহায় স্বীকাৰ নকৰিলে ক্ষমাৰ যোগ্য নহম। মহাবিদ্যালয় প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত হোৱাৰ দিনৰে পৰা আৰম্ভ কৰি বৰ্তমান প্ৰকাশিত মহাবিদ্যালয়ৰ আলোচনী "সোণালী" প্ৰস্তুত কৰাত সহায় কৰা শ্ৰদ্ধেয় ড° ৰাণা কোঁৱৰ ছাৰ, সুচিত্ৰ নাৰায়ণ ছাৰ, অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, প্ৰতিটো খোজতে সহায় কৰা ভাইটি হৰিৎ পল্লৱ, অৰূপ, সমীৰণ, নিতুল, অনুজ, পাৰ্থ, প্ৰাক্তন আলোচনী সম্পাদক চন্দন দাস, প্ৰাক্তন সাধাৰণ সম্পাদক দেৱ কুমাৰ গুপ্তা, সোণমইনা, নিপন দা, ভাস্কৰ, প্ৰশান্ত, নিতুল আলোচনীৰ বাবে স্কেচ অংকন কৰা মিথু, প্ৰান্তী, প্ৰিয়ংকা চেতিয়া ফুকন, আলোচনীৰ বাবে লেখা সমূহ সংগ্ৰহ কৰি দিয়া অভিজিৎ কৰ্মকাৰ, শচীন, নিকু, শত্ৰুঘ্ন, কাব্য, ধ্ৰুৱ, ভাৰ্গব, নিশিত, নৈৰিকা, ভাৰতী, অক্লান্তিকা, যাৰিজ, প্ৰিয়াংক্ষু, মুনিৰ, পল্লৱ, প্ৰদ্যুম্ন, প্ৰনৱ, কৌশিক, মেডিনী, কল্যাণী, চুমচুম, আলোচনীৰ বেটুপাত অংকন কৰা দেবাসিছ, ফটোসমূহ সংগ্ৰহ কৰি দিয়া দুদুল দা, বিক্ৰম দা, মহাবিদ্যালয়ৰ ছাত্ৰবাস আৰু ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত পুনৰ বাৰ অজানিতে হৈ যোৱা ভুল ত্ৰুটিবোৰৰ বাবে ক্ষমা মাগিছো।

সম্পাদক, সোণালী।

সোণালী

# অধ্যক্ষৰ কলম .....

বিগত প্ৰতি বছৰে সোণাৰি মহাবিদ্যালয় আলোচনীখন প্ৰকাশ পাই আহিছে ছাত্ৰ-ছাত্ৰীসকলৰ বৰঙণিৰে। কিন্তু এইবছৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে প্ৰতিখন মহাবিদ্যালয়লৈ আলোচনী প্ৰকাশৰ কাৰণে এক লাখ (১,০০,০০০.০০) টকাৰ পুঁজিৰ যোগান ধৰাত তেখেত ধন্যবাদৰ পাত্ৰই নহয়, ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীল প্ৰতিভাৰ বিকাশৰ কাৰণে লোৱা প্ৰচেষ্টাই এটা নতুন ইতিহাস ৰচনা কৰিলে। ইয়াৰ আগতেও অসম চৰকাৰৰ তৰফৰ পৰা আলোচনী প্ৰকাশৰ কাৰণে ৫০,০০০.০০ (পঞ্চাচ হাজাৰ) টকাৰ বৰঙণি আগবঢ়াইছিল। ছাত্ৰ-ছাত্ৰীসকলে এটা কথা উপলব্ধি কৰিব লাগিব যে, বিদ্যায়তনিক বিকাশৰ দিশত চৰকাৰে আগবঢ়োৱা অনুদানৰ পৰা যাতে যথাৰ্থ উপকৃত হয় তাৰ বাবে মনোযোগ দিয়া অতীৱ প্ৰয়োজন। তেওঁলোকৰ লেখাত শিক্ষাৰ প্ৰকৃত উদ্দেশ্য, মানদণ্ড, গুণগত দিশসমূহ স্পষ্টভাৱে প্ৰতিফলিত হ'ব লাগিব। বৰ্তমান প্ৰতিযোগিতাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে নম্বৰৰ তালিকা গোটাবলৈ যাওঁতে অকল পাঠ্য-পুথিতহে অধিক মনোযোগ দিয়া দেখা যায়। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ নিজস্ব সূক্ষ্ম অনুভূতিসমূহ প্ৰকাশ কৰিবলৈ আজৰি নোপোৱাৰ নিচিনা হৈ পৰিছে। সূক্ষ্ম অনুভূতি তথা অভিজ্ঞতাসমূহ জ্ঞান গৰিমাৰ জৰিয়তে স্তৰে স্তৰে প্ৰকাশ কৰি উলিওৱাটো অতিকৈ আৱশ্যকীয়।

এটা কথা ধ্ৰুৱপ যে, কম্পিউটাৰৰ প্ৰাদুৰ্ভাব হোৱাৰ লগে লগে সমাজ জীৱনৰ এটা সাংঘাটিক পৰিবৰ্তন আহিছে। এই পৰিবৰ্তনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যথেষ্ট প্ৰভাৱ পেলাইছে। গোটেই পৃথিৱীখন এখন ক্ষুদ্ৰ গাঁৱলৈ পৰিবৰ্তন হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান অন্বেষণৰ পথবিলাক বিজ্ঞানৰ নতুন আহিলাসমূহৰ জৰিয়তে সহজ হৈ পৰিছে। জ্ঞানৰ মাত্ৰা বঢ়াৰ লগতে তেওঁলোকৰ লেখাৰ গভীৰতাও প্ৰকাশ পোৱা উচিত। তেওঁলোকৰ গল্প, কবিতা, প্ৰবন্ধই মহাবিদ্যালয়ৰ সাময়িক ক্ষেত্ৰৰ মানদণ্ড প্ৰতিফলিত কৰিব লাগিব।

সেইদৰে, মহৎ লোকৰ জীৱনী আৰু বাণীসমূহ অধ্যয়ন কৰি জ্ঞান লোৱাটো অতি প্ৰয়োজন। বৰ্তমান গোলকীকৰণ, সমাজব্যৱস্থাৰ বস্তুবাদৰ মাজত থাকি সামাজিক চেতনা আনিবলৈ এনেদৰে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনীৰ অৱদান অতি গুৰুত্বপূৰ্ণ। শেষত, সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনাইছো — যাতে এই আলোচনীৰ মাধ্যমেৰে তেওঁলোকৰ প্ৰচেষ্টা অব্যাহত ৰাখি সমাজৰ একোজন সু-নাগৰিক হৈ উঠক।

অধ্যক্ষ

(ড° ৰাজেন তামুলী)

সোণাৰি মহাবিদ্যালয়।

# শিক্ষক উপদেষ্টাৰ একলম .....

লিপিৰ আবিস্কাৰৰ লগে লগে মানুহৰ চিন্তাৰ গতিধাৰাক স্থায়ীভাবে ধৰি ৰখাৰ উপায় ওলাল আৰু মানব জাতিৰ বিকাশ ত্বৰান্বিত হ'ল। লেখনিৰ দ্বাৰা মানুহে নিজৰ সৃষ্টিশীলতাক আগুৱাই নিলে। মানব জাতিৰ বিবর্তন সভ্যতা, সংস্কৃতিৰ ৰূপত লিখনিৰ জৰিয়তে সাহিত্যত প্রতিফলিত হ'ল — প্রতিফলন ঘটালে জ্ঞানৰ ৰশ্মিয়ে আৰু সাহিত্য হৈ পৰিল সমাজৰ দাপোন। বিভিন্ন জাতিয়ে তেওঁলোকৰ মানসিক উত্তৰণৰ ইতিহাস নিজৰ নিজৰ সাহিত্যত ধৰি ৰাখিলে। অনুবাদ সাহিত্যই সন্মিলিত ৰূপত সেই ইতিহাসৰ ভেটি সুদৃঢ় কৰিলে। যুগ যুগ ধৰি আহৰণ কৰা জ্ঞান বিভিন্ন ভাষাৰ গ্রন্থ-আলোচনীৰ বুকুত অমূল্য সম্পদ হিচাবে সঞ্চিত হৈ ৰ'ল আৰু আধুনিক মানব জাতিৰ বিকাশৰ পৰিক্রমাত উদ্ভব হোৱা বিভিন্ন প্রতিকূল পৰিস্থিতিত গ্রন্থ আলোচনীয়ে দিক্ নির্ণায়ক হিচাবে মুখ্য ভূমিকা লবলৈ সক্ষম হ'ল।

সময়ৰ গতিশীলতাই মানুহৰ চিন্তাকো গতিশীলতা প্রদান কৰে। বিভিন্ন সময়ৰ বিভিন্ন চিন্তাধাৰা আলোচনী সমূহত প্রতিফলিত হয়। জনপ্রিয় আলোচনীৰ পৰা তত্ত্ববিশেষ আলোচনীলৈকে বহু প্রকাৰৰ আলোচনীত বিভিন্ন ক্ষেত্র (Area) ৰ প্রাসংগিক বিষয়সমূহ সন্নিবিষ্ট কৰা হয়। প্রয়োজনীয় ৰুচি অনুযায়ী সেই আলোচনী সমূহে মানুহক চিন্তাৰ খোৰাক যোগায়। কোনো আলোচনীৰ বিশেষ সংখ্যা একোটাত প্রকাশিত হোৱা বিশ্লেষণাত্মক, তত্ত্বগধুৰ আলোচনাই মানুহৰ মনত সঠিক চিন্তাৰ উদ্রেক ঘটাই জটিল সামাজিক, ৰাজনৈতিক সমস্যাৰ সমাধান সূত্র আগবঢ়োৱা দেখা যায়। এনে ক্ষেত্রত এখন আলোচনীয়ে এক বিশেষ উদ্দেশ্যধর্মিতাৰে সমাজ এখনক প্রতিফলিত কৰিব বিচৰা যেন অনুভব হয়।

মহাবিদ্যালয়ৰ পর্য্যায়ৰ আলোচনী এখনৰ মূল উদ্দেশ্য হ'ল চিন্তাৰ উৎকর্ষ সাধন কৰাত ছাত্র-ছাত্রীক অনুপ্রেৰণা যোগোৱা; তেওঁলোকৰ সৃষ্টিশীলতাক গতি প্রদান কৰা। সেয়ে সম্পাদনা কৰাৰ সময়ত এই উদ্দেশ্যৰ সমান্তৰালভাবেহে আলোচনীখনৰ গুণগত মানদণ্ডৰ প্রতি লক্ষ্য ৰাখিব লগা হয়। এনে সীমাবদ্ধতাৰ মাজত মানবিশিষ্ট লেখনি আহৰণত ক্ষেত্রত বিভাগীয় সম্পাদকৰ দায়িত্ব অতিশয় বেছি। কাৰণ গুণগত আৰু কাৰিকৰী উভয় দিশৰ সঠিক সামঞ্জস্যতাতহে এখন সর্বাংগসুন্দৰ আলোচনী প্রকাশ কৰিব পৰাটো সম্ভব। এই ক্ষেত্রত সম্পাদক অভিলেখ গগৈয়ে চেষ্টাৰ ত্রুটি কৰা নাই। সেয়ে তেওঁ ধন্যবাদৰ পাত্র। মহাবিদ্যালয় সংগীতৰ আধাৰত আলোচনীখনৰ বেটুপাত অংকন কৰাৰ বাবে মহাবিদ্যালয়ৰ ছাত্র দেবাশীষক ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই আপাহতে আলোচনীখনলৈ বৰঙণি আগবঢ়োৱা সকলোটিলৈকে শলাগ জনালোঁ।

**উপদেষ্টা, সোণালী।**

# মহাবিদ্যালয় সংগীত

ৰচনা -সুৰ ঃ ৰঞ্জিত চন্দ্ৰ বুঢ়াগোহাঁই

*সাৰে আছো আমি*
*হেজাৰ সেনানি*
*জ্ঞানৰ পূজাৰী হৈ;*
*কলা বিজ্ঞানৰ দুগছি বন্তি*
*দুখনি হাতত লৈ।*
*সেউজী আমাৰ মনৰ পৃথিৱী*
*জ্ঞানেৰে জীপাল কৰা,*
*দুখ দৈন্য দূৰতে বিদূৰি*
*হৰযে উপচাওঁ ধৰা;*
*দৃষ্টি আমাৰ দূৰ দিগন্ত*
*পাখি মেলি উৰি যাওঁ*
*শান্তিৰ পখী হৈ।।*
*সৃষ্টিৰ কঠিয়া আহা গুজি দিওঁ*
*আমাৰ মনৰ পথাৰতে,*
*অন্ধকাৰৰ প্ৰাচীৰ ভাঙি*
*পোহৰৰে চল বোৱাওঁ আমি*
*জ্ঞানৰ পূজাৰী হৈ*
*জ্ঞানৰ পূজাৰী হৈ।।*





# প্ৰবন্ধ

# সোণাৰিৰ উৎপত্তি আৰু বিকাশ

শ্ৰীগোলাপ বৰগোহাঁই
প্ৰতিষ্ঠাপক অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়

আহোম সকল সৌমাৰপীঠলৈ অহাৰ সময়ত বৰ্তমানৰ সোণাৰি অঞ্চলত বৰাহী সকল বাস কৰিছিল। তাৰোপূৰ্বে ইয়াত কছাৰী সকল থকাৰ ইংগিত বুৰঞ্জীত পোৱা যায়। বৰাহী সকলৰ ৰাজধানী বৰ্তমান সোণাৰি নগৰৰ উত্তৰ পশ্চিম দিশত আছিল। বৰ্তমানৰ ৰজাঢাপ বৰাহী ৰজা মহামানিক্যৰ ৰাজধানী আছিল। চুকাফাৰ সময়ৰ বৰাহী-মৰাণৰ ৰজাজনৰ নাম আছিল থামিথুমা ওৰফে থাকুম্থা। থাকুম্থাৰ পৰামৰ্শ মতেই চুকাফাই চৰাইদেউত নগৰ পাতিছিল। আহোমৰ লগত ৰণত হাৰি চুতীয়াই সন্ধিৰ প্ৰস্তাৱ আগবঢ়াওঁতে চুহুংমুং দিহিঙীয়া ৰজাই চুতীয়া ৰজাৰ বৰকুঁৱৰী আৰু কুবেৰদত্তৰ সম্পত্তি বৰহাটৰ বাটেদি আহি ৰজাক সোধাবলৈ নিৰ্দেশ দিছিল। ইয়াৰ পৰা বুজা যায় যে বৰহাটেদি উজনিৰ পৰা এটা বাট চৰাইদেউ পৰ্যন্ত আছিল। আহোম ৰাজত্বৰ আগৰে পৰা বৰহাট এখন গুৰুত্বপূৰ্ণ ঠাই আছিল। সেই কালত নিমখৰ বৰ অভাৱ আছিল আৰু বৰহাট অঞ্চলৰ পৰ্বতৰ দাঁতিত থকা পুং বিলাকতহে নিমখ পোৱা গৈছিল। এই নিমখৰ এখন হাট বহাৰ বাবে ঠাইখনৰ নাম বৰহাট হৈছিল। আহোম ৰজাই বৰহাটত এজন উচ্চ পৰ্যায়ৰ বিষয়াক হাট-খোৱা নিযুক্তি দিছিল আৰু তাত ৰাজহ হিচাপে যিমান লোণ সংগ্ৰহ হৈছিল তাৰ আধা ভাগ ৰজাই আৰু বাকী আধাভাগ ডা-ডাঙৰীয়া সকলে ভগাই লৈছিল।

ষষ্ঠদশ আহোম স্বৰ্গদেও চুখাম্ফা ওৰফে খোৰা ৰজাই তন্‌খাম বৰগোহাঁইৰ দুগৰাকী জীয়েকক বিয়া কৰাই কুঁৱৰী পাতিছিল। বৰ কুঁৱৰীৰ লগত সোণাৰি জীয়ৰী দুজনী লিগিৰী হৈ আহিছিল। বৰ কুঁৱৰী ঢুকালত ৰজাই এই দুয়ো গৰাকী সোণাৰি লিগিৰীকে ৰাণী পাতি নাম দিলে বৰ মেচ্ লৌ আৰু মেচ্ লৌ। বুৰঞ্জীত পোৱা যায়— "এতেকে ৰজাদেওৰ সোণাৰীৰ প্ৰতি প্ৰীতি বাঢ়িল। সিহঁতক ঘৰ সজাই, পুখুৰী খনাই দি ভাল মানুহ কৰিলে। কুঁৱৰীহঁতে ৰজাদেওক বশ কৰিলে।" (আহোম দিন — হিতেশ্বৰ বৰবৰুৱা)। এই পুখুৰীয়েই বৰ্তমান টাওকাক নৈ তথা সোণাৰি নগৰৰ পশ্চিমে থকা সোণাৰি পুখুৰী। খোৰা ৰজাই এই পুখুৰী খনাই সোণাৰি নগৰ পাতিছিল। বৰ মেচ্ লৌ আৰু সৰু মেচ লৌ ৰজাৰ লাগী কুঁৱৰী হৈ ৰাজ্যত প্ৰতিপত্তি দেখুৱাইছিল। তেওঁলোকৰে তোলনীয়া পুতেক নাহৰ — কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জী মতে এওঁ সোণাৰিৰ ল'ৰা আৰু হিতেশ্বৰৰ বৰবৰুৱাৰ বুৰঞ্জীমতে চেতিয়াৰ ল'ৰা। নাহৰে ক্ষমতা পাই নিজ নামে আলি পুখুৰী কৰি প্ৰজাক নানান উপদ্ৰৱ কৰিছিল। নাহৰৰ কাহিনীৰ ক্ষেত্ৰত বিভিন্ন মত পোৱা যায়। বোধকৰো ইয়াৰ মূল কাৰণ— হ'ল আহোম ৰাজত্বকালত একাধিক নাহৰ নামৰ ব্যক্তি থকাটো এজনৰ লগত আনজনৰ কাৰ্যকলাপৰ সানমিহলি হৈ কিছু বিভ্ৰান্তিৰ সৃষ্টি হয়। সোণাৰি পুখুৰীৰ পৰা আৰম্ভ হৈ বৰ্তমান সোণাৰি নগৰৰ শিখ্ মন্দিৰৰ দাঁতিয়েদি গড়কাপ্তানি অফিচৰ আগেদি গৈ দিচাং নৈৰ কাষেদি বৰহাটলৈ নাহৰকটীয়া পৰ্যন্ত বিস্তৃত পথেই নাহৰ আলি। এই আলিৰ কাযতে বৰহাটৰ ওচৰত নাহৰ পুখুৰী। নাহৰৰ অত্যাচাৰ বাঢ়ি যোৱাত ডা-ডাঙৰীয়া সকলে ফন্দি কৰি বৰদৰীয়া নামনিত নাহৰক হত্যা কৰে। ইয়াৰ পৰাই ঠাই টুকুৰাৰ নাম নাহৰকটীয়া হয়।

নাহৰৰ জোনাত পোৱা যায়—

*উলিকৈ তামোলৰ পুলি সমনীয়া*
*উলিকৈ তামোলৰ পুলি*
*বৰদৰীয়াৰ মুখতে নাহৰক কাটিলে*
*ওলমি পৰিলে চুলি।*

খোৰা ৰজাৰ পাছত তেওঁ ডাঙৰ পুতেক চুচেঙ্গফা হিন্দু নাম প্ৰতাপ সিংহ, ৰজা হৈ বাৰখন নগৰ পাতিছিল। তাৰে এখন টাওকাক। বুৰঞ্জীবিদ্ লীলা গগৈৰ মতে টাওকাক

মানে মুগা চোম'নিলৈ যোৱা বাট। বঙ্গাল সেনাপতি আলিযাৰ খাঁক পৰাস্ত কৰা ফুল বৰুৱা আৰু পিক চাই চেতিয়া বৰফুকনে অভয়পুৰ নগৰ পাতি অভয়াপুৰীয়া ৰাজখোৱাৰ তত্ত্বাৱধানত দিয়ে। পিছলৈ অভয়পুৰ নগৰখন তিনিখন খাট সংযোজিত কৰি বৰ অভয়পুৰ, সৰু অভয়পুৰ আৰু মাজু অভয়পুৰ নামেৰে ভাগ কৰা হয়। স্বৰ্গদেও গদাধৰ সিংহই দেশৰ যোগাযোগৰ সুবিধাৰ্থে ধোদৰ আলি বন্ধায়। আহোম ৰজা সকলে বন্ধোৱা আলিৰ ভিতৰত দীৰ্ঘতম ধোদৰ আলিয়ে উজনিৰ প্ৰায়বোৰ নগৰ যেনে— মৰঙ্গী, চৈয়নীয়া বচা, লায়েক বা লায়েট, তৰাতলি, গড়গাওঁ, চৰাইদেউ, অভয়পুৰ, সোণাৰি, বৰহাট আদি ঠাই সংযোজিত কৰে। এই আলি পদূলি বিলাকৰ বাবে পৰৱৰ্ত্তী কালত সোণাৰি নগৰ আৰু ইয়াৰ আশে পাশে থকা অঞ্চলবোৰে যথেষ্ট গুৰুত্ব পায়।

গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ মাহীমাক নাফুকী আইদেউ। ৰজাই তেখেতক ৰাজমাও পাতি খঙ্গীয়া মেল দিছিল। এই গৰাকী ৰাজমাওৱে নাফুক নগৰ পাতি পুখুৰী খানি দ'ল বন্ধায়। সোণাৰি পশ্চিমে ধোদৰ আলিৰ উত্তৰে সেই দ'ল পুখুৰী আছি । সোণাৰী পূবে থকা আইদেউবাৰী আৰু আইদেউ পুখুৰী এই গৰাকী ৰাজ মাওৰে অৱদান আৰু এখেতৰ মৈদামো ইয়াতে আছে।

স্বৰ্গদেও চুকাফাই প্ৰতিষ্ঠা কৰা, চুহুংমুং দিহিঙীয়া ৰজাই বিস্তাৰিত কৰা আৰু প্ৰতাপ সিংহ স্বৰ্গদেৱে সজাই পৰাই তোলা আহোম ৰাজ্য মান মৰাণৰ উৎপাতত উছন গ'ল। আহোম ৰাজত্বকালত কেতিয়াও দুৰ্ভিক্ষ হোৱা নাছিল। ইয়াৰ মূল কাৰণ হ'ল তেওঁলোক কৃষিজীৱী আছিল। এওঁলোকে বছৰটোৰ বাবে খাদ্য শস্য মজুত কৰি ৰাখিছিল বুলি মুছলমান পৰিব্ৰাজক চাহাবুদ্দিন তালিচে লিখি থৈ গৈছে। কিন্তু মান মৰাণৰ উৎপাতত সময় মতে খেতি খোলা কৰিব নোৱাৰাৰ বাবে দুৰ্ভিক্ষৰ ফলত বহু প্ৰজা মৰে। শেষৰবাৰে মানৰ আক্ৰমণত হোৱা অমানুষিক অত্যাচাৰত মানুহ পৰ্বতে কন্দৰে পলাই থাকিবলগীয়া হৈছিল।

ৰাজেশ্বৰ সিংহ স্বৰ্গদেওৰ দিনত (১৭৫১-৬৯) আহোম ৰাজ্যৰ মুঠ জনসংখ্যা ২৪ লাখ আছিল। কিন্তু ১৯২৬ চনত ইংৰাজ কোম্পানীৰ হিচাপমতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসংখ্যা ৮,৮০,০০০ জনলৈ কমিল (পলিটিক্যাল হিষ্টৰি অব আচাম — হেৰম্ব বৰপুজাৰী)। মান-মৰাণৰ অহা-যোৱাৰ বাটতে হোৱাৰ বাবে সোণাৰি নগৰো নিশ্চিহ্ন হৈ গ'ল। পূৰ্বৰ ভৰপূৰ সোণাৰি ইংৰাজ বিলাকে অসম হস্তগত কৰাৰ সময়ত জহি খহি যোৱা পুখুৰী আৰু আলি কেইটাৰ বাহিৰে একোৱেই নাছিল।

ইংৰাজ সকলে অসম দখল কৰিয়েই চাহ খেতিৰ প্ৰতি মন দিয়ে। চাহ খেতি অৰ্থনৈতিক ক্ষেত্ৰত যে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ এই কথা বুজিবলৈ বৃটিছ সকলক বেছি পৰ নালাগিছিল। তেখেত সকলে বিভিন্ন কোম্পানী খুলি, কিছুমানে ব্যক্তিগত ভাৱেও উজনি অসমৰ সুবিধাজনক ঠাইবোৰত চাহ বাগান খুলিবলৈ উঠি-পৰি লাগিল। জনবসতি নথকা বিস্তীৰ্ণ উচ্চভূমি, কাযেদি বৈ যোৱা টাওকাক আৰু দিচাং নৈ লগতে গাতে লাগি থকা ধোদৰ আলি আৰু নাহৰ আলিয়ে সহজে বেপাৰী জাতি ইংৰাজ সকলৰ দৃষ্টি আকৰ্ষণ কৰিলে। ইয়াৰ ফলত সোণাৰিৰ আশে পাশে গঢ় লৈ উঠিল ভালেকেইখন চাহ বাগিছা। ফুট মণিয়াৰ মণিৰাম দেৱানো এইক্ষেত্ৰত পিছপৰি থকা নাছিল। তেখেতে চক্ৰাইৰ চিংল' পাহাৰত এই নামেৰে এখন বাগিছা খোলে। দেশদ্ৰোহী আখ্যা দি বৃটিছ চৰকাৰে তেখেতৰ সমুদায় সম্পত্তি বাজেয়াপ্ত কৰাত চিংল' বাগিছা চৰকাৰৰ হাতলৈ যায় যদিও ইংৰাজ সকলে এই নামটোৰ বিলুপ্তি নঘটাই এই বাগিছাখন সামৰিলৈ চিংল' কোম্পানী নামে এটা কোম্পানী খোলে। সোণাৰি নগৰৰ গাতে লাগি থকা জবকা, নাফুক, চক্ৰাই, মথুৰাপুৰ এই কোম্পানীৰ বাগান। আজি কিছু বছৰৰ আগেয়ে এই কোম্পানীটো লৰ্ড স্বৰাজ পালে ক্ৰয় কৰে। সোণাৰিৰ নাতিদূৰত আসাম কোম্পানীয়ে টাওকাক আৰু টিঙালীবাম আৰু নগৰৰ গাতে লাগি থকা টীয়ক ৰজাবাৰী বাগিছা যোৰহাট কোম্পানীয়ে খোলে। একে সময়তে সোণাৰি আৰু বৰাহী বাগানো খোলা হৈছিল। এইদৰে পুৰণা সোণাৰি নগৰখনক চাৰিওফালে চাহ বাগানে আৱৰি ধৰিলে।

সোণাৰি অঞ্চলৰ চাহ শিল্পই গঢ় লৈ উঠাৰ লগে লগে ইয়াত বহুতো ধৰণৰ চাহিদাৰ উদ্ভৱ হ'ল। বাগান বিলাকত গোটখোৱা চাহাব সকলকে মুখ্য কৰি বনুৱা কৰ্মচাৰী সকলৰ বাবে আৱশ্যকীয় সামগ্ৰীৰ এখন বজাৰৰ চাহিদা আহিল। সেয়ে কোম্পানীৰ মালিক সকলে কলিকতা, ঢাকা, নোৱাখালি আদি ঠাইৰ পৰা বিভিন্ন বৃত্তিয়াল যেনে— কাপোৰ-কানিৰ বেপাৰী, জোতা-চেণ্ডেলৰ কাৰবাৰী, মুচিয়াৰ, নাপিত, ধোবা আনকি কচাই আদি আনি ইয়াত সংস্থাপিত কৰি এখন সাপ্তাহিক হাট বহুৱালে। ইয়াৰ ফলত সোণাৰিয়ে পুনৰ জন্ম লভিলে। যোৱা শতাব্দীৰ প্ৰথম আৰু দ্বিতীয় দশকত চৰকাৰৰ প্ৰশাসনৰ





সুবিধাৰ্থে সোণাৰিত এখন থানা, এটা মাটি বন্দবস্তি কাৰ্যালয় (উপপ্ৰতি সমহৰ্ত্তাৰ কাৰ্যালয়) এটা ডাক বঙলা আৰু লগতে এখন ঔষধালয় স্থাপন কৰে।

ইংৰাজ সকলে অৱসৰ বিনোদনৰ বাবে বৰ্তমান ভগৱতী প্ৰসাদ বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ আৰু ইয়াৰ কাষৰীয়া ঠাইখিনিক সামৰি এখন গল্ফ ক'ৰ্ছ পাতিছিল। তাৰ ক্লাব ঘৰটো বৰ্তমান সোণাৰি চাহ কৰ্মচাৰী সংঘৰ অফিচৰ সন্মুখৰ ওখ ঠাই টুকুৰাতে আছিল। প্ৰায় ১৯৫০ চন পৰ্যন্ত এই ঘৰটো পৰিত্যক্ত অৱস্থাত দেখা গৈছিল। বোধকৰো এই ঠাই টুকুৰা অলপ তলগৰীয়া হোৱাৰ বাবে মাজে মাজে টাওকাক নৈৰ পানীয়ে আমনি দিয়াৰ হেতুকে এই ঠাই ত্যাগ কৰি বৰ্তমান সোণাৰি কলেজ থকা ঠাই আৰু ৰাজহুৱা খেলমাটি সামৰি এখন প'ল' ফিল্ড কৰি ক্ৰিয়া কেন্দ্ৰটো ইয়ালৈ উঠাই আনে।

সোণাৰিৰ আশ-পাশৰ সমুদায় অঞ্চলত চাহ বাগান খোলাৰ বাবে সোণাৰিত জনবসতিৰ সুবিধা নোহোৱা হ'ল। ফলত সোণাৰি নগৰৰ একেবাৰে ওচৰৰ গাওঁখনলৈ (নাফুক চাংমাই) কমেও পাঁচ কি.মি. দূৰ হ'ল। সোণাৰি নগৰৰ জনবসতিৰ কাহিনী বেছ কৌতুহল উদ্দীপক। দেশ স্বাধীন হোৱালৈকে সোণাৰিত মাত্ৰ চাৰিঘৰ খাচ অসমীয়া মানুহ আছিল। তাৰে মৌজাদাৰৰ ঘৰ (প্ৰয়াত পাৰ্বতী প্ৰসাদ বৰুৱা) মৌজা চলোৱাৰ সুবিধাৰ্থে ইয়ালৈ অহা। পূৰ্বতে তেখেত সকলে প্ৰায় প্ৰত্যেক শনিবাৰে শিৱসাগৰৰ পৰা হাতীত আহি দেওবাৰে খাজানা সংগ্ৰহ কৰি সোমবাৰে পুনৰ হাতীত ঘূৰি যায়। এই ব্যৱস্থা কিছু অসুবিধাজনক আছিল। তাৰোপৰি সেই সময়ত বৰ্তমান নৰুৱাচালি আৰু সাপেখাতি মৌজা অভয়পুৰ মৌজাৰ অন্তৰ্ভূক্ত আছিল। ইতিমধ্যে তেখেত সকলে প্ৰায় পৰিত্যক্ত অৱস্থাত থকা সোণাৰি চাহ বাগিছাখন কিনি সোণাৰিত স্থায়ী ভাবে স্থায়ী ভাৱে বসবাস কৰিবলৈ লয়। আনটো পৰিয়াল আছিল প্ৰয়াত টঙ্কীনাথ শৰ্মাৰ। তেখেত বাগানৰ চাকৰি সূত্ৰে ইয়ালৈ আহি দক্ষিণ সোণাৰিত স্থিতি লৈ লগ সঙ্গৰ বাবে জোঁৱায়েক দুজনমানকো ইয়ালৈ আনে। তৃতীয়টো পৰিয়াল হ'ল প্ৰয়াত মণিৰাম দত্তৰ আৰু চতুৰ্থটো হ'ল প্ৰয়াত ৰামেশ্বৰ দাসৰ। এখেত সকলো বাগানত চাকৰি কৰিবলৈ আহি থিতাপি লোৱা। তেতিয়াৰ চিলেট জিলাৰ পৰা অহা ভালেকেইটা পৰিয়াল সোণাৰিত বাস কৰিছিল। জয় জয়তে চিলেটৰ পৰা অহা বাকি দুজনৰ নাম হ'ল— প্ৰয়াত বৈকুণ্ঠনাথ পাল আৰু প্ৰয়াত সুধীন্দ্ৰ চৰণ দে। দুয়োজনে হাবি জংঘল পৰ্বত কন্দৰেৰে ভৰপূৰ এই সুদীৰ্ঘ পথ খোজকাঢ়ি আহিছিল। ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ যোৱা বা কিছুদূৰৰ গাঁৱলৈ যোৱা লুংলুঙীয়া বাটে বাটে আহি সোণাৰি পায়হি। পেছাত বৈকুণ্ঠ পাল সোণাৰি আছিল যদিও তেওঁ ইয়াত এই ব্যৱসায় বেছিদিন চলোৱা নাছিল। তেওঁ ইংৰাজ চৰকাৰে প্ৰৱৰ্ত্তন কৰা কানিৰ মহল আৰু দেশী মদৰ মহলৰ মহলদাৰ হৈ অগাধ ভূ-সম্পত্তিৰ মালিক হয়গৈ। আনজন ব্যক্তিৰ ব্যৱসায় আছিল কমাৰ। তেখেতৰ এই বাগান প্ৰধান অঞ্চলটোত কলম কটাৰীকে আদি কৰি সকলো লোহাৰ সামগ্ৰীৰ একচেটিয়া কাৰবাৰ আছিল। পৰৱৰ্ত্তী সময়ত এই দুটা পৰিয়ালৰ আলমতে চিলেট, শিলচৰ আদি ঠাইৰ পৰা বহু পৰিয়াল আহি সোণাৰিত নিগাজিকৈ বসবাস কৰিবলৈ লয়।

ইংৰাজ চৰকাৰে তেওঁলোকৰ শাসন কিছু সুস্থিৰ হোৱাৰ পাছত, জন মফট্ মিল্‌চৰ প্ৰতিবেদনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ শিক্ষা আৰু স্বাস্থ্যৰ প্ৰতি দৃষ্টি দি মহকুমাই প্ৰতি একোখনকৈ লোকেল ব'ৰ্ড স্থাপন কৰে। এই ব'ৰ্ডবিলাকেই খোৱা পানীৰ বাবে ঠায়ে ঠায়ে পুখুৰী খনায় আৰু জনবসতিপূৰ্ণ তথা আৱশ্যকীয় যেন দেখা ঠাইত একোখন পাঠশালা খুলিছিল। শিক্ষাৰ নামত যোৱা শতিকাৰ তৃতীয় দশক পৰ্যন্ত সোণাৰিত মাথোন তেনে এখন পাঠশালাহে আছিল। দিচাং নৈত দুৰ্ঘটনাত পৰিয়ালটো নিঃশেষ হোৱা প্ৰয়াত ভগৱতী প্ৰসাদ বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে ভায়েক প্ৰয়াত পাৰ্বতী প্ৰসাদ বৰুৱাই ১৯৩৬ চনত সোণাৰিত এখন মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰে। মৌজাদাৰ প্ৰয়াত কামাখ্যা প্ৰসাদ বৰুৱাৰ বৰ্তমান ঘৰ থকা ঠাইতে স্কুলখন আছিল। দেশ স্বাধীন হোৱা সময়লৈকে এই স্কুলখনেই গোটেই অঞ্চলটোৰ একমাত্ৰ শিক্ষানুষ্ঠান। দেশ-বিভাজনৰ পাছত বঙ্গদেশৰ পৰা দুটামান পৰিয়াল আহি সোণাৰিত বসতি কৰিবলৈ লয়। তাৰ মাজতে প্ৰয়াত নগেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী নামে এজন ব্যক্তি সোণাৰিলৈ আহি বৰ্তমান চৰাইদেউ কাছাৰীলৈ যোৱা ৰাস্তাতে এটা অস্থায়ী ঘৰ সাজি এখন বাংলা মাধ্যমৰ উচ্চ ইংৰাজী বিদ্যালয় স্থাপন কৰে। সোণাৰি যি দুই চাৰিঘৰ অসমীয়া মানুহ লগতে ওচৰচুবুৰীয়া গাঁৱৰ ৰাইজে তেতিয়াহে সম্বিৎ ঘূৰাই পালে। ফলস্বৰূপে খৰধৰকৈ ৰাজহুৱা সভাপাতি আলোচনা কৰি ভগৱতী প্ৰসাদ বৰুৱা মধ্য ইংৰাজী বিদ্যালয়খনকে উচ্চ ইংৰাজী বিদ্যালয় পৰ্যায়লৈ উন্নীত কৰাৰ সিদ্ধান্ত কৰা হয়। সিদ্ধান্তহে হ'ল কামটো কিন্তু বৰ সহজ

নহ'ল ; ঘৰ দুৱাৰৰ সমস্যা, আৱশ্যকীয় শিক্ষকৰ অভাৱে প্ৰাচীৰ ৰূপে থিয় দিলে। সেই সময়ত সোণাৰি হৰি সভাৰ গাতে লাগি এটা প্ৰেক্ষাগৃহ আছিল আৰু তাতে প্ৰথমে শ্ৰেণীসমূহ লোৱা হৈছিল। বৰ্তমান বৰুৱা মাৰ্কেটতে পূৰ্বে চুৰমাভেলি বেঞ্চে ব্যৱহাৰ কৰা মৌজাদাৰ পৰিয়ালৰ এটা ঘৰ অব্যৱহৃত হৈ আছিল। তাতে সংযুক্ত কৰি কোঠা দুটামান সাজি ঘৰৰ অস্থায়ী ব্যৱস্থা কৰা হ'ল। শিক্ষৰ্কৰ অভাৱ পুৰণ কৰাটো বেছ কঠিন আছিল। প্ৰয়াত বসন্ত কুমাৰ দত্ত, গীতি কবি প্ৰয়াত পাৰ্বতী প্ৰসাদ বৰুৱা আদি নমস্য ব্যক্তিয়েও এই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰিব লগা হৈছিল। বহু যোগাযোগ কৰি যোৰহাট পেপেৰা গাঁৱৰ প্ৰয়াত বানেশ্বৰ দত্তক সহকাৰী শিক্ষক হিচাপে নিযুক্তি দি পাছত অস্থায়ী ভাৱে প্ৰধান শিক্ষক পতা হয়। অশেষ টনা-আজোৰা, আলৈ-আহুকালৰ মাজেদি দুয়োখন উচ্চ-ইংৰাজী বিদ্যালয় একত্ৰিত কৰি প্ৰয়াত পাৰ্বতী প্ৰসাদ বৰুৱাৰ এহা-শুধীয়া চেষ্টাত স্কুলখন বৰ্তমান থকা ঠাইৰ নিজগৃহলৈ নিয়া হয় আৰু ১৯৬৮ চনত উচ্চতৰ ইংৰাজী বিদ্যালয় পৰ্যায়লৈ উন্নীত কৰা হয়। এই বিদ্যালয়ৰ বুকুতে এই বিদ্যালয়ৰে শিক্ষক-কৰ্মচাৰী সকলৰ চেষ্টাত সোণাৰি নতুন হাইস্কুল নামেৰে ১৯৬৮ চনত অন্য এখন বিদ্যালয় জন্ম হয়। ১৯৭১ চনত প্ৰয়াত প্ৰণভিৰাম বৰুৱা আৰু তেখেতৰ ভাতৃ সকলৰ দানেৰে তেখেত সকলৰ মাতৃৰ নামেৰে পদ্মকুমাৰী বৰুৱা উচ্চ ইংৰাজী বালিকা বিদ্যালয় নামাকৰণ কৰি প্ৰয়াত কনক চন্দ্ৰ বৰুৱাৰ তত্ত্বাৱধানত স্কুলখন বৰ্তমান থকা ঠাইলৈ নিয়া হয়। এইখন বিদ্যালয়ো ১৯৮৫ চনত উচ্চতৰ পৰ্যায়লৈ উন্নীত কৰা হয়। প্ৰয়াত চান্তালাল আগৰৱালা আৰু মঃ আলতাফ হুছেইনৰ চেষ্টাত লগতে সোণাৰি বাসীৰ সহযোগত ১৯৭৪ চনত সোণাৰি টাউন হাইস্কুলখন প্ৰতিষ্ঠা কৰা হয়। শেহতীয়াকৈ সোণাৰিত এখন হিন্দী উচ্চ মাধ্যমিক বিদ্যালয় স্থাপিত হৈছে। চেইন্ট জ'চেফ আৰু হাজী ওচিমুদ্দিন মিছন স্কুলকে মুখ্য কৰি ইতিমধ্যে সোণাৰিত ভালে কেইখন ব্যক্তিগত খণ্ডৰ স্কুল স্থাপন কৰা হৈছে।

১৯৭০ চনত নতুন খেলমাটিৰ পৰিত্যক্ত ক্লাৱ ঘৰটোতে সোণাৰি অঞ্চলৰ ৰাইজে সোণাৰি কলেজ নামেৰে এখন কলা বিভাগৰ মহাবিদ্যালয় আৰম্ভ কৰে। ১৯৮২ চনৰ পৰা ইয়াত বিজ্ঞান শাখাটো আৰম্ভ কৰা হয়। ১৯৭৮ চনত কলা শাখাটো চৰকাৰে ঘাটি মঞ্জুৰী ব্যৱস্থাৰ অধীনলৈ নিয়ে। ইয়াৰ পাছত ১৯৯১ চনত সোণাৰিত এখন বাণিজ্য মহাবিদ্যালয় আৰম্ভ কৰা হয়। অতি সম্প্ৰতি ইলাইট একাডেমী নামেৰে ২০০৬ চনত আৰু সোণাৰি জুনিয়ৰ কলেজ নামেৰে ২০১০ চনত দুখন জুনিয়ৰ কলেজ প্ৰতিষ্ঠিত হয়।

দেশ স্বাধীন হোৱাৰ সময়ৰ পৰাই বিভিন্ন মেলে-মিটিঙে সোণাৰিত এটা মহকুমা স্থাপনৰ কথা আলোচনা বিলোচনা হৈ থাকে যদিও আগ-ভাগ লওঁতাৰ অভাৱত বিশেষ আগবাঢ়িব পৰা নাছিল। যোৱা শতিকাৰ পঞ্চম দশকত অসমৰ ভূমি পুনৰ জৰীপ হৈছিল। সেই সংক্ৰান্তত তৎকালীন উপপ্ৰতি সমহৰ্ত্তা প্ৰয়াত জগন্নাথ ঠাকুৰ বেঙেনাবাৰীলৈ আহোতে কথা প্ৰসঙ্গত সোণাৰিত এটা মহকুমাৰ আৱশ্যকতাৰ বিষয়টো উত্থাপিত হয়। তাত উপস্থিত থকা অঞ্চলটোৰ গণ্যমান্য ব্যক্তি সকললৈ তাৎক্ষণিক ভাৱে সোণাৰি মহকুমা গঠন কৰ্ম পৰিষদ নামেৰে এখন সমিতি গঠন কৰি যাৱতীয় ব্যৱস্থা ল'বৰ বাবে প্ৰয়াত হেম বসুমতাৰীক ৰাইজে দায়িত্ব দিয়ে। তেখেতে চাইকেলেৰে গোটেই অঞ্চলটো ঘূৰি পকি ৰাইজক সচেতন কৰাৰ লগতে বিভিন্ন চৰকাৰী কাৰ্যালয়লৈ গৈ তথ্য পাতি সংগ্ৰহ কৰি আনকি প্ৰস্তাৱিত মহকুমাটোৰ সীমা ক'ত হ'ব এই বিষয়েও স্থানীয় জনা-বুজা মানুহৰ লগত বিতংভাৱে আলোচনা কৰি এখন স্মাৰক পত্ৰ প্ৰস্তুত কৰিছিল। প্ৰথমে ২৮/১১/৭৩ তাৰিখে এই স্মাৰক পত্ৰখন চৰকাৰৰ ওচৰত দাখিল কৰা হয়। তাৰ পাচতো তিনি চাৰিবাৰ মান একোটাকৈ সজাতি দল লৈ তেখেতে তেতিয়াৰ মুখ্যমন্ত্ৰী, ৰাজহমন্ত্ৰী আদিক সাক্ষাৎ কৰিছিল। এনেদৰে বহু আবেদন নিবেদনৰ মূৰত সোণাৰিত ১৯৮৩ চনত চৰাইদেউ মহকুমা স্থাপনৰ কথা ঘোষণা কৰি কাম কাজ আৰম্ভ কৰা হয়। মহকুমা স্থাপনৰ লগে লগে সোণাৰি নগৰখন সকলো দিশৰ পৰা আগবাঢ়ি যায়। ঠিক মহকুমা ঘোষণাৰ আগে পাছে প্ৰয়াত পাৰ্বতীপ্ৰসাদ বৰুৱাৰ পৰিয়ালে পাৰ্বতীপুৰ গ্ৰান্টৰ মাটিবিলাক বিক্ৰী কৰাত আৰু বহু পৰিয়াল আহি ইয়াত বসতি কৰিবলৈ লোৱাত নগৰখনৰ সৌষ্ঠব বৃদ্ধি হৈছে। ◆





# The Impact of Renaissance on English Literature

**DR. Anita Konwar**
***Asstt. Professor***
***Dept. of English***

The 'Renaissance' was in essence an intellectual re-birth. It showed itself in the effort of the individual to free himself from the rigid institutions of the Middle Ages, feudalism and the church; and to assert his right to live, to think and to express himself in accordance with a more flexible secular code. In a narrow sense, it means a new spirit in learning, but in the wider sense, it implies all those important movements of fifteenth and sixteenth centuries which changed the medieval outlook into the modern one. It is said to have begun in Italy in the late 14th and 15th centuries and to have continued both in Italy and other countries of western Europe, through the 15th and 16th centuries. But, it took some time for the renaissance spirit to reach England and did have its flowering till the Elizabethan and Jacobean periods.

The Renaissance was not only an English but a European phenomenon and basically it signalised a thorough substitution of the medieval habits of thought by new attitudes. The dawn of the renaissance came first to Italy and a little later to France. To England it came much later, roughly about the beginning of the sixteenth century. It is really difficult to date the renaissance; however it may be mentioned that in Italy the impact of Greek learning was first felt when after the Turkish conquest of Constantinople, the Greek scholars fled and took refuge in Italy carrying with them a vast treasure of ancient Greek literature in manuscript. The study of this literature fired the soul and imagination of the Italy of that time and created a new kind of intellectual and aesthetic culture quite different from that of the Middle Ages. The light of the renaissance came very slowly to the isolated island of England, so that when it did come in all its brilliance in the sixteenth centry, the renaissance in Italy had already become a spent force.

The coming of the renaissance in European literature was mainly occasioned by two factors. In the first place, there was a renewed contact with the Greek and Italian masters. The fall of Constantinople to the Turks acted as a blessing in disguise and scattered the rich literary and scholastic lore of Greece and Rome all over Europe. Secondly, there was the immense expansion of human imagination as a result of discoveries beyond the seas. A kind of national literature, inventive and creative grew everywhere. The classical renaissance implied a knowledge as well as imitation of the great literature of the golden past of Greece and Rome. It also involved a sort of effective acquaintance with and the capability of the use of the Greek

and Latin language. That new learning of the old knowledge of classical antiquity had its beginning in Italy, but it gradually passed into other European lands-France, Spain, Germany and finally to England.

The influence of the renaissance came rather late in England because of the geographical situation. Its first impact was manifested in the humanistic literature that developed in England. And the first great work of humanism in prose was *Utopia* by Thomas More and it was rightly called the first literary monument of modern socialism. The influence of renaissance was much accelerated by William Caxton, whose invention of the printing press made publication and circulation of books easy. Italian renarssance drew the attention of the scholars of the renowned universities, Oxford and Cambridge. They became two centres of renaissance in England. Some scholars of Oxford University came to Italy to study the new Learning. Gracyn Lily and Thomas Linacre also followed them. After their return they inspired the people of England for the study of classical learning. John Colet belonged to the family of a rich merchant of London. He was a learned scholar of classical language and the teaching of Gracyn influenced him very much and he later on decided to go to Italy for further studies. Later on, he founded schools like St. Paul's School which ultimately championed the cause of renaissance.

Apart from the scholars, Tudon kings also helped in the progress of renaissance. Under the liberal rule of Henry VII, Henry VIII and Elizabeth, renaissance flourished in England. The impact of renaissance was evident in all the branches of English literature. It was in the sphere of English poetry that the impact was first keenly perceived. The new literary form, 'sonnet' was introduced by Wyatt in Italy. His model was Petrarch. Another eminent sonneteer was Surrey. Surrey was a competent and graceful craftsman. His sonnets run with greater metrical smoothness than Wyatt's. One of the men of letters of the Elizabethan age is Sydney. His 'Astrophel and Stella' contains a series of 108 sonnets about his own frustrated love for Penelope, the daughter of the Earl of Essex. The sonnets were possibly written between the years 1580 and 1584, and published in the spring of 1591, after Sydney's death. He followed Petrarch in the Italian master's poetic worship of Laura in the first series of his sonnets. Another important poet of the Elizabethan age is Edmund Spenser. His sonnet series 'Amoretti', a collection of eighty-nine sonnets, which appeared in 1595, has actually an Italian title inspired by Petrarch. Inspired by the Petrarchan model, these sonnets are on love and passions and moods of the lovers. His rhyme-scheme is ab ab, bc bc, cd, cd, ee.

The greatest name in English sonnets is William Shakespeare. One hundred and fifty four sonnets of Shakespear stand out as the specimens of his unparalleled art. The form used in Shakespeare's sonnets as pointed out already was invented by Henry Howard, Earl of Surrey. The fourteen lined Shakespearean Sonnet is divided into four parts-three quatrains and a concluding couplet. In his sonnets, the quatrains state the poet's argument and the couplet sums up his theme. There are altogether seven rhymes as opposed to the five of the conventional Petrarchan sonnet and these are – ab, ab, cd, cd, ef, ef, gg. The various types of themes of the sonnets of Shakespeare are – marriage, friendship, love, self-love, the ravages of time, mortality and death etc.

The most potential influence of the renaissance was however witnessed in the field





of drama. The medieval miracles, mysteries and moralities came to an end and there was an emergence of a new humanistic theatre under the influence of the classical masters. Regular tragedies, commedies and historical plays were written following the example of Seneca. Following the example of Seneca, the first English tragedy *Gorboduc* was produced. Plays like *Gorboduc* paved the way for the glorious march of the great romantic tragedies of Kyd, Marlowe and Shakespeare. In the sphere of comedy, under the influence of the Italian masters like Plautus and Terence, the earliest english comedies *Ralph-Roister-Doister* and *Gammer Gurton's Needle* were written.

In the Elizabethan age, there was a group of dramatists known as 'University Wits'. The group was more or less constituted of some young university scholars, highly cultivated literary men, who took writting as their profession. It was for all intents and purposes, a little literary constellation, of which Marlowe was the central sun, and round him revolved as accompanying stars, Lyly, Greene, Peele, Lodge and Nashe and Kyd. All of them had university education and classical scholarship. As an Oxford scholar and highly cultivated gentleman, Lyly was the author of several popular comedies as *Alexander, Gallathea* etc. He had sprung at a bound into fame by the publication of his prose romance *Eupheus* and *The Anatomy of Wit.* A more successful dramatist than Lyly was perhaps, Robert Greene. In Greene is also found a dignified predecessor of Shakespear as the creator of character and situations. His well-known plays include *Pandosto, King of Aragon, Friar Bacon* and *Friar Bungay* etc. The source of his plays are English history and traditions as well as medieval and foreign legends. George Peele as a dramatist was inferior to both Lyly and Greene. His dramatic works of importance were – *The Famous Chronicle of King Edward I, The Old Wives Tale* etc. Thomas Lodge's *The Defence of Plays* and Thomas Nashe's *The Wounds* of *Civil War* were most important plays they had written.

Another two greatest dramatists are Thomas Kyd and Christopher Marlowe. Both of them wrote tragedies and enjoyed a popularity which could be surpassed only by their great successor, William Shakespeare. Kyd, is known as the author of *The Spanish Tragedy.* He followed the model of Seneca and successfully exploited the revenge theme and filled the stage with melodramatic element. Marlowe's dramatic career lasted for a long time but was brightened with grand achievement. Within a brief period, he produced four well-known plays. These are – *Tamburlaine, Doctor Faustus, Edward II* and *The Jew of Malta.* Shakespeare is the another greater name in the world of drama of all times. Shakespearean scholars are now in general agreement that the twenty four years of his literary activity distinctly lead to the division of his creative career in four successive periods. The first period is from 1588 to 1595. During this period, Shakespeare with his youthful exuberance tried his hand at every form of dramatic literature – history plays, comedy and tragedy. The second period is a period of rapid growth and development from 1595 to 1600. Such plays as *The Merchant of venice, Misdummer Night's Dream, As You Like It* were all written in this period and they show more careful and artistic work, better plots and a marked increase of knowledge of human nature. The third period is a period of gloom and depression, from 1600 to 1607, which marks the full maturity of his powers. His great tragedies

*Hamlet, King Lear, Macbeth, Othello* and *Julius Caesar* belong to this period. The foruth period is a period of restored serenity. To this period belongs the tragedy *Antony* and *Cleopatra* which is followed by *Criolanus*, another tragedy which was generally not accepted to be the representative production of this period.

The renaissance manifested its influence in the sphere of prose also. Besides poetry and drama, English prose was also influenced by the spirits of renaissance. Sidney's *Arcadia*, Lyly's *Eupheus*, Greene's *Pandosto* were some significant prose works that displayed the dawn of a new spirit. The renaissance also influenced non-fictional critical works. Bacon's famous essays were first published in 1597 which contained ten essays which were enlarged later to fifty eight. They are full of practical wisdom designed to help in the successful conduct of life. The impact of the renaissance was equally evident on all the spheres of English literature.

The renaissance brought about the liberation of human thoughts and feelings and opened a wide vista of emotional freeness, imaginative flights and philosophical speculations in the sphere of art and literature. Indeed, the renaissance inspired and expanded the eager and inquisitive spirit of the English nation in the Elizabethan age. It simulated and sponsored the creative urge in every literary sphere in lyric or epic poetry, in romantic tragedy or comedy, in prose romances or critical writings.

Selected Bibliography :

Abrams, M.H. *A Glossary of Literary Terms*, New Delhi, Cengage Learning Private Ltd., 2005.

Albert, Edward, *History of English Literature*. Indian edition. New Delhi : Oxford University Press,.1979.

Long, William J. *English Literature*, Delhi : A.I.T.B.S. Publishers, 2003

Sanders, Andrew, *English Literature*. Indian edition. New Delhi : Oxford University Press, 2006. ◆

## কৌতুক

(১) শিক্ষক : বিজয়, তুমি এইবাৰ শ্ৰেণীত একেবাৰে কম দিন উপস্থিত আছিলা। গতিকে তোমাক এইবাৰ পৰীক্ষাত বহিবলৈ দিয়া নহ'ব।

বিজয় : কোনো কথা নাই বাইদেউ। মই এইবাৰ থিয় হৈয়েই পৰীক্ষা দিম।

(২) শিক্ষক : ঐ ৰাজু, হাতীৰ ওপৰত এখন ৰচনা লিখিব পাৰিবানে?

ৰাজু : নোৱাৰো ছাৰ

শিক্ষক : কিয়?

ৰাজু : ছাৰ লিখি থাকোতে যদি হাতীৰ ওপৰৰ পৰা পৰি যাওঁ তেতিয়া কি হ'ব?

(৩) স্ত্ৰী : হেৰি উঠক, ভূমিকম্পই ঘৰটো এফালৰ পৰা খহাই আনিছে।

স্বামী : বাদ দিয়াহে, শুই থাকা। আমাৰ চিন্তা কৰিবলৈ নাই, ভাৰাঘৰ যেতিয়া মালিকৰহে যাব।

(৪) এদিন শ্ৰেণীত শিক্ষকে ছাত্ৰ এজনক সুধিলেঃ

শিক্ষক : চেনি কল ক'ত আছে?

ছাত্ৰ : আমাৰ বাৰীত ছাৰ।

শিক্ষক : ইচঙ্গ খালি খালি।

ছাত্ৰ : খোৱা নাই ছাৰ। লাগিছেহে।






# বিশ্ব দৰবাৰত শংকৰদেৱক প্ৰতিষ্ঠা

হৃষীকেশ বুঢ়াগোহাঁই
দ্বাদশ শ্ৰেণী

*"জয় গুৰু শংকৰ সৰ্ব গুণাকৰ*
*যাকেৰে নাহিকে উপাম।*
*তোহাৰি চৰণ ৰেণু শতকোটি*
*বাৰেক কৰোহোঁ প্ৰণাম।*

প্ৰথমে মহাপুৰুষ মাধৱদেৱৰ আৰ্হিৰে আমি অভাজনেও ভগৱন্তৰ শ্ৰীচৰণত প্ৰণিপাত জনাই গুৰুজনাক প্ৰণামিলো।



"নিজ অংশে অৱতাৰী" শ্ৰীমন্ত শংকৰ গুৰুৱে যি অসাধ্য সাধন কৰি গ'ল তাক বৰ্ণনা কৰাৰ সাধ্য আমাৰ নাই। ব্ৰহ্মায়ো যাৰ অন্তৰ নাপায়, সেই পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণই কলিৰ যুগত অসমৰ ভূমিত শ্ৰীমন্ত শংকৰদেৱ নামেৰে জনাজাত হ'ল। সেইজনা সৰ্বগুণাকৰ মহাপুৰুষৰ বিষয়ে লিখিবলৈ যোৱাটো আমাৰ বাবে ধৃষ্টতাহে মাথোন। বিশ্বৰ অতি ক্ষুদ্ৰতম হৈ বৃহত্তমক ধৰিবলৈ যোৱা, বাওনা হৈ চন্দ্ৰক ধৰাৰ প্ৰয়াস কৰাৰ দৰে। এনে দুঃসাহসিকতাৰ অজানিতে অপৰাধৰ বাবে গুৰুজনাৰ ওচৰত নতশিৰে প্ৰণিপাত জনাই ক্ষমা মাগিছো।

শংকৰদেৱ সৰ্বগুণাকৰ। তেওঁৰ গুণৰ কোনো অন্ত নাই। শংকৰদেৱ বিশেষভাৱে অসমৰ লগত সমন্বিত হ'লেও ধৰ্ম বিশ্বাস, শিক্ষা, সংগঠন আদিৰ ক্ষেত্ৰত তেওঁ বিশ্বৰ ভিতৰতে এগৰাকী অতুলনীয় প্ৰতিভাসম্পন্ন ব্যক্তি। সেয়ে হয়তো মহাত্মা গান্ধীয়ে কৈছিল— "যি ধৰ্ম অৱলম্বন কৰি মই ৰামৰাজ্য কল্পনা কৰিছো তাতকৈ সুন্দৰ আৰ্হি শংকৰদেৱে অসমীয়া মানুহক দি গৈছে।" তথাপি কিন্তু শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ দৰ্শন সম্বন্ধে বিশ্বৰ সৰহভাগ লোকেই অজ্ঞাত। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল— "পৃথিৱীৰ তিনিজন কৃষ্টিৰ আকৰৰ অন্যতম অসমৰ অমৃত সন্তান শ্ৰীমন্ত শংকৰদেৱৰ বিষয়ে অলেখ আলোচনা-বিলোচনা, অধ্যয়ন-গৱেষণা লেখা-মেলা আদি হৈছে যদিও শ্ৰীমন্ত শংকৰদেৱ বিশ্ব দৰবাৰত যিদৰে প্ৰতিষ্ঠিত হ'ব লাগিছিল ঠিক তেনেদৰে হোৱা নাই।"

লিঅ'নাৰ্ড-ডা-ভিন্সিৰ বিষয়ে সমগ্ৰ বিশ্বই যিদৰে জানে ঠিক একেদৰে শংকৰদেৱৰ বিষয়ে জানেনে? ইয়াৰ কাৰণ হয়তো অনেক। কিন্তু এইজনা সৰ্বগুণাকৰ দৰ্শনৰ লগত বিশ্ববাসীক চিনাকি কৰাই দিয়াৰ সময় সমাগত হৈছে। সেয়েহে এইখিনিতে মহাপুৰুষজনাৰ দুই এটি অৱদানৰ বিষয়ে উনুকিয়াব বিচাৰিছো।

সমগ্ৰ পৃথিৱীয়ে জানে যে ১৮৯৫ চনৰ ২৫ মাৰ্চত পেৰিচত লুমিয়েৰ ভাতৃদ্বয়ে প্ৰথমখন অবাক চলচ্চিত্ৰ নিৰ্মাণ কৰি পৃথিৱীবাসীক প্ৰদৰ্শন কৰাইছিল। কিন্তু অসমত ইয়াতকৈ চাৰিশ বছৰৰ আগতে চলচ্চিত্ৰ প্ৰদৰ্শনৰ সূত্ৰ আৱিষ্কাৰ কৰি তাৰ দ্বাৰা দৃশ্য প্ৰদৰ্শন কৰোৱাই গুৰুজনাই মানুহক মন্ত্ৰমুগ্ধ

কৰি তুলিছিল। ইয়াৰ বাবে গুৰুজনাই ১২০ হাত দীঘল আৰু ২০ হাত বহল এখনি পাটৰ কাপোৰ নিৰ্মাণ কৰোৱাই তাত সপ্ত বৈকুণ্ঠৰ চিত্ৰবোৰ একাদিক্ৰমে নিজ হাতেৰে আঁকি উলিয়াইছিল, লগতে ইন্দ্ৰপুৰী স্বৰ্গৰ দৃশ্যাৱলী আৰু পৃথিৱীৰ গকুল বৃন্দাবনত শ্ৰীকৃষ্ণৰ ৰাসলীলাকে আদি কৰি সকলো দৃশ্যাৱলী হেঙুল-হাইতালেৰে ৰংচঙীয়া কৰি অংকিত কৰিছিল। এই বস্ত্ৰভাগিক বৃন্দাবনী বস্ত্ৰ বুলি নামাকৰণ কৰিছিল। এই বৃন্দাবনী বস্ত্ৰভাগি এটা ২০ হাত দীঘল কাঠৰ টোলোঠাত মেৰিয়াই ৰাখিছিল। যেতিয়া বস্ত্ৰভাগি তেৰাই দৰ্শকক প্ৰদৰ্শন কৰিছিল, সেইদিনা নিজে সূত্ৰধাৰী হৈ গীত-পদ গায়ন-বায়ন ইত্যাদি নিজে সকলো কাম একেলগে একেসময়তে দেখুৱাই দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰিছিল। টোলোঠাটোৰ পৰা বস্ত্ৰভাগি লাহে লাহে মেৰ খুলি দেখুৱায় আৰু ইতিমধ্যে দেখুওৱা অংশটো অন্য এটা ২০ হাত দীঘল টোলোঠাত মেৰিয়াই যায়। ঠিক যেনিবা আজিৰ চিনেমাৰ ৰীলটো। গতিকে বৃন্দাবনী বস্ত্ৰখনিকেই পৃথিৱীৰ প্ৰথম "চিনেমা বা চলচ্চিত্ৰৰ ৰীল" বুলি নিশ্চয় ক'ব পাৰি। এই দৃষ্টিভংগীৰে চালে পৃথিৱীত চিনেমা শিল্প প্ৰথম প্ৰদৰ্শন কৰোতাজন শ্ৰীমন্ত শংকৰদেৱ নিশ্চয় হ'ব।

আকৌ পৃথিৱীত প্ৰথম নদীবান্ধ প্ৰকল্পৰ নিৰ্মাণ কৰোতা ব্যক্তিজন হৈছে শ্ৰীমন্ত শংকৰদেৱ। গুৰুজনা বৰদোৱাত থকা কালছোৱাত টেম্বুৱনী নামৰ নৈখনে তাত প্ৰৱল বানপানী সৃষ্টি কৰিছিল। এইকথা দেখি গুৰুজনাই সমূহ ৰাইজক সমবেত কৰি সামূহিক শ্ৰমদানেৰে এটি বান্ধ নিৰ্মাণৰ কাম হাতত লয়। এই বান্ধটোৰ যোগেদি নদীখনৰ নামনিৰ কৃষক সকলৰ শস্য যেনেকৈ বানপানীৰ পৰা ৰক্ষা পৰিছিল তেনেদৰে নদীখনৰ উজনিৰ ফালৰ শস্য পথাৰত নিয়মীয়াকৈ পানী যোগান হৈছিল। আধুনিক পৃথিৱীত কিন্তু ১৮৯৭ চনতহে প্ৰথম নদীবান্ধ প্ৰকল্পটো নিৰ্মাণ কৰাৰ কথা পোৱা যায়। ইয়াৰ উপৰিও বাদ্যযন্ত্ৰ নিৰ্মাণ শিল্পলৈও গুৰুজনাৰ যথেষ্ট অৱদান আছে। খোল বাদ্য শ্ৰীমন্ত শংকৰদেৱৰ নিজা উদ্ভাৱন। শংকৰদেৱ বিৰচিত বৰগীত হৈছে এক স্বৰ্গীয় অনুভূতিৰ অতুলনীয় গীত। ইয়াৰ উপৰিও বিশ্ব শান্তি অৱদানলৈও তেৰাৰ অসীম অৱদান আছে।

*সকল প্ৰাণীক দেখিবেক আত্মসম।*
*উপায় মধ্যত ইটো অতি মুখ্যতম।।*

বৰ্তমান বিশ্বত গ্ৰাস কৰা অশান্তি, সন্ত্ৰাস আদি উপশম কৰি শান্তি প্ৰতিষ্ঠাৰ বাবে শ্ৰীমন্ত শংকৰদেৱে কীৰ্ত্তন পুথিৰ যোগেদি দি থৈ যোৱা ওপৰোক্ত বাণীৰ যথাৰ্থ ব্যৱহাৰ কৰিব পাৰি। বৰ্তমান সমগ্ৰ বিশ্ব "গ্লোবেল ৱাৰ্মিং"ৰ প্ৰভাৱত বিধ্বস্ত। এই অৱস্থাৰ পূৰ্বানুমান কৰি গুৰুজনাই কৈছিল।

"দশপুত্ৰ সম এক বৃক্ষ", অৰ্থাৎ এজোপা গছ দহজন পুত্ৰৰ সমানেই মূল্যৱান। গতিকে গছ কাটি নিজৰেই বিপদ চপাই লোৱা অনুচিত। গুৰুজনাৰ এনে দৰ্শন সঁচাই বিৰল।

গুৰুজনাই সমাজ তথা বিশ্বলৈ যি অৱদান আগবঢ়াই থৈ গ'ল তাক বৰ্ণনা কৰি শেষ কৰা অসম্ভৱ। তথাপি বিশ্ববাসীৰ জ্ঞাতাৰ্থে দুই-এটা কথা অৱতাৰণা কৰাৰ চেষ্টা কৰা হৈছে। এইখিনিতে অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি এফাঁকি ঘোষাৰে সামৰিছো।

*"অপৰাধ বিনাশন তযু নামে নাৰায়ণ*
*জানি নামে পশিলো হৰণ*
*আন গতি নাহিকে মৰণ*
*অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি*
*মোক ৰক্ষা কৰিও চৰণে।"* ◆





# Women's History And Its Importance

**Lindy Goodwin**
**Asstt. Professor, Dept. of History**
**Sonari College**

## Origin

Women's history is the study of the contribution and role of women in history. It also includes the study of the history of the growth of women's rights movement. It attempts to examine individual women of historical significance along with the affect of specific events of historical importance on status of women. The basic belief of women's history is that traditional recordings of history have minimized or ignored the contributions of women and the effect that historical events had on women as a whole; in this respect, women's history is often a form of historical revisionism, seeking to challenge or expand the traditional historical consensus.

Noted feminist and historian Gerda Lerner said in her book Gender and History, "When I started working on women's history about thirty years ago, the field did not exist. People didn't think that women had a history worth knowing." History was and is primarily written mainly by men and about men's activities in the public sphere– war, politics, diplomacy and administration. Women are usually excluded and, when mentioned, are usually portrayed in sex-stereotypical roles, such as wives, mothers, daughters and mistreses. Two significant factors contributed to the emergence of women's history. The women's movement of the sixties caused women to question their invisibility in traditional American history texts. The movement also raised the aspirations as well as the opportunities of women, and produced a growing number of female historians. The course of study called "women's history" began in the 1970s with the rise of feminist thinking about women's issues. Some historians noticed that women's perspective and earlier feminist movements were largely left out of the history books. These historians, mostly women, began to offer courses or lectures that highlighted what history looked like, from a women's perspective. As they uncovered nearly-forgotten history of women's struggles for equality and freedom, they realized that a short lecture or single course would not be adequate.

The political background of women history is very closely related to the feminist movement and so women's history and feminist history is often used synonymously though there is an important difference while the first seeks to rediscover the historical importance of women the latter seeks to study the power play between men and women. The writing of women's history has always been closely linked with contemporary feminist politics as well as with charges in the discipline of history

itself. Suffrage campaigners were also anxious that the achievement of the vote, and women's part in gaining this victory, should not become lost from view and therefore they took an active part in constructing a narrative of the campaign that would have a long-lasting influence on subsequent generations of historians. The Suffragette Fellowship and the Library of the London Society for Women's Service (successor of the London women's suffrage organisation led by Millicent Fawcett) were established in the 1920s to collect source material about the militant and constitutional sides of the movement respectively, while many campaigners produced autobiographies about the suffrage years. Political activists again pointed to the lack of references to women in standard texts and sought to re-discover women's active role in the past. It was the Women's Liberation Movement (WLM), or 'second wave feminism', from the late 1960s that would have the greatest impact on the writing of women's history. Sheila Rowbotham produced a pioneering study, *Hidden From History* that was followed by detailed investigations into varied aspects of women's lives, including employment, trade unionism, women's organisations, family life and sexuality.

**SOURCES :**

When women's history began to be written most of the scholars were surprised at the amounts of material that were, indeed, available. And so the fields of women's studies and women's history began to seriously study not only the history and issues of women – but also to try to keep the history from being once more forgotten. In uncovering some sources of historical material, they also realized that other sources were lost or unavailable. Because at most times in history women's roles were not in the public realm, their part in history often didn't make it into the historical records. To study women's history, a student has to be creative the official documents and older history books don't always include much of what's needed to understand what women were doing in a period of history. Instead, the women's historian often needs to turn to journals and diaries and letters, which were forms of writing by some women that were preserved. Sometimes women wrote for journals and magazines, too, though the material may not have been collected as rigorously as writings by men have. Historians have taken more interest in women's lives during the past twenty-five years than ever before. This interest has resulted in extensive research on the important roles that women have played in the past. Today, women's history resources are available from almost every bookstore, college campus, museusm and historical society. The Internet has also made much of this material more accessible to historians, students, teachers and researchers. Traditional history has largely ignored women because their lives have focused on home and family, subjects that historians have not considered being important. Newer interpretations of history focus more on the contributions of women – contributions that are often very different from those made by men, but still integral to understanding our past. This focus provides us with a view of history that is more inclusive.

**NECESSITY :**

Women have always had a different wold view. The development of society cannot have been brought about by the presence and contributions of men alone. So it is most





essential to know what the women's point of view has been in the past. Many of the activities with which women were involved – maintaining household, raising families, educating children, caring for the sick nd elderly – are long-term and gradual rather than dramatic. So noted Duke University historian Anne Firor Scott has rightly commented that women's history changes the definition of achievement. The view that acievement lies is waging wars, conquering lands or manual labour (which are achievements of men) is slowly being dispelled. We need to know of the struggles of women when the men were busy with these activities. When we learn about women's history, we learn of a history that is as familiar to us as our own lives. Apart from knowing the reality of of our society's history we also know how present day and past social attitude towards women has been formed. We get to know of the various social evils have tormented and limited women and for our knowledge Indian women in particular. We learn how these social evils are not prevalent due to superstitions but also due to the long attempt of a patriarchal society to maintain male domination.

**RELATION WITH SOCIAL HISTORY :**

When women sought to question inequalities in their own lives they turned to history to understand the roots of their oppression and to see what they could learn from challenges that had been made in the past. If a woman's role could be shown to be socially constructed within a specific historical context, rather than natural and universal, then feminists could argue that it was open to change. A context was provided by developments in social history and the social sciences that shougt to recover the history of less powerful groups – 'history from below' or subaltern history and challenged conventional wisdoms about what should be seen as historically significant. Women's history became an important part of this form of social history; it not only contributed to Subaltern history but also gained immensely from it in the bargain. Women's history is inseparable from the broader realm of social history however its very existence testifies to the fact that it has been grossly neglected and excluded from this realm in the past.

**PRESENT DEVELOPMENTS AND CONCLUSION :**

Publishing outlets increased with the development of a women's press, and new journals such as *Gender and History* and *Journal of Womens History* came to be published. The International Federation for Research in Women's History (IFRWH), established in 1987, has similar aims and encourages co-operation across national boundaries. The retrieval of sources has also been crucial in ensuring the continuing growth of women's history. The Women's Library, part of London Metropolitan University, plays a pivotal role here – as well as providing an internationally renowned resource, it also promotes women's history through varied events and seeks to inspire debate in the area. Gender history has increased in popularity and research into women's history is an area of prime focus. The expansion of higher education opened up more jobs for women academics who were able to influence the curriculum and to introduce women's history courses. Women's history is now far more embedded in the curriculum in higher education than half a century ago, the number of professors in

women's history has increased and there are far more publishing outlets. On the other hand women's studies courses both at undergraduate and at postgraduate level are still minimized. Even in mainstream history textbooks women are still accorded the dignity of a single paragraph or page. In this context it remains importance to promote research into women's history both inside the academy and in the wider community. The close relationship between contemporary feminist politics and historical practice means that women's history is still able to excite enthusiasm and is constantly changing, developing new areas to research and new concepts and approaches with which to analyse them. It can be concluded that for any scholar interested in social sciences, women's history is unavoidable and indispensable. It should also be noted that women's history doesn't limit itself to the purview of simply history, but seeks to encompass all aspects and subjects related to human society.

**REFERENCES :**


1. Women's history, feminist history – Jone Hammam.
2. About Women's History – A Short Overview – Jone Johnson Lewis.
3. Why Study Women's History – Margaret Supplee Smith & Emily Herring Watson.
4. Women's History : A study in continuity and change– Judith M Bennet.
5. Women's History Today – June Purvis.
6. Wikipedia.com ◆


* বিশ্বৰ আটাইতকৈ পুৰণি শব্দ কেইটা হ'ল Apple, Bad, Gold আৰু Tin ইংৰাজী ভাষাৰ এই শব্দ কেইটাকে ভাষাবিদ সকলে বিশ্বৰ প্ৰাচীনতম শব্দ বুলি মানি লৈছে।

* গিনিছ বুক অব ৱৰ্ল্ড ৰেকৰ্ডৰ আৰ্হিত ১৯৯০ চনৰ পৰা ভাৰতত 'লিমকা বুক অব ৰেকৰ্ডছ' নামৰ এখন গ্ৰন্থ প্ৰকাশ হৈছে। এইখন গ্ৰন্থত ভাৰতৰ বিভিন্ন অভিলেখ, আশ্চৰ্যকৰ কথা প্ৰক্ৰিয়াই কৰা হৈছে।

* চীনা ভাষাৰ আটাইতকৈ জটিল শব্দটো লিখিবলৈ ৬৪ ডাল আঁক টানিব লাগে। এই শব্দটোৰ অৰ্থ হ'ল কথকী (Talkative)





# স্বাধীনোত্তৰ কালৰ লোকাচাৰ-লোকবিশ্বাসত 'গৰু-বিহু'ৰ পৰম্পৰা


ৰীতা দত্ত
মূৰব্বী অধ্যাপিকা
অসমীয়া বিভাগ


লোকবিশ্বাসসমূহ যুগ যুগ ধৰি মানুহৰ মাজত চলি আহিছে। কিন্তু আমাৰ আলোচনাৰ বিষয়বস্তুৰ সীমা নিৰ্দ্ধাৰণ কৰা হৈছে স্বাধীনতা লাভৰ পিছৰ সময়ছোৱা — য'ত উক্ত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, বিশ্বাস-পৰম্পৰাবোৰলৈ অনেক পৰিবৰ্তন নামি অহা সহজেই অনুমেয়। আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণে 'গৰু-বিহু' কেন্দ্ৰিক লোকাচাৰ সমূহ দেখুৱাবলৈ যত্ন কৰা হৈছে—

(১) প্ৰাক্-স্বাধীনতা কালৰ ৰঙালী বিহুৰ লোকাচাৰ।
(২) স্বাধীনোত্তৰ কালৰ ৰঙালী বিহুৰ লোকাচাৰ
(৩) প্ৰাক্-স্বাধীনতা কালৰ 'গৰু-বিহু' কেন্দ্ৰিক লোকাচাৰ
(৪) স্বাধীনোত্তৰ কালৰ 'গৰু-বিহু' কেন্দ্ৰিক লোকাচাৰ
(৫) পৰিবৰ্তনৰ ইতিবাচক আৰু নেতিবাচক দিশ

**লোকাচাৰৰ অৰ্থ আৰু স্বৰূপ ঃ**

'লোক' শব্দৰ লগত 'আচাৰ' শব্দ সন্ধি হৈ লোকাচাৰ শব্দৰ সৃষ্টি হৈছে। 'লোকাচাৰ' মানে "সাধাৰণৰ মাজত চলিত আচাৰ পদ্ধতি।"[১] অৰ্থাৎ সাধাৰণ মানুহে মানি অহা নিয়ম-নীতিবোৰকেই লোকাচাৰ বোলা হৈছে। "স্মৃতি-সাহিত্যৰ বিধি-বিধান অথবা শাস্ত্ৰত লিপিবদ্ধ নোহোৱাকৈ যিটো আচাৰ ব্যৱহাৰ লোকসমাজত যুগ যুগ ধৰি চলি আহিছে সেইটোৱেই লোকাচাৰ"[২]। উক্ত 'সাধাৰণ মানুহ' শ্ৰেণীটোৱে সকলো মানুহকে সাঙুৰি লৈছে। "এজন ব্যক্তি বাহিৰৰ সভ্যতা-সমাজ, শিক্ষা-সংস্কৃতি, তথাকথিত আধুনিকতা, বৈজ্ঞানিকতা, উচ্চ আৰু নিম্ন পদবীৰ আৱৰণৰ তলত এজন সাধাৰণ মানুহ বা 'মামুলী মানুহ'। অৰ্থাৎ প্ৰত্যেক ব্যক্তি ভিতৰি "লোক"[৩]। জনৰীতি আৰু লোকাচাৰৰ মাজত সূক্ষ্ম পাৰ্থক্য আছে। জনসমাজে গতানুগতিক ভাৱে পালন কৰি অহা ৰীতি-নীতি বিলাকক 'জনৰীতি' বুলি গ্ৰহণ কৰিলে লোকাচাৰ হ'ব "জনৰীতিতকৈ অধিক প্ৰত্যক্ষ ৰূপত সমাজৰ মৌলিক প্ৰয়োজনৰ সৈতে সম্পৰ্কিত আচৰণ। জনৰীতিত যিবোৰ নিয়ম কঠোৰ আৰু ভঙ্গ কৰিলে সমাজৰ চকুত দোষণীয় ৰূপে পৰিগণিত হয়, তেনে আচাৰ-আচৰণকেই 'লোকাচাৰ' বুলিব পাৰি"[৪]।

ঠিক তেনেদৰে 'লোকবিশ্বাস'ৰ জন্মও হয় লোকমনৰ জগততেই। "সাধাৰণতে যি সমাজৰ মানসিক দিগন্তৰ পৰিসৰ তুলনামূলক ভাৱে সীমিত আৰু বিচাৰ-বিবেচনাৰ পৰিসৰ ঠেক তেনে সমাজতহে লোকবিশ্বাসৰ বা অন্ধবিশ্বাসৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া সুদূৰপ্ৰসাৰী।"[৫]। এনেদৰে লোকাচাৰ

**প্ৰাক্-স্বাধীনতা কালৰ 'ৰঙালী বিহুৰ' লোকাচাৰ ঃ**

অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ লোকসকলে বিহু বা সমধৰ্মী কৃষি উৎসৱ সমূহ স্থানভেদে বা জনগোষ্ঠীভেদে পৃথক পৃথককৈ পালন কৰি আহিছে। ড° লীলা গগৈদেৱৰ ভাষাত "এসময়ত অসমত যেতিয়া বিভিন্ন জনগোষ্ঠীৰ মানুহে সুকীয়া সুকীয়াকৈ বসবাস কৰিছিল, সেই সময়ত একে বতৰতে হ'লেও বিভিন্ন দিনতহে বিহু উৎসৱ পালন কৰিছিল আৰু তাকে কৰোঁতে আমাৰ বিহুতকৈ দুদিনমান অগা-পিছা হয়। এইদৰে দুদিনমান অগা-পিছা হোৱাৰ দৰে বিভিন্ন পৰিৱেশ, প্ৰাচুৰ্য আৰু আঞ্চলিক প্ৰয়োজনীয়তাৰ দাবীত ঠায়ে ঠায়ে বিহুৰ আনুসংগিক লোকাচাৰসমূহে গঢ় লয়।"

বিহু প্ৰধানতঃ কৃষিভিত্তিক উৎসৱ। সেয়ে এই বিহুত গৰুৱে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰঙালী

বিহুত পালনীয় প্ৰধান প্ৰধান লোকাচাৰ সমূহ হ'ল—

(ক) গৰু বিহু

(খ) হুঁচৰি গোৱা

(গ) খেল-ধেমালি

(ঘ) সাত শাক খোৱা — ইত্যাদি।

**স্বাধীনোত্তৰ কালৰ 'ৰঙালী বিহু'ৰ লোকাচাৰ ঃ**

জীৱিকাৰ তাড়নাতেই হওক বা অন্যান্য কাৰণত গ্ৰাম্যাঞ্চলৰ লোক সকলৰ বহুলাংশই যেতিয়া চহৰলৈ গতি কৰিবলৈ ধৰিলে, লাহে লাহে আমাৰ পৰম্পৰাবোৰলৈও পৰিবৰ্তন আহিবলৈ ধৰিলে। সংস্কৃতিয়ে সদায় সমাজৰ পাছে পাছে বাট বোলে। দ্বিতীয় বিশ্বযুদ্ধই জোকাৰি যোৱা অসমীয়া সমাজখনলৈ অভাৱনীয় পৰিবৰ্তন অহাৰ লগে লগেই বৃটিছ শাসনৰ পৰাও অসমে মুক্তি লাভ কৰিলে। ফলত পৃথিৱীৰ লগত ফেৰ মাৰিবলৈ কিছুসংখ্যক অসমীয়াই চেষ্টা অব্যাহত ৰাখিবলৈ ল'লে। ফলত বিহুক জাতীয় উৎসৱৰ সন্মান দিয়েই মঞ্চলৈ আনি অন্যান্য জাতিৰ আগত পৰিচয় কৰাবলৈ তেওঁলোকে উপায় বিচাৰিবলৈ ধৰিলে। ফলত "১৯৫১ চনত গুৱাহাটীৰ লতাশিল খেলপথাৰত মঞ্চ সাজি প্ৰথম ৰাজহুৱা বিহু অনুষ্ঠিত কৰা হয়।" বিহুৰ ইতিহাসত ই এক যুগান্তকাৰী ঘটনা হিচাপে পৰিগণিত হ'ল। তাৰ পাছৰে পৰা বিহু আৰু মঞ্চৰ পৰা নানামিল।"[৭]। বৰ্তমান এই মঞ্চ বিহুৱে ৫৯ বছৰত ভৰি দিছে। ইয়াৰ পৰিণতি হিচাপে গাঁৱে-ভূঞেঁ ঢোলৰ শব্দই গিৰ্‌গিৰাই থাকিবলৈ এৰিলে। মঞ্চৰ বিহু চাবলৈ মানুহ চহৰলৈ ঢাপলি মেলিলে। বিহুৱান, পিঠা-পনাই বজাৰত ঠাই পালে। কম সময়ত মাটি চাহ কৰি যুৱক-যুৱতীয়ে কেৰিয়াৰৰ সন্ধানত চহৰলৈ বাট বুলিলে, গৰু-ম'হৰ হালৰ সলনি পথাৰত পাৱাৰ টিলাৰৰ ব্যৱহাৰ হ'বলৈ ধৰাত 'গৰু বিহু' পালনৰ পৰম্পৰা তথা স্বতঃস্ফূৰ্ত্ত আনন্দ উল্লাস হেৰাই যাবলৈ উপক্ৰম হ'ল। ঠিক তেনেদৰে পৰম্পৰাগত খেল-ধেমালি, সাত শাক তোলা লোকাচাৰ সমূহৰো একপ্ৰকাৰ বিলুপ্তি ঘটিবলৈ ধৰিলে।

**প্ৰাক্-স্বাধীনতা কালৰ 'গৰু বিহু' কেন্দ্ৰিক লোকাচাৰ ঃ**

অসমত পৰম্পৰাগত ভাৱে গৰুৰ বিহু পালন কৰি অহা হৈছে। কেৱল অঞ্চলভেদে এই বিহুৰ বা পূজাৰ নাম বেলেগ বেলেগ। যেনে— গো-বন্দনা, গো-পূজা ইত্যাদি। এই পূজাৰ লক্ষ্য হৈছে পোহনীয়া জীৱ-জন্তুৰ মঙ্গল কামনা। বেদৰ শ্লোকত গো-দেৱতাক উদ্দেশ্য কৰি ৰচনা কৰা সূক্তসমূহত "গো-জাতিৰ শ্ৰীবৃদ্ধি, ক্ষীৰৱতী হোৱা, মংগল কামনা কৰা আদিক সামৰি দেৱ-দেৱতাক প্ৰাৰ্থনা জনোৱাৰ উল্লেখ আছে। বৈদিক যুগত গো-হত্যাৰ উল্লেখ থাকিলেও বেদত গো-হত্যাৰ উল্লেখ নাই। বৰং গো-হত্যাক নিন্দাহে কৰা হৈছে। বেদৰ পিচৰ সাহিত্যতো গো-দেৱতাক পূজা কৰাৰ উল্লেখ পোৱা যায়। বিভিন্ন পুৰাণ, মহাভাৰত, কথা ভাগৱত, নামঘোষা, তুলসী দাসৰ ৰামায়ণ আদিত গো-জাতিৰ প্ৰভুত উল্লেখ পোৱা যায়।"[৮] সেয়ে 'গৰু বিহু'ৰ লোকাচাৰক ধৰ্মগন্ধী লোকাচাৰ বোলা যায়।

বহাগ বিহুৰ প্ৰথম দিনাক গৰুৰ বিহু বা গো-দোমাহী বোলা হয়। সেইদিনটোৰ বাবে 'সমগ্ৰ পুৰণি (অবিভক্ত) কামৰূপত[৯]' চ'ত মাহৰ পৰাই গৰু-ম'হৰ বাবে পঘা-বটা, গোহালি মেৰামতি কৰা, বনৰ পৰা দীঘলতি, মাখিয়তী আদি বন সম্পদ সংগ্ৰহ কৰা (দীঘলতি তোলা উৎসৱ) আদি লোকাচাৰ মানি অহা হৈছিল। উল্লেখযোগ্য যে দীঘলতি তোলা উৎসৱত বনদেৱতাক উদ্দেশ্য কৰি এনেদৰে গোৱা হয়—

*"বিধাতাই স্ৰজিছে দীঘলতি*
*আমিনো বৰিছো তোমাক*
*বনৰে দেৱতা সন্তুষ্ট থাকিবা*
*তোমাতে জুৰিছো হাত।*
*এ মোৰ হৰি হৰি*
*তোমাতে জুৰিছো হাত।"[১০]*

লোকবিশ্বাস অনুসৰি দীঘলতিৰে গৰুক কোবালে প্ৰকৃতিদেৱী প্ৰসন্ন হয় আৰু কৃষকৰো কল্যাণ হয়। সেয়ে কৃষিকাৰ্য আৰম্ভ কৰাৰ দিনা কৃষকে মূৰৰ পাগুৰিত দীঘলতি গুজি লয় আৰু নাঙলৰ জুৱলিতো দীঘলতি খুচি দিয়া হয়। আনকি "ঢোলৰ মাৰিডালো দীঘলতিৰেহে প্ৰস্তুত কৰে।"[১১]

গৰুৰ বিহুৰ দিনা কৃষিজীৱীসকলে পুৱাতে উঠি বাৰীৰ লাও-বেঙেনা আদি কাটি তাৰে মালা গাঁথে। ঘৰতে পেৰা সৰিয়হ তেলত বিহু-বড়ি গণক বাপুৰ হতুৱাই বনাই গৰু-ম'হ আদি পোহনীয়া জন্তুৰ গাত ঘঁহি দিয়ে। জনবিশ্বাস মতে এই বড়িয়ে ছালৰ ৰোগ নাশ কৰে। উক্ত মালাধাৰি ডিঙিত পিন্ধাই দিয়াৰ উপৰিও বাকী থকা পাচলিৰ অংশ গৰুক খাবলৈ দিয়া হয়। ইয়াৰ পিছতে দীঘলতি মাখিয়তিৰে কোবাই কোবাই গোৱা হয়—

*"দীঘলতি দীঘল পাত*





*গৰুক কোবাও জাত জাত*
*মাৰ সৰু বাপেৰ সৰু*
*তই হ'বি বৰ বৰ গৰু।*
*লাও খা বেঙেনা খা*
*বছৰে বছৰে বাঢ়ি যা।"* ইত্যাদি।

শ্ৰীযুত কনক চন্দ্ৰ চহৰীয়া দেৱৰ মতে উক্ত "মন্ত্ৰমূলক বচন মাতি গৰু-ম'হৰ শ্ৰীবৃদ্ধি কামনা কৰাৰ লগতে বংশ বৃদ্ধিৰো ইংগিত কৰা যেন অনুমান হয়।"[১২] এনেদৰে কোবাই কোবাই গৰু-ম'হ আদিক পথাৰলৈ নিয়া হয় বা পুখুৰীৰ পাৰলৈ নি গা-ধুৱাই দিয়া হয়। লোকবিশ্বাস অনুসৰি গা-ধুওৱাৰ অন্তত নিজে সজা মালাডাল বা দীঘলতিৰ ঠাৰিডাল আনৰ লগত সলাইহে ঘৰলৈ অনাৰ নিয়ম, তেতিয়া বছৰটোত হ'ব পৰা মতান্তৰ বা মনান্তৰ আদিৰ মিত-মাত হয়। এই মালাডাল ত্ৰিশূলৰ আকৃতিত বাঁহেৰেও সজা হয় আৰু তাক 'ছাট' বোলা হয়। এই নীতি-নিয়মবোৰ পালন কৰিলে ৰুদ্ৰদেৱতা সন্তুষ্ট হয় আৰু বজ্ৰদেৱতাৰ ৰোষৰ পৰাও পৰিত্ৰাণ লাভ কৰে বুলি বিশ্বাস কৰা হয়। ঘৰলৈ আহি লাও-বেঙেনাৰ মালা, দীঘলতিৰ ঠাৰি আদি তুলসীৰ তলত থাপনা পাতি ৰাখি বন্তি জ্বলোৱা হয় আৰু পৰিয়ালৰ আটায়ে তাত সেৱা লয়। আবেলিলৈ এই মালা গোহালি বা ভঁৰাল ঘৰত সংৰক্ষণ কৰা হয়। বছৰৰ বিভিন্ন সময়ত এই শুকোৱা মালাৰ অংশবোৰ বনৌষধিৰ লগত মিহলাই গৰু-ম'হৰ কটা ঘাঁ, উখঁহা ৰোগ, চবুকা ৰোগ আৰু ছালৰ ৰোগ আদিত ব্যৱহাৰ কৰা হয়। ইয়াৰ পিছত আম, কঠাল, লেটেকু আদি চকলিয়াই দৈ গাখীৰ চামনি (মাখন)ৰে সানি পৰিয়ালৰ সকলোৱে খোৱাৰো নিয়ম প্ৰচলিত আছিল। সন্ধিয়া পুনৰ তুলসীৰ তলত আৰু গোহালিৰ সন্মুখত কোনো কোনো অঞ্চলত কেঁচা পিঠাগুৰি, মনোহৰ কলেৰে কেঁচা ভোগ আদি দিয়াৰ পৰম্পৰাও চলি আহিছে। গৰু-ম'হক বিহুৱান হিচাপে ন-পঘা দিয়া হয় আৰু ম'হ-মাখিৰ উপদ্ৰৱৰ পৰা বচাবলৈ দীঘলতি, মাখিয়তী, কেঁয়াবন, বেতৰ পাত, নাহৰৰ পাত, খেৰ, তুঁহ আদিৰে জাগ দিয়া হয়। এই জাগ দিওঁতে বিচনীৰে বা দিয়া হয় আৰু তাৰপিছৰ পৰাই মানুহেও বিচনীৰ বা লোৱা আৰম্ভ কৰে। ৰুদ্ৰ দেৱতাৰ কোপৰ পৰা বচাবলৈ নাহৰ পাতত মন্ত্ৰ লিখি গোহালিৰ চালত গুজি দিয়া হয়। মন্ত্ৰফাঁকি হ'ল—

*"দেৱ দেৱ মহাদেৱ*
*নীলগ্ৰীৱ জটাধাৰ*
*বাত-বৃষ্টি হৰ-দেৱ*
*মহাদেৱ নমঃস্তুতে।"* — ইত্যাদি।

**স্বাধীনোত্তৰ কালৰ 'গৰু বিহু' কেন্দ্ৰিক লোকাচাৰ ঃ**

কোনো এটা অঞ্চল যিমানে নগৰ-চহৰৰ পৰা দূৰৈত হয় আৰু যিমানে অহা-যোৱাৰ ক্ষেত্ৰত সেই অঞ্চল সুচল নহয়, সিমানে সেই অঞ্চলত বিশুদ্ধ আৰু স্থিৰ লোক সংস্কৃতিক সমল বা পৰম্পৰা ৰক্ষিত হয়। কিন্তু অসমে স্বাধীনতা লাভ কৰাৰ পিছৰ সময়ছোৱাত নগৰ-চহৰত কল-কাৰখানা, বিভাগ-কাৰ্যালয়, বেংক-ট্ৰেজাৰী, যান-বাহন আদি দ্ৰুতগতিত বৃদ্ধি পোৱালৈ চাই জীৱিকাৰ তাড়নাত গ্ৰাম্যাঞ্চলৰ লোকসকলে চহৰাঞ্চললৈ গতি কৰিবলৈ ধৰিলে। ফলত নগৰ-চহৰৰ পূৰ্বৰ জন-গাঁথনিত গভীৰ প্ৰভাৱ পৰিল। বনুৱা, মজদুৰ, বাঢ়ৈ আদিৰ অধিকাংশই চহৰত স্থায়ী ভাৱে থাকিবলৈ লোৱাত তেওঁলোকৰ জৰিয়তেই লোকসাংস্কৃতিক সমলে নগৰ-চহৰত প্ৰৱেশ কৰিবলৈ ল'লে আৰু ফলস্বৰূপে গাওঁ-ভূঁইত উদ্‌যাপিত উৎসৱ অনুষ্ঠানবোৰ নগৰ-চহৰত পাতিবলৈ লোৱা হ'ল। কিন্তু 'গৰু-বিহু'ৰ লগত পথাৰৰ যি সম্পৰ্ক, সেই পথাৰ নগৰাঞ্চলত নাইকিয়া হৈ আহিল। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত পাহাৰৰ ওপৰত বসবাসৰ স্থান উলিওৱাৰ দৰে পথাৰত মাটি ভৰাই বাম কৰি গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ ধৰাত পথাৰৰ চিন-চাব নোহোৱা হৈ পৰিল। গতিকে চহৰাঞ্চলত 'গৰু-বিহু' কেন্দ্ৰিক লোকাচাৰ সমূহ হেৰাই যোৱাৰ উপক্ৰম হ'ল। গাওঁ-ভূঁই বিলাকতো দুই-এঘৰ নিম্নবিত্ত শ্ৰেণীৰ লোকে গৰু-ম'হেৰে কম মাটিত হাল বালেও উন্নত কৃষি উৎপাদনৰ আশাত শিক্ষিত যুৱকে হালৰ সলনি 'পাৱাৰটিলাৰ' বা ট্ৰেক্টৰ আদিৰে কৃষিকাৰ্য চম্ভালিবলৈ ধৰাত গৰুৰ প্ৰজাতিটোৱে যথাযোগ্য সন্মান নোপোৱা হ'ল। গো-পূজাৰ বাবে পিঠা-পনা নৈবেদ্যৰ লোকাচাৰক গুৰুত্বহীন কৰি পেলালে মধ্যবিত্ত বা ধনীশ্ৰেণীয়ে চহৰাঞ্চলত বহা 'বিহু বজাৰ'ৰ ওচৰত তিল, গুৰ, পিঠা-পনা, জা-জলপান আদি কিনি নিয়াৰ সহজলভ্য পথৰ কাষ চপাৰ কাৰ্যই। নিম্নবিত্ত শ্ৰেণীৰ বাবে বস্তুৰ অত্যাধিক মূল্যবৃদ্ধিয়ে একপ্ৰকাৰ সংশয়ৰ সৃষ্টি কৰি পেলালে। ফলত বাধ্য হৈ পৰম্পৰা সমূহকে বিসৰ্জন দিবলগীয়া হৈ পৰিল। সমূহীয়াকৈ পথাৰত গৰু গা-ধুওৱা, ছাট সলোৱা আদি লোকাচাৰবোৰৰ স্বতঃস্ফূৰ্ত্ততা হেৰুৱাৰ লগে লগে ইজনে সিজনৰ লগত মতান্তৰ-মনান্তৰত

নিমজ্জিত হৈ পৰিল। পৰস্পৰৰ মাজত আন্তৰিকতা, মিলা-প্ৰীতি, সদভাৱ জাগ্ৰত হোৱাৰ বিপৰীতে ইজনতকৈ সিজন বস্তুবাদী হোৱাৰ প্ৰতিযোগিতাহে যেন নামি পৰিল। বনাঞ্চল ধ্বংস কৰি বসতিৰ উপযোগী কৰি তোলাত বনৰীয়া জন্তুৰ বিচৰণৰ ঠাই নোহোৱা হ'ল, পোহনীয়া জন্তুৰ বা চৰণীয়া পথাৰ নোহোৱা হ'ল আৰু ভায়ে ভায়ে খিয়লা-খিয়লি লাগি একেখন ঘৰেই ভাগ ভাগ হৈ বাৰীৰ মাটিডৰাতেই সুকীয়া সুকীয়া গৃহ নিৰ্মাণ কৰাত বনৌষধি গছ লুপ্তপ্ৰায় হৈ পৰিল। দীঘলতি, মাখিয়তী, লাও, বেঙেনা অত্যাধিক দৰত ক্ৰয় কৰিবলগীয়া হ'ল ; ইত্যাদি অনেক কাৰণত গাওঁ-চহৰ সকলোতে যেন 'গো-পূজা'ৰ পৰম্পৰা বিলুপ্তি ঘটিবলৈ ল'লে। মুঠতে লোকাচাৰ লোকবিশ্বাসৰ বিলুপ্তিৰ মূল কাৰণ হিচাপে আমি তলত দিয়া কাৰণ সমূহলৈকে নিৰ্দেশ কৰিব পাৰো, যেনে—

(ক) উদ্যোগীকৰণ
(খ) আধুনিক কাৰিকৰী দিশ
(গ) মূল্যবৃদ্ধি
(ঘ) বনাঞ্চল ধ্বংস
(ঙ) জনসংখ্যা বৃদ্ধি ইত্যাদি।

**পৰিবৰ্ত্তনৰ ইতিবাচক আৰু নেতিবাচক দিশ ঃ**

উপৰিউক্ত আলোচনাৰ পৰা এটা কথা স্পষ্ট হৈছে যে, 'গৰু বিহু' কেন্দ্ৰিক লোকাচাৰবোৰ বৰ্তমান একপ্ৰকাৰৰ বিলুপ্তিৰ পথত। কিন্তু এই পৰিবৰ্তনৰ আঁৰত যিবিলাক শক্তিশালী কাৰক আছে বুলি ভবা হৈছে সেইবিলাকো ইতিমধ্যে উনুকিওৱা হৈছে। এনে পৰিবৰ্তনবিলাক ক্ৰমাৎ অধিক দ্ৰুতগামী হোৱালৈ চাই এইবিলাকৰ কিবা ইতিবাচক দিশো আছে নেকি বিচাৰ কৰাৰ সময় বৰ্তমান সমাগত। ড° নবীন চন্দ্ৰ শৰ্মাদেৱৰ ভাষাত "স্থানীয় বা বিশেষ এক সম্প্ৰদায় বা গোষ্ঠীৰ মাজত পৰম্পৰাগত ভাৱে প্ৰচলিত লোক উৎসৱ, লোক নৃত্য আদিয়ে সৰ্বাধিক বা চহৰীয়া নগৰীয়া গএগ সকলোৰে মৰমৰ উৎসৱ স্বৰূপে দ্বিতীয় অস্তিত্ব লাভ কৰিছে, আনকি এই প্ৰসংগত ধৰ্ম-ভাষা, বৰ্ণ, পদ মৰ্যাদা আদিৰো পাৰ্থক্য প্ৰায় নোহোৱা হৈছে। নগৰীকৰণ উদ্যোগীকৰণ আৰু উন্নত কাৰিকৰীৰ মাজতো কিদৰে লোক সাংস্কৃতিক সমলে প্ৰাধান্য লাভ কৰি আহিছে তাৰ উদাহৰণ আমাৰ ৰঙালী বিহু উৎসৱ।"[১৩] বাচিক বাৰ্তাৰ ওপৰত নিৰ্ভৰ কৰা মানুহ বা জনগোষ্ঠী এতিয়াও শেষ হৈ যোৱা নাই আৰু তেওঁলোকৰ মাজতেই এই লোকাচাৰ সমূহেও প্ৰাণ পাই আছে। এই ক্ষেত্ৰত গণমাধ্যমবোৰেও যথেষ্ট ভূমিকা পালন কৰি আহিছে।

নেতিবাচক দিশ হিচাপে আমি যিমানেই আমাৰ ৰীতি-নীতি পৰম্পৰাসমূহৰ পৰা নিজকে আঁতৰাই পেলাম সিমানেই আমি পূৰ্বপুৰুষ সকলৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ সম্পৰ্কে সম্যক জ্ঞানখিনি হেৰুৱাই পেলাম। জনসাধাৰণৰ জীৱন-পদ্ধতি, সভ্যতা-সংস্কৃতি, লোক মনঃস্তত্ব, লোকাচাৰ, লোকবিশ্বাস তথা মানৱ মনৰ উল্লাস বা পুঞ্জীভূত বেদনা এই সকলোবোৰৰ ইতিহাস নজনাকৈয়ে থাকিব লাগিব। নিজৰ জাতিটোৰ জাতীয় ইতিহাস জানিবলৈ হ'লে লোকবিদ্যাৰ অধ্যয়ন বা চৰ্চা লাগিবই।

**সামৰণি ঃ**

ভাৰতীয় সমাজ ব্যৱস্থাত কৃষি, গো-পালন, বাণিজ্য, শিল্প আদি বৈশ্য সকলৰ স্বভাৱজাত কাৰ্য আছিল 'কৃষি, গৌৰক্ষ বাণিজ্যং বৈশ্য কৰ্ম স্বভাৱজম্'। ভগৱান শ্ৰীকৃষ্ণ আছিল স্বয়ং গোপালক। "মহাভাৰতত গাইক 'সৰ্বপাপহৰম্ শিৰম্' বোলা হৈছে। উপনিষদ গ্ৰন্থ ৰাশিক গাই, শ্ৰীকৃষ্ণক দোহনকৰ্তা বা গাই খীৰোৱা ব্যক্তি, অৰ্জুনক দামুৰি, গীতাক দুগ্ধ বুলি কোৱা হৈছে।

*"সৰ্বোপনিষদো গাৱো দোগ্ধা গোপালনন্দনঃ।*
*পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধাং গীতামৃতং মহৎ"*[১৪]।

গতিকে ক'ব পাৰি গো ধন পৰম ধন। কৃষি হৈছে অসমৰ অৰ্থনীতিৰ মূল আধাৰ। সেয়ে গো-সম্পদৰ শ্ৰীবৃদ্ধিৰ কামনাৰে আমি গৰু বিহুৰ পৰম্পৰা ৰক্ষা কৰা উচিত। চহৰাঞ্চলত কৃষি মাটিৰ অভাৱ হ'লেও, গো-পূজাৰ পৰম্পৰা ৰক্ষিত নহ'লেও গাখীৰৰ চাহিদা কেতিয়াও হ্ৰাস পোৱা নাই বা সাৰ হিচাপে গোবৰেও যথেষ্ট সমাদৰ লাভ কৰি আহিছে। পৰিবৰ্তনৰ সমানে সমানে বৈজ্ঞানিক দৃষ্টিভংগীৰে আমাৰ পৰম্পৰাসমূহ আমি মানি অহা উচিত। ইয়াৰ বাবে প্ৰয়োজন হ'ব মাথোন সজাগতা।

---

১। আধুনিক অসমীয়া অভিধান, অসম প্ৰকাশন পৰিষদ, পৃ. ৪৮৮।
২। ৰাউত, জ্যোৎস্না, অসম সাহিত্য সভা পত্ৰিকা, ২য় সংখ্যা, ডিচেম্বৰ, ২০০৭, পৃ. ৩৭।
৩। মহন্ত নীৰঞ্জনা ; প্ৰৱন্ধ 'লোকজ্ঞতা আৰু লোকসাহিত্য, অসম সাহিত্য সভা পত্ৰিকা, পৃ. ৪৫ (যোৰহাট, চন্দ্ৰকান্ত ভৱন)।
৪। নাথ, প্ৰফুল্ল কুমাৰ ; অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ৰূপৰেখা, পৃ. ৭০।
৫। শৰ্মা, নবীন চন্দ্ৰ ; অসমীয়া লোক সংস্কৃতি।
৬। গগৈ, লীলা ; অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, পৃ.
৭। ৰাজখোৱা, অৰবিন্দ ; প্ৰৱন্ধ, প্ৰান্তিক, ১ এপ্ৰিল, ২০০৬, পৃ. ২১
৮। চৌধুৰী সতীশচন্দ্ৰ ; লোক সংস্কৃতিৰ সুৰভি, পৃ. ৩০-৩১
৯। উল্লিখিত, পৃ. ৩১
১০। উল্লিখিত, পৃ. ৩১
১১। চৌধুৰী, সতীশচন্দ্ৰ ; লোক সংস্কৃতিৰ সুৰভি, পৃ. ৩৭
১২। চহৰীয়া, কনকচন্দ্ৰ ; লোক সংস্কৃতিৰ ৰেঙণি, পৃ. ৪২
১৩। 'সংক্ৰান্তি', সাংস্কৃতিক সংকলন, অসম ছোচিঅ' লিটাৰেৰী ক্লাব, কলকতা, ২০০২ চন, পৃ. ২১
১৪। দাস, সূৰ্য, প্ৰ, 'প্ৰান্তিক' ১ এপ্ৰিল, ২০০৫, পৃ. ১৭।◆

## কৌতুক

(১) এজন ল'ৰাই দৌৰ প্ৰতিযোগিতা দিবলৈ যোৱাত মাকে ক'লে 'সোনমণি, জিকিহে আহিবাদেই কিন্তু, বেছেৰা ল'ৰাটোৱে খেলত হাৰি সি ৰাস্তাৰ দাঁতিত থকা পুখুৰীটোত গাটো তিয়াই ঘৰলৈ আহিল।
মাকে ক'লে ঃ সোণমনি, বৰষুণ দিয়া নাই কেনেকৈ জিকিলা।
ল'ৰাটোৱে ক'লে ঃ মা, তুমিয়েই দেখোন কৈছিলা জিকি আহিবলৈ।

(২) এদিন শ্ৰেণীত শিক্ষকে ছাত্ৰ এজনক সুধিলে—
শিক্ষক ঃ তোমাৰ দেউতাৰাৰ নামটো লিখাচোন।
ছাত্ৰ ঃ এয়া ছাৰ, সূৰ্য লাল চৰকাৰ।
শিক্ষক ঃ ইংৰাজীত লিখা।
ছাত্ৰ ঃ Sun Red Government

(৩) প্ৰথম মুৰ্খ ঃ বন্ধু ইণ্ডিয়া আৰু হিন্দুস্তানৰ মাজত যুদ্ধ চলি আছে।
দ্বিতীয় মুৰ্খ ঃ চলিছে চলিব দে, আমি ভাৰতত হে থাকো।

(৪) শিক্ষক ঃ কোৱাছোন নয়ন পৃথিৱীৰ ভিতৰত দীঘল শব্দ কোনটো?
নয়ন ঃ Smile ছাৰ। কাৰণ S ৰপাছত এক মাইল আছে।

# Making Reading a Habit

**Miss Sangeeta Roy**
**Librarian**
**Sonari College**

"To acquire the habit of reading is to construct for you a refuge from almost all the miseries of life." W. Somerset Maughum. It can be said that reading of any kind of book not only broadens our knowledge but also helps to keep away from all kinds of sorrow of life. If a person is reading something, he/she is learning something. It is very important to inculcate the habit of reading throughout one's life.

The habit of reading is one of the oldest habits. Men have been reading since ages. Knowledge acquired by men has been passed through generations. For all-round develpment of a child, reading habit is essential. Reading helps in quick learning, widening views, expands horizons and help him/her to learn about different places and people. It encourages curiousity and imagination. Reading habit helps youngsters in their development and it gives a skill in handling complex ideas. Reading also helps to develop initiative, originality and character. Moreover, it provides varied entertainment, instruction valuables experiences. Reading books lay sound foundation for a better tomorrow. Reading sharpens the thought process of a child. It increases his/her the ability of thinking and uderstanding. Reading a book aloud can be a good exercise not just for memorization but also for improvement of speech and vocabulary.

A good book can teach us things beyond our daily horizon. Despite the advent of modern technology, book remains popular. Books take us to an entirely new world which we had never visited before, unheard of, even unimagined of. They open up a new world of experiences. In fact, men have never been influenced by any other thing so much as by books. As books are good portable firends which have the potential of engaging child's mind, they can broaden the sphere of experiences.

Sadly, today the reading habit is on the verge of decline among the present generation. Future generation appears to be at risk of going straight from an oral to a digital culture, thus skipping the writing and reading culture. If at the primary level, the habit of reading is not cultivated among the children, then at college level, it becomes very difficult to develop the habit. Research in western countries over the last 50 years has indicated a fall in the reading habit. In an age when browsing the net, playing with mobiles and passing non-stop SMSs seems to be the order of the day, reading a book in a peaceful corner of a library has become an archaic idea for most of the children. While technology is slowly taking over individual lives, the reading habit is vanishing into thin air. The libraries are a mute witness to this. Today, we can see a gradual decline in veracious readers who used to flock the libraries every evening. Apart from a few elderly people and a handful of students, most of the time the libraries are fund deserted. A decade ago, if some one said he/she hadn't read a book on Tagore or a Tolstoy, that person was looked down upon by others. They were more concious and well-read because at that time simple living and high thinking was the dictum.

But, with the advent of globalization, life has become mechanical and money-oriented. The reading habit among the children is declining as parents blame it on the mounting pressure on the children in schools and tution classes. The other problem is that there is a tremendous pressure upon students to perform and excel. The situation is no better among the college students. Library for them becomes a popular place only before the final examination. Only then, the students just browse through their course related books only. There are also regular users (visitiors) to the libraries among them though they constitute a small minority who frequently borrow books. Moreoften, scholar's visit the libraries for their research work only rather than reading a book for their pleasure.

**Reason for decline in reading habit among the young generation are :–**

i) Reading is not considered as relevant leisure activity because it does not form a part of children's social interaction.

ii) Reading is considered as a solitary pursuit and is not preferred in comparision with interactive chats on the internet.

iii) There is also an overriding desire amongst young people to spend time with their friends than remain at home and read.

iv) There is an unprecedented rise in the price of books while CDs are becoming more affordable.

v) Proportion of people TV and computers are rising continuously which affects the reading habit not of the children but also of the entire family.

vi) Poverty, illiteracy, excessive homework and absence of stimulation by parents and teachers are also there.

vii) Lack of good children literature is another reason.

viii) Due to overburdened workload at the school, children get little time for reading.

ix) Tough and intense competiontion has further deepened the insecurity among the middle class families.

x) Parents are so psyched about the future of their children that most of the time it is they who discourage their wards from reading any other book than their textbooks.

**Steps to make reading a habit :–**

i) First of all, we will have to realize that reading book is an enjoyable activity. Read only those books which one really enjoys or likes, like fun and compelling books.

ii) One has to set time to read a book say 15-30 minutes a day.

iii) One has to always carry a book.

iv) Find a quiet place and curl up with a good book without interruptions.

v) Reduce TV/internet watching.

vi) Make it pleasureable. Make your reading time your favourite time of the day.

vii) Set a high goal. Tell yourself that you want to read at least 50 books this year.

viii) If a child is brought up in an environment of books, one is likely to develop reading habit. Senior citizens can promote reading habits among the youngesters.

ix) It is not necessary to make huge investments in children's books. Parents should encourage their ward to join the local library which gives access to enough materials.

x) Children's reading habits improve if they are allowed to read in a separate reading area and books which are of their level and can read independently.

Come, let us join with the family of 'Readers' today itself. This is the need of the hour not only to build our physical and mental health, but also to build a civilized society. Come, let us read today for a better tomorrow.◆

## JOKES

*Doctor : I'm afraid he is dead.*
*Patient : No, I am not dead.*
*Nurse : (Harshly) Be quiet, the doctor knows better.*

****

*Wife : "Why do you go out to the balcony when I sing? Don't you like to hear me?"*
*Husband : "It is not that. I just don't want the neighbours to misunderstand that I am beating my wife.*

****

*Tania and Rita were fighting*
*A teacher passed by*
*- "Tania, why are you crying?"*
*- "Miss ! Rita says, She'll eat me"*
*- "Miss, how can I? I am a vegetarian".*

****

*Sister : "Doctor ! That patient has developed a dreadful temperature of 1380 what shall I do?"*
*Doctor : "What ! Send for the fire brigade. He is out of my control."*

****

*Teacher : Kaushik, what is the future tense of 'Sajal has failed in the exam'?*
*Student : 'Sajal will remain in the same class'.*

****





# আধুনিক অসমীয়া কবিতাত প্ৰেমৰ প্ৰতিচ্ছবি

অভিজিৎ শইকীয়া
দ্বাদশ শ্ৰেণী।

কবিতা, শব্দৰে নিৰ্মিত এক ভাষা শিল্প। কবিৰ অনুভূতি আৰু অভিজ্ঞতাজাত স্মৃতিৰ শিল্পীসুলভ ৰূপ। বুজিও নুবুজা হোৱা, জানিও নজনাৰ অভিনয় কৰা 'প্ৰেমক' কবিয়ে যেন সদায় কাষত বিচাৰে। কাৰণ যিদৰে ৰং তুলিকাৰ অবিহনে চিত্ৰৰ কথা বা তাল মানৰ অবিহনে সংগীতৰ কথা ভাবিব নোৱাৰি সেইদৰে যেন প্ৰেম অবিহনে কবিৰ সৃষ্টিত সুৰ নিগৰিত নহয়।

প্ৰকৃততে সাহিত্য সৃষ্টিৰ যিকোনো কাৰ্য্যকলাপতেই প্ৰেমৰ মাধুৰ্য্য আছে। অসমীয়া সাহিত্যত জোনাকী যুগৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে প্ৰেমৰ গতিধাৰা অতি ব্যাপক। যেন শাওনৰ মেঘযুক্ত নীলা আকাশ, সেয়ে ইয়াৰ বিষয়ে সম্যক ধাৰণা দিয়াটো কঠিন। প্ৰধানতঃ আধুনিক অসমীয়া কবি সকলক বিষয়বস্তু আৰু ভাৱৰ পৰা দুই শ্ৰেণীত ভগাব পাৰি (১) জনতাৰ কবি (২) নিৰ্জনতাৰ কবি। প্ৰেম প্ৰধানকৈ নিৰ্জন মনৰ কবিৰ কবিতাৰ উপজীব্য। তৎ সত্বেও আধুনিক কালৰ জনতাৰ কবি ৰাম গগৈ, হেম বৰুৱা, চৈয়দ আব্দুল মালিক, নৱকান্ত বৰুৱাৰ কাপ মৈলামৰ পৰাও প্ৰেমৰ কবিতা নিগৰিত নোহোৱা নহয়। ষাঠিৰ দশকৰ শেষ অথবা সত্তৰ দশকৰ আৰম্ভণিত অসমীয়া কবিতাত 'প্ৰেম' এক সুকীয়া বৈশিষ্ট্যৰে উদ্ভাসিত হয়। ষাঠিৰ দশকতে কবি হীৰেণ ভট্টাচাৰ্যই "প্ৰেম কি?" প্ৰশ্নৰ উত্তৰত কবিতাৰ মাধ্যমেৰে সুন্দৰকৈ প্ৰকাশ কৰিছে। তেওঁৰ কলমেৰে লিখিলে যে "নিশ্বাসৰ দৰে প্ৰেমে যেন নিঃশব্দে বিচাৰি ফুৰে শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।" হয়তো তাতেই প্ৰেমৰ এক নতুন ধাৰণাৰ উন্মেষ ঘটিছে য'ত শব্দহীন ৰূপ আৰু কাহিনী অনুভূতিয়ে সাহিত্যৰ ৰূপমান্যতা অংকন কৰিছে।

কবি হীৰেণ ভট্টাচাৰ্য্যৰ ভাৱনাৰে এবাৰ আগুৱাব খুজিছো সেই দিনবোৰলৈ। য'ত যৌৱনদীপ্ত মনবোৰ ৰঙীণ কৰি তোলা সুগন্ধি পখিলাৰ সুবাস আছে। তেওঁৰ দৃষ্টিত প্ৰকৃত প্ৰেমে কুৰুকি কুৰুকি খান্দে হৃদয়, জুমি চায় বুকুৰ গভীৰতাত কিমানলৈকে প্ৰোথিত হৈ আছে ভালপোৱাৰ গোলাপৰ শিপা। সেয়ে কবিৰ অনুভূতিত প্ৰেমিক বন্ধুৰ হৃদয়ে এনেদৰে গুণগুণায়—

*তুমিতো জানাই*
*এই কবিৰ আৰু একো নাই*
*এটাই মাথোঁ কামিজ*
*তাকো ছিগো ছিগো চিলাই*
*প্ৰেম চাগে এনেকুৱাই (চাগেৰ ঠাইত নিশ্চয়)*
*আৱৰণ খুলি হৃদয় জুৰায়।*

প্ৰেমে মানুহ আৰু মানুহৰ মাজৰ পাৰ্থক্যৰ প্ৰাচীৰ ভাঙে। বিভিন্ন আত্মাৰ আৱেগিক ঐক্যৰ ঘনিষ্ঠতা আৰু মিলনৰ নাম প্ৰেম হ'লেও ষাঠিৰ দশকৰ কবি নৱকান্ত বৰুৱাই কিন্তু প্ৰেমক অন্য এক ৰূপেৰেহে দাঙি ধৰিছে। তেওঁৰ দৃষ্টিত—

*স্মৃতি মানে আৰম্ভণি, সমাপ্তিবিহীন*
*স্বপ্ন তাৰ গতিপথ..........*
*প্ৰেম তাৰে পৰিণতি কোনো আৰম্ভণি নাই।"*
(চকুপানী ঃ ফাগুনৰ)

অন্যহাতেদি হেম বৰুৱাৰ কবিতাত পাওঁ জীৱনৰ বাহ্যিকতা বা অভ্যন্তৰীণ আশা-আকাংক্ষা, দিয়া-লোৱাৰ তাগিদা আৰু দায়বদ্ধতা। য'ত প্ৰেমেও ভুমুকি নমৰা নহয়। উল্লেখিত যে নিৰ্জন মনৰ কবি সকলেই ঘাইকৈ প্ৰেমৰ কবি। তেওঁবিলাকৰ কবিতাত উজ্জ্বল ৰ'দৰ স্ফুলিংগ নাই, জীৱনক বাদ দি জীয়াই থকাৰ দুৰ্ভাৱনা নাই, কেৱল আছে বহুতৰ মাজত নিজকে নিঃশেষ কৰি দিয়াৰ এক আকাংক্ষা। অতীতৰ স্মৃতিয়ে তেওঁক আমনি দিলেও উৎকণ্ঠাত আৱদ্ধ থাকে তেওঁৰ বৰ্তমান আৰু

ভৱিষ্যত।

*"তুমি নক'লেও উতলা ফাগুন*
*আহিব, খেলিবহি*
*দিখৌৰ সোণালী বলুকাত*
*ৰিং মাৰি মাতিলেও বা*
*দিবহি দেখা*
*কিজানিবা কঁহুৱাৰ আঁৰত*
*লুকাব যৌৱনা।"*
(প্ৰসঙ্গক্ৰমে)

কবি পৃথিৱীৰ মানুহ, তেওঁৰ সৌন্দৰ্যপ্ৰয়াসী মনে ক'তোৱেই নোচোৱাকৈ নেৰে। সেয়ে কোনো কবিৰ কাৰণে প্ৰেম হয় উদাৰতাৰ শিল্প, কোনোৰ কাৰণে দুখৰ হুমুনিয়াহ অথবা কোনো কবিৰ কাৰণে হৈ ৰয় করুণ দুঃসহ দুখৰ খবৰ। সেই দশকৰ এগৰাকী উদাৰতা কবি হোমেন বৰগোহাঞিৰ 'ৰাতিৰ প্ৰাৰ্থনা' কবিতাটিত কিছু কাৰুণ্যময় দুঃসহ ছবি প্ৰকাশ হোৱা দেখা যায়।

পৃথিৱীৰ প্ৰত্যেক গৰাকী কবিৰ সাফল্যৰ অন্তৰালত থাকে সম্ভাৱনা। সেই সম্ভাৱনা অৱশ্যে প্ৰেম নহ'বও পাৰে। সেয়ে হ'লেও তাৰ এক তৃতীয়াংশ কবিয়েই প্ৰেমত যে অভ্যস্ত তাক স্বীকাৰ নকৰিলে নহ'ব। কবিৰ কাৰণে প্ৰেম এক তুলনাহীন আৱেগ, প্ৰেমৰ উৎস নদী হ'ব পাৰে, আকাশ হ'ব পাৰে, ফুল হ'ব পাৰে, মেঘ হ'ব পাৰে হয়তো কাৰোবাৰ এযুৰি নয়ন ইত্যাদি ইত্যাদি। কবি নীলমণি ফুকনৰ কবিতাত কিছু পৰিমাণে প্ৰেম তুলনীয় সন্দেহৰ প্ৰাপ্তি দেখা যায়। তেওঁৰ এটি কবিতালৈ লক্ষ্য কৰিলে ইয়াৰ উমান পোৱা যায়।

*"ভুলতে তোমাক বিচনাখনত*
*খেপিয়াই ফুৰিছিলোঁ*
*তুমি যে*
*পৰ্বতটোৰ নামনিত*
*তিল ফুল হৈ*
*হালি-জালি ফুলে আছা।"*
*(ছটা বিভিন্ন কবিতা)*

কবিৰ অনন্য অনুভূতি 'প্ৰেম'। যাক বাৰ্দ্ধক্যই বাধা দিব নোৱাৰে। প্ৰেমৰ স'তে বয়সৰ সম্পৰ্ক নাই। প্ৰেমৰ সম্পৰ্ক সদায় হৃদয়ৰ স'তেহে। যি প্ৰেমে জীৱনক উন্মোচন কৰি লৈ যায় ঐশ্বৰ্যৰ সৰ্বোচ্চ সীমনালৈ— সেই প্ৰেমৰ বাটত বয়স স্থবিৰ হৈ ৰয়। আধুনিক কবিৰ মতে চুলিৰ ৰূপালী ৰঙে বাৰ্দ্ধক্যৰ বতৰা আনক, ক্ষতি কি? যি প্ৰেম স্বপ্নীল আভা হৈ উজ্বলি আছে বুকুৰ গহন কোণত, তাক কোনে মচিব পাৰে? কোনে আঁতৰাব পাৰে সেই প্ৰেমৰ তীব্ৰ আকুলতা (হীৰেণ ভট্টাচাৰ্যৰ কবিতাত আলোকিত)

ৰূপালী ৰং চুলিত লাগিছে, বেয়া নেদেখি, লাগক সোণালীখিনি মচি নিদিবা, বুকুজুৰি বৈ থাকক। ষাঠিৰ দশকৰ প্ৰেমৰ কবিতা সমূহৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে স্বল্পাৱয়বী মানবীয়তাৰ প্ৰকাশ য'ত বিষয়বস্তুৰ মাজৰ পৰা প্ৰেমক আঁতৰাই আনিব নোৱাৰি। ষাঠি-সত্তৰ দশকৰ আন এক শ্ৰেষ্ঠ প্ৰেমৰ কবিতাৰ ভিতৰত কেশৱ মহন্তৰ 'আঘোণৰ কুঁৱলী' কবিতাটি আঙুলিয়াব পাৰি। য'ত বৈ গৈছে আধুনিক প্ৰেমৰ কবিতাৰ অন্য এক বৈশিষ্ট্য 'কেম'ফ্লেজ। যাৰ বাবে কবিয়ে উদঙাই দেখুৱাব পৰা নাই তেওঁৰ আভ্যন্তৰীণ জগতখন। কবিতাৰ এটা স্তৱক অংকণ কৰা হ'ল—

*"দেখিলোহেঁতেন বা খোপা বন্ধা মূৰবোৰ*
*ওপৰলৈ তুলিবৰ সময় নোপোৱা,*
*দেখিলেহেঁতেন বা পতা সোণ পথাৰত*
*লঘু পৰিহাস সময়*
*হাঁহিবোৰ তেল হালধীয়া*
*অলপ দূৰৰ পৰা নোচোৱাৰ ভাও ধৰি*
*চাবওতো পাৰিলোহেঁতেন*
*সেইজাক দাৱনীৰ মাজতে আছিল নেকি*
*সেউতীও মোৰ।"*

অন্যহাতেদি আধুনিক কিছুসংখ্যক কবিৰ কবিতাত প্ৰকাশিত হয় প্ৰেমিক আত্মাৰ গভীৰ ক্ৰন্দন। আধুনিক যুগৰ বাবে দীনেশ গোস্বামীৰ কবিতাত দেখা পাওঁ তাৰেই প্ৰতিচ্ছবি।

*প্ৰেম আৰু কল্পনাৰ সিপাৰেও আলিবাট আছে*
*সিফালে পৰিত্যক্ত ৰাজ বাটত জীৱনৰ প্ৰশ্ন*
*ভয় কৰিলে নচলিব, মনোৰমাঙ্গ*
*সেই ভয়ে বহুতকে কৰিলে বলীয়া।*

---

*চিটি বাছৰ শব্দত নাটকৰ যৱনিকা পৰাৰ ইংগিত*
*মোৰ প্ৰেমত তুমি মুগ্ধ জানো?*
*মইতো নেজানো। (ঈশ্বৰেহে জানে)*
*(প্ৰেমিক)*

******

আধুনিক অসমীয়া প্ৰেমৰ কবিতাই এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিলে আশীৰ দশকত। মাটি আৰু মানুহৰ শিল্পী হ'লেও এই যুগৰ কবি সকলৰ আৱেগিক প্ৰেমৰ মহত্বক কবিতা সমূহৰ পৰা ছাঁৰ দৰে ৰাখিব নোৱাৰি। এই দশকৰ প্ৰেমৰ কবিতাৰ ধাৰণা দিয়াটো নিশ্চয় উজুতিত দাঁত ভঙা কথা। তথাপি প্ৰেম আৰু শব্দৰ সুন্দৰ সমন্বয় ঘটিছে এই সময়ৰ কবিতাত। বিশ্লেষণৰ আজ্ঞাত প্ৰথমেই সমীৰ তাঁতীৰ কাব্যলৈ চালেই হ'ল—

*"যৌৱনৰ সীমাৰেখা বহু দূৰ*
*ইচ্চাৰ তীব্ৰতাও বহু দূৰ*
*হাঁহিৰ সুষমা জীৱনৰ বাহিৰত তোমাৰ ছাঁ,*
*তুমি তোমাৰ পৰা বহু দূৰৈত।"*

ইয়াত কবিৰ প্ৰেম এক আভ্যন্তৰীণ অনুভূতি। যি অনুভূতি কবিৰ কাব্য জগতৰ চৌদিশে আবৃত। ইয়াত প্ৰেম কবিৰ আকাংক্ষা নহয়। প্ৰেমৰ দাবীতকৈ হিয়াৰ দাবীহে উচ্চ।

শুনা যায় সংঘাতেই বোলে মানুহক সফল কৰে আৰু বিফলো কৰে। তথাপি সফলতা বা বিফলতাৰ কাঠগড়াতো মানুহে আকাশলৈ চাব লাগে। কাৰণ মনৰ গভীৰতা আৰু বিশালতাই মানুহৰ জীয়াই থকাৰ পথত প্ৰেৰণা হয়। ইয়াৰ বিপৰীতে মানুহৰ জীৱনলৈ এনে কিছুমান সময় আহে য'ত মনৰ ভাৱ প্ৰকাশিত কৰিও বিফল হয়।

এই দশকৰে এজন উল্লেখযোগ্য কবি অতনু ভট্টাচাৰ্যৰ কবিতাত এনে নিদৰ্শন দেখা যায়। য'ত জোন তৰালীয়ে প্ৰেমৰ প্ৰতীক।

*"জোনালী গাভৰু হ'বলৈহে পালে এদিন*
*তাইৰ স্কুলৰ বাটত*
*আগভেটি থিয় হ'ল এজাক চেঙেলীয়া তৰা*
*আনফালে*
*জোনক অকলে পালে*
*তৰাবোৰে ফিচিঙা-ফিচিঙি কৰে,*
*চকু পিয়ায় জোকায়*
*সিদিনা .................*
*..............................*
*সিদিনা নৈৰো নৰিয়া।*
*তোমাক খবৰ দিবলৈ ঘাটত নাছিল*
*কোনো নাৱৰীয়া।"*

যিটো সময়ত অসমীয়া আধুনিক কবিতাৰ 'প্ৰেম'ৰ বিষয়বস্তু সাৱলীলতা হোৱাৰ দিশত তেনে সময়তে কোনো কবিৰ কাৰণে প্ৰেম হৈ পৰিল বিৰহৰ কবিতা। য'ত মানৱীয় জটিলতাই কবিৰ কাব্য প্ৰতিভাক আৱৰি ধৰিলে। তেনে সময়তে কবি জ্যোতিমালা গোঁহাইয়ে লিখিছিল বিৰহ, শূন্যতাৰ কবিতা। যি এতিয়াৰ শূণ্যতা

*তুমিতো মোক এনে হ'বলৈ শিকালা*
*ভালপোৱাৰ ইমানবোৰ ঐশ্বৰ্য্য বাকি*
*বুকুখন শূন্যতাৰে পূৰ্ণ কৰিলা*
*এতিয়া মৰমেৰে বুজালাই বাৰু*
*মই কেনেকৈ থিৰেৰে ৰওঁ*
*তুমি নিভৃতৰ এধানি হৃদয়ো*
*সিদিনা কাঢ়ি নিলা।"*

কেতিয়াবা কোনো কোনো কবিৰ প্ৰেমৰ কবিতা বিলাক হয় প্ৰাণৰ আহ্বান। নিজৰ মনৰ নিচেই কাষৰ পৰা আঁতৰি যোৱাৰ বেদনাই হওক কিম্বা আঁতৰত থকাৰ আকাংক্ষাই হওক, এই ভাৱ বিলাকে কবিৰ অন্তৰত দোলা দি যায়। ভাৱ প্ৰকাশৰ মাধ্যম হিচাপে তেতিয়াই কবিয়ে আশ্ৰয় লয় শব্দৰ। তেনে এক ধাৰণাৰ বাবেই হয়তো উদীয়মান কবি 'প্ৰণৱ কুমাৰ বৰ্মন'ৰ কবিতাত দেখা যায় প্ৰেমৰ মিলনৰ আশাৰ পাপৰি—

*"আকৌ লগ পালে কি ক'ম তোমাক*
*বিষণ্ণতাৰে মুহূৰ্ত জীয়া জোনৰ কথা*
*এখন নদী দিক্‌হাৰা হৈ*
*এখন কুমাৰ গাঁৱেদি বৈ যোৱাৰ কথা*
*হয়তো ক'ম বৰশীত বৰলৰ টোপ গাঁথি*
*এটি শিশু মেটেকা ফুলৰ পুখুৰী বিচাৰি যোৱাৰ কথা*
*দীৰ্ঘদিন তেজত কঢ়িয়াই ফুৰা মোৰ মৃত্যুৰ কথা*
*আকৌ লগ পালে তোমাক*
*মোৰ যে ক'বলৈ একোৱেই নাথাকিব।"*

প্ৰকৃততে আধুনিক অসমীয়া কবিতাত প্ৰেমৰ প্ৰতিচ্ছবি সম্পৰ্কীয় ভাৱবস্তুৰ বিশ্লেষণৰ বিশেষ প্ৰাসঙ্গিকতা নাথাকিলেও সময়ৰ বলুকাত পাঠক সমাজৰ বাবে ই এক লক্ষণীয় বিষয়। যাঠিৰ দশকৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ আধুনিক কবিতাত গভীৰ প্ৰেমৰ প্ৰভাৱ দেখা যায়। যদিও ক্ষুদ্ৰ পৰিসৰৰ আলোচনাৰ যোগেদি ইয়াৰ সম্যক বিশ্লেষণ দাঙি ধৰাটো অসম্ভৱ। ◆

# Music : The Hindustani Classical

**Miss Pooja Gogoi**
**H.S. 1st Year**

Basically, the unique Indian Classical Music was deemed to be purely ritualistic in twenty centuries ago. Much part of Indian music is folk music.

The origin of Indian music is said to be rooted in the 'Sama veda' which is said to be written by Brahma. Samaveda which is one of four Vedas. In Samveda the vedic hymns was chanted in definite musical patterns. It was sung in plain melody using only 3 notes (three notes). The Indian classical music developed between the 14th and 18th centuries. In this period the Indian classical music developed in two types of music – The Hindustani and Cornatic. Hindustani music adapted a scale of Swara Saptaka and Carnatic music retained the traditional octave. During this period, different styles of classical compostions such Dhrupod, Dhamor, Khayal, etc. were contributed to Hindustani music along with many excellent hums, bhayans, kirtans etc.

The Hindustani musical scale is said to have to disclosed from 3 Notes to a scale of 7 primary notes, on the basis of 22 intervals, and these are the basis of the musical notes. The 7 Notes of the scale are known to musicians as Sa - Re - Ga - Ma - Pa - dha - Ni - Sa. These 7 (Sur') notes of the scale donot have equal intervals between them. A Saptak is a group of 7 Notes, divided by the intervals as follows.

The contribution of several notes weaved composition in a way which is pleasing to the ear is called a raga. Each raga creates an atmosphere which is associated with feelings/ emotions/sentiments. Raga is the basis of Classical music.

There are limited number of Raga in Hindustani Classical music like Bhupali, Ashawari, Bhairov, Multani, Potdip, Toyyoyonti, Malgunyi, Dorwari, Potmonjuri etc. According to some famous musicians Ragas are safeguards of human diseases. The raga forms the backbone of Indian music. ◆





# গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড° ৰংগনাথন আৰু গ্ৰন্থাগাৰ বিজ্ঞানলৈ তেখেতৰ অৱদান

নিৰ্জুমণি চাংমাই
সহকাৰী গ্ৰন্থাগাৰিকা
সোণাৰি মহাবিদ্যালয়

**১২** আগষ্ট। ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড° লিয়ালী ৰামামৃত ৰংগনাথনৰ জন্মদিন। তেখেতৰ জন্মদিনটোও আমি সকলোৱে তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছো। তেখেতৰ জন্ম হৈছিল ১৮৯২ চনত তামিলনাডুৰ তাঞ্চবোৰ জিলাৰ লিয়ালী নামৰ এখন সৰু গাৱঁত। ড° ৰংগনাথনৰ দেউতাকৰ নাম আছিল ৰামামৃত আয়াৰ আৰু মাকৰ নাম আছিল শ্বেথালক্ষ্মী। আনহাতে ৰংগনাথন আছিল মাক-দেউতাকৰ প্ৰথম সন্তান। তেখেতৰ শিক্ষাজীৱন আৰম্ভ হৈছিল ১৮৯৭ চনত। আৰু ১৯০৯ চনত প্ৰথম বিভাগত মেট্ৰিকৰ দেওনা পাৰ হৈ কলেজীয়া শিক্ষা আৰম্ভ কৰিছিল মাদ্ৰাজ খ্ৰীষ্টিয়ান মহাবিদ্যালয়ত। তেখেত অংকশাস্ত্ৰ বিষয়ৰ ছাত্ৰ আছিল। ১৯১৬ চনত অংকশাস্ত্ৰ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। তাৰপিছত ক্ৰমান্বয়ে ১৯২৪ চনত স্কুল অৱ লাইব্ৰেৰীয়ানশ্বিপ (লণ্ডন)ৰ পৰা গ্ৰন্থাগাৰিকৰ শিক্ষা লাভ কৰিছিল। ড° ৰংগনাথনে ১৯০৭ চনত অৰ্থাৎ ১৪ বছৰ বয়সতে বিবাহপাশত আৱদ্ধ হৈছিল। তেখেতৰ পত্নীৰ নাম আছিল 'ৰুক্মিণী'। কিন্তু দুৰ্ভাগ্যৰ বিষয় পত্নী ৰুক্মিণী দুৰ্ঘটনাত পতিত হৈ ১৯২৮ চনত অনন্তধামলৈ গতি কৰিলে। পুনৰবাৰ ৰংগনাথনে ১৯২৯ চনত 'সাৰদা'ৰ লগত সাংসাৰিক জীৱন আৰম্ভ কৰিলে। আৰু এটি পুত্ৰ সন্তান তেওঁলোকৰ জীৱনলৈ আহিল। তেওঁৰ নাম হ'ল— আৰ. যোগেশ্বৰ।

ড° ৰংগনাথনে কৰ্মক্ষেত্ৰত ১৯১৭ চনত পোনপ্ৰথমে সহকাৰী প্ৰৱক্তা হিচাপে অংকশাস্ত্ৰ বিষয়ত মাংগালোৰৰ চৰকাৰী মহাবিদ্যালয়ত যোগদান কৰিছিল। তাৰপাছত মাদ্ৰাজৰ প্ৰেচিডেন্সী মহাবিদ্যালয়ত অংকশাস্ত্ৰ বিষয়তে সহকাৰী অধ্যাপক হিচাপে সেৱা আগবঢ়োৱাৰ সুবিধা পাইছিল। ড° ৰংগনাথনে শিক্ষকতাৰ দিনবিলাকত নিজস্ব কৌশল আৰু জন্মসূত্ৰে গুণবাচক (epithet born teacher) ভাৱে পোৱা জ্ঞানেৰে শিক্ষাদান কৰিছিল। তেখেতে শিক্ষাদানৰ লগতে অন্যান্য কাৰ্যতো আগবঢ়া আছিল। প্ৰায় ১৯২১ চনৰ পৰা ১৯২৩ চনলৈকে Secretary of the Mathematics and Science Section of the Madras Teacher's Guild আছিল।

অন্যহাতেদি গ্ৰন্থগাৰ বিজ্ঞানৰ দিশত সম্পূৰ্ণ শৈক্ষিক পৰিবেশক লৈয়ে ড° ৰংগনাথনে গ্ৰন্থগাৰভিত্তিক অধ্যয়ন, গৱেষণা আৰু ব্যৱহাৰিক কাৰ্যব্যৱস্থা আৰম্ভ কৰিছিল। তেখেতে গ্ৰন্থাগাৰ বিজ্ঞানত সামাজিক ব্যৱস্থাটো সাঙুৰিবলৈ তিনিটা ভাগত গ্ৰন্থাগাৰক ভাগ কৰিছিল—

(১) বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ক সাঙুৰি শৈক্ষিক গ্ৰন্থাগাৰ।

(২) ৰাজহুৱা গ্ৰন্থাগাৰ।

(৩) গৱেষণামূলক আৰু সামাজিক উন্নতি আদি সামৰি বিশেষ গ্ৰন্থাগাৰ।

তদুপৰি তেখেতৰ সৃষ্টি আৰু ৰচনাৱলীত বিশেষভাৱে গ্ৰন্থাগাৰ বিজ্ঞানৰ সূত্ৰ পাঁচোটাই সমগ্ৰ শিক্ষা ব্যৱস্থাটোকে সামৰি লৈছে এই সূত্ৰকেইটা হ'ল—

(১) কিতাপ/তথ্য ব্যৱহাৰৰ বাবে।

(২) তথ্যই প্ৰতি পঢ়ুৱৈ।

(৩) পঢ়ুৱৈ প্ৰতি তথ্য।

(৪) পঢ়োতাৰ সময় ৰক্ষা কৰা। আৰু
(৫) গ্ৰন্থাগাৰ এটি ক্ৰমবৰ্দ্ধমান অনুষ্ঠান।

এইকেওটা সূত্ৰকে সামৰি Assam Library Association এ এনেদৰে প্ৰকাশৰ চেষ্টা কৰিছে—

প্ৰজ্ঞাদীপৰ শিখা জ্বলাওঁ
ঠাকে ঠাকে গ্ৰন্থ অগণন। তথ্য ব্যৱহাৰৰ বাবে।
জ্ঞান ভঁড়ালৰ আঁত বিচাৰি
জনম গঢ়াৰ ধন।
আহা পাঠক সদলবলে,
গ্ৰন্থ খুজি পূৰ্ণ কৰা তথ্যই প্ৰতি পঢ়ুৱৈ।
তোমাৰ প্ৰয়োজন।
গ্ৰন্থৰ ভাগ্য তোমাৰ হাতত পঢ়ুৱৈ প্ৰতি তথ্য
তোমাৰ বাবে জীৱন
মধুক্ষুধাৰ কোবাল সময়
বুকুত ধাৰণ কৰি পঢ়োতাৰ সময় ৰক্ষা কৰা।
পুৰাও তোমাৰ মন
গ্ৰন্থাগাৰৰ অংগে অংগে
আলোক অনুৰ গুঞ্জন
ডালে-পাতে বাঢ়ি অহাৰ গ্ৰন্থাগাৰ এটি ক্ৰমবৰ্দ্ধমান অনুষ্ঠান।
উৎফুল্ল নয়ন।

(An anonymous poem based on five laws of Library Science, composed during 8th conference of Assam Library Association, held in 1964.)

ড° ৰংগনাথনে এই সমূহৰ উপৰিও প্ৰায় যাঠিখন গ্ৰন্থ আৰু দুহেজাৰ প্ৰবন্ধ গ্ৰন্থাগাৰ বিজ্ঞানলৈ আগবঢ়াই গ্ৰন্থাগাৰ বিজ্ঞানৰ ভেটি সমৃদ্ধিশালী কৰি থৈ গৈছে, তাৰে ভিতৰত কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল—

1. Prolegomena to Library Classification.
2. The Five Laws of Library Science.
3. Colon Classification.
4. Ramaniyan : The Man and Mathematician.
5. Classified Catalogue Code.
6. Library Administration.
7. Indian Library Manifesto.
8. Library Manual for Library Authorities. Librarians and Library Workers.
9. Classification and Communication readings and comons; Comparative study of five catalogue codes.

ড° ৰংগনাথনে তেখেতৰ কৰ্ম আৰু সাধনাৰ জৰিয়তে লাভ কৰিবলৈ সক্ষম হোৱা সন্মান আৰু পুৰস্কাৰসমূহৰ ভিতৰত লেখত ল'বলগীয়া স্বীকৃতিসমূহ হ'ল—

| | | |
|---|---|---|
| 1935 | – | Rao Sahib প্ৰদান কৰিছিল Government of India. |
| 1948 | – | D. Litt. প্ৰদান কৰিছিল Delhi University. |





| | | |
|---|---|---|
| 1951 | – | Honorary Fellow প্ৰদান কৰিছিল Virginia Bibliographic Society. |
| 1954 | – | Patron প্ৰদান কৰিছিল Delhi Library Association. |
| 1957 | – | Padmashree প্ৰদান কৰিছিল Government of India. |
| 1962 | – | Founder Patron প্ৰদান কৰিছিল Mysore Library Association, Bangalore. |
| 1964 | – | D. Litt, University of Pittsburgh, U.S.A. |
| 1965 | – | National Research Professor for Library Science প্ৰদান কৰিছিল Government of India. |
| 1967 | – | Honorary Fellow প্ৰদান কৰিছিল Indian Standard Constitution. |
| 1970 | – | Margaret Mann Award প্ৰদান কৰিছিল American Library Association. |
| 1971 | – | Grand Knight of Peace প্ৰদান কৰিছিল Mark Twain Society, USA. |

শেষত ড° ৰংগনাথন একাধাৰে এজন অংকশাস্ত্ৰবিদ, দাৰ্শনিক, শিক্ষাবিদ, বিজ্ঞানী, ধৰ্মপ্ৰচাৰক, গ্ৰন্থাগাৰিক হোৱাৰ উপৰিও এজন বৈপ্লৱিক চিন্তাবিদ আছিল। তেওঁ অকলশৰীয়াকৈ বিৰামহীন ভাৱে গ্ৰন্থাগাৰ আৰু তথ্যপ্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত তথ্য আৰু জ্ঞান সৰবৰাহৰ যোগনিয়াৰ (Purveyor) হিচাপে অনবদ্য অৱদান আগবঢ়াই থৈ গ'ল। আৰু তেওঁ প্ৰতিষ্ঠা কৰি থৈ গ'ল যে— "Library is a force in world peace and cooperation." এইজনা বিশিষ্ট ব্যক্তিয়ে ১৯৭২ চনত ৮০ বছৰ বয়সত বাংগালোৰত মৃত্যুবৰণ কৰে।

[Source – 1. S.R. Ranganathan – Wikipedia, the free encyclopedia]
2. Encyclopedia of Library and information science. Ed. by Allen Kenl and others, Vol. 1978, Published by M. Dekker Inc, New York. ◆

## PUZZLE

*Boy to a Girl, who was riding a scooty ........................*

*Boy : What's your name beautiful?*

*Girl : If you are smart enough then find it out from my number plate.*

*And it read 62688 .................*

*He quickly wrote it on his cell.............*

*What's the name??*

# বিহুগীতত 'গগণা' — এটি আলোকপাত

**শ্ৰীমতী সম্পূৰ্ণা বুঢ়াগোঁহাই**
**উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ**

'গগনা' হৈছে এটি লোকবাদ্য। বিশেষকৈ বহাগ বিহুত ডেকা গাভৰুৱে কৰা দলীয় নৃত্যত উভয়ে এই বাদ্য বজায়। 'লোকবাদ্য' বুলি কওঁতে প্ৰথমতে আমি 'লোক' শব্দই কি অৰ্থ বুজায় তাৰ এটি ব্যাখ্যা আগবঢ়োৱা উচিত হ'ব। 'লোক' শব্দৰ অভিধানিক অৰ্থ হৈছে — ভুবন, পৰ বা লোক। 'ভুবন'ৰ অৰ্থত 'লোক' শব্দৰ প্ৰয়োগ এনে — যেনে, ত্ৰিলোক। পুনৰ 'পৰ' শব্দইয়ো 'লোক'কেই বুজায়। কিন্তু লোকবাদ্য বোলোতে 'লোক' শব্দই মানুহৰ কথাকেই ইংগিত কৰে।

এই 'লোক' সকল কোনে শ্ৰেণীৰ এই বিষয়েও জানি থোৱা ভাল। যি সকল মানুহ নিৰক্ষৰ, নগৰ চহৰৰ পৰা বহু দূৰৈত আঁতৰি থাকে; যি সভ্যতা সংস্কৃতি বিজ্ঞানৰ অৰ্থ নুবুজে; যি অতিশয় পৰিশ্ৰমী; যি পৰম্পৰাসমূহ কোনো কাৰণতেই ভংগ হোৱাটো নিবিচাৰে; যি যিকোনো সাধাৰণ বৃত্তিৰ লগত জড়িত হৈ থাকে— এনেবোৰ মানুহকেই লোক বোলা হয়।

'লোক' সকলে অন্তৰত যেতিয়াই আনন্দ অনুভৱ কৰে তেতিয়াই তেওঁলোকৰ মনৰ পৰা আপোনা-আপুনি ওলাই আহে গীত যাক আমি লোকগীত বোলো। বিহুগীত, বিয়ানাম, আইনাম আদি এই লোকগীতৰ ভিতৰতেই পৰে। যেতিয়া এই লোকসমাজে অধিক শস্য বৃদ্ধিৰ কামনাৰে প্ৰাকৃতিক পূজা-অৰ্চনা কৰি কাল্পনিক দেব-দেৱীক সন্তুষ্ট কৰি নিজেও সুখানুভূতি লাভ কৰে সেয়াই হৈছে লোক উৎসৱ। বিহু শব্দটি সংস্কৃত বিযুবৎ শব্দৰ পৰা আহিছে। যেতিয়া দিন আৰু ৰাতি সমান দীঘল হয় সেই দিনটোক বিষুৱ বোলা হয়। সেই দিনটোতেই কৃষিজীৱী সাধাৰণ লোক সমাজে অধিক শস্য উৎপাদনৰ আশাৰে আৰম্ভ কৰিছিল বিহু উৎসৱ।

বিহুৰ ভিতৰত কাতি আৰু মাঘ বিহুক বাদ দি ঘাইকৈ বহাগ বিহুতহে এনে নৃত্যগীত কৰা হয়। কৃষিজীৱী লোক সমাজে প্ৰকৃতিৰ বিভিন্ন পৰিৱৰ্তন সমূহক অলৌকিক কাৰ্য বুলি ভাবি প্ৰথমতেই ভয় খাইছিল। এই বিলাকৰ পৰা পৰিত্ৰাণ পাবলৈ তেওঁলোকে বিভিন্ন দেৱ-দেৱীক পূজা-পাতল কৰিছিল। এনেকৈয়ে আশ্চৰ্যজনক হৈয়েই বা পৰিত্ৰাণৰ কামনাৰেই হওক প্ৰকৃতিক সূক্ষ্মাতিসূক্ষ্ম ভাৱে তেওঁলোকে পৰ্যবেক্ষণ কৰিছিল। তেওঁলোকে এই পৰ্যবেক্ষণৰ ফলতেই 'ভেকুলীয়ে টোৰ-টোৰালে বৰষুণ হয়' বুলি বিশ্বাস কৰিছিল। এই বেং বা ভেকুলীৰ বিয়া পাতিলে বৰষুণ হয় বুলিও তেওঁলোকে বিশ্বাস কৰিছিল।

হয়তো এই বেঙৰ মাতৰ অনুকৰণতেই সৃষ্টি হৈছিল গগণাৰ দৰে লোকবাদ্যৰ। অসমৰ 'সংস্কৃতি সমীক্ষা' নামৰ গ্ৰন্থখনত অধ্যাপক নৰেন্দ্ৰনাথ বৰদলৈদেৱে 'অসমৰ লোকসংস্কৃতিত লোকবাদ্য' শীৰ্ষক প্ৰবন্ধত গগণাৰ সম্পৰ্কে এনেদৰে মত প্ৰকাশ কৰিছে—

"অসমৰ গগণা বাদ্যটো বেঙৰ মাতৰ অনুকৰণত সৃষ্টি কৰিছিল। আদিম কৃষক সকলে শালি খেতিৰ সময়ত বৰষুণৰ অভাৱত কঠিয়া ৰুব নোৱাৰিলে গাঁৱৰ ঘৰে ঘৰে ডেকাহঁতে গমনা বা গগনা বজাই নৃত্য কৰিছিল। যিহেতু বেঙৰ মাতত বৰষুণ নামে; গতিকে গমনা বা গগনাৰ মাততো বৰষুণ পৰে বুলি বিশ্বাস কৰে।" (পৃষ্ঠা ঃ১৮২)।

বিহুগীততো 'গগনা'ৰ উল্লেখ পোৱা যায়। বিহু গীতত আছে —

*"আগলি বাঁহৰে লাহৰী গগনা*
*বহি তাঁতৰ পাতত বাওঁ;*
*আহে কি নাহে ঐ মোৰ ধন লাহৰী*
*চিৰি পাতি মঙ্গলখন চাওঁ।"*

অৰ্থাৎ গগনা নিৰ্মাণ কৰা হয় আগলি বাঁহৰ দ্বাৰা। সাধাৰণতে গগনা গাভৰুসকলে প্ৰিয়জনৰ বাবে 'বিহুৱান'







বৈ থকা অৱস্থাত বা তাঁতৰ শালত কাপোৰ বৈ থকা অৱস্থাত বায় বুলিও বিহুগীতত গোৱা হয়। এনেদৰে বস্ত্ৰ বৈ থকা অৱস্থাত চেনেহীয়ে প্ৰিয়জনৰ পৰা গগনা উপহাৰ পাবলৈয়ো যেন আশা কৰে। সেয়েহে 'বহি তাঁতৰ পাটত বাওঁ' বুলি চেনেহীয়ে ক'ব বিচাৰে।

গগনাৰ মাত অতি শুৱলা — যাক 'অমাতৰ মাত' বুলিব পাৰি। বিহুগীতত আছে—

*"কোনেনো বজালে লাহৰী গগনা*
*কিনো অমাতৰে মাত*
*সেইনো মাতে শুনি দেও ৰাজে হাঁহৰ*
*দেওধনি লাগিছে গাত।"*

গগনাৰ মাত শুনি কেৱল যে মানুহেই আকৰ্ষিত হয় এনে নহয়। নহ'লেনো 'দেও ৰাজহাঁহৰ গাত দেওধনি' লাগেনে? বিহুগীতত ধন শব্দৰ প্ৰয়োগে প্ৰিয়জনৰ কথাকেই ক'ব বিচাৰে। গাভৰু গৰাকীয়ে পৰম আশাৰে 'ধনে সাজি দিয়া লাহৰী গগনা' বজাবলৈ ইচ্ছা প্ৰকাশ কৰে। —

*"ধনে সাজি দিয়া লাহৰী গগনা*
*বহি বড়তলত বাওঁ।"*

কিন্তু যেতিয়া সেই ধন আহি নাপায়হি বা তেওঁ গগনা সাজি দিব নোৱাৰে, স্বাভাৱিকতেই প্ৰিয়া অসন্তুষ্ট হৈ পৰে। তেওঁ মংগল চায় কিজানিবা ক'ৰবাত কিবাকৈ ধন বিপদত পৰিছে—

*"ধনো নাহিলে গগনা ফাটিলে*
*খৰিকা মংগলত চাওঁ।"*

ধনে গঢ়ি দিয়া গগনা পাবলৈ বিহুৱতী প্ৰেমিকাৰ অসীম ইচ্ছা। তেওঁৰ যেন বাট চোৱাৰ অন্ত নাই। প্ৰতি বছৰে বিহুটি আহে কিন্তু নাহে প্ৰিয়তম। তেওঁ উপহাৰ নেপায় লাহৰী গগনা। তেতিয়াই গাভৰু গৰাকী ক্ষোভিত হোৱাৰ উল্লেখ এনেদৰে পোৱা যায়—

*"যোৱাটো বিহুতে গগনা খুজিলোঁ*
*এইবেলিও নিদিলা সাজি;*
*তোমাৰে গগনা আমাকো নেলাগে*
*দিয়াগৈ সিজনীক সাজি।"*

অসম পৰম্পৰাগত লোকবাদ্যত চহকী। এই লোকবাদ্য সমূহক প্ৰধানকৈ ঘাত যন্ত্ৰ, ফু দি বজোৱা যন্ত্ৰ, তাঁৰৰ যন্ত্ৰ আদি ভাগত ভগোৱা হৈছে। ৰাম তাল, কৰ তাল আদি ঘাত যন্ত্ৰ। ফু দি বজোৱা যন্ত্ৰৰ ভিতৰত বাঁহী, পেঁপা, সুতুলি আদি পৰে। তাঁৰৰ যন্ত্ৰৰ ভিতৰত টোকাৰী, বীণা আদি পৰে।

কিন্তু গগনা এবিধ এনে বাদ্যযন্ত্ৰ যাক ওপৰৰ এটা ভাগতো অন্তৰ্ভুক্ত কৰিব নোৱাৰি। গগণা বজাওঁতে গগনাপাত দুয়ো হাতেৰে ধৰি ওঁঠৰ মাজত সুমুৱাই জোকাৰি বজোৱা হয়। গগনাৰ দুয়োটা ফালৰ মাজত কম্পন সৃষ্টি কৰিব পৰাকৈ অতিশয় মিহিকৈ নিৰ্মাণ কৰা আগলি বাঁহ ব্যৱহৃত হয়। এই বাদ্য সাধাৰণতেই নৃত্যৰতা বিহুৱতীয়ে মূৰৰ খোপাত গুজি থয়। এয়ে গগনাৰ বিশেষত্ব। এনে আন কোনো লোকবাদ্য নাই — যাক খোপাত গুজি থ'ব পাৰি। ঢোল, বাঁহী, পেঁপা আদি যিদৰে বজাবলৈ শিকিবলগীয়া হয়, গগনা তেনেদৰে শিকা নহয়।

উক্ত আলোচনাৰ দ্বাৰা গগনাৰ ওপৰত সামান্যতম আলোকপাত কৰিবলৈ নিংকিন প্ৰচেষ্টা চলোৱা হ'ল। ◆

# নেপথ্যত এজন পথিকৰ কথাৰে

ধ্ৰুৱজ্যোতি গগৈ
স্নাতক দ্বিতীয় বৰ্ষ
গণিত বিভাগ।

দিগ্বিজয়ী বীৰ আলেকজেণ্ডাৰে উত্তৰ আফ্ৰিকীয় দেশসমূহ জয় কৰি মূলতঃ ইজিপ্ত জয় কৰি ভূমধ্য সাগৰৰ দক্ষিণে গণিত চৰ্চাৰ প্ৰাণকেন্দ্ৰ আলেকজেন্দ্ৰিয়া স্থাপন কৰিছিল সেই সময়ত আলেকজেন্দ্ৰিয়া বিভিন্ন বৌদ্ধিক, আধ্যাত্মিক সাহিত্য তথা বিজ্ঞান চৰ্চাৰ প্ৰাণকেন্দ্ৰ ৰূপে গঢ়ি উঠিছিল। আলেকজেণ্ডাৰৰ মৃত্যুৰ পাছত ক্ল'ডিয়াচ টলেমি আৰু মেনেলাউচৰ নেতৃত্বত ইয়াত আলেকজেন্দ্ৰিয়া বিশ্ববিদ্যালয় স্থাপন কৰি ইয়াক গণিত চৰ্চাৰ অন্যতম থলীলৈ ৰূপান্তৰিত কৰা হয়। পৃথিৱীৰ বিভিন্ন দেশৰ ছাত্ৰ-ছাত্ৰী ইয়াত অধ্যয়ন কৰিবলৈ আহিছিল আৰু এই সকলৰ ভিতৰত বিদ্যালয়খনৰ অন্যতম আকৰ্ষণ আছিল বীজগণিত বিশেষজ্ঞ জয়'ফান্টাছ।

কেইবা শতিকা গণিতৰ সাম্ৰাজ্যত বিচক্ষণ কৰি থকা ডায়'ফান্টাছৰ জীৱনী জনা নাযায় যদিও সম্ভৱত তেওঁ ২৫০ খ্ৰীষ্টাব্দৰ আশে-পাশে আলেকজেন্দ্ৰিয়াত আহি বসবাস কৰিছিল। তেওঁ কিমান বছৰ জীয়াই আছিল এই সম্পৰ্কত কোনো তথ্য নাই যদিও তেওঁৰ সমাধি স্তৱত লিখা আছে এইবুলি যে তেওঁ (ডায়'ফান্টাছ) ১/৬ অংশ শৈশৱ, ১/১২ অংশ যৌৱন, ১/৭ অংশ আৰু ৫ বছৰ বৈবাহিক জীৱন কটোৱাৰ পাছত এক পুত্ৰ সন্তান লাভ কৰিছিল আৰু তেওঁৰ মৃত্যুৰ পূৰ্বে তেওঁৰ পুত্ৰৰ মৃত্যু হৈছিল। পুতেকৰ জীৱনকাল বাপেকৰ আধাহে হৈছিল। পুত্ৰশোকত ৪ বছৰ উজাগৰী নিশা কটোৱাৰ পাছত ডায়'ফান্টাছৰ মৃত্যু হয়। ইয়াৰ উত্তৰ উলিয়াই ক'ব পাৰি যে ডায়'ফন্টাছ ৮৪ বছৰ জীয়াই আছিল।

বীজগণিতীয় প্ৰতীক ব্যৱহাৰ কৰা ডায়'ফান্টাছেৰ অৱদানৰ সংখ্যা লেখত ল'বলগীয়া। তেওঁ আয়তক্ষেত্ৰৰ অংকণ কৰি জ্যামিতিৰ দ্বাৰা $(a+b)^2 = a^2+b^2+2ab$ অভেদটো প্ৰতিপন্ন কৰি উলিয়াইছিল। আলেকজেন্দ্ৰিয়াত থাকোতেই তেওঁ এৰিথমেটিকা (Arithmetica) নামৰ গ্ৰন্থখন লিখি উলিয়াইছিল। তেওঁৰ এই গ্ৰন্থখন তেৰটা খণ্ডত বিভক্ত। কিন্তু আলেকজেন্দ্ৰিয়াৰ বিখ্যাত গ্ৰন্থাগাৰ বিদেশীৰ আক্ৰমণৰ ফলত কেৱল ইয়াৰ ৬ টা খণ্ডহে সংৰক্ষিত অৱস্থাত পোৱা যায়। এই গ্ৰন্থখনত তেওঁ সেই সময়ত প্ৰচলিত আৰু প্ৰাচীনতম বিভিন্ন সমস্যা গোট খুৱাই আৰু নিজেও এশৰো অধিক সমস্যাৰ সমাধান কৰি ৰচনা কৰিছিল।

বৰ্তমান এৰিথমেটিকা পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুদিত হৈছে। 1621 AD ত বেছেট ডে মেজিৰিয়াকৰ দ্বাৰা এৰিথমেটিকা প্ৰথম লেটিন ভাষালৈ অনুদিত হৈছিল আৰু ইয়াৰ পাছত 1670 AD ত পুনৰ এৰিথমেটিকাৰ দ্বিতীয় তাঙৰণ প্ৰকাশ পায়। এইখন গ্ৰন্থৰ আলম লৈয়েই পীয়েৰ দা ফাৰ্মা নামৰ গণিতজ্ঞ এজনে বিভিন্ন নতুন সমস্যাৰ সমাধান কৰিছিল। ফাৰ্মাই তেওঁ গণিতত লিখিছিল যে "দুইতকৈ ডাঙৰ ঘাতৰ এটা সংখ্যাক সেই একেই ঘাতৰ আন দুটা সংখ্যাৰ যোগফল হিচাপে প্ৰকাশ কৰিব নোৱাৰি।" এই উক্তিটোৱেই পাছলৈ বিভিন্ন সময়ত গণিতজ্ঞ সমকলৰ মূৰৰ কামোৰণি হৈ আহিছে।

এৰিথমেটিকাত ডায়'ফান্টাছে দ্বিঘাত আৰু ত্ৰিঘাত সমীকৰণৰ সমাধান কৰি দেখুওৱাইছিল। কিন্তু তেওঁ ইয়াৰ বাবে প্ৰত্যেকবাৰতে ধনাত্মক বীজৰহে সহায় লৈছিল। তেওঁ হয়তো নাজানিছিল যে ইয়াৰ বাবে ঋণাত্মক বীজও থাকিব পাৰে। বৰ্তমান এনে সমীকৰণবোৰক আধুনিক গণিতত ডায়'ফান্টাছৰ সমীকৰণ বুলি জনা যায়।

এৰিথমেটিকাত ডায়'ফান্টাছে কেইবাটাও বিখ্যাত সূত্ৰৰ উপস্থাপন কৰিছিল কিন্তু ইয়াৰ সমাধান নাছিল। হয়তো তেওঁৰ এই সমাধানকেইটা বিদেশী আক্ৰমণত উদ্ধাৰ কৰিব





নোৱাৰা খণ্ডকেইটাত থাকি গ'ল। ইয়াৰে দুটা সূত্ৰ হ'ল যে পৰিমেয় সংখ্যাৰ ঘনৰ পাৰ্থক্য আন দুটা পৰিমেয় সংখ্যাৰ ঘনৰ পাৰ্থক্য হিচাপে প্ৰকাশ কৰিব পাৰি। সেইদৰে কোনো সংখ্যক দুটা বা তিনিটা বা চাৰিটা সংখ্যাৰ যোগফল হিচাপে পাব পাৰি। পাছৰ সময়ত ফ্ৰাংক, ভিয়েটা, পীয়েৰ দী ফাৰ্মা আদি গণিতজ্ঞ সকলে তেওঁৰ সূত্ৰৰ প্ৰমাণ কৰি উলিয়ায়। ইয়াৰ বাবে নিশ্চয় ডায়'ফান্টাছৰ মহান অৱদানক নুই কৰিব নোৱাৰি।

ডায়'ফান্টাছৰ এৰিথমেটিকা গ্ৰন্থখন ইউক্লিডৰ 'Elements' গ্ৰন্থখনৰ সমতুল্য। এৰিথমেটিকাৰ উপৰিও ডায়'ফান্টাছৰ আন দুখন ৰচিত গ্ৰন্থ হ'ল Porisms আৰু Depolygonis Numeris। এৰিথমেটিকাৰ বাবে ডায়'ফান্টাছ গণিতৰ ইতিহাসত সদায় চিৰস্মৰণীয় হৈ ৰ'ব।◆

## ৰুচিকৰ তথ্য

- পৃথিৱীৰ কাচিৎহে হোৱা ৰোগবিধৰ নাম হৈছে 'কুৰু' অৰ্থাৎ হঁহা ৰোগ। কেৱল নিউগিনৰ নৰখাদকসকলৰ মাজতহে এই ৰোগ হোৱা দেখা যায়। মানুহৰ মগজু খোৱাৰ পৰা এই ৰোগ হয় বুলি বিশ্বাস।
- "পয়েট লৰেট" উপাধিৰে সন্মানিত হৈ থকাৰ সাতবছৰ কালত ৱৰ্ডচৱৰ্থে দৰাচলতে কোনো কবিতাই ৰচনা কৰা নাছিল।
- মানুহৰ শৰীৰত থকা ফচফৰাচৰ পৰা দুহেজাৰ দিয়াচলাই কাঠিৰ বাখৰ লগোৱা মূৰ, চৰ্বিৰ পৰা ৭ (সাত) ডোখৰ চাবোন আৰু লোৰ পৰা এটা গজাল তৈয়াৰ কৰিব পাৰি।
- ৰঙাৰ মাজত বগা ক্ৰচ থকা ডেনমাৰ্কৰ পতাকাখন সকলোতকৈ পুৰণি ৰাষ্ট্ৰীয় পতাকা আৰু এই পতাকাৰ প্ৰৱৰ্তন হয় ১২১৯ চনত।
- তেল আৰু পানীক মিহলাব পাৰি। একমাত্ৰ প্ৰয়োজন তেল আৰু পানীৰ লগত অলপ চাবোন মিহলোৱাটো।
- "The quick brown fox jumps over the lazy dog." বাক্যটোত ইংৰাজী বৰ্ণমালাৰ আটাইকেইটা আখৰ আছে।

# প্ৰসঙ্গত ব্যাকৰণ চৰ্চা ঃ এটি আলোকপাত

পদ্ম কুমাৰী গগৈ
সহকাৰী অধ্যাপিকা
সোণাৰি মহাবিদ্যালয়

মানুহৰ চিন্তা-চেতনাৰ বাহক হৈছে ভাষা। মানুহে পৰস্পৰৰ লগত ভাব বিনিময় কৰিবলৈ বাগিন্দ্ৰিয়ৰ সহায়ত উচ্চাৰণ কৰাত সুবিন্যস্ত অৰ্থবহ ধ্বনি প্ৰতীকৰ সমষ্টিয়েই ভাষা। ভাৰতীয় সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন বেদতেই ভাষা বিষয়ক চিন্তা-চৰ্চাৰ শুভাৰম্ভ হয়। ঋক্‌বেদৰ একাধিক সূক্তত ভাষা বিষয়ক আলোচনাৰ পৰিচয় পোৱা যায়। অৱশ্যে এনে আলোচনা বিশ্লেষণাত্মক নাছিল। ভাষা বিশ্লেষণৰ প্ৰথম উল্লেখ পোৱা যায় কৃষ্ণ যজুৰ্বেদ গ্ৰন্থত। এই গ্ৰন্থত উল্লেখ আছে যে দেৱতাসকলৰ অনুৰোধত দেৱৰাজ ইন্দ্ৰই প্ৰথমে অব্যাকৃত ভাষণ ব্যাকৃত কৰে। এই ব্যাকৃত শব্দৰ পৰাই পিছত ব্যাকৰণ (বি - আ + √কৃ + অনট্) শব্দৰ প্ৰচলন হয়। ব্যাকৰণ শব্দৰ ইংৰাজী প্ৰতিশব্দ হ'ল grammar, যাৰ বুৎপত্তিগত অৰ্থ লিখাৰ কলা (art of writing)। "ব্যাকৰণ শব্দৰ অৰ্থ হৈছে সকলো কথা বিতংকৈ খৰচি মাৰি কৰা আলোচনা। কোনো এটা ভাষাৰ গঠনৰ সকলো কথা বিতংকৈ বিশ্লেষণ বা আলোচনা কৰা পুথিৰ নাম সেই ভাষাৰ ব্যাকৰণ।" (গোলকচন্দ্ৰ গোস্বামী, অসমীয়া ব্যাকৰণ প্ৰৱেশ, পৃষ্ঠা ঃ ৫—৬)।

**ব্যাকৰণ শিক্ষাৰ প্ৰয়োজনীয়তা ঃ**

মানুহে নিজৰ নিজৰ মাতৃভাষাত কথা ক'বৰ বাবে ব্যাকৰণ শিকাৰ প্ৰয়োজন নাই। অৰ্থাৎ ব্যাকৰণ নিশিকাকৈও মাতৃভাষীসকলে নিজৰ নিজৰ মাতৃভাষাত সুন্দৰভাৱে কথা ক'ব পাৰে। এনেক্ষেত্ৰত ব্যাকৰণৰ প্ৰয়োজন হয় কেৱল ভাষাটোৰ ভিতৰুৱা গঠন শিকিবলৈ আৰু ভাষাটো শুদ্ধৰূপে লিখিবলৈ। কিন্তু নিজৰ মাতৃভাষাৰ বাহিৰে অন্য এটা ভাষা নতুনকৈ শিকিবলৈ, সেই ভাষাটোৰ তাত্ত্বিক কথাবিলাক জানিবলৈ সেই ভাষাৰ ব্যাকৰণ জনাটো অতিকে প্ৰয়োজনীয়। তদুপৰি ল'ৰা-ছোৱালীৰ চিন্তাৰ বিকাশৰ কাৰণে ভাষাৰ ব্যাকৰণ অনুশীলন অতিকে প্ৰয়োজনীয়। চিন্তাই ভাষাক আৰু ভাষাই চিন্তাক প্ৰভাৱান্বিত কৰে। সেয়ে প্ৰাচীন ভাৰতত বাৰ বছৰকাল কেৱল ব্যাকৰণৰ শিক্ষাকে দিয়াৰ ব্যৱস্থা আছিল। গতিকে বিজ্ঞানসন্মত পদ্ধতিৰে ৰচনা কৰা উপযুক্ত পুথিৰ সহায়ত প্ৰকৃত শিক্ষণ পদ্ধতিৰে ব্যাকৰণ শিক্ষা দিলে ল'ৰা-ছোৱালীৰ চিন্তা-শক্তিৰ বিকাশ ঘটিব।

**অসমত ব্যাকৰণ চৰ্চা ঃ**

১৮২৬ চনত মান আৰু ইংৰাজৰ মাজত হোৱা ইয়াণ্ডাবুৰ সন্ধিৰ চৰ্ত অনুসৰি অসমৰ শাসনভাৰ বৃটিছৰ হাতলৈ যায়। শাসন কাৰ্য চলাবৰ বাবে অসমৰ অসমীয়া ভাষাটো শিকাৰ প্ৰয়োজন হোৱাত বৃটিছ বিষয়া গুৱাহাটী ছেমিনেৰীৰ হেডমাষ্টৰ উইলিয়াম ৰবিন্সনে ১৮৩৯ চনত "A Grammar of Assamese Language" নামৰ এখন ব্যাকৰণ লিখি উলিয়ায়। এইখনেই ইংৰাজী ভাষাত লিখা অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ। এই ব্যাকৰণৰ আৰ্হি আছিল লেটিন ব্যাকৰণ। এই গ্ৰন্থখনত অসমীয়া ভাষাৰ গাঁথনিক দিশ স্পষ্টৰূপত দাঙি ধৰিব নোৱাৰিলেও অসমত ব্যাকৰণ ৰচনাৰ এক দৃষ্টান্ত দাঙি ধৰাৰ বাবে এই ব্যাকৰণখনৰ ঐতিহাসিক মূল্য আছে। বৃটিছৰ তলত চাকৰি কৰা কিছুমান বঙালী লোকৰ প্ৰৰোচনাত ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈকে অসমৰ পঢ়াশালি, আদালতত বঙলা মাধ্যমহে চলিছিল। সেই সময়তে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা বেপ্টিষ্ট মিছনেৰী সকলৰ হাতত পুনৰ লুপ্তপ্ৰায় অসমীয়া ভাষাটোৱে প্ৰাণ পাই উঠিল। মিছনেৰী সকলৰ প্ৰচেষ্টাত ১৮৭৩ চনৰ পৰা অসমত পুনৰ অসমীয়া মাধ্যম প্ৰৱৰ্ত্তন হৈছিল। এওঁলোকৰ দিনতেই অসমীয়া সাহিত্যত আধুনিকতাৰ বীজ অংকুৰিত হ'ল।

ইংৰাজী ভাষাত লিখা দ্বিতীয়খন অসমীয়া ব্যাকৰণ





হ'ল — "Grammatical Notices of the Assamese Language." ড° নাথান ব্ৰাউনে ব্যাকৰণখন ৰচনা কৰে ১৮৪৮ চনত। তেওঁৰ ব্যাকৰণখনত অসমীয়া ভাষাৰ গঠনৰীতি সম্পৰ্কে বিশ্লেষণাত্মক দৃষ্টিভংগী প্ৰকাশ পাইছে। ১৮৯৩ চনলৈকে ব্যাকৰণখনৰ তিনিটা সংস্কৰণ প্ৰকাশ পাইছিল যদিও সেইবিলাক বৰ্তমান দুষ্প্ৰাপ্য। ১৮৯৩ চনত মূল ব্যাকৰণখনক পুনৰীক্ষণ কৰি P.M. More-এ Grammatical Notes on Assamese Language নাম দি পুনৰ তৃতীয় সংস্কৰণ প্ৰকাশ কৰিছিল। বৰ্তমান ছপা পুথিবিলাক সহজলভ্য নহয় যদিও ১৯৮২ চনত অসম সাহিত্য সভাই P.M. More-অৰ তৃতীয় সংস্কৰণৰ পুনৰ মুদ্ৰণ কৰি প্ৰকাশ কৰে। ব্ৰাউনে তেওঁৰ অসমীয়া ব্যাকৰণখনক অসমীয়া ভাষাৰ এটা টোকা বুলিহে ক'ব বিচাৰিছে। "The following notes do not claim to be regarded as a grammar of the Assamese Language, nor were they prepared with a view to publish in their present state." ব্যাকৰণখনত ড° ব্ৰাউনে বঙলা ভাষাক অসমীয়াৰ পিতৃভাষা নহয় বুলি দেখুৱাবৰ প্ৰয়াস কৰিছে। বঙালী সকল অসমলৈ অহাৰ বহু আগেয়ে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যৰে প্ৰতিষ্ঠা লাভ কৰিছে। উচ্চাৰণৰ দিশতো অসমীয়া ভাষাই সংস্কৃত ভাষাৰ ধাৰাবাহিকতাহে যে ৰক্ষা কৰিছে তাৰ যথোপযুক্ত উদাহৰণ ড° ব্ৰাউনে ব্যাকৰণখনত দাঙি ধৰিছে। শিৱসাগৰ অঞ্চলৰ কথিত ভাষাৰ ভেঁটিত বৰ্ণনাত্মক ৰীতিৰে লিখা ব্ৰাউনৰ ব্যাকৰণখনত অসমীয়া ভাষাটোত বৈশিষ্ট্যপূৰ্ণ জতুৱা গঠনৰ যথেষ্ট বিতং আৰু শুদ্ধ আলোচনা পোৱা যায়।

১৮৯৪ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক জি.এফ. নিকল চাহাবে তেওঁৰ Manual of the Bengali Language নামৰ বাংলা ব্যাকৰণখনৰ শেষত "Appendix V sketch of Assamese Grammar" (পৃষ্ঠা ঃ ৩২৩-৩৬২) খন সংযোজিত কৰি প্ৰকাশ কৰিছিল। নিকলৰ এই ব্যাকৰণখনত নিজস্বতা বিশেষ নাই। ব্যাকৰণখনত ঠাই বিশেষে বাংলা ভাষাৰ লগত অসমীয়া ভাষাৰ মিল-অমিলবোৰ উল্লেখ কৰিছে। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ক্ষেত্ৰত 'টা'ৰ ব্যৱহাৰ [Chakita (ছাকিটা), Manuhta মানুহটা] আৰু বহুবচনাত্মক 'হঁত' প্ৰয়োগ মনকৰিবলগীয়া। হাঁহ, পাৰ আদি শব্দত 'হঁত' প্ৰত্যয় ব্যৱহাৰ কৰি বহুবচন কৰা হৈছে।

অসমীয়া ভাষাত লিখা প্ৰথম অসমীয়া ব্যাকৰণখন হ'ল হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'। ১৮৫৯ চনত এই ব্যাকৰণখন প্ৰকাশ হয়। সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত হেমচন্দ্ৰ বৰুৱাই ইংৰাজী আৰু সংস্কৃত ভাষাৰ আৰ্হিত এই ব্যাকৰণখন ৰচনা কৰে। ব্যাকৰণখনত অসমীয়া ভাষাৰ লিখিত ৰূপটোক এক শৃংখলাৰ মাজলৈ আনিবৰ যত্ন কৰা হৈছে। এই ব্যাকৰণখনে অসমীয়া ব্যাকৰণৰ সুদৃঢ় আৰু সুনিৰ্মিত বুনিয়াদ গঢ়ি তোলে। পাছত তেওঁ ১৮৮২ চনত 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' নামেৰে এখন চমু ব্যাকৰণ ৰচনা কৰিছিল। ১৮৭৩ চনত অসমৰ পঢ়াশালি, আদালত আদিত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হোৱাৰ লগে লগে সেই সময়ত ভাষাটোৰ ব্যাকৰণ আৰু পাঠ্যপুথিৰ অভাৱে গা-কৰি উঠিছিল। সেই সময়ৰ পৰা ঊনবিংশ শতিকাৰ শেষলৈকে হেমচন্দ্ৰ বৰুৱাৰ বাহিৰে কেইবাগৰাকীও পণ্ডিতে অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল। সেই সকল হ'ল— দীনবন্ধু তৰ্কালংকাৰ, নাৰায়ণ শৰ্মা বিদ্যাভূষণ, ধৰ্মেশ্বৰ গোস্বামী। ১৮৭৩ চনত দীনবন্ধু তৰ্কালংকাৰৰ 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' প্ৰকাশিত হয়। ১৮৭৮ চনলৈকে পাঁচ বছৰৰ ভিতৰতে এই ব্যাকৰণখনৰ ছটা সংস্কৰণ প্ৰকাশ হৈছিল। ১৮৮৪ চনত ধৰ্মেশ্বৰ গোস্বামীৰ 'ল'ৰাবোধ ব্যাকৰণ' কলিকতাৰ পৰা প্ৰকাশিত হৈছিল। ১৮৮৭ চনত দুবাৰকৈ প্ৰকাশিত হোৱা ব্যাকৰণখন হ'ল নাৰায়ণ শৰ্মা বিদ্যাভূষণৰ 'আশুবোধ ব্যাকৰণ'। কুৰি শতিকাৰ আৰম্ভণিত এই ব্যাকৰণখন পঢ়াশালিত চলিছিল।

হেমচন্দ্ৰ বৰুৱাৰ পাছতে দেৱানন্দ ভৰালিয়ে ইংৰাজী ভাষাত অসমীয়া ভাষা বিষয়ক এখন ব্যাকৰণ ৰচনা কৰে। ১৯১২ চনৰ আগতেই প্ৰকাশিত ব্যাকৰণখন হৈছে 'A manual of Assamese Grammar'। গ্ৰন্থখন সম্প্ৰতি দুষ্প্ৰাপ্য। তেওঁৰ ১৯১২ চনত প্ৰকাশিত 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' গ্ৰন্থখন (ব্যাকৰণৰ আদৰ্শৰে ৰচিত হোৱা নাই যদিও) তো অসমীয়া ভাষাৰ গঠনৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। অসমীয়া ভাষাৰ উৎপত্তিৰ প্ৰসংগত অসমীয়া ব্যাকৰণৰ মৌলিক সামগ্ৰী — অসমীয়া বৰ্ণমালা আৰু তাৰ উচ্চাৰণ, শব্দৰূপ, প্ৰত্যয়, সমাস, ক্ৰিয়া আদি আলোচনা কৰিছে।

ভৰালিৰ পাছত লোকনাথ শৰ্মাই 'অসমীয়া ব্যাকৰণ' ৰচনা কৰে ১৯১০ চনত। ব্যাকৰণখনত অসমীয়া সন্ধি সম্পৰ্কে নতুন ব্যাখ্যা আগবঢ়াইছে। সংস্কৃত ভাষাৰ নিয়ম অনুসৰি অসমীয়া ভাষাৰ সন্ধি সম্পন্ন নহয়— এই সম্পৰ্কে শৰ্মাই ব্যাকৰণখনত উল্লেখ কৰিছে। এই ব্যাকৰণখন পাছত সুৰেন্দ্ৰ মোহন দাসে

সংশোধিত কৰি নতুন সংস্কৰণ উলিয়ায়।

গভীৰ নিষ্ঠা আৰু সততাৰে ব্যাকৰণ ৰচনা কৰা এগৰাকী লেখত ল'বলগীয়া ব্যক্তি সত্যনাথ বৰা। তেওঁৰ ১৯২৫ চনত প্ৰকাশিত 'বহল ব্যাকৰণ'খন অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাসত গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। তেওঁ ব্যাকৰণৰ ব্যাখ্যা দাঙি ধৰিছে এনেদৰে— "ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙনি। ই ভাষা এটাক খণ্ড খণ্ড কৰি, তাৰ গঠন আৰু গঠন প্ৰণালীটোক ভাঙি-ছিঙি ভিন্-ভিন্ কৰি দেখুৱাই দিয়ে আৰু সেই ভিন্-ভিন্ খণ্ড বিলাকৰ ভিন্-ভিন্ নাম দিয়ে। যথাৰ্থ পক্ষত ব্যাকৰণে ভাষা নিশিকায়, ভাষাটোক ফালি ছিৰি তাৰ ভিতৰডোখৰ কেনেকুৱা তাকে মাথোন দেখুৱাই দিয়ে। (বহল ব্যাকৰণ, পাতনি) আধুনিক ভাষা বিজ্ঞানীৰ মতেও ব্যাকৰণ বৰ্ণনাত্মকহে, নিৰ্দেশাত্মক নহয়। 'বহল ব্যাকৰণ'ত অসমীয়া ভাষাৰ গঠন সম্পৰ্কীয় যথেষ্ট ভাষা বিজ্ঞানসন্মত মত তথা বিশ্লেষণ আছে যদিও দুই এটা মন্তব্য গ্ৰহণযোগ্য নহয়। উদাহৰণস্বৰূপে 'সংস্কৃতত শব্দৰ সন্ধি হয়, অসমীয়াত নহয়। অসমীয়াত কেৱল সংস্কৃত শব্দৰহে সন্ধি কৰা হয়, সিও লিখোতাৰ ইচ্ছাধীন।" (বহল ব্যাকৰণ, পাতনি)। অসমীয়া ভাষাত সন্ধি আছে বুলি ড° গোলোকচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰিছে। উদাহৰণ স্বৰূপে — পাগ ঘৰ (পাক্ঘৰ) সাদিনীয়া (সাতদিনীয়া), বুদ্বাৰ (বুধবাৰ) (অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, পৃষ্ঠা - ৬৯) ইত্যাদি।

১৯৩৩ চনত তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ শৰৎচন্দ্ৰ গোস্বামীয়ে প্ৰণয়ন কৰি উলিয়াইছিল 'সৰল ব্যাকৰণ'। অসম চৰকাৰে সেই সময়ত এই ব্যাকৰণখন পাঠ্যপুথি ৰূপে মঞ্জুৰ কৰিছিল। ১৯৩৬ চনত কালিৰাম মেধিয়ে লিখি উলিয়ায় 'অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ' নামেৰে এখন অতি উন্নত মানৰ গ্ৰন্থ। গ্ৰন্থখনত ব্যাকৰণৰ লগতে অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ সম্পৰ্কে উল্লেখ আছে। ইয়াৰ পাছত ১৯৪২ চনত প্ৰকাশ হয় সোণাৰাম চৌধুৰীৰ 'অসমীয়া সাহিত্যবোধ ব্যাকৰণ'। এই ব্যাকৰণখন বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত অসমৰ বিদ্যালয়ত ওপৰ শ্ৰেণীৰ ব্যাকৰণৰ পাঠ্যপুথি ৰূপে চলিছিল। এইখন ব্যাকৰণৰ পাছত ক্ৰমে ১৯৫০ চনত ঘনকান্ত শৰ্মাৰ 'অসমীয়া ভাষা শিক্ষা ব্যাকৰণ' (১৯৫০), আদিত্য চন্দ্ৰ ভড়ালীৰ 'সৰল ব্যাকৰণ পাঠ' (১৯৫১), তাৰানাথ বৰপূজাৰীৰ 'অসমীয়া ভাষাবোধ ব্যকৰণ (১৯৫২), গিৰিধৰ শৰ্মাৰ 'আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ' (১৯৫৩) প্ৰকাশ হয়। ১৯৫৩ চনতে ডিম্বেশ্বৰ নেওগেও 'শুধ অসমীয়া' নামেৰে এখন ব্যাকৰণ লিখিছিল। আকাৰত নিচেই সৰু হ'লেও ব্যাকৰণখনত অসমীয়া ভাষাৰ উচ্চাৰণ, আখৰ জোঁটনি আদিৰ বিষয়ে সুন্দৰ আলোচনা আগবঢ়াইছে। ১৯৫৪ চনত হৰিচন্দ্ৰ ভট্টাচাৰ্যই 'অসমীয়া ব্যাকৰণৰ জিলিঙনি' লিখি উলিয়ায়। এই ব্যাকৰণখনৰ ৰচনাৰ মূল আধাৰ হেমচন্দ্ৰ বৰুৱা আৰু সত্যনাথ বৰাৰ ব্যাকৰণ। ইয়াৰ পাছত ক্ৰমান্বয়ে প্ৰকাশিত ব্যাকৰণসমূহ হ'ল— গোলোকচন্দ্ৰ গোস্বামীৰ 'অসমীয়া গোলোক ব্যাকৰণ' (১৯৭২), 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' (১৯৮৭), 'অসমীয়া ব্যাকৰণ প্ৰৱেশ' (২০০০); ভূপেন্দ্ৰ নাথ চৌধুৰীৰ 'নতুন অসমীয়া ভাষাৰ ব্যাকৰণ' (১৯৭২), মুকুন্দ মাধৱ শৰ্মাৰ 'ব্যাকৰণ মঞ্জৰী' (১৯৭২); বিনন্দ চন্দ্ৰ বৰ্মনৰ 'অসমীয়া ভাষাবোধ ব্যাকৰণ' (১৯৭২); ভগবান মৰলৰ 'অসমীয়া ব্যাকৰণ জ্যোতি' (১৯৭৪); উপেন্দ্ৰ নাথ গোস্বামীৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ' (১৯৮১); ৰমেশ পাঠকৰ "ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান" (১৯৮৮); আৰু বাপচন্দ্ৰ মহন্তৰ 'অসমীয়া ব্যাকৰণৰ ৰূপৰেখা' (১৯৮৯)।

এই ব্যাকৰণ সমূহৰ ভিতৰত গোলোক চন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা 'অসমীয়া গোলোক ব্যাকৰণ'খনেই ভাষা বৈজ্ঞানিক ভিত্তিত ৰচিত প্ৰথম ব্যাকৰণ। ভাষা বিজ্ঞানৰ দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ গাঁথনিক স্বৰূপ ব্যাকৰণখনত আলোচনা কৰা হৈছে। তেওঁ পৰৱৰ্ত্তী সময়ত ৰচনা কৰা 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' আৰু 'অসমীয়া ব্যাকৰণ প্ৰৱেশ' গ্ৰন্থ দুখনত প্ৰথমখনতকৈও বেছি বহলভাৱে, পুংখানুপুংখ ভাৱে ভাষা বিজ্ঞানৰ নীতি অনুসৰি অসমীয়া ভাষাৰ গাঁথনিক দিশৰ বিশ্লেষণ আগবঢ়াইছে। গোলোক চন্দ্ৰ গোস্বামীৰ আগতে ভগবান মৰলৰ দ্বাৰা ৰচিত 'অসমীয়া ব্যাকৰণ জ্যোতি' আৰু উপেন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা ৰচিত 'অসমীয়া ভাষাৰ ব্যাকৰণ'তো ভাষা বৈজ্ঞানিক পদ্ধতিৰে অসমীয়া ভাষাৰ গঠন সম্পৰ্কীয় দিশ সমূহ আলোচনা কৰিবলৈ চেষ্টা কৰিছে। ৰমেশ পাঠকৰ 'ব্যাকৰণ আৰু 'প্ৰাকৃতি বিজ্ঞান' গ্ৰন্থখনত থকা ব্যাকৰণৰ আলোচনা অতি উচ্চশ্ৰেণীৰ বাবেহে।

**উপসংহাৰ ঃ**

এডৱাৰ্ড ছেপিৰে তেওঁৰ 'Language' (1921) নামৰ গ্ৰন্থত লিখিছে যে All grammars leak (p.39) — অৰ্থাৎ ব্যাকৰণ মাত্ৰৰে তলিখন ফুটা। অৰ্থাৎ ব্যাকৰণবোৰৰ কোনো এখনেই সকলো ফালৰ পৰা সম্পূৰ্ণ আৰু পূৰ্ণাংগ নহয়। অসম্পূৰ্ণতা সকলোবোৰ ব্যাকৰণতে আছে। ১৮৩৯ চনত ৰবিনসনে প্ৰথম অসমীয়া ভাষা বিষয়ক ব্যাকৰণখন লিখাৰ পৰা বৰ্তমানলৈকে বহুকেইখন অসমীয়া ভাষাৰ ব্যাকৰণ ৰচিত হ'ল। প্ৰথম পৰ্যায়ত ৰচিত ব্যাকৰণ সমূহৰ তুলনাত পৰৱৰ্ত্তী সময়ত ৰচিত ব্যাকৰণবোৰত অসমীয়া ভাষাৰ গাঁথনিক দিশবোৰ ভাষা-বৈজ্ঞানিক দৃষ্টিভংগীৰে কিছু বিশ্লেষণ কৰা হৈছে যদিও এই বিষয়ত গৱেষণাৰ অধিক থল আছে।



প্ৰসংগ পুথি —

১। গোলোক চন্দ্ৰ গোস্বামী — অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ।
২। গোলোক চন্দ্ৰ গোস্বামী — অসমীয়া ব্যাকৰণ প্ৰৱেশ।
৩। নাহেন্দ্ৰ পাদুন (সম্পাদিত) — ভাষাৰ তত্ত্ব কথা।
৪। ভীমকান্ত বৰুৱা — অসমীয়া ভাষা।
৫। Edward Sapir – Language. ◆

# নীলগিৰিৰ পাহাৰীয়া চহৰ ৰাণী

**বাণী দেৱী**
**প্ৰাক্তন গ্ৰন্থাগাৰিক**

আমি তেতিয়া বাঙ্গালুৰুত আছিলো, সেই সুবিধাতে এটা সপ্তাহৰ শেষত মানে Weekend ত দোকমোকালিতে আমাৰ সৰু ল'ৰা মাইনা, মই আৰু স্বামী আমাৰ জেনখন লৈ উটি (Ooty) অভিমুখে ৰাওনা হ'লো। দিনটো আছিল ২০১১/১৬ জুলাই।

এটা মসৃণ বাটেৰে যেতিয়া আমাৰ গাড়ীৰ চকা ঘূৰিছিল তেতিয়া সদায় এনে যাত্ৰাত মনলৈ অহাৰ দৰেই ভাৱ আহিছিল আমাৰ ৰাজ্যখনৰ বাট-পথবোৰ এনে কেতিয়া হ'ব? তাৰ মাজত উটিৰ সপোন বুকুত বান্ধি গাড়ীত বাজি যোৱা গীতৰ লগত একাত্মাই মাইচোৰৰ ফালে আগবাঢ়িলো। এই পথছোৱাত প্ৰথমে অতিক্ৰম কৰিলো ৰেচম নগৰী (Silk City) ৰামনগৰ। এইখন নগৰক অসমৰ শুৱালকুচিৰ লগত তুলনা কৰিব পাৰি। ইয়াত ৰেচম শিল্প আছে গতিকে মাইচোৰ চিল্ক, বাঙ্গালোৰ চিল্ক শাৰী উৎপাদন হয়।

তাৰ পাছতেই আমাক স্বাগতম জনালে পুতলা নগৰী (Toy City) চিন্নাপাত্তা নামৰ নগৰখনিয়ে। ইয়াত নানা ধৰণৰ কাঠৰ সামগ্ৰী, পুতলা, নিৰ্মাণৰ কাৰখানা আৰু কাৰিকৰ আছে বুলি জানিছিলো। বাটৰ কাষে কাষে বিভিন্ন কাঠৰ সামগ্ৰী, হাতী, ঘোৰা আদি নানা জীৱ-জন্তুৰ পুতলা থকা এম্প'ৰিয়াম আৰু সৰু-বৰ দোকান চকুত পৰিছিল। এখন দোকানত সোমাই বস্তুবোৰ দেখি চকু কপালত উঠিল। আচৰিত হৈ বস্তুবোৰ চাই ভাবিছিলো কাঠৰ পৰাও এনে সুন্দৰ সামগ্ৰী তৈয়াৰ কৰিব পাৰিনে? সৰু ডাঙৰ খেলৰ সামগ্ৰী সজোৱা নানা বস্তু, পাকঘৰৰ সকলো আচবাব, গাড়ী চিট কভাৰ আদিকে ধৰি এখন ঘৰৰ সকলো সামগ্ৰীৰে যেন দোকানখন ভৰি আছিল। চাই থাকোতে এনে লাগিল তাত যেন নথকা বস্তু একোৱেই নাই। ভাৱ আহিল সঁচা মানুহৰ সৃজনী শক্তিৰ তুলনা নাই, লগতে চেষ্টাৰো অসাধ্য নাই।

ঘন্টাত এশ কিলোমিটাৰ বেগেৰে আগবাঢ়ি গৈ এটা সময়ত আমি চেনীৰ নগৰী (Sugar City) মান্দিয়া পালোগৈ। বাটৰ কাষত ঠায়ে ঠায়ে কুঁহিয়াৰ খেতি চকুত পৰিছিল কিন্তু কুঁহিয়াৰবোৰ আমাৰ ইয়াৰ দৰে শকত নাছিল। মান্দিয়া পাৰ হওঁতে মাইনাই ক'লে জানা মা, চৈধ্য বছৰৰ পাছত সত্য ছাই বাবাই পুনৰ মান্দিয়াত জন্ম ল'ব আৰু এতিয়া মান্দিয়াত থকা বাবাৰ ভৱিষ্যতৰ মাক-দেউতাক সৰু হৈ আছে আৰু আচৰিত কথাটো কি জানা ল'ৰা-ছোৱালী হালৰ মাক-দেউতাকে এতিয়া জানে। কথাটো কিমান সঁচা-মিছা তাৰ ওপৰত গুৰুত্ব দিয়া নাছিলো যদিও এই নগৰখনিত যে ছাইবাবাৰ প্ৰভাৱ তথা বহু ভক্ত আছে সেই কথা অনুমান কৰিব পাৰিছিলো কাৰণ পথৰ দাঁতি কাষৰীয়া ঠাইবোৰত বাবাৰ মন্দিৰ আৰু আশ্ৰম চকুত পৰিছিল।

চেনীৰ নগৰী পাৰ হোৱাৰ পাছতে স্বাগমত জনালে ঐতিহাসিক নগৰী (Historical City) শ্ৰীনগৰপট্টা নামৰ নগৰখনে। এই নগৰখনিৰ ইতিহাসৰ পৰম্পৰা বা ঐতিহাসিক চিহ্ন ও বিষয়ৰ ওপৰত বিশেষ ভাৱে জনাৰ সুবিধা নাপালো। এনেদৰে আগবাঢ়ি আমি Heritage City নামেৰে খ্যাত মাইচোৰ পালোগৈ।

একাপ কফি খাই পুনৰ আগবাঢ়িলো। বাটৰ দুয়োকাষে সূৰ্যমুখী ফুলৰ খেতিৰ পথাৰ দেখি মনবোৰ আনন্দতে হালধীয়া হৈ পৰিছিল। পথাৰবোৰত দৃষ্টি নিক্ষেপ কৰোতে এনে লাগিল সেয়া ফুলৰ খেতি নহয় তাত এখন হালধীয়া দলিচাহে পৰি থোৱা আছে। এনেদৰে জে.পি. চিটি পাৰ হওঁতে মন কৰিলো বাটৰ সোঁফালে অসমৰ বিলৰ দৰে এছোৱা ঠাই পানীৰে ভৰি আছে। চৌকাষে থকা সেউজীয়া গছ-গছনিৰ মাজত, ৰ'দৰ পোহৰত চিক্‌মিকাই থকা পানী যুঁৱলিয়ে মনটো আকৌ এবাৰ আনন্দৰে ভৰাই তুলিলে। তাৰপাছত কবিনি নামৰ নদীখন পাৰ হোৱাৰ লগে লগে আমি মান্দিপুৰা নামৰ সংৰক্ষিত এক বিশাল বনাঞ্চলত প্ৰৱেশ কৰিলো, বেলিৰ পোহৰ যেন কমি আহিল মুহূৰ্ত্ততে এনে এটা ভাবে মনত ক্ৰিয়া কৰিলে। এই বিশাল অৰণ্যখন বীৰাপ্পানৰ কৰ্মক্ষেত্ৰ আছিল বুলি কোৱা শুনিছো। বাটৰ দুয়ো কাষে গভীৰ অৰণ্য। বীৰাপ্পানৰ কৰ্মক্ষেত্ৰ আছিল বুলি জনাৰ লগতে অৰণ্যৰ গভীৰতাত মোৰ মনত কিবা এটা ভয়ৰ ভাৱ উদ্ৰেক হোৱা যেন অনুভৱ কৰিলো। তাৰোপৰি সেই পথছোৱাত থকা নিষেধাজ্ঞা সমূহেও ভয় ভাৱত ইন্ধন যোগালে। এই বনাঞ্চল পাৰ হওঁতে বাটত যান-বাহন ৰখোৱাৰ আজ্ঞা নাই, পৰাপক্ষত সকলো দিনৰ পোহৰত এই অঞ্চল পাৰ হোৱাৰ চেষ্টা কৰে। সন্ধিয়াৰ পাছত এই পথছোৱাত ডিপাৰ মৰাৰ আজ্ঞা নাই তাৰোপৰি হৰ্ণ বজোৱাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আছে। ইয়াত বহুতো হিংস্ৰ জীৱ-জন্তু থকাৰ উপৰি কেতিয়াবা জাকপাতি বনৰীয়া হাতী আৰু অন্যান্য জীৱ-জন্তু ৰাস্তাৰে ইপাৰ সিপাৰ হয়, পথচাৰীৰ যাতে কোনো বিপদ নহয় তাৰপ্ৰতি লক্ষ্য ৰাখিয়েই এনে কিছুমান নিষেধাজ্ঞা বাহাল ৰাখিছে।

বীৰাপ্পানৰ কথা ভাবি আৰু জীৱ-জন্তুৰ কথা শুনি বুকুত এটা দুৰু দুৰু কঁপনি লৈয়ে আমি আগবাঢ়ি গৈ তামিলনাডুত প্ৰবেশ কৰিলো। একেখন বনাঞ্চল তামিলনাডুত সোমোৱাৰ লগে লগে নাম সলাই 'মধুমলাই' হ'ল। ইয়াৰ মাজেৰে কিছুদূৰ আগবঢ়াৰ পাছত আমি উটিৰ পুৰণা বাটৰে গতি কৰিলো। লাহে লাহে গাড়ীৰ গতিবেগ কমি আহিল আৰু সৰু জেনখনে যেন পাহাৰ বগাবলৈ কঁকালত টঙালী বান্ধি ল'লে। লাহে লাহে আঁকোৰা পকোৰা বাটেৰে আমাৰ গাড়ী ওপৰলৈ উঠিল। বাটৰ পাক দেখি মোৰ মনত অলপ চিন্তা নোহোৱা নহয় কিন্তু এইবোৰেই জীৱনৰ অভিজ্ঞতা আৰু আনন্দ বুলি মনটোক সৈমান কৰালো। এনেদৰে ওপৰলৈ উঠি গৈ থাকোতে পথৰ কাষত থকা এখন ফলকত আমাৰ চকু পৰিল। ফলকখনে যেন আমাক কিবা সংকেত দিয়াৰ চেষ্টা কৰিছে এনে লাগিল। ফলকত লিখা আছে — '36 Hair Pin Bend Start'।

মাইনাই লগে লগে ক'লে এতিয়াহে আচল পাক্ পাবা আৰু এয়াহে উটিলৈ অহাৰ আচল আনন্দ আৰু আমেজ। এইবাৰ ওপৰলৈ আগবঢ়াৰ লগে লগে ডাৱৰবোৰে আমাক যেন হাতবাউল দি মাতি আৱৰি ধৰাৰ চেষ্টা কৰিলে, বাহিৰৰ চেঁচা বতাহজাকে আমাক স্পৰ্শ কৰাৰ চেষ্টা কৰিলে, এনে অনুভৱৰ মাজেৰে আমি প্ৰথমটো Hair Pin Bend অতিক্ৰম কৰিলো। খোঁপাত মৰা কাঁটাপাতৰ দৰে বেঁকা পথছোৱা যেতিয়া মাইনাই অতিক্ৰম কৰিছিল মই ভিতৰি বৰ ভয় খাইছিলো কিন্তু তাৰ গাড়ী চলোৱা দক্ষতা দেখি মোৰ সাহস আহিছিল। তাৰপাছত পোন বাটৰ চিন্‌চাবেই নোহোৱা হ'ল। এটাৰ পাছত এটাকৈ Hair Pin Bend পাৰ হৈ আমাৰ গাড়ী যেতিয়া সোতৰশ পঞ্চাশ ফুট ওপৰত উঠিল তেতিয়া পুনৰ আন এখন ফলকে আমাক সতৰ্ক কৰি দিলে। ফলকত লিখিলে 'Blind curve ahead' অৰ্থাৎ এই পাক্ ঘূৰণিৰ মাজত আকৌ কোনোবাটো চকুৰে নমনা পাক আছে গতিকে সাৱধান। আকৌ এবাৰ যেন ভয় ভাৱৰ উদ্ৰেক হ'ল। এনেদৰে অজান এটা আশংকা মনৰ মাজত গোপনে ৰাখি, মনে মনে ভগৱানৰ নাম লৈ আমি প্ৰায় চাৰি পাঁচ হাজাৰ ফুট ওপৰলৈ গতি কৰিলো, এই পথছোৱাত অন্যান্য বহু ফলক চকুত পৰিছিল— ক'ৰবাত লিখিছে Save Rain Water ক'ৰবাত লিখিছে Don't use plastic in Nilgiri, Blind curve ahead, clean Nilgiri, Horn please ইত্যাদি এইবোৰে মোক ভাবিবলৈ বাধ্য কৰাইছিল আমি বাৰু ইমান সচেতন নে? এনেদৰে বহু অনুভৱ, বহু অভিজ্ঞতাৰ সোৱাদ লৈ আমি একমান বজাত উটি চহৰ সোমালো।

উটি চহৰ সোমোৱাৰ পাছত বাঙ্গালুৰুৰ পৰাই বুকিং কৰি থোৱা কটেজলৈ পুনৰ আন এটা পাহাৰৰ আঁকোৰা পকোৰা বাটেৰে আগবাঢ়িলো। শীতৰ পৰশে দেহ-মন কঁপাই তুলিলে। এনেদৰেই টাইগাৰ হিলৰ (Tiger Hill) বেলমন্ট টেৰেচ (Belmont Terrace)ৰ Fortune Retreats নামৰ হোটেলখনৰ Hill View I নামৰ কটেজটো পালোহি। তলতে গাড়ী ৰখাই, পাহাৰটোত কটা প্ৰায় বিশ বাইশটা চিৰি বগাই আমি কটেজত সোমালো। পাহাৰৰ ওপৰৰ এই গোটেই পৰিবেশটোৱে কিবা দেখাৰ, কিবা শুনাৰ, কিবা অনুভৱ কৰাৰ এক বুজাব নোৱাৰা আনন্দ আৰু আমেজ দিলে, আমি আৱেগিক হৈ পৰিলো। অসমৰ পুহ মাঘ মাহৰ প্ৰচণ্ড শীতে হে যেন আমাক কঁপাই তুলিলে, বতাহৰ সোঁসোৱনি শব্দই আমাৰ কৰ্ণকুহৰত শিহৰণ তুলিলে, শুকুলা ডাৱৰবোৰে চৌদিশ আৱৰি পেলালে, কটেজৰ সন্মুখৰ সেউজীয়া বননিডৰাত থিয় হৈ অনুভৱ হ'ল পানীৰ ছিদ্ৰ কণাই আমাৰ গালে মুখে চুম্বন আঁকি আমাক স্বাগতম জনালে। তললৈ যেতিয়া দৃষ্টি পেলালো তেতিয়া মনটো এক বুজাব নোৱাৰা আনন্দত নাচি উঠিল। কাৰণ উটি চহৰখনৰ পাহাৰবোৰৰ তলে ওপৰে সিঁচৰিত হৈ


থকা ধুনীয়া বহু ৰঙৰ ঘৰবোৰৰ সৌন্দৰ্যই ৰূপতহে যেন ৰং চৰাইছে। কটেজটোৰ পৰা কিছু নিলগত চৌদিশে থকা পাহাৰবোৰত অনবৰতে হালিজালি থকা গছবোৰৰ সোঁ-সোঁৱনি শব্দত এনে লাগিছিল যেন বৰ ডাঙৰকৈ এজাক বৰষুণ আহিছে।

বাৰে বাৰে ঘৰটোৰ বাহিৰলৈ ওলাই আহিলো। প্ৰচণ্ড শীতৰ পৰশকো আওকাণ কৰি আমি আমাৰ কাষে কাষে লুকা-ভাকু খেলা ডাৱৰবোৰৰ লগত যেন ধেমালিত ব্যস্ত হৈ পৰিলো, শুকুলা ডাৱৰৰ মাজে মাজে আমি হেৰাই গ'লো, চকুৰ আগত হালিজালি থকা প্ৰকাণ্ড গছ-গছনিবোৰ হঠাৎ নোহোৱা হৈ পৰিল। এনে লাগিল শুকুলা ডাৱৰৰ ওৰণিৰ তলত সোমাই আমাৰ লগত লুকাভাকু খেলিছে। নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰা কি যে আমোদজনক সৌন্দৰ্যময়ী অপৰূপ পৰিবেশ, কি যে প্ৰকৃতিৰ মনোমোহা ৰূপ লাৱণ্য। চকুৰে সেইদিনা দেখা সেই প্ৰাকৃতিক ৰূপৰ বৰ্ণনা মোৰ সঞ্চিত শব্দ আৰু ভাষাৰে প্ৰকাশ কৰাটো সম্ভৱ নহয় কাৰণ ভাষা আৰু শব্দৰ ভাণ্ডাৰ মোৰ তেনেই উদং, তথাপি মোৰ অনুভৱ পাঠকৰ কাষ চপাই নিয়াত কিঞ্চিত চেষ্টা কৰিছো। জুলাই আগষ্ট মাহত উটিৰ প্ৰাকৃতিক পৰিবেশত বহু পৰিবৰ্তন ঘটে এই সময়ত পৰ্যটকৰ সংখ্যা কমি যায়। তেনে এক জুলাই মাহতে চুৰেটোৰ পিন্ধাৰ পাছতো শীতৰ পৰা উপশম পোৱা নাছিলো যদিও বাৰে বাৰে বাহিৰলৈ ওলাই যোৱাৰ হেঁপাহ হৈছিল। বাহিৰৰ সেউজীয়া বননিডৰাত ঠিয় হৈ হাত দুখন মেলি ওপৰলৈ চাই থাকি স্তব্ধ হৈ পৰিছিলো— তেতিয়া মিহি চালনিৰে মৰা পিঠাগুৰিৰ দৰেই সৰু সৰু পানীৰ ছিদ্ৰকণা নামি আহি মোৰ গালে মুখে স্পৰ্শ কৰি সেউজীয়া বননি ডৰাত সিঁচৰিত হৈ পৰিল আৰু মোৰ হিমদেশৰ কোনোবা হিমচেঁচা সপোনপুৰীত থকা যেন অনুভৱ হ'ল। পৃথিৱীৰ কথা নকওঁ এইখন ভাৰতবৰ্ষতে প্ৰকৃতিৰ এনে পৰিবৰ্ত্তিত ৰূপ, ভাবিলে আচৰিত লাগে। এফালে গ্ৰীষ্মৰ প্ৰকোপে অতিষ্ঠ কৰিছে আনফালে জুলাই মাহত শীতৰ পৰশে কঁপাই তুলিছে।

সেইদিনা আমি দুপৰীয়াৰ আহাৰ খাই ওলাই গৈছিলো উটিৰ বিখ্যাত ব'টানিকেল গাৰ্ডেন চাবলৈ। এই বাগিছাখন ১৮৭৪ চনতে পতা হৈছিল। বাগিছাখনৰ মনোমোহা ৰূপে আমাক বাৰুকৈয়ে আকৃষ্ট কৰিলে। এই বাগিছাত প্ৰকৃতিৰ সৃষ্ট গছ-লতিকাবোৰ মানুহৰ হাতৰ পৰশত বিনন্দীয়া হৈ পৰিছে। এফালে নানা ৰঙৰ ফুলৰ সমাহাৰ আৰু আনফালে ওখ-চাপৰ এক বৃহৎ অঞ্চল সেউজীয়া ঘাঁহৰে আবৃত, তাৰ চৌদিশে থকা থুজা গছৰ হেজবোৰ দেখি আচৰিত হৈছিলো। তাত থকা বিভিন্ন জীৱ-জন্তু, চৰাই আদিৰ আকৃতিত কটা গছবোৰে যেন প্ৰতিজন লোকক হাত বাউল দি মাতিছিল। আমিয়ো মন ৰাখিব নোৱাৰি সেই অপৰূপ গছ আৰু হেজৰ কাষত ঠিয় হৈ ফটো তুলিলো।

উটিৰ লেকটো নীলগিৰিৰ গৌৰৱ, ই সকলোকে আকৰ্ষণ কৰে। এই কৃত্ৰিম লেক্‌টো আজি প্ৰকৃতিৰ অকৃত্ৰিম পৰশত আটক ধুনীয়া হৈ পৰাৰ লগতে ইয়াৰ সতে সংলগ্ন ব'ট হাউছ (Boat House) টো অন্য এক আকৰ্ষণৰ কেন্দ্ৰ বুলি ধৰা হয়। ১৮২৪ চনত মিষ্টাৰ জন সুলিভান নামৰ এজন বৃটিছে এই লেকটো সৃষ্টি কৰিছিল। বৰ্তমান ই প্ৰসাৰ লাভ কৰি পয়ষষ্ঠি (৬৫) একৰ মাটি আৱৰি আছে বুলি জানিছিলো। ১৯৭৩ চনত ইয়াৰ লগত ব'ট হাউছটো সংলগ্ন কৰে। সেইদিনা আমিও এখন ধুনীয়া নাৱত উঠি আবেলিৰ বেলিৰ ৰঙৰ লগত নিজক বিলাই দিলো।

পাছদিনা আমি এজন গাইড লৈ দোদাবেট্টা পিক্ (Doddabetta Peak) অভিমুখে ৰাওনা হ'লো। উটিৰ পৰা দহ কিলোমিটাৰ আঁতৰৰ এই পিক্ যেতিয়া পালোগৈ আমাৰ মন আৰু দৃষ্টিত এক বিস্ময় নামি আহিল। ই নীলগিৰিৰ সবাতোকৈ উচ্চশৃঙ্গ। স্থানীয় জনগোষ্ঠী 'বাগাদা' ভাষাত দোদাবেটা অৰ্থ 'ডাঙৰ পৰ্বত'। ই পশ্চিমঘাট আৰু পূৰ্বঘাট পৰ্বতৰ সংযোগস্থল। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মোহনীয়।




ইয়াত থকা টেলিস্কোপ হাউচৰ পৰা আঁতৰলৈ চালে পৰ্বতৰ নামনি অঞ্চলৰ সৈতে চাৰিওফালে সিঁচৰিত হৈ থকা বিশাল গছ-গছনি ওখ-চাপৰ এক বিশাল তৃণভূমিৰ বহু দৃশ্য একেলগে উপভোগ কৰিব পাৰি। আমাৰ বাবে আন এটা আমোদজনক মুহূৰ্ত্ত আছিল যেতিয়া শৃঙ্গৰ ওপৰত ডাৱৰৰ শুকুলা ওৰণিৰ তলত সোমাই পৰিছিলো, আমি হেৰাই গ'লো আৰু সেই মুহূৰ্ত্তত আমি আপোনমনা হৈ পৰিলো। তেনে সময়ত হিম্ পৰাৰ দৰে মিহিকৈ পৰা এজাক মিঠা বৰষুণে মন-প্ৰাণ সিক্ত কৰি তুলিলে। আমি জলকীয়াৰ পকৰী আৰু কফি খালো— তাত থকা সকলো মানুহেই গৰম পকৰীৰ সোৱাদ লোৱা দেখা পালো। তাৰোপৰি বাটৰ কাষে কাষে বিক্ৰী হোৱা সতেজ গাজৰ খোৱাটো উটিৰ যেন অন্য এক আনন্দ।

The Karinji Flower – এবিধ নীলাৰঙৰ ফুল। নীলগিৰিৰ ওপৰত এক বিশেষ উচ্চতাত এইবিধ ফুল দেখা যায়। আমি জানি আচৰিত হৈছিলো এই ফুল বাৰ বছৰৰ মূৰত এবাৰহে ফুলে। ডাল ভৰি ফুলাৰ সময়ত পাহাৰৰ উচ্চতাত এখনি নীলা দলিচা পাৰি থোৱা যেন দেখা যায়। বটানিকেল গাৰ্ডেনখনৰ এক উচ্চতাত আমি এবিধ নীলাফুলৰ দলিচা দেখিছিলো। কিন্তু প্ৰকৃততে সেই ফুল (Karinji) কুৰিন্জি হয় নে নহয় আমাৰ জনাৰ উপায় নাছিল। এনেদৰে উটিৰ Jolly World, Deer Park, Tree Park, Century Rose Park আদি চোৱাৰ পাছত ৰাতিটোৰ বাবে কটেজ পালোগৈ। ঠাণ্ডাৰ পৰা উপশম পাবলৈ কটেজলৈ একুৰা জুই পঠাবলৈ কোৱা হ'ল, কথামতেই কাঠৰ টুকুৰাৰে জ্বলোৱা জুই ব্যৱস্থা কৰি দিলে আৰু আমি জুইৰ কাষত বহি নিশাৰ সেই সময়খিনি উপভোগ কৰিলো।

হয়, এইখনেই উটি যাৰ প্ৰকৃত নাম উদ্ধগামানদলম্ (Udhagamandalam) কিন্তু সকলোৰে বাবে চিনাকি নাম উটি (Ooty) নীলগিৰিৰ এই উটি সাত-হাজাৰ তিনিশ সাতচল্লিশ মিটাৰ (৭৩৪৭) ওপৰত। প্ৰাচীনকালত এই নীলগিৰি পাহাৰটো চেৰা সাম্ৰাজ্যৰ অন্তৰ্ভূক্তি আছিল বুলি বুৰঞ্জীয়ে কয়। অৱশ্যে বাৰ শতিকাত যেতিয়া বিষ্ণুবৰ্দ্ধন নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল তেতিয়া এই নীলগিৰি টিপু চুলতানৰ সাম্ৰাজ্য মাইচোৰৰ অন্তৰ্ভূক্ত আছিল। শেষত ওঠৰ শতিকাত বৃটিছৰ হাতলৈ যায়। তেওঁলোকে এই অঞ্চলৰ প্ৰাকৃতিক বাতাবৰণ স্বাস্থ্যকৰ বুলি জানি তাৰ স্থানীয় জাতি কোটা (Kota), টডা (Toda), কুৰুম্বা (Kurumba), বাগাদা (Bagada) সকলৰ পৰা এসাজ আহাৰৰ বিনিময়ত প্ৰতিদিনে বহু অঞ্চল নিজৰ হাতলৈ আনিবলৈ ধৰিলে। অৱশ্যে জন চুলিভান্ (John Sullivan) নামৰ এজন বৃটিছে এই জনজাতি সকলৰ ভূমিৰক্ষণা আৰু সামাজিক স্বীকৃতিৰ বাবে কাম কৰিছিল। ফলত বৃটিছ চৰকাৰৰ পৰা সেইজন ব্যক্তিক সামাজিক আৰু আৰ্থিক ভাৱে শান্তি প্ৰদান কৰিছিল বুলি জনা যায় (the bluest heaven – Vol : 2-2)। তাৰপাছত বৃটিছ সকলে বৰ কমদিনৰ ভিতৰত এই অঞ্চলটিৰ উন্নতি সাধন কৰি তেওঁলোকৰ গ্ৰীষ্মকালীন ৰাজধানী পাতিলে আৰু এই ধুনীয়া পাহাৰটিক Queen of Hill Station নামেৰে নামাকৰণ কৰিলে।

শেষত এটা কথা স্বীকাৰ কৰো যে উটিলৈ যোৱাৰ আনন্দ আৰু অভিজ্ঞতাই আমাক কিছু হ'লেও মানসিক ভাৱে সজীৱ কৰি তুলিলে। সেই দুটা দিনৰ স্মৃতিবোৰ মনৰ মাজত অগা-ডেৰা কৰাৰ বাবেই হয়তো সাহিত্য নহ'লেও এক লেখনিৰ জন্ম হ'ল। প্ৰকৃতাৰ্থত ভ্ৰমণত পোৱা আনন্দ আন বহু আনন্দতকৈ বেলেগ যেন লাগে কাৰণ ই বহুতো অভিজ্ঞতা আহৰণ কৰাতো সহায় কৰে। একেলগে শিক্ষা আৰু আনন্দ উপভোগৰ এই ব্যৱস্থাটো বৰ্তমান বহু সহজসাধ্য হৈ পৰিছে। গতিকে দূৰ-দূৰান্তলৈ যাব নোৱাৰিলেও নিজৰ ঠাইখনৰ আশে-পাশে বা দেশখনৰ বিশেষত্বপূৰ্ণ ঠাই সমূহ সুবিধা পালে ভ্ৰমণ কৰাটো ভাল বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰো। ◆

# অসমীয়া সমাজত নামঘৰ আৰু সত্ৰ সমূহৰ ভূমিকা

চুমী তামুলী
স্নাতক তৃতীয় বৰ্ষ

মানুহৰ ধৰ্মীয় সত্বাইহে প্ৰকৃত জীৱন গঢ় দিয়াত মানুহক পদে পদে সহায় কৰে। ভাৰতৰ বিভিন্ন প্ৰান্তত অৱস্থিত আৰু স্থাপিত মঠ মন্দিৰ বিলাকে, লগতে আশ্ৰম তথা ধামসমূহে মানৱ সত্বাৰ বুনিয়াদ নিৰ্দ্ধাৰণ কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ এই অসমত এই বিশেষ স্থান অধিকাৰ কৰি আহিছে ভক্তি আৰু উপাসনাৰ কেন্দ্ৰ নামঘৰ আৰু সত্ৰ সমূহে। অসমৰ কীৰ্ত্তি এই সত্ৰ সমূহে গুৰু, দেউ, নাম আৰু ভকতৰ এক বিশেষ মহত্ব প্ৰদান কৰি আহিছে। এই সত্ৰ সমূহৰ ক্ষুদ্ৰ সংস্কৰণেই হ'ল এই নামঘৰ সমূহ। এই নামঘৰ সমূহেই প্ৰতিজন অসমীয়া ব্যক্তিৰ অন্তৰতেই ভগবান নামৰ অদৃশ্য শক্তিটোক বিশ্বাস কৰোৱাই ভক্তিৰসৰ সঞ্চাৰ ঘটাই একতাৰ ডোলেৰে সকলোকে বান্ধি ৰখাত বিশেষ ভূমিকা পালন কৰে।

গুৰু, দেউ, নাম আৰু ভকত এই চাৰি বস্তুৰ সংমিশ্ৰণেই হৈছে নামঘৰৰ ভেটি। ই কেৱল ভক্তিৰসৰ কেন্দ্ৰভূমিয়েই নহয়; সমাজ নিৰ্মাণৰো সাংস্কৃতিক ক্ষেত্ৰ এই নামঘৰ। সত্ৰ আৰু নামঘৰ আমাৰ কামনাৰ থলি নহয়। এই অনুষ্ঠান বিলাক সুকুমাৰ কলা বেষ্টিত সাংস্কৃতিক ক্ষেত্ৰ, নৈতিক আধ্যাত্মিক আৰু সামাজিক শিক্ষাৰ আকৰ্ষণৰ থল। নামঘৰ নামৰ আৰু ভকতৰ বৈষ্ণৱৰ সমাবেশৰ পবিত্ৰ এক থলি। নামে মানুহক সদাচাৰ, সংযমতা, শিষ্টাচাৰ বিনয়ী স্বভাৱ আয়ত্ব কৰি মনৰ পৰা অসংস্কাৰ তথা অন্তৰৰ পৰা গৰ্বভাৱ আঁতৰ কৰাত সহায় কৰে। অভ্যাস তথা অনুশীলনত নামঘৰ কিদৰে জড়িত সেই কথা আলোচনা কৰিলে নামঘৰৰ প্ৰতিটো আভাস আমাৰ মনলৈ আহিব। তোৰণ ৰাঙলি চৰা, মণিকূট আৰু মূল গা-ঘৰ এই আটাইকেইটা অংগ সংযোগ কৰিলেহে নামঘৰ এটা পূৰ্ণ বুলি ক'ব পাৰি।



তোৰণ ঃ এই তোৰণ শব্দটোক সাধাৰণতে কৰাপাত বোলা হয়। এই তোৰণ এখনেই এটা নামঘৰৰ পৰিচয়। এই তোৰণে নামঘৰত সোমোৱাৰ আগজাননী দিয়ে লগতে ব্যক্তিৰ মনলৈ সংযমতা আনে। যিদৰে বৈকুণ্ঠত তোৰণৰ দ্বাৰখীয়া জয়-বিজয়ে মানসিক সংযমতা পাইছিল তেনেদৰে নামঘৰলৈ সোমোৱাৰ আগ মুহূৰ্ত্ততে সংযমি অৱস্থালৈ আহিব নোৱাৰিলে এনে পৰিণামেই ভোগ কৰাৰ আশংকা থাকে। সেয়ে প্ৰত্যেক ব্যক্তিৰ মুখতে তোৰণৰ সন্মুখত কৃষ্ণনাম উচ্চাৰিত হোৱাটো স্বাভাৱিক।

ৰাঙলি চ'ৰা ঃ নামঘৰৰ আগভাগৰ মুকলি ঠাই ডোখৰক সাধাৰণতে ৰাঙলি চ'ৰা বুলি কোৱা হয়। এই স্থানত প্ৰবেশ কৰাৰ লগে লগে প্ৰত্যেক ব্যক্তিৰ মনত ভক্তিভাৱৰ সঞ্চাৰ হয় আৰু এই নামঘৰৰ মূল ক্ষেত্ৰত প্ৰৱেশ কৰাত উদগনি যোগায় আৰু মানুহক সংযমী কৰি তোলে।

মণিকূট ঃ নামঘৰৰ আগভাগত থকা ভাগৱত, কীৰ্ত্তন এখনি আসনৰ লগতে চালুকাপুৰেৰে ঢাকি ৰখা এক সুসজ্জিত পৰিপাটিকৈ সজাই ৰখা অংশকেই মণিকূট বুলি কোৱা হয়। এই মণিকূট শব্দটো মণিকৰ্ণিকাৰ পৰা উদ্ভৱ হৈছে। মণি শব্দৰ






অৰ্থ ৰত্ন কূট অৰ্থাৎ ব্ৰহ্ম লগতে কূট মানে শীৰ্ষ স্থান সেয়ে বহ্ম দেৱতাকে সাৰোগত কৰি মণিকূটত মণিকৰ্ণিকাৰ তলত ব্ৰহ্মাৰ অৱস্থান হোৱাৰ বাবে মণিকূটৰ আসনত চালুকাপুৰেৰে চালি দি ব্ৰহ্মাৰ সাকাৰ মূৰ্ত্তি স্থাপন কৰা হয়। এটা কথা উল্লেখ কৰা প্ৰয়োজন যে নামঘৰৰ লগত মণিকূটৰ এটা সুকীয়া পৰিচয় আছে আৰু এই মণিকূটেই নামঘৰৰ মূল অংগ। যাৰ অবিহনে নামঘৰ এটি কেতিয়াও নামঘৰ হ'ব নোৱাৰে।

গা-ঘৰ ঃ— মূল নাম লোৱা ঠাই ডোখৰক গা-ঘৰ বোলা হয়। এই স্থানত প্ৰবেশ কৰাৰ লগে লগে মানুহ এজন ভক্তিৰসেৰে সঞ্জীৱিত হৈ পৰে। ইয়াত নাম লোৱাৰ পৰিৱেশ সৃষ্টি কৰা ভকত সকলে বাক্য প্ৰয়োগৰ সংযমতা, কৰ্ত্তব্যবোধ, দায়বদ্ধতা আৰু সদাচাৰি হৈ পবিত্ৰভাৱে শৰীৰ আৰু মনৰ মাজত স্থাপন কৰা অপৰিহাৰ্য নীতি মানি চলে। ভক্তিৰ শেষ স্তৰৰ নিবেদনে, এই গৃহ প্ৰশস্ত কৰিব পাৰে। নামঘৰেই ইয়াৰ মূল পথ প্ৰদৰ্শক। এই গা ঘৰতেই সকলো কাৰ্য কৰা হয় আৰু সকলো ভকত বৈষ্ণৱেই এই গা ঘৰতেই একত্ৰিত হয়।

এনেদৰেই ব্যক্তিগত তথা সমাজ জীৱনত নামঘৰ, মণিকূট, ৰাঙলিচ'ৰা, তোৰণ আদি অংগৰ অন্তৰ্নিহিত তাৎপৰ্য বিচাৰি পোৱা যায়। সামগ্ৰিক ভাৱে অসমীয়া সমাজত প্ৰতিষ্ঠিত হোৱা নামঘৰে আমাৰ সমাজত আদালতৰ দৰে কাম কৰে য'ত গুৱা পানবুৰীয়ে দোষীক দণ্ড দি শুদ্ধ কৰি ভৱিষ্যতে অপৰাধ প্ৰৱণতা ৰোধ কৰাত সহায় কৰে।

সেয়ে ক'ব পাৰি যে নামঘৰ কেৱল সাতাম পুৰুষীয়া পৰম্পৰা নীতি নিয়মেই নহয় ই সমাজৰ এটি কল্যাণকামী অনুষ্ঠানো বুলি অভিহিত কৰিব পৰা যায়। নামঘৰৰ সকলো কাৰ্য বিশ্লেষণধৰ্মী আৰু বিজ্ঞান সন্মতও। ভকতে পৰিধান কৰা বগা বস্ত্ৰ, বিলনিয়াই মুখত মৰা কাপোৰ আৰু প্ৰসাদত সংমিশ্ৰণ কৰা সামগ্ৰী আদি বিজ্ঞানসন্মত আৰু স্বাস্থ্যসন্মত যি সকলোকে পবিত্ৰতাৰ পৰিচয় দিয়ে। গতিকেই ক'ব পাৰি নামঘৰ আৰু সত্ৰ বিলাক আমাৰ অসমীয়া সমাজ জীৱনৰ মূল কঠিয়াতলি, পবিত্ৰ ঠাই। এই নামঘৰ আমাৰ সকলোৰে আদৰৰ। ◆




# River dams in North-Eastern India Impact, Assessment and Concern

**Anurag Protim Das**
**Ex - student**
**Dibrugarh University**

The North-Eastern part of India is naturally gifted with rich wealth of water resources. The north-east Himalayan region with its snow fed streams and rivers form formidable water resources that harbour and give rise to rich bio-diversity. A prolonged rainy season (late May to October) in the region, especially in Arunachal Pradesh, causes regular floods in the neighbouring state of Assam. The policy makers have found it hard to ignore the availability of great volumes of monsoon run - off in the Himalayan rivers and this has traditionally encouraged diversion, storage and transfer of flows through the construction of dams in the hope that this will not only 'dame' the fast-flowing rivers but also generate electricity to cater to regional and national needs to a greater extent.

The country's total hydro-potential is 84,044 MW, of which the fast flowing Himalayan rivers are estimated to have the potential to generate about 80% (65,000MW) of the total estimated production. Arunachal Pradesh tops the list with the series of hydel dams proposed for the rivers – Siang, Subansiri, Ranganadi etc. expected to generate 25,000 MW power, apart from controlling floods. The construction of



dams will reduce the water level of these rivers and also the main river (the Brahmaputra) by 0.3 to 0.5 M throughout its course. This, however will exert more pressure on mega fauna, which already face water scarcity problems in dry months.

During the 1950's large dams were considered the temples of modern India. While many Indian hydrologists still consider large dams to be the solution to water management, there are also growing protests against dams on account of their environmental impacts. As seen in many examples across the world, the channelization and regulation of rivers, resulting in the reduction of floodplain areas and wetland drainage, causes serious modification in the flow





patterns for water, nutrients, sediments and pollutants. These catchment-wise changes have had severe impacts not only on river ecosystems but also on biodiversity at a landscape sack. A similar situation has been experienced in the Brahmaputra basin. Over the last three decades, approximately 4,000 km of dykes (embankments) have been constructed along the Brahmaputra and some of its major tributaries as a flood control measure. It is now widely believed that these embankments do more harm than good. They are responsible for the shrinkage of feeding and spawning grounds of many prized fish specials. The obstruction caused by chase embankments has resulted in the disappearance of many of the spawn collection centres of the state. A sharp decline in the catch of Indian Major Corps (IMCs) is a pointer to the loss of spanring grounds in the Brahmaputra system.

Geomorphologically, the Brahmaputra basin is very unstable as it is located in a high seismic zone and is constituted by alluvial soil. Further, the river carries one of the highest sediment loads in the world, about 332 million metric tonnes annually throughout its course. Recent satellite photographs reveal that the Brahmaputra is continously shifting south wards and in some places may be migrating at rates as high as 800 m. $yr^{-1}$. The rate of aggregation is as high as 16.8 cm $yr^{-1}$ in the head reaches upstream from Dibrugarh (Verma and Rao, 1996). The shifting of the river is distinctly evident in the districts of Dibrugarh, Morigaon and Sonitpur. Lateral migration of the Channel is always associated with large-scale bank erosion, aggregation and widening of the river channel. Most of the erosion occurs along the southern bank at Rohmoria, Disangmukh, Neematighat, Morigaon, and Palashbari and in many places of the dhubri district. The river becomes shallow and ox-bow lakes are often formed due to changes in the river's course. The two most important factors for sedimentation or situation in the river are (a) High sediment supply in the catchment areas after the 1950 and subsequent earthquakes, which caused landslides and uprooting of trees experienced along the Siang in June 2000; (b) Heavy rainfall resulting in frequent floods loaded with high sediment concentration, which has given rise to a highly 'braided' river. In the catchment area, landslides are common during the monsoon months and tones of debris silt up the river bed down stream. Although no hard date is available, the mean water velocity of the Brahmaputra appears to have decreased, resulting in silt deposition in the river bed at a faster rate. The banks of the river are almost perpendicular and during floods, the loose texture of the soil, coupled with the strong current causes the erosion of the bank (Biswas et al, 2000). In the recent years, large scale logging has worsened the situation. Because of the wanton destruction of forests in the catchment areas and the continuous deposition of silt in the already raised riverbed, the river frequently floods during the monsoon. Erosion of the river banks and the char areas of the main river have resulted in the mouths of tributaries being dammed and feeder channels leading to floods, plain lakes also being obstructed due to excess sediments and a frequent change in the river's course. Consequently, the water passage to the floodplain lakes or beels is disrupted. These ecotoral zones play an important role in the dynamics of the Brahmaputra ecosystem, as these are natural feeding and breeding grounds for a number of fish species and other aquatic

fauna.

As a large number of hydro-electric projects have been planned upstrcam of the Brahmaputra, Siang, Subansiri and other Himalayan rivers, it is necessary to thoroughly study the possible ecological changes that can be expected to occur as a result. Earlier naturally balanced and its associated eco-systems (riparian zone and flood plain waterlands) in the down stream of Ranga river of Lakhimpur district of Assam has been deteriorating day by day just after commissioning of the 405 Ranganadi Hydro Electric Project (RHEP) in the Arunachal Pradesh which includes; loss of natural resources and biodiversity, loss of livelihood options of downstream riparian people and miraculous life sustaining process of inhabitants and construction of another mega dam (9200 MW Subansiri Lower Hydroelectric Project) in the same district across the Subansiri river in the Assam Arunachal Border will surely cause detrimental impacts.

**Problems Created by the RHEP**

**1. Regulation of natural flow discharge :**

(a) Disruption of longitudinal connectivity in the lean season (b) lateral connectivity by changing the seasonal flooding cycle, time, frequency and magnitude (c) Vertical connectivity resulting in drinking water scarcity by lowering down of ground water table (d) Loss of flood plain wet lands (e) deputation of more than 100 fishes and other agnatic bista from the river and associated flood plain wetlands as well as fisto production (f) extinction of many indigeneous deep water rice varieties (h) destruction of earlier pockets of endangered Gangetic dolphin (i) enhance river bank erosion etc.

**2. Flushing of reservoir sediment :**

Heavy sediment load due to flushing of reservoir sediment minimizing the sediment carrying capacity of the downstream water and causing unnatural deposition of sediment on riverbed along with riparian wetland and finally diminishing the natural flood control capacity. In certain areas, river bed is being elevated than the embankment as well as riparian area. In such a situation over spillage (floods) cannot be prevented by increasing the level of embankment. Because of heavy sediment deposition, people have lost their fertile cultivable land; destroy many wetlands ecology.

**3. Impact on livelihood strategies :**

The impacts of degraded rivers and wetlands on human well being are frequently recognized which are very significant. For example, besides revission agricultural land, decline in productivity of households involved in agriculture (e.g. rice), reduction in fisheries (disappearance of fish and fishing), reduction in drift wood collection of poor peoples as livelihood strategies, loss of grazing resources (mainly cattle and buffalo of the ripabian people), decrease in nontimber forest products, greatly increased out - migration as a result of the reduction in cultivable land, redduction in the economic value of production in the welands.

Ecological and Socio-Economic status of Pre-Damming Subansiri :

Water quality and quantity, habitat diversity and ecological conditions are interlinked in a complex fashion, maintain equilibrium in their hydrologic regimes, and thus preserve the healthy status of Subansiri in its down stream. The efficacy of linkages resulting in strong ecological process with viable, habitable, sustainable and adequately wealthy environment, economy and community, which





satisfy the sustaining need of human.


In its 130 Km tailrace Subansiri and its basin providing habitats for four IUCN red listed fishes, two turtles and Gangetic river dolphin. Critically endangered :01, endagnered 13, vulnerable : 35, not evoluated 67, low risk : 53 (CAMP, 1998) reported to be present in its downstream basin. Among all pilia indica, Danconella priopus IUCN's endangered and data deficient fishes has been reported first time from Assam. The nesting has been recorded of two endangered birds namely Leptoptilos dubius and Gyps indicus in the Bombax Cebia, a dominant riparian tree of the Subansiri River is vital.

Recently, the Subansiri River of Assam, North eastern Indian was considered as one of the safe heavens for residential dolphin (platanista gangetica) locally known as 'SIHU' due to relatively healthy down stream environment coupled with awareness of river bank communities (Baruah, 2006, wakid, 2008, Hazarika, 2008, Hazarika et al, 2010, 2011, Biswas et al., 2011 and Baruah et al. 2012).

The impoundment and heavy accumulation of water will definitely cause the loss of many hill stream species like Garra, Glyptothorax, Hara, Conta etc. as they will be deprived of their usual fast flowring habitat. Migratory fish species, both an andromous and catadronous, will find it difficult to reach this spawning grounds. Giant Catfishes like Bagarius Yarelli, Pangasius Pangasius, Silonia Silondia, Aorichthys sp and wallago attu migrate upstream when the river starts to swell after the pre-moonsoon rains (April - May). In the subsequent floods (June - July), the crops move upstream and enter into tributaries, distributaries, and floodplain lakes to breed. It has been recorded that species, composition in the flood plain lakes largely depends on the intensity of floods. It is expected that the absence of the influence of 'high intensity' floods due to the construction of upstream dams will definitely affect the 'auto stocking' of the floods lain lakes. Thus, the flood plain lakes might not be adequately stocked by riverine species. The profuse pre-monsoon growth of aquatic weeds will also not be flushed out due to the inadequate flooding of the beels (flood plain lakes).

Species composition and species diversity vary widely in the riparian ecotone of upper reaches of the Brahmaputra basin. The flood plain lakes (FPL) in riparian zones were aften found richer in species composition than the adjacent / correcting river itself. Infact the FPL is the main storehouse of inland fisheries in the entire N.E. India. The open types of FPL have higher fish species diversity than closed type but the latter accounts more fish production per unit area. The energy produced in the closed FPL's gets largely converted to the production of macrophytes. Shallowness of closed FPL's with intense vegetation and low so concentration favour more production of air breathing and carnivorolus fish.

The interaction of geo-hydrological dynamics of Brahmaputra River is not only significant for the population dynamics of



riverrine fishes, but also regulate the habitat quality, especially foods availablility, current velocity and temperature as these factors determine individual growth and reproductive success of a population. The 3500 odd flood plain lakes (FPL) scattered throughout the Indian side of the Brahmaputra River are the main store house of aquatic biodivesity of the region.

In the past, it was difficult to record the impacts made by engineers on the biodiversity of rivers. But the scenario is changing due to accelerated knowledge from the biological point of view that biota possess the capacity to regulate water flow through the landscape. The downstream impacts of dams are always complex and have knock – on secordary and tertiary impacts on aquatic and flood eco-systems. These often go unrecorded, except by those left coping with them. There are relatively few studies on down stream degradation following dam construeion in India. Down stream impacts can extend for many hundreds of kilometres and well beyond the confines of the river channel. Transformation or modification of discharge patterns and stream environments has a range of significant effects on those eco-systems. River ecosystems provide wide range of commodities and services that are important in supporting the livelihoods of many rural communities. Despite their importance, the river ecosystems are being degraded and lost through construction of hydro-electric projects. The scientific basis on the significant issues of the completed dam on river Ranganadi and the ongoing one on river Subansiri should be analysed among Environmental Scientists, Structural Engineers, Geologists, Geographers, Social Scientists, Economists and local people with sound knowledge on the subject. We seek sustainable development. Therefore, evaluation of sustainable economic benefit provided by a river and its dependent eco-system is essential and river systems should be thoroughly studied jointly with concerned agencies prior to the formulation of hydro-electric power development project for the protection of river ecosystem, atleast for the enduser of ecosystem benefit. There should be clear cut distinction of the reality and the scientific matters related to it. Every citizen, especially students should be educated about this issue for their proper judgement to whether act against or for it. ◆





# সামাজিক শৃঙ্খলা বনাম যুৱ উশৃঙ্খলতা

চক্ৰধৰ বাইলুং
স্নাতক দ্বিতীয় বৰ্ষ।

শৃঙ্খলাবোধ এখন সমাজৰ পাৰিচালিকা শক্তি। এই শক্তিয়ে সমাজক প্ৰদান কৰে সৌন্দৰ্য, কল্যাণ, আনন্দ তথা সুখ। সামাজিক শৃঙ্খলা হ'ল ব্যক্তি শৃঙ্খলাৰ সমষ্টি। কিন্তু বৰ্তমান ব্যক্তি তথা মানৱ সমাজ কিমান শৃঙ্খলিত? বৰ্তমান সমাজত দেহ গঠনৰ ফালৰ পৰাই হওঁক তথা মনোগঠনৰ ফালৰ পৰাই হওঁক সকলো দিশতে শৃঙ্খলাবোধৰ অভাৱ পৰিলক্ষিত হৈছে। সেয়ে হয়তো আজিৰ স্বাৰ্থলোভী সমাজখনৰ মানবে নিজৰ সমাজৰ প্ৰতি, দেশৰ প্ৰতি, আনকি নিজৰ পৰিয়ালৰ প্ৰতি থকা দায়িত্ববোধকো পাহৰণিৰ গৰ্ভত এৰি দিছে। গতিকে এনে পৰিস্থিতিত ব্যক্তিৰ ক্ষেত্ৰত স্বাৰ্থ শিথিলতা তথা সামাজিক বোধৰ চিন্তাধাৰাৰ অতি প্ৰয়োজনীয়তা আহি পৰিছে।

বৰ্তমান সমাজত শৃঙ্খলাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিবলৈ কাৰো আহৰি নাই। এফালে সমাজৰ ধনীক শ্ৰেণীয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে উঠি পৰি লাগিছে। সেয়া আইন মানিয়েই হওঁক অথবা আইন উলংঘা কৰিয়েই হওঁক। আনফালে আৰ্থিক ভাৱে পিছপৰা সকল শোষণৰ ভৰত পৰি দৰিদ্ৰ, নিবনুৱা আদি সমস্যাত ভুগিছে। এনে পৰিস্থিতিত পৰি কেতিয়াবা কেতিয়াবা তেওঁলোকে উশৃঙ্খল সমাজখনৰ মাজত সোমাই পৰে। এনে সমস্যাৰ মাজেৰে সমাজখন কোন দিশে ধাৱমান হ'ব? এই ক্ষেত্ৰত কৰণীয় আছে যুৱ সমাজৰ। এইখন সমাজতে এওঁলোক ভৱিষ্যত। নিজৰ ভৱিষ্যতৰ ক্ষেত্ৰখন নিজে শৃঙ্খলিত কৰি লোৱাৰ দায়িত্ব জানো তেওঁলোকৰেই নহয়? কিন্তু এই যুৱ সমাজৰ লক্ষ্য কি? তেওঁলোক এই ক্ষেত্ৰত কিমান সচেতন? বিশৃঙ্খল সমাজখনৰ যুৱকসকল সঁচাকৈ শৃঙ্খলিত হয়নে? বৰ্তমানৰ যুৱক সকল কোন দিশে?

সাম্প্ৰতিক কালত যুৱ উশৃঙ্খলতা এক বহল চৰ্চিত বিষয়ত পৰিণত হৈছে। সমাজৰ প্ৰতিজন ব্যক্তিয়ে এই দিশটোৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিছে। কিন্তু কেইজন ব্যক্তিয়ে এই ক্ষেত্ৰত নিজস্ব কৰ্তব্য পালন কৰিছে? যুৱচামৰ মাজত ড্ৰাগছ্, গুট্খা জাতীয় সামগ্ৰীৰ বহল প্ৰচলন। ব্যৱসায়ী সকলে নিজৰ মুনাফা অৰ্জনৰ বাবে এই সামগ্ৰীবোৰ যুৱচামৰ মাজলৈকে ঠেলি দিছে। ড্ৰাগছ্, মদ, বিয়েৰ সেৱন কৰাটো, জুৱা খেলত অংশ গ্ৰহণ কৰাটো যেন এক ফেশ্বনত পৰিণত হৈছে। যুৱচামৰ মাজত প্ৰচলিত এক বাক্য হ'ল যে—

"আমি মদ খোৱা নাই বিয়েৰহে খাইছো।"

"আমি শিখৰ খোৱা নাই পান মছলাহে খাইছো।"

— এইবোৰ যেন একো একোটা গৌৰৱময় বাক্য। বাইক এখন চলাবলৈ পালে পথৰ কাষত একো দেখি নাপায়। সেয়া যেন ৰাজপথ নহয় নিজৰ ব্যক্তিগত পথহে। আজিৰ যুৱক সকলৰ মাজত শ্ৰদ্ধা, ভক্তি, মৰম, দয়া-মমতাৰ অভাৱ। এনে এখন সমাজৰ যুৱক-যুৱতীৰ ভৱিষ্যত কি? জীৱনৰ মধুময় কালছোৱাতেই যদি নিজকে শৃঙ্খলিত কৰিব নোৱাৰে তেনেহ'লে ভৱিষ্যতে কেনেকৈ এখন সুস্থ সমাজ গঢ় দিব পাৰিব?

এনে কিছুমান যুৱক-যুৱতীয়েই ভণ্ড বুদ্ধিজীৱী, স্বেচ্ছাচাৰী ব্যক্তিত পৰিণত হৈ সামাজিক বিশৃঙ্খলতাৰ সৃষ্টি কৰিব।

গতিকে আজিৰ যুৱসমাজে ভাবিবৰ হ'ল। নিজৰ ভৱিষ্যত গঢ়িবৰ বাবে চিন্তা কৰিবৰ হ'ল। আমি জীয়াই থাকিবলৈ এখন শৃঙ্খলাবদ্ধ সমাজ লাগে, আমাক সুস্থ পৰিবেশ লাগে তাৰ বাবে আমি ৰাজপথত শ্লোগান দি কেৱল আন্দোলন কৰিলেই নহ'ব। নিজৰ মনত শৃঙ্খলাবোধৰ জন্ম দিব লাগিব। নিজৰ লগতে চাৰিওফালৰ পৰিবেশৰ সুস্থতাৰ প্ৰতি গুৰুত্ব দি নিজৰ কৰণীয়খিনি কৰি যাব লাগিব। আজিৰ যুৱ সমাজৰ শৃঙ্খলতাৰ ওপৰতেই ভৱিষ্যতৰ শৃঙ্খলিত সমাজখন নিৰ্ভৰ কৰিছে। ◆

# পতনৰ গৰাহত শিক্ষা

পবিত্ৰ চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ।

*"ন হি জ্ঞানেন সদৃশম্ পবিত্ৰমিহ বিদ্যতে,*
*ন হি পৰম পুৰুষম্ চ প্ৰদানং জ্ঞানম্।"*

জ্ঞানৰ সদৃশ পবিত্ৰ বস্তু একো নাই আৰু যিজনে জ্ঞান দান কৰে তেওঁৰ সমান মহান ব্যক্তি আন একো হ'ব নোৱাৰে।

শিক্ষা হৈছে এখন দেশৰ, এখন সমাজৰ এটা জাতিৰ মাপকাঠি। শিক্ষাই মানুহক বিবেকবান, বিনয়ী, নম্ৰ, ভদ্ৰ কৰি তোলে। শিক্ষাৰ দ্বাৰা সুস্থ বিবেকে মানুহক সৎৰূপে গঢ়ি তোলে যাৰ ফলত লাভ কৰে অফুৰন্ত সুখ আৰু শান্তি। এই অফুৰন্ত সুখ, শান্তিৰ বাবে সময়ে সময়ে অন্বেষণ ঘটিছে শিক্ষাৰ। এনে অন্বেষণৰ প্ৰচেষ্টাত তাহানিৰ গুৰুগৃহ, টোলৰ পৰা আদি কৰি বৰ্তমানৰ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিৰ পৰ্যায়লৈ উন্নীত হৈছে। ফলত শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি পাইছে, শিক্ষিত লোকৰ পৰিমাণো বৃদ্ধি পাইছে। কিন্তু এই শিক্ষাৰ প্ৰসাৰতাৰ ফলত জ্ঞানৰ পৰিসৰ বৃদ্ধি পাইছে বুলি এক কথাত ক'ব পৰা নাযায়। সৎ, নম্ৰ, ভদ্ৰ আৰু গুৰুৰ প্ৰতি শ্ৰদ্ধা আদিৰ শিক্ষাৰ লগত সাদৃশ্য নথকা হৈছে। বৰ্তমান কেউদিশে ধনতন্ত্ৰ, মাৰণাস্ত্ৰৰহে প্ৰতিযোগিতা চলিছে। যাৰ ফলত শিক্ষাক কেউদিশে মৃত্যুৱে আগুৰি ধৰিছে। গতিকে এখন সমাজৰ, এটা জাতিৰ পতনৰ পৰা উদ্ধাৰ কৰিব শিক্ষাই। যদি শিক্ষাৰ পতন ঘটে তেন্তে কোনে বচাব সমাজক। ফলত শিক্ষাৰ পতনৰ কাৰণসমূহ বিশ্লেষণ কৰাৰ সময় আহি পৰিছে।

শিক্ষা পতনৰ অনেক কাৰণ আছে। ইয়াৰ ভিতৰত আমি শিক্ষক, অভিভাৱক, ছাত্ৰ-ছাত্ৰী, সমাজ, চৰকাৰ, পাঠ্যপুথি আদিৰ অনেক কাৰকৰ সংমিশ্ৰণক উল্লেখ কৰিব পাৰি। গতিকে এই দিশবোৰ ফঁহিয়াই চোৱাৰ চেষ্টা কৰা হ'ল।

সঁচাকৈয়ে শিক্ষকতা এক পবিত্ৰ আৰু মহৎ বৃত্তি। এনে বৃত্তিত উচ্চভাৱ আছে কিন্তু ঐশ্বৰ্যভাৱ নাই। এনে বৃত্তিত ত্যাগ আৰু দান আছে কিন্তু ক্ষয় নাই, সৃষ্টিৰ আঁৰত আছে অফুৰন্ত শান্তি আৰু সুখ। কোনো দুষ্কাৰ্যকাৰী ব্যক্তি বা সমাজৰ প্ৰতিকূল, অৰাজনৈতিক পৰিস্থিতিয়ে শিক্ষকতাৰ প্ৰতিভা শেষ কৰিব নোৱাৰে। শিক্ষকৰ প্ৰতিভাৰ বলত যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে ভাল ফল দেখুওৱাব পাৰে তেন্তে শিক্ষকৰ বাবে উচ্চভাৱ অৰ্থাৎ আনন্দৰ বতৰা সেয়ে হ'ব পাৰে। কিন্তু বৰ্তমান শিক্ষকৰ এই উল্লেখযোগ্য বৃত্তিক বহুতে অৱজ্ঞা, অৱহেলা আৰু অসন্মানীয় পৰ্যায়লৈ স্থানান্তৰ কৰিছে। সমাজেও শিক্ষাক অৱজ্ঞাৰ চকুৰেহে চাবলৈ লৈছে। অৱশ্যে ইয়াৰ বাবে শিক্ষক সকলো জগৰীয়া। কাৰণ তেওঁলোকে নিজকে সৎ আৰু আদৰ্শৱান ব্যক্তি হিচাপে অৱতীৰ্ণ কৰোৱাব পৰা নাই। যাৰ বাবে শিক্ষকতাক আজি নিম্ন চাকৰিয়াল বুলি গণ্য কৰিছে। তদুপৰি শিক্ষক সকলৰ শৃঙ্খলাবদ্ধতা, নিয়মানুবৰ্ত্তিতা, দায়িত্ববোধ, কৰ্ত্তব্যনিষ্ঠা আদিৰ গুণবোৰ বাৰুকৈয়ে অভাৱ ঘটিছে। বৰ্তমানৰ শিক্ষকতা যেন জীৱিকাৰ তাড়নাতহে বৰ্ত্তি আছে, যাৰ বাবে শিক্ষকে আকৰ্ষণ কৰিব পৰা নাই ছাত্ৰ-ছাত্ৰী আৰু সমাজক। শিক্ষকৰ কেৱল শ্ৰেণীকোঠাতে যে কৰ্ত্তব্য কেৱল সেয়া নহয় সমাজৰ প্ৰতিও কৰ্তব্য থাকিব লাগিব। তদুপৰি শিক্ষকে ৰাজনৈতিক কাৰ্যত লিপ্ত হোৱাৰ বাবে তেওঁলোকে ধনৰ লোভত পৰি ব্যৱসায়ত লিপ্ত হ'বলৈও কুণ্ঠাবোধ নকৰে যাৰ বাবে শিক্ষকতা কেতিয়াও মহান বৃত্তি হ'ব নোৱাৰে।

পিতৃ-মাতৃ হৈছে শিক্ষাৰ মানদণ্ড। ঘৰখনেই হৈছে জ্ঞানৰ মূল বিদ্যালয়। যদি ঘৰখনৰ মাক-দেউতাক সৎ হয় তেন্তে নিজৰ ল'ৰা-ছোৱালীও সৎ হ'ব। কিন্তু বৰ্তমানৰ মাক-দেউতাকে তেওঁলোকৰ ল'ৰা-ছোৱালীক পিন্ধাৰ-খুৱাৰ আৰু দুপইচা আৰ্জিব পাৰিলেই দায়িত্ব শেষ বুলি ভাবে। তেওঁলোকৰ উচ্চ আকাংক্ষাবো বিলোপ ঘটিছে। সন্তানক ভাল শিক্ষা দিবলৈ হ'লে ঘৰখনৰ সকলো লোকৰে গুৰু দায়িত্ব আছে। কিন্তু আজি শিক্ষাৰ মূল ঘৰখন ভগ্ন গৃহতহে পৰিণত হৈছে। আদৰ্শৱান ঘৰবিলাক মাক-দেউতাকে যান্ত্ৰিকতাৰ লগত জড়িত হোৱাৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে কি কৰিছে, কি নাই কৰা তাকো চাবলৈ সময় নোহোৱা হৈছে। ফলত তেওঁলোকে ল'ৰা-ছোৱালীক কেনেকৈ শিক্ষাৰ পৰা সৎ, ভদ্ৰ, নিয়মানুবৰ্ত্তিতাৰ গুণ লাভ কৰে তাকো জ্ঞান দিব পৰা নাই। সুস্থ সৰল পৰিস্থিতিতহে ঘৰখনত আনন্দ আৰু শিক্ষাৰ পৰিৱেশ গঢ়ি উঠে।

শিক্ষা পতনৰ আন এক কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লক্ষ্যৰ অভাৱ। ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ লক্ষ্য স্থিৰ কৰি ল'ব নোৱাৰিলে শিক্ষাই তেওঁলোকক আগ্ৰহী কৰিব নোৱাৰে। সৰহভাগ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী কোঠাত উপস্থিত থাকে কেৱল ক্লাছত উপস্থিত থকাৰ বাবে, কিন্তু তেওঁলোকৰ পাঠৰ প্ৰতি অমনোযোগিতা। জীৱিকাৰ বাবেহে শিক্ষা লাভ কৰিছে ; জীৱনৰ বাবে নহয়। শিক্ষাবিদ আৰ. কে. নাৰায়ণনে কৈছে — "এডুকেশ্বন ইজ বো"থ ফৰ লাইফ এণ্ড লিভিং।"

বৰ্তমান উচ্চ শিক্ষাৰ ডিগ্ৰী বহুতে লাভ কৰিছে। কিন্তু তেওঁলোকে নিজৰ বাবেও একো কৰিব পৰা নাই। শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈছে বৰ্তমান অৰ্থবান মানুহ হোৱা।

শিক্ষা পতনৰ আন এক কাৰণ হ'ল— ভ্ৰষ্ট ৰাজনীতি। শিক্ষা ব্যৱস্থাত ঘটা ৰাজনীতিৰ হস্তক্ষেপ, অনিয়মেৰে শিক্ষক নিযুক্তি, সময়মতে পাঠ্যপুথি যোগানত অৱহেলা ইত্যাদি ইত্যাদি। শিক্ষকৰ অনিয়মীয়া দা-দৰমহা অথবা বছৰৰ পিছত বছৰ ধৰি শিক্ষক সকলক প্ৰৱঞ্চনা কৰাৰ বাবে তেওঁলোক ৰাজপথলৈ ওলাই আহিব লগা হৈছে। ইয়াৰোপৰি চৰকাৰৰ কিছুমান অবিবেকী শিক্ষা নীতিয়ে শিক্ষাত কুঠাৰাঘাত হানিছে। তদুপৰি শিক্ষকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত থকা জটিলতাও ইয়াৰ বাবে জগৰীয়া। বিভিন্ন দল-সংগঠন আদিৰ বন্ধৰ প্ৰভাৱতো সময় মতে পাঠ্যক্ৰম সমাপ্ত কৰাত বাধাৰ সৃষ্টি হৈছে। গতিকে শিক্ষাৰ উন্নতি কৰাৰ বাবে চৰকাৰ, সমাজ, ছাত্ৰ-ছাত্ৰী আদি সকলো সচেতন হোৱা প্ৰয়োজন।

আজিৰ সমাজ কলুষিত হোৱাৰ বাবেও শিক্ষাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা জন্মাইছে। নিতৌ বাতৰি কাকতত প্ৰকাশিত হত্যা, ধৰ্ষণ, লুণ্ঠন, অন্যায়-অনীতি, ঠগ-প্ৰৱঞ্চনা আদি দেখিবলৈ পাওঁ। নিতৌ অন্যায় অনীতিত লিপ্ত এনে মানুহৰ মন-মগজু, চিন্তা-বৃত্তি আদি কলুষিত হৈছে। যাৰ বাবে নতুন প্ৰজন্ম অসৎ, দুৰ্নীতিগ্ৰস্থ হৈছে। গতিকে নিজ নিজ সন্তান বা নতুন প্ৰজন্মক উন্নীত কৰাৰ বাবে ঘৰখন, বিদ্যালয়, সমাজ আদি সকলো লোককে নতুন চিন্তা-চেতনাৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব।

শিক্ষাৰ উদ্দেশ্য ৰক্ষা কৰিবলৈ সকলোৱে নিষ্ঠাৰে নিজ নিজ দায়িত্ব পালন কৰিব লাগিব। শিক্ষাৰ অবিহনে সমাজৰ উন্নতি অসম্ভৱ, গতিকে গঠনমূলক চিন্তা চেতনাৰ বাবে শিক্ষাৰ মান উন্নত কৰিব লাগিব আমি। ◆

# Impossible Spells 'I'm Possible

**Miss Purabi Saikia**
**H.S. 1st Year**

Life is like a ten-speed bicycle. Most of us have gears we never use. The great classical writer, Seneca said–

*"It is not because things are difficult*
*that we donot dare;*
*It is because we donot dare*
*That they are difficult."*

Napolean Bonapart once remarked, "the word impossible is found only in the dictionary of fools." In this world everything is possible on the basis of will power, dogged determination and sacrifice. It only demands patience and faith in oneself, never bothering about the results. We must keep on going; even if the pave is slow just ensure that it remains steady. If God wills, the Dumb can speak and the lame can scale mountains, says the Bhagwad Gita. Nothing can stay in the way of those who are determined to reach their destination, however insurmountable be the hurdles. Homer, the Greek epic poet, a tomering figure of ancient Greek literature, is said to be the author of the two famous classics, 'Iliad' and 'Odyssey', but this great author was born blind.

Positive attitude and a clear frame of mind determines one's future. In this world, there is no such thing as CHANCE. By our own ideas, will and ability, we can create a number of chances, circumstances and the desired atmosphere to achieve the toughest goal. Purposes befit the great minds whereas others, simply have wishes. Little minds tamed and subdued by seeming set backs but great minds rise abuse them and fight their way to victory. To attain the desired goal, we have to laugh at our trouble and learn to forget it. When we laugh at it, we will find it to be a mere bubble which is swiftly blown away. In registering victory, faith works like a miracle. It looks beyond all boundaries, transcends all limitations, conquers all obstacles and carries us to our goal. We find success coming before work only in a dictionary, nowhere else.

Nelson Mandela, the former President of South Africa is a great instance. He succeeded in his war against apartheid in his nation, inspite of various failures. Mother Teresa got the Nobel Peace Prize for working relentlessly for the ill, poor and needy people. There are so many examples which show that the word 'Impossible' is not found in the Stalwart's dictionary but what is present is faith. Someone has said : Two men look out through the same bars, one sees the muse and the other sees the stars.' An optimist sees an opportunity in every calamity; a pessimist sees a calamity in every opportunity.

Worry and despair about impossiblilites will simply multiply them. Always endevour with new zeal and hope when the destination seems for because of some personal limitation, there is always the suffering from feelings of despair. Persons like Lincoln, Ford and A.P.J. Abdul Kalam were not born with a silver spoon in their mouth or of a royal family background. But they reached the top with their single minded concentration. Vernon Howard can be quoted as saying.

*"Never even run yourself down, Never*
*express yourself as being inferior, for*
*If you do, you will believe what you say."*

It is said that fortune favours the brave *"Where the mind is without fear and the head is held high, .... let my country awake."* Said Rabindra Nath Tagore

Fear is a state of mind. Is bravery if something goes wrong in life, ones has to be ready to face the challenges and obstacles and once if it is decided that "I'll overcome it," nobody can stop the overall progress from that very moment. "Success will never lower its standard to accommodate you, you have to raise your standard to achieve it." And that is only possible by bravely shooting the shining star. Self-realistation and analysis is the most essential part of bravery. The Gospel says –

"Be strong and of good courage, be not afraid, neither be thou dismayed, for the lord thy God is with thee, without so ever thou goest."

Even if we lapse, we should never relapse. 'Know thyself' said the old philosophy while, "Improve thyself" says the new one.

Lack of education, riches and connections need not deter us from doing the daring. The lives of the world's most successful men and women spectacularly spotlight that most of them began life with next to nothing, but rose to eminence and proved successful by developing and utilizing their talents with sincerity, zeal and determination. Start a worth dedication, motivation and yet be unattached with the results. With a resolute, positive and committed attitude, we can invariably develop the right aptitude. By changing the negative attitude, we can shed the fermenting fears, doubts, despair and inferiority complex. Just as the dust tarnishes even the brightest of a gem, despair too contaminates the virtues of the wise.

History has demonstrated that the most notable winners usually encountered heart breaking obstacles before they triumphed. They won because they refused to become discouraged by their defeats. There is always the battle to be fought before the victory is won.

*"A gem is cleaned by polishing,*
*But a man is perfcted by trials."*

Mrs. Kiran Bedi, the first lady IPS Officer, struggled hard and eventually became successful and popular. She is a woman like any other women but her strong will power made her a successful. In truth, it is all in a state of mind. The mind makes the impossible possible. As Wordsworth in his 'Prelude' states.... the mind of man becomes/A thousand times more beautiful than the earth / on which he dwells." According to Cicero, "Each man's mind is the man himself." Thus it can be emphatically stated that the mind is the moulder of the impossible to the possible.

"Rome was not built in a day". This implies the success that comes through hardwork, Perseverence and Perspiration. Years of hard work made Rome a beautiful city. Life's battles donot always go with the stronger or faster man who thinks he can. Nothing is impossible in this world. This implies that we can do everything. A determination which is as strong as STEEL makes everything possible in this world. We should have courage to surmount the rocky steps. He fails alone who feebly creeps and he wins who dares the hero's march. So, press on for success, in making the impossible, possible. Be thou a hero in reaching the dream destination of life's journey...... ◆

# কৃত্ৰিম উপগ্ৰহ আৰু ইয়াৰ প্ৰস্তুত প্ৰণালী

লক্ষী গগৈ
দ্বাদশ শ্ৰেণী।

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অকল্পনীয় অগ্ৰগতিয়ে "মহাকাশ অধ্যয়ন আৰু ইয়াত বিচৰণ" কৰাৰ মানৱীয় স্বপ্ন দিঠকত পৰিণত কৰালে। পৃথিৱীৰ নৈসৰ্গিক উপগ্ৰহ চন্দ্ৰৰ দৰে মানৱ নিৰ্মিত উপগ্ৰহ, যিবোৰ বস্তুৱে নিজস্ব কোনো ইন্ধন নোহোৱাকৈয়ে পৃথিৱীৰ চাৰিওফালে পৰিভ্ৰমণ কৰিব পাৰে তাকেই "কৃত্ৰিম উপগ্ৰহ" বোলে। এনে এটা কৃত্ৰিম উপগ্ৰহৰ কক্ষপথ যদি বিষুবৰ সৈতে সমতলীয় হয়, ইয়াৰ পৰ্যায়কাল পৃথিৱীৰ আৱৰ্তন কালৰ সমান হয়।

সাধাৰণতে ভূ-পৃষ্ঠৰ পৰা নিক্ষেপ কৰোঁতে এই কৃত্ৰিম উপগ্ৰহ সমূহ বহুখলপীয়া হয়। অতিবেগী ৰকেটৰ শীৰ্ষভাগত ৰাখি ৰকেটটো উলম্বভাৱে মহাকাশলৈ নিক্ষেপ কৰা হয় আৰু ৰকেটটোৰ প্ৰথম খলপটো প্ৰজ্জ্বলিত হয়। প্ৰজ্জ্বলিত প্ৰথম খলপটো শেষ হ'লেই স্বয়ংক্ৰিয় ভাৱে ইয়াৰ দ্বিতীয়টো খলপ প্ৰজ্জ্বলিত হ'য়। এনেদৰে প্ৰজ্জ্বলন ক্ৰমাৎ বৃদ্ধি হৈ গৈ থাকে। শেষৰ খলপটো প্ৰজ্জ্বলিত হোৱাৰ আগে আগে মূল ৰকেটৰ অক্ষডাল ক্ৰমাৎ হেলনীয়া হ'ব ধৰে আৰু অৱশেষত ৰকেটটোৱে পূৰ্ব নিৰ্দ্ধাৰিত এটি বেগত উপগ্ৰহটোক লৈ অনুভূমিক দিশত গতি কৰিবলৈ লয়। এবাৰ পূৰ্ব নিৰ্দ্ধাৰিত এটি কক্ষত কৃত্ৰিম উপগ্ৰহটো উপস্থাপন কৰিব পাৰিলে ই নিজে নিজে কোনো ইন্ধন নোহোৱাকৈয়ে আৱৰ্তন কৰি থাকে।


কৃত্ৰিম উপগ্ৰহৰ নিৰ্মাণৰ ক্ষেত্ৰত বিশেষকৈ ইয়াৰ জ্যামিতিক আকাৰ, ওজন আৰু নিৰ্মাণ কাৰ্যত ব্যৱহৃত পদাৰ্থবোৰৰ গুণাগুণৰ ওপৰত বিশেষভাৱে মনোযোগ দিব লাগে যাতে সকলো সময়তে, কৃত্ৰিম উপগ্ৰহটোৱে নিজৰ ভাৰসাম্য ৰক্ষা কৰি চলিব পাৰে। ১৯৫৭ চনৰ ৪ অক্টোবৰ তাৰিখে ৰাচিয়াই সৰ্বপ্ৰথমে নিক্ষেপ কৰা "স্পুটনিক-১ নামৰ কৃত্ৰিম উপগ্ৰহটোৰ ওজন আছিল ৮৩.৬ কিলোগ্ৰাম আৰু ইয়াৰ আকাৰ আছিল ৫৮ চেন্টিমিটাৰ ব্যাসৰ এটা গোলকৰ দৰে। আনহাতে, উপগ্ৰহটোৰ ভিতৰত ৰখা যন্ত্ৰপাতি সমূহ যাতে নিৰাপদে যাব পাৰে তাৰ প্ৰতি লক্ষ্য কৰা হয়। ইয়াৰ উপৰিও কৃত্ৰিম উপগ্ৰহত ব্যৱহাৰ হোৱা যন্ত্ৰপাতিবিলাক উষ্ণতাৰ হ্ৰাস-বৃদ্ধিৰ প্ৰতি কম সংবেদনশীল হ'ব লাগে আৰু ইহঁতে ঠিকমতে ৰেডিঅ' তৰংগ প্ৰতিফলিত কৰিব পৰা হ'ব লাগে। এলুমিনিয়াম, মেগনেচিয়াম আদি ধাতুৰে নিৰ্মিত পদাৰ্থ ইয়াৰ নিৰ্মাণত ব্যৱহাৰ কৰা হয়।

মানুহ মহাকাশচাৰী হিচাপে যানখনত গ'লে বহুত আহুকলীয়া পৰিস্থিতি আহি পৰে। যিহেতু অতি উচ্চতাত মাধ্যাকৰ্ষণ শক্তি নাথাকে গতিকে মহাকাশচাৰী সকলে ওজনহীনতা অনুভৱ কৰে ইয়াৰ ওপৰিও মানুহৰ ৰক্তচাপ কমি যায় আৰু অক্সিজেনৰ অভাৱত শ্বাস-প্ৰশ্বাসত বাধা পায়। সেয়েহে মহাকাশচাৰী সকলে নিজৰ দেহৰ উত্তাপ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে এযোৰ বিশেষ ধৰণৰ পোছাক পিন্দি লোৱাৰ দৰকাৰ। ইয়াৰ লগতে কৃত্ৰিম অক্সিজেনৰ যোগানৰ ব্যৱস্থা কৰি লোৱা হয়।

দূৰ-সংযোগ ব্যৱস্থাপনাত কৃত্ৰিম উপগ্ৰহৰ ভূমিকা উল্লেখযোগ্য। ◆







# গল্প

# মাক আৰু মৰম

## (সত্য ঘটনাৰ ছাঁ লৈ)

ৰতিপ্ৰভা গগৈ
প্ৰাক্তন উপাধ্যক্ষা

জপনাখনৰ ওচৰতে থকা ডাঙৰ ভীমকল জোপাত এলিজাবেথে এমুঠি বেজী এটা এটাকৈ খুঁচি আছে আৰু মুখেৰে কিবা এটা গাই আছে। লেখি লেখি বিশটা বেজী কলজোপাত খুঁচি এলিজাবেথে ঘৰৰ ফালে খোজ দিলে। ৰাজেশে দূৰৰ পৰাই এলিজাবেথক কলজোপাত কিবা খুচি থকা দেখিছিল। জপনাখনৰ ওচৰ পাই চিঞৰ মাৰি এলিজাবেথক মাত লগালে—

"অ'ই এলিজাবেথ, কলজোপাৰ লগত কি কথা পাতিলি অ', নে কলজোপাৰ আঁৰত কোনোবা আছিল?"

"মোৰ ধেমালি কৰাৰ 'মুড' নাই বুজিছ। যা যা ক'লৈ যাব, গৈ থাক।"

চাইকেলখন পদূলিতে থৈ জপনাখন খুলি ৰাজেশ এলিজাবেথৰ ওচৰ পালেহি।

"কি হ'ল এলিজা, কিয় 'মুড' নাই?" ৰাজেশে কোমল মাতেৰে সুধিলে।

""মুড' নাই, মুঠতে 'মুড' নাই। যা, যা, আঁতৰি যা।" এলিজাবেথে ৰাজেশক খং কৰিলেও, চকুৰে পানী ওলাব খুজিছিল।

"আওঙ্গ ইমান গৰম নে?"

ৰাজেশ এলিজাবেথৰ সন্মুখলৈ আহিল—

"আৰে, তোৰ দেখোন চকুত পানী। কান্দিছ কেলেই?"

ৰাজেশৰ সহানুভূতিত এলিজাবেথৰ চকুৰ পানী সৰ্-সৰাই ওলাবলৈ ধৰিলে—


"দুখীয়াৰ দুঃখ কোনোকালে নুগুচে ৰাজেশ। কিমান কষ্ট কৰি গাহৰিজনী ল'লো, দুই তিনি কিলোমিটাৰ দূৰৰ অৰূপ দাদাৰ পাঠাটোৰ লগত 'ক্ৰচ' কৰালো দু-দিন অনা নিয়া কৰিলো, খোজকাঢ়ি। ইমান কষ্ট কৰিলো। অথচ আজি কি হ'ল? অৰূপ দাদাই ক'লে — তিনিমাহ, তিনি সপ্তাহ আৰু তিনি দিনত গাহৰিজনী জগিব। মৰিয়ম 'বা' আৰু মই দিন গনি আছোঁ। কিন্তু কালি তিনি মাহ হ'বলৈ এক সপ্তাহ থাকোতেই জগিলে নহয়। ৬টা পূৰঠ নোহোৱা মৰা পোৱালী দিলে। তাইৰ অৱস্থাও একেবাৰে কাহিল। ডাক্তৰ মাতি আনি বেজী দৰব দিছোঁ, এতিয়া ভাললৈ আহিছে। ডাক্তৰে কৈছে কোনোবাই বেয়াকৈ পেটত মাৰিছে। গাহৰিজনী ভাগ্যে বাচিছে।"

ৰাজেশৰ চকু কপালত উঠিল — "কি ? মাৰিছেতো। মই নিজে দেখিছোঁ। এলিজাবেথে জাঙুৰ খাই উঠিল— "তই দেখিছিলি? কোনে, কোনে মাৰিলে?"

"ৰবিচোন। ক'ম বাৰু। ক'চোন, কলজোপাৰ ওচৰত কি কৰিছিল?'

এলিজাবেথে খঙেৰেই ক'লে "কি আৰু কৰিম? শাও দিছিলো। যিয়ে এই কাম কৰিলে তাৰ প্ৰমাণ দিবলৈ। ভীমকল জোপাত বিশটা বেজীৰে খুচি খুচি শাও দিছিলো। কল জোপাত মৰা প্ৰতিটো খোঁচ তাৰ গাত পৰক, চট্‌ফট্ কৰক আৰু থাকিব নোৱাৰি, নিজে আহি সৈ কাঢ়ক।"

"অ', তাকে কৰিছিলি। তই পঢ়াশুনা কৰা ছোৱালী নহয়।



এনেবোৰ অন্ধ বিশ্বাস মনত পুহি ৰাখিছ যেতিয়া তোৰ পঢ়াৰ মূল্য কি থাকিল। পঢ়ি-শুনি দহজনক কি শিক্ষা দিবি। ইমান কষ্ট কৰি। মা-দেউতাৰ লগত কাজিয়া কৰি পঢ়িবলৈ ল'লি, এইবোৰৰ কাৰণেই নেকি?"

"বৰ উপায়হীন হৈছোঁ ৰাজেশ।" এলিজাবেথে বৰ ভাগৰুৱা বোধ কৰিলে।

— "চা-চোন, মৰিয়ম বা' আৰু মোৰ কষ্টখিনি বাদেই দিছোঁ, গাহৰিজনীৰ কিমান কষ্ট হৈছে?"

একঠা মাটিত দুকোঠালীৰ এটা ঘৰৰ আনফালে এখন সৰু চালিত গাহৰিজনী ৰাখিছে। লেবেজান হৈ পৰি থকা গাহৰিজনী চাই ৰাজেশৰো দুঃখ লাগিল। 'মানুহ' 'দানৱ' হোৱাৰ ঘটনা প্ৰত্যক্ষ কৰি ৰাজেশৰ মাত হৰিল। লাহেকৈ মাত লগালে—

"বাৰু ঠিক আছে, এতিয়া কোনে মাৰিলে জানিলে তহঁতে কি কৰিবি?"

"কি কৰিম? হুঁ কি কৰিম? তই কচোন।" খঙত গাল মুখ ৰঙা পৰা এলিজাবেথৰ মুখলৈ চাই ৰাজেশৰ পাঁচ বছৰীয়া এলিজাবেথৰ অসহায় মুখখনলৈ মনত পৰিল। বহু কথাই মনলৈ আহিল। সৰুৰে পৰা একেলগে ডাঙৰ হোৱা এলিজাবেথ আৰু বায়েক মৰিয়ম। বাপেক এন্থনীয়ে ৰিক্সা চলাই পৰিয়াল পোহপাল দিয়ে। মাজে মাজে বাগিছাত পাত তোলে। ৰাতি মদ বিক্ৰী কৰে। এন্থনীৰ ছোৱালী দুজনী পঢ়ুৱাৰ প্ৰবল হেঁপাহ। 'ফাদাৰে' গীৰ্জ্জাত লগ পালে ল'ৰা-ছোৱালীক পঢ়ুৱাৰ কথা কয়। ডাঙৰজনী মৰিয়মক ইংৰাজী মাধ্যমৰ খ্ৰীষ্টান ধৰ্মৰ স্কুলখনত নাম লগাই দিয়াৰ এবছৰৰ পাছতে ভনীয়েক এলিজাবেথক একেখন স্কুলতে নাম লগাই দিয়ে। 'ফাদাৰে' নাম লগোৱাৰ পৰা কিতাপ-পত্ৰ দি সকলো ক্ষেত্ৰতে সহায় কৰিলে। গতিকে এন্থনীৰ ছোৱালী দুজনীক পঢ়ুৱাওঁতে বিশেষ কষ্ট নহ'ল। ৰাজেশ খ্ৰীষ্টিয়ান নহয়। সি অসমীয়া স্কুলতে পঢ়িবলৈ ল'লে। এলিজাবেথতকৈ ডাঙৰ ৰাজেশ মৰিয়মৰ লগৰ। সিয়েই এক কথাত ক'বলৈ গ'লে সিহঁত দুজনীৰ 'কনাৰ লাখুটি'।

"কি হ'ল ৰাজেশ? তই নক'লি যে, কিয় মনে মনে আছ? ক', কোনে মাৰিছে, তাক মই এতিয়াই চাই ল'ম।"

এনেতে গাহৰিজনীয়ে চিঞৰাত এলিজাবেথ গাহৰিজনীৰ ওচৰলৈ গ'ল। মৰিয়ম স্কুললৈ যাবলৈ ওলাই আহি ৰাজেশক দেখি থমকি ৰ'ল—

"চা-চোন ৰাজেশ, গাহৰিজনীৰ কি অৱস্থা কৰিলে। আমাক শান্তি নিদিওঁ বুলিয়ে লাগিছে। কোন বাৰু ইমান নিষ্ঠুৰ হ'ল? আমাৰ হিংসাত এই অজান জীৱটোক কেনে শাস্তি দিলে দেখিছনে? তই থাক, মই যাওঁ, স্কুললৈ দেৰি হ'ব।"

মৰিয়মে টিজিতৰ ইংৰাজী স্কুল এখনত উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱাৰ পাছতেই শিক্ষয়িত্ৰী পদত সোমালে। প্ৰথমে এহেজাৰ টকা, পিছত পোন্ধৰশ। এই দৰ্মহাৰে কোনোমতে অহা-যোৱা আৰু ঘৰৰ খা-খৰছ চলায়। এলিজাবেথে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ঘৰতে কুকুৰা, গাহৰি পোহে। ইটা ভাটাত হাজিৰা কৰে। একপ্ৰকাৰ সিহঁত দুজনীৰ সংসাৰখন সুখেৰেই চলি আছে।

মৰিয়ম-এলিজাবেথৰ কষ্টকৰ জীৱনৰ কথা ৰাজেশে জানে, সৰুৰে পৰাই। পাঁচ-ছয় বছৰীয়া ছোৱালী দুজনীয়ে ঘৰত মাকক সহায় কৰিব লাগে। বাগিছাৰ মাজত গাহৰি পোৱালী এৰাল দিব লাগে। কেতিয়াবা এৰাল ছিগা গাহৰি পোৱালীটো চাহ-গছৰ মাজে মাজে খেদি খেদি ধৰিব লাগে। ভায়েক ভনীয়েককো চাব লাগে। স্কুললৈ প্ৰায়ে দেৰি হয়। ৰাতি হোমৱৰ্ক কৰিব লাগে। আনহাতে ৰাতি এপৰলৈকে মদপীৰ গিজগিজনী। তাৰ মাজতে দুয়োজনীয়ে নিজৰ পঢ়া-শুনা চলাই নিয়ে। আবেলি স্কুলৰ পৰা আহি কিবা এটা খাইয়ে ওচৰতে থকা ইটা ভাটাত হাজাৰত বিশ/পঁচিশ টকা দৰত ইটা কঢ়িয়াই নিজৰ ইউনিফৰ্ম আদিৰ খৰছ উলিয়ায়। মাকৰ পঢ়ুওৱাত অকণো মন নাই। ৰাতি ১-২ বজালৈকে মদপীৰ 'হাল্লা' মৰিয়মে সহ্য কৰিব নোৱাৰি মাকক ক'লে— "আঠ/ন বজাতে যাতে মদৰ আড্ডা বন্ধ কৰে। নহ'লে সিহঁতৰ পঢ়াত অসুবিধা হয়। মাকে সুবিধাই পালে — "বচ্ কাল সে স্কুল যাতে নাই পাৰিবি। লক্ষীদেৰ সঙ্গে পাতা তুলতে যাবি। অত বড় চুড়ী স্কুল পড়বি আৰ বসে বসে খাবি। থুই মেমচাহেব হ'তে মন। কাল সে স্কুল বন্ধ বল্‌ছি বন্ধ।" মাকৰ পোৱা মুখ। মুখ পাতি ধৰাৰ কাৰো সাধ্য নাই। মাকে মৰিয়মহঁতৰ আটাইবোৰ কিতাপ-পত্ৰ বাৰীৰ চুকত পেলাই দিলে। গাহৰি কেইটা এৰাল দি আহি স্কুললৈ যাবলৈ কিতাপ-পত্ৰ ঠিক-ঠাক কৰিবলৈ গৈ দেখে কিতাপ এখনো নাই। তদুপৰি চিপ্‌চিপ্‌কৈ বৰষুণো দি আছিল। বাৰীৰ চুকৰ পৰা কিতাপবোৰ তুলি আনি সামৰি সুতৰি থৈ দুয়োজনীয়ে বাগিছাত ঠিকা পাত তুলিবলৈ গ'ল। মাকৰ দৰে মানুহবোৰে কেতিয়া পঢ়াৰ মূল্য বুজিব? চবিনা, লক্ষী, ববিতাহঁতৰ দৰে ছোৱালীবোৰ আৰু ল'ৰাবোৰে কেনেকৈ পঢ়াশুনা কৰিবলৈ ওলাই আহিব। মৰিয়মে ৰাজেশক স্কুল এৰিবলৈ নিদিয়ে— "তই পঢ়া নেৰিবি দেই। ভালদৰে পঢ়।" ৰাজেশ এতিয়া মৰিয়মহঁতৰ কাৰণেই বি.এ. পঢ়ি আছে। মৰিয়মহঁতৰ মাকৰ দৰে ৰাজেশৰ মাকজনী নহয়। "ম'ৰ বেটা স্কুল পড়ে" বুলি লগৰবোৰৰ আগত গৰ্বহে কৰে।

মৰিয়মহঁতক ঠিকা পাত তুলিবলৈ যোৱা দেখি হাজিৰা বাবুৱে এছাৰি লৈ খেদালে। "স্কুল যোৱা ছোৱালী স্কুললৈ যা। তহঁতে এতিয়া পাত তুলিবলৈ হোৱা নাই। তহঁতৰ পইচাৰ কি আকাল হুঁ। বাপেৰে ৰিক্সা চলায়, মাৰে বাগানত কাম কৰে। তহঁতে ইটা ভাটাত কাম কৰ। শুনিছোঁ মাৰে মদো বিক্ৰী কৰে। কি দৰকাৰ ঠিকা পাত তুলিবলৈ। যা যা স্কুললৈ যা।" ঘৰত মাকৰ গালি, পাত তোলাত হাজিৰা বাবুৰ গালি। দুয়োজনীয়ে ঘৰলৈ ঘূৰি অহাতকৈ মনে মনে ঠিকা পাত তুলিবলৈ ধৰিলে। কিন্তু পাতৰ জোখ লওঁতে সিহঁত দুজনীৰ পাতৰ জোখ নলয়। অৱশেষত মীনা কাকীয়ে সিহঁতৰ পাতখিনিৰ দায়িত্ব ল'লে। এনেদৰে লুকাচুৰি কৰাতকৈ স্কুললৈ যোৱাটোকে মৰিয়মে ঠিক কৰিলে। ৰাজেশৰ মাক-বাপেকেও সিহঁতক তাকে কৰিবলৈ ক'লে। স্কুলৰ পৰা আহি আবেলি ইটা ভাটাত কাম কৰাটোকে ঠিক কৰিলে। বাপেক এন্থনীয়ে মৰিয়মহঁতৰ মাকৰ কথাত কোনোদিনেই মাত মাতিব নোৱাৰে।

আবেলি স্কুলৰ পৰা ঘূৰি আহি মৰিয়ম এলিজাবেথৰ চকু কপালত উঠিল। সিহঁতে শোৱা কোঠাটোতে বাহিৰ ফালে এখন দুৱাৰৰ ব্যৱস্থা কৰা হৈছে। ভিতৰৰ ফালৰ দুৱাৰ বন্ধ কৰি দিয়া হৈছে। এখন কেৰাহী, দুখন থাল, দুটা গিলাছ থৈ দিয়া হৈছে। মাকে ক'লে— "হামাৰ কথা নাই শুনিছ্ ন'। এখন এক্‌লাই খাবি। হামাৰ সঙ্গে ত'দেৰ ক'নো সম্বন্ধ নাই। ত'ৰা মেমচাহেব মানুষ।" বকি বকি মাক আঁতৰি গ'ল। উপায়হীন দুয়ো বাই ভনীয়ে কাপোৰ কানি সলাই ৰাজেশহঁতৰ মাক-বাপেকক কথাবোৰ ক'লে। ৰাজেশৰ মাকে চিৰা অলপ নিমখৰ লগত খাবলৈ দিলে। তাকে খাই দুয়োজনী ইটা ভাটালৈ গ'ল। তাত যি পইচা পালে তাৰে চাউল, দাইল, আলু আনি নিশাৰ খোৱাকী উলিয়ালে। মৰিয়মে মাক-বাপেকক বুজাব খুজিছিল। কিন্তু বাপেকে একো নক'লেও মাকৰ ৰণচণ্ডী মূৰ্ত্তি। ত'ৰা হাম্‌দেৰ বেটী নাহি। অপ্‌নি মন মৰ্জ্জিছে কাম কৰ্‌ছিস্। স্কুল পড়বি, বৰ মানুষ হ'ইবি। যা, যা হামাৰ আখ্‌কে সাম্‌নেসে হট্।" এছাৰি লৈ দাং খাই অহা মাকৰ আগৰ পৰা সিহঁত আঁতৰি আহিল।

তেতিয়াৰ পৰা মৰিয়ম-এলিজাবেথৰ অকলশৰীয়া জীৱন। একেখন চালিৰ তলতে থাকিও মাক-বাপেকৰ পৰা বহুদূৰ আঁতৰি গ'ল দুয়ো। প্ৰৱেশিকা পৰীক্ষাত তৃতীয় বিভাগত উত্তীৰ্ণ হৈ মৰিয়মে সোণাৰি মহাবিদ্যালয়ত নাম লগালে। অধ্যক্ষ মহোদয়ক কৈ নাম ভৰ্ত্তিৰ বৰঙণি ৰেহাই ল'লে। শিক্ষক সকলেও যি পাৰে সহায় কৰিলে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভালদৰেই উত্তীৰ্ণ হ'ল। এলিজাবেথেও প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হ'ল। টিজিতৰ ইংৰাজী মাধ্যমৰ স্কুল এখনত চাকৰি কৰি প্ৰথম দৰ্মহা এহেজাৰ টকাৰ আধা অৰ্থাৎ পাঁচশ টকা মাকৰ হাতত তুলি দিলে। মাকে টকা পাঁচশ দলিয়াই দিলে। আধা নহয় সম্পূৰ্ণ লাগে।

অবুজন মাকক বুজোৱাৰ শক্তি নাই। ৰাজেশহঁতৰ ঘৰত গৈ দুঃখৰ কথা কয়। মাকে মাথো জানে— চাহ বাগিছাত ডাঙৰ হোৱা ল'ৰা ছোৱালীয়ে পাত তুলিব লাগে, কোৰ মাৰিব লাগে, খৰি লুৰিব লাগে। মাছ মাৰিব লাগে ; 'বেটী ছানা'ই পঢ়াশুনা কৰাৰ দৰকাৰ নাই। ৰাজেশ-মৰিয়মহঁতে কথা পাতে, কেনেকৈ এই মানুহখিনিক পোহৰ দেখুৱাব? সিহঁতে একো আঁত উলিয়াব নোৱাৰে। দেশৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন আঁচনিৰ কথা "শিক্ষা বিষয়"টো পঢ়োতে সিহঁতে পাইছে। ক'তা দহবছৰীয়া আঁচনি স্বাধীনতাৰ পাছত কিমানখন পাৰ হ'ল, বাধ্যতামূলক প্ৰাথমিক শিক্ষা আজিও নহ'ল।

ভীমকল জোপাৰ ফালে এক দৃষ্টিৰে চাই থকা ৰাজেশৰ মনৰ পৰ্দাত ছবিবোৰ এফালৰ পৰা ভাঁহি যাবলৈ ধৰিলে।

ঐ ৰাজেশ, আহচোন মোক অলপ সহায় কৰি দে।"

বিযে-কোযে লেবেজান গাহৰিজনীক চিৰিঞ্জেৰে দৰৱ খুৱাবলৈ চেষ্টা কৰি এলিজাবেথে ৰাজেশক মাতিলে। গাহৰিজনীৰ অৱস্থা দেখি ৰাজেশৰো চকুৰ পানী ওলোৱাৰ উপক্ৰম হ'ল। গাহৰিজনীৰ এই অৱস্থা কোনে কৰিলে সি এলিজাবেথক ক'বনে?

মাকৰ মৰমৰ পৰা বঞ্চিত ছোৱালী দুজনীৰ কথা ভাবি ৰাজেশৰ দুঃখ লাগিল। মাকৰ মৰম প্ৰকৃততে কেনে? মাদাৰ টেৰেছাৰ কথা ৰাজেশে জানে। মাতৃ নহৈও সমগ্ৰ মানৱৰ মাতৃ সেই গৰাকী। অথচ মৰিয়মহঁতৰ মাকৰ অন্তৰ কেনে কাঠ-কঠিন।

"ৰাজেশ ক'। কোনে কৰিলে গাহৰিজনীৰ এই অৱস্থা?"

ৰাজেশৰ ক'বৰ মন গৈছিল এইবোৰ মানুহৰ কাম নহয় ; মানুহৰ ৰূপত অমানুহৰ কাম। যাৰ জন্ম লগ্নতে দানৱে লগ দিছিল।

"নিজ চকুৰে দেখিলোঁ যেতিয়া ক'বই লাগিব। তই কিন্তু একো নকৰিবি। একো কৰিব নোৱাৰ। শুন, সেইয়া তোৰ 'মা'ৰ বাদে কোন হ'ব পাৰে?"


এলিজাবেথ থকা ঠাইতে থৰ লাগিল। চকু ফাটি পানী নহয়, তেজহে যেন ওলাব। ◆

# শেষ ষ্টপেজ

শ্ৰীমতী প্ৰিয়ংকা চেতীয়া ফুকন
স্নাতক, তৃতীয় বৰ্ষ

(১)

তাৰ আজিও মনত পৰে সেই হাঁহিটোলৈ। প্ৰেম, ভালপোৱা কি জনাৰ বহু আগতেই টিউচন ল'বলৈ অহা সেই বিশেষ হাঁহিটোৰ গৰাকীৰ প্ৰেমত পৰিছিল সি। সেই হাঁহিটো এবাৰ শুনিবৰ বাবেই প্ৰতিটো সন্ধিয়া সি হাটলৈ যোৱাৰ ছলেৰে ওলাই আহিছিল। বাৰে বাৰে চেইন পৰি দিগ্‌দাৰ দিয়া পুৰণি চাইকেলখনলৈ। যিটোৰ প্ৰতিধ্বনিয়ে তাৰ চাইকেলৰ কেৰেচ্-কেৰেচ্ শ্ৰুতিকটু শব্দৰ পৰাও মনটো আঁতৰাই আনি উৎসৰমুখৰ কৰি তুলিছিল। ক্ষণিকৰ বাবে সি হৈ পৰিছিল অত্যন্ত সুখী। আন আন সমবয়সীয়া কিশোৰৰ দৰেই মনটো হৈ পৰিছিল চঞ্চল। কল্পনাতে ঘৰ পাতিছিল সি আৰু হাঁহিটোৰ গৰাকীৰে সৈতে। মিঠা মিঠা কোমল সময়বোৰ পাৰ হ'বলৈনো কিমান পৰ লাগিছে। বাস্তৱৰ শিলগুটি দিয়া আলিত পুৰণি চাইকেলখনে মুখ ঠেকেচা খাওঁতেই নয়নৰ মনত পৰে বিছনাৰ পৰা উঠিব নোৱাৰা ৰুগীয়া মাকজনীলৈ। যিগৰাকীয়ে ৰুগীয়া দেহলৈ আধা টোপনিত বৰ জীয়েকক কইনাৰ সাজত শহুৰেকৰ ঘৰলৈ উলিয়াই দিয়াৰ সপোন দেখে। মনত পৰে দুজনীকৈ আবিয়ে বায়েকলৈ। তাৰ মুখত এখুদ হাঁহি দেখাৰ স্বাৰ্থতেতো সিহঁতি নিজৰ আশাবোৰ ভাঙি ভাঙি তাৰ সৰু সৰু প্ৰয়োজনবোৰৰ যোগান ধৰিছে। আধা পেটী খোৱা মানুহ সিহঁত। দৈনিক জীৱনৰ নূন্যতম চাহিদা পূৰাওঁতেই হাতৰ তলুৱাত মোহাৰি মোহাৰি ভাঙিব লগীয়া হয় সপোনবোৰ। সি সকলো দেখে, সকলো বুজে। সেয়ে তেওঁলোকক কিদৰে কিছু সকাহ দিব তাকে ভাবি থাকে। নতুনকৈ হৃদয়ত পোখা মেলা সেই হাঁহিটোৰে সান্ত্বনা দিয়ে তাক কিন্তু তাৰ অৱস্থাটোৰে সাহস দিব নোৱাৰে সেই হাঁহিটোৰ গৰাকীৰ সতে ক্ষন্তেক কথা পতাৰ। সি নজনাকৈয়ে লাহে লাহে সেই ছোৱালীজনীৰো ভাললগা হৈ আহিছে তাক। তাইয়ো যেন টিউচন ঘৰটোৰ বাৰান্দালৈ সময়তকৈ



কিছু আগতে আহি তাৰ পুৰণি চাইকেলৰ কেৰেচ কেৰেচ শব্দটো শুনিবলৈকো ৰৈ থাকে। ল'ৰাটোৰ নিষ্পাপ চকুকেইটাই তাইক বিচাৰিলে বৰ ভাল লাগে তাইৰ। তাইও গম পোৱা হৈ আহিছে যে তাইক এবাৰ চাবৰ বাবেই নয়ন নামৰ ল'ৰাটো সদায় একে সময়তে কাষেদি যোৱা আলিটোৰেদি পাৰ হৈ যায়। চকুৰ ভাষা যে কেতিয়া হৃদয়ৰ ভাষা হ'ল সিহঁতে নাজানিলেই।

(২)

উদ্‌ভ্ৰান্ত নহয় এখন শান্ত নৈ। বাৰিষাতো ইপাৰ সিপাৰ হ'ব পৰা। ল'ৰালিৰ বালিঘৰ, নৈপৰীয়া প্ৰেমৰ, গাভৰু-বোৱাৰীৰ ধেমালি, খোজৰ লাচত কঁকালৰ গাগৰি খহা আদৰুৱা সময়ৰ সহচৰ এই নৈ, নাম ৰূপহী নৈ। তাৰ পাৰতে বহি নয়নে কথা পাতি আছে তাৰ বাল্যবন্ধু বৰ্তমান চহৰৰ কোনোবা ডাঙৰ ব্যৱসায়ীৰ সোঁহাত প্ৰবালৰ লগত। তাৰ অৱস্থা নয়নহঁতৰ লগত প্ৰায় একে আছিল যদিও এতিয়া সম্পূৰ্ণ বিপৰীত। তাৰ পোছাক, কথা কোৱাৰ ভংগীত সেই চিন পৰিস্ফুট হৈ আহিছে।

— নয়ন খবৰ কচোন? তই যে অথনিৰে পৰা মন মাৰি বহি আছ, বিনদাছ হৈ থাক না ভাই, আজিকালি দুনিয়াত লাগ বুলিলে প্ৰতিটো বস্তু এটা ইচাৰাতেই আহি যায়। আৰু তই বুৰ্বকৰ দৰে এই গাৱঁতে সোমাই আছ। ঘৰৰ সকলোকে যদি সহায় কৰিব খুজিছ চহৰলৈ নাহ কিয়?

চকুত কিছু অহংভাৱ লৈয়ে কথা কেইষাৰ ক'লে প্ৰবালে।

— ঘৰৰ অৱস্থাটো তই দেখিছই। কিবা এটা কৰিবলৈ পালেময়ো সুখী হ'ম। আধিৰ খেতিয়ে জোৰাই নমৰে প্ৰয়োজনবোৰ। কিন্তু মই চহৰলৈ যাম কেনেকৈ ৰুগীয়া মা আৰু বাইদেউ দুজনীক এৰি।

আৰে তই তো একেবাৰে তেওঁলোকক এৰিব নালাগে, পইচা কামাই কৰিতো তেওঁলোককে দিবি না। তেওঁলোক সুখত থাকিব।

—বাৰু মই ভাবিলোৱেই যেনিবা চহৰলৈ গৈ কিবা এটা কৰিম। কিন্তু মইতো তাৰ কাকোৱেই চিনি নাপাওঁ আৰু অচিনাকি ল'ৰাক আজিৰ দিনত কাম দিব কোনে?

— চা নয়ন তই — সেইবোৰ একেবাৰেই চিন্তা নকৰিবি। তই মুঠতে চহৰলৈ ব'ল, মোৰ লগত থাকিবি। মোৰ বছজন বৰ দয়ালু তোক সহায় কৰিব। তেওঁৰ সৰু কাম এটা কৰিলেই হাজাৰৰ ওপৰত টকা তোৰ জেপত সোমাব বুজিলি।

— কিন্তু ঘৰত জানো যাবলৈ দিব। তেওঁলোকক এৰি ......, কিছু যেন চিন্তান নিমগ্ন হ'ল নয়ন, নৈপৰীয়া বেলিটোৱে ঘন ঘন উশাহ লৈ পশ্চিমলৈ ঢাপলি মেলা চাই চাই।

— ঘৰত নোকোৱাকৈ ব'ল। পাৰিলে আজিয়েই ওলা, ময়ো যাম আজি ৰাতিয়েই। এনেওতো ঘৰৰ ল'ৰা ঘৰত থাকিবিয়েই কিন্তু দুটকামান উপাৰ্জন কৰিলে ঘৰখনক অলপ আৰ্থিক নিৰাপত্তা আৰু সকাহ দিব পাৰিবি। যদি তই মোৰ কথাত সন্মত তেন্তে ওলাবি আজি ৰাতিৰ বাছত আমি চহৰলৈ যাম। য'ত তোৰ বাবে এটা আৰামী জীৱনে অপেক্ষা কৰি আছে। দোস্ত ভাবি চাবি। কথাখিনি কৈয়ে সি গ'লগৈ।

প্ৰবাল যোৱাৰ বহু পৰলৈ সি তেনেদৰেই বহি থাকিল পানীৰ সোঁত সৃষ্টি কৰা সৰু বৰ ঢৌবোৰ গণি গণি। তাৰপিছত সি মনটো স্থিৰ কৰিলে হয় সি যাব। সি যাব ঘৰখনৰ বাবে। মাকৰ বাবে বায়েক দুজনীৰ বাবে। সেই মুহূৰ্ত্ততে এখন হাঁহিভৰা মুখে তাৰ মনত ভুমুকি মাৰি গ'ল। সেই হাঁহিভৰা মুখখন এবাৰ চাবলৈ তাৰ খুউব ইচ্ছা হ'ল। আকৌ বা আৰু কেতিয়াকে দেখা হয়। পুৰণি চাইকেলখন লৈ সি টিউচন ঘৰটোৰ কাষেদি যোৱা আলিটোলৈ বুলি পোনালে। ঘৰটো পোৱাৰ আগেয়ে আজি চাইকেলৰ পৰা নামি লাহে লাহে খোজ দিছে, দুচকু ভৰাই তাইক চাই লোৱাৰ হেঁপাহেৰে। কিন্তু আজি দেখোন তাই নাই। থকা হ'লে ইমান পৰে দেখিলেইহেঁতেন। তাতে বেছি সময় হাতত নাই, সি তাৰ পৰাই কোবাকুবিকৈ চাইকেলখন চলাই উভতি আহিল। ইতিমধ্যে সি তাৰ সিদ্ধান্ত লৈয়ে পেলাইছে। ঘৰলৈ আহিয়েই সি ইটো-সিটো কথা পাতিলে। বায়েকহঁতৰ লগতো আনদিনা কৰাৰ দৰে ধেমালি কৰিলে। তাৰ পাছতে যেতিয়া বায়েকহঁত নিজৰ কামত লাগিল। সি দুটামান কাপোৰ লগত লৈ বায়েকলৈ এখন চিঠি লিখি থৈ ওলাই গ'ল কাকো নজনোৱাকৈ প্ৰবালৰ ঘৰলৈ বুলি।

আজি আৰম্ভ হ'ব তাৰ এটা নতুন জীৱন। কিছু দুশ্চিন্তা, কিছু আশা, কিছু সপোন, ঘৰৰ পৰা আঁতৰি অহাৰ দুখ, কিবা কৰি অহাৰ প্ৰতিশ্ৰুতি বুকুত বান্ধি সি প্ৰবালৰ লগত চহৰলৈ বুলি বাছত উঠিল। আৰু মনতে জন্মৰ গাওঁখনিলৈ প্ৰণাম জনালে।

(৩)

— অই ৰাখী কি চাই আছ অ' সেইফালে। লগৰজনীৰ মাতত তাই হঠাৎ থতমত খাই পিছফালে ঘূৰি চালে।

— অই পৰ্ণা কিয় তেনেকৈ চিঞৰিছ। তাই অলপ হতাশা আৰু খংমিশ্ৰিত সুৰেৰেই কথাষাৰ ক'লে।

— কি হ'ল অ' তোৰ, এইকেইদিন যে ইমান মন মাৰি আছ? কি হৈছে কচোন? মোক লগ নধৰাকৈ সোনকালে গুছি আহ' আৰু আলিটোলৈ চাই চাই কিবা ভাবি থাক'।

— একো নাই হোৱা অ'। কিনো সুধি থাক তইয়ো। বিৰক্তিৰেই ক'লে আলিটোলৈ চাই থাকিয়েই। পৰ্ণাইও যেন কিবা বুজি পাইছে।

— হ'ব মোক ক'ব নালাগে। মোক নক'লেও গম পাইছো যে তই নয়ন আহিব বুলিয়েই বাট চাই আছ'। কথাষাৰত অভিমানৰ সুৰ।

— নহয় অ', সিটো সদায় একে সময়তে এই আলিটোৰেদি পাৰ হৈ যায়। কেইদিনমানৰ পৰা দেখিছো সি অহা নাই। তাক দেখি দেখি কিবা অভ্যাস যেনেই হ'ল। নেদেখিলে দিনটোত কিবা এটা কৰিবলৈ থাকি যায় যেন লাগে অ'। কিবা হোৱা নাইতো যি মই গম নাপাওঁ। ক'না পৰ্ণা, তই তো তাক চিনি পাৱ। তোৰ পেহীৰ ঘৰৰ ওচৰৰে।

— তাক চিনি পাওঁ। সৰুৰে পৰাই তাৰ লগত খেলা-ধূলাও কৰিছো। সি ল'ৰাটো বয়সতকৈ অলপ পৰিপক্ক। হয়তো ঘৰৰ পৰিস্থিতিয়ে তাক ডাঙৰ হ'বলৈ শিকাইছিল। বায়েক দুগৰাকীক কষ্টৰ পৰা সকাহ দিবলৈ সৰু হৈ থাকোতেই কিবা এটা কৰিম

বুলি সকলোকে কৈছিল। মোকো কৈছিল, সেইদিনা এই মাহীহঁতৰ ঘৰলৈ গৈছিল যে থকাকৈ। সেইদিনা সি আহিছিল এই আলিটোৱেদি। তাক বৰ হতাশ যেন লাগিছিল। মাতিম বুলি ভাবিছিলো পিছে সি দূৰৈৰ পৰাই উভতি গ'ল। আৰু সেইদিনাৰ ৰাতিৰ পৰা তাক কোনেও বিচাৰি পোৱা নাই। ঘৰত বায়েকৰ কাৰণে এখন চিঠি এৰি গৈছে। কিবা এটা কৰিব পাৰিলেহে হেনো সি উভতি আহিব। চহৰত থকা প্ৰবালৰ ঘৰত কোনো কোনোৱে তাক দেখিছিল শেষবাৰৰ বাবে। সি সম্ভৱ তাৰ লগত চহৰলৈ গ'লগৈ কিবা কামৰ সন্ধানত। জলজলীয়া চকুৰে ৰাখীয়ে কেৱল শুনি গৈছে পৰ্ণাই যি কৈছে, ক'ম ক'ম বুলি হৃদয়ৰ গভীৰতাত উকমুকাই থকা কথাবোৰ, সপোনবোৰ, আশাবোৰ যে এনেকৈয়ে অস্তিত্বহীন হৈ যাব তাই ভবাই নাছিল। কি ক'ব তাই। তাই নিৰ্বিকাৰ। বুকুত খোদিত হোৱা নামটো জানো তাই পাহৰিব পাৰিব।

(৪)

প্ৰবালে দিয়া চুটকেছ লৈ বাছৰ পৰা নমাৰ আগলৈকে সি জনাই নাছিল সি ক'ত কি কৰিবলৈ গৈ আছে। বাছ আস্থানত আগৰ পৰাই বৈ থকা অলপ বিদেশী যেন লগা মানুহজনে তাক একপ্ৰকাৰ টানি নিয়াদি নি ক'লা গ্লাছৰ ভেনখনত তুলি বন্ধুক দেখুওৱাই লগত অনা ড্ৰাগছখিনিৰ কথা সুধিলে, তেতিয়া প্ৰথমে সি ধৰিবই পৰা নাছিল কি হ'বলৈ ধৰিছে তাৰ লগত। কিন্তু যেতিয়া সেই বিদেশী যেন লগা ব্যক্তিজনৰ লগত থকা গুণ্ডাপ্ৰকৃতিৰ মানুহটোৱে চুটকেছৰ তলা ভাঙি তাৰ সন্মুখত পলিথিনৰ পেকেটত চিল কৰি অনা ড্ৰাগছৰ পুৰিয়াবোৰ দাঙি ধৰিলে তেতিয়া তাৰ বুজিবলৈ একো বাকী নাথাকিল। সি গম পালে যে ড্ৰাগছ মাফিয়াৰ কবলত বৰ বেয়াকৈয়ে সোমাই পৰিলে। ইমান দিনে বৰ মৰমীয়াল আৰু সৎ যেন লগা তাৰ বন্ধুজনে একোটা সৰু চুটকেছ একোটা নিৰ্দিষ্ট স্থানত থৈ অহাৰ বিনিময়ত তাক কিয় ইমান মোটা পৰিমাণৰ টকাৰ বাণ্ডোল বিনা দ্বিধাই আগবঢ়াই দিছিল আজিহে উপলব্ধি কৰিলে।

এই ঘটনাৰ পিছত প্ৰবালেও ভিতৰি ভিতৰি ভয় খালে এই ভাবি যে নয়ন নিশ্চয় এই কামত থাকিব নিবিচাৰিব। কিন্তু সি জানে যদি সি বচ্ছক এই জগতখনৰ পৰা ওলাই যোৱাৰ অনুমতি বিচাৰে তেন্তে সেইয়া মৃত্যু বিচৰাৰ দৰেই হ'ব। সেয়ে সি সময় খৰছ নকৰি নয়নক লগ কৰাটোকেই ঠিক কৰিলে। নয়নো ইতিমধ্যে মানসিক অন্তৰ্দ্বন্দ্বত ভুগি বিষন্ন হৈ পৰিছে। কি কৰিব একো উপায় বিচাৰি পোৱা নাই। এফালে আন্ধাৰৰ পৰা ওলাই যাব বিচাৰিলে আহিব লগা বিপদ আনফালে ঘৰৰ দায়িত্ব ইতিমধ্যে ডাঙৰ বায়েকৰ বিয়া ঠিক হৈছে। এনে সময়ত যদি সি ঘৰলৈ টকা পঠাব নোৱাৰে, ৰুগীয়া মাকজনীৰ বা কি অৱস্থা হ'ব। আৰু যদি এই জগতত সোমাই থাকে তেন্তে সি প্ৰত্যেক দিনেই মৰি মৰি জীয়াই থাকিব লাগিব। দুই নাৱত দুভৰি থৈ সি অস্থিৰ হৈ পৰিছে। এফালে তাৰ মৃত্যুৰ দৰে শীতল যুক্তি আৰু আনফালে পৰিয়ালৰ ভৰণ-পোষণ, সুখ, ফুলিব ধৰা সপোন। খিৰিকী খনেদি ৰাতিৰ আন্ধাৰত মুখ গুজি থাকোতেই প্ৰবালে তাৰ ৰুমলৈ সোমাই আহিল। হ'বলগীয়া পৰিস্থিতিৰ কথা ভাবি তাৰ মনটো চিৰিংকৈ গ'ল। ইমানদিনে সি জানিও যে একো কোৱা নাছিল। সিয়েইতো এই আন্ধাৰ জগতখনলৈ তাক সি গম নোপোৱাকৈয়ে লৈ আনিছিল। আৰু এতিয়া তাৰ প্ৰতি ক্ষোভ আৰু ঘৃণা থকাটো স্বাভাৱিক। কিন্তু প্ৰবালে ভবাৰ দৰে নয়নে একো প্ৰতিক্ৰিয়াই নেদেখুৱালে। খঙৰ বিপৰীতে তাৰ চকুত দেখিলে অশ্ৰু, জীৱনৰ প্ৰতি হতাশা, কৰি অহা ভুলৰ অনুতাপ। প্ৰবালে ভাবিলে এইয়া ধুমুহা অহাৰ আগৰ জাননী নহয়তো। নাই নহয়। ইতিমধ্যেই নয়নে তাৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্তটো লৈ পেলাইছে। সৰুৰে পৰা মাক, বায়েকহঁতৰ মুখত হাঁহি দেখাৰ যিটো সপোন পুহি ৰাখিছিল। সেইটো এতিয়া লাহে লাহে বাস্তৱ হৈ আহিছে। ৰুগীয়া মাকজনীয়ে টকাৰ জোৰতে সুস্থ হৈ উঠিছে। বায়েকহঁতে কষ্টৰে ঢকা দেহবোৰ লাহেকৈ ঠন ধৰি উঠিছে। যদিও সিহঁতে নাজানে সি কি কৰে। তথাপি তাকলৈ তেওঁলোকে এতিয়া গৌৰৱ কৰিব পৰা হৈছে। নতুন নতুন সপোন গঢ়িব পৰা হৈছে। নাই সি নিজে য'তে নাথাকক, যেনেকৈ নাথাকক মাক, বায়েকৰ সপোন আৰু ভাঙিব নিদিয়ে। অ' সি এই জগতৰ পৰা উভতি নাযায় এই কথা প্ৰবালক স্পষ্টকৈয়ে জনায় দিছে। এইবাৰ সি প্লাৱন নাম লৈ নিজৰ ইচ্ছামতেই এই আন্ধাৰ জগতত প্ৰবেশ কৰিলে। ঘন্টাবোৰ দিন হয়, দিনবোৰ মাহ, এইদৰেই পাৰ হৈ যায় বছৰ। সি ব্যস্ত থাকে। নিজৰ বিপদৰ আৰু আৰু মৃত্যুৰ বিনিময়ত পৰিয়ালৰ বাবে পোহৰ আৰু জীৱন কিনাত। তথাপি কেতিয়াবা নিজানত সেই কৈশোৰ প্ৰেমে আমনি কৰে। সেই হাঁহিটো বাৰে বাৰে কাণত বাজে। ইচ্ছা কৰিও মচি পেলাব পৰা নাই তাইৰ স্মৃতি। অ'হ কি নাম আছিল ৰাখী। নাই, নাভাবে সি তাইৰ কথা। তাই চাগৈ নিজৰ জীৱনত এতিয়া বহু সুখী। তাইৰ সুখৰ প্ৰাচীৰ হৈ সি নাযায় তাইৰ কাষলৈ কেৱল নিজৰ ভালপোৱাৰ পূৰ্ণতা পাবলৈ।

"ধীৰে ধীৰে হেৰাই যায় .....।" তাৰ মোবাইল ৰিং ট'নটো বাজি উঠে।

হেল্ল' প্লাৱন মই কৈছো। অহা সোমবাৰে শিলচৰৰ ডিচাইডেড বাৰৰ পিছফালে থকা বাংলাত পাঁচ কেজিৰ পেটী পচুছাই দিবা। সাৱধান হ'বা পুলিচৰ চকু তোমাৰ ওপৰত। কথাখিনিৰ প্ৰত্যুত্তৰত হ'ব বুলি কৈ সি ফোনটো কাটি দিলে। তাৰ ওপৰত যে পুলিচৰ চকু তাতকৈ ভালকৈ কোনে জানিব।

(৫)

সময়বোৰ পাখি লগা কাঁড়ত বহি বেলিৰ লগত আহে আৰু যায়। নদী, নিৰবধি নদীৰ দৰেই বৈ যায় সময়বোৰ। দিন, মাহ, বছৰ পাৰ হৈ আহে। ৰাখী এতিয়া কিশোৰী গুছি যুৱতী হ'ল। স্নাতকোত্তৰ ডিগ্ৰী লৈ চাকৰিৰ বাবে সাক্ষাৎকাৰ দিবলৈ আজি শিলচৰলৈ যোৱাৰ কথা।

লগত তাইৰ বান্ধৱী পূৰ্ণা। তায়ো একেলগেই সাক্ষাৎকাৰৰ বাবে যাব। কৈশোৰ অৱস্থাৰ পৰা আজিলৈকে তাই বহুত বন্ধু-বান্ধৱী পালে। তথাপি কিয় জানো নয়ন নামৰ ল'ৰাটো এবাৰ লগ পাবৰ বাবে তাই এটা অপ্ৰকাশিত আশা আছে। হয়তো এতিয়াও তাইৰ ভালপোৱা মাথো তাৰ বাবেই। ট্ৰেইনৰ সময় হ'লত তাই আৰু পৰ্ণা প্লেটফৰ্মৰ পৰা লাগেজ লৈ ট্ৰেইনত প্ৰৱেশ কৰিলে। নিজৰ কম্পাৰ্টমেন্টৰ ফালে আগুৱাই যাওঁতে তাই হঠাৎ ল'ৰা এটাৰ লগত খুন্দা খালে। পৰি গ'ল পাৰ্চটো। তাই নিৰৱে তুলি ল'লে। ল'ৰাটোৰ ফালে বিশেষ চোৱা নহ'ল। ল'ৰাটোৱে তাইক ভালকৈয়ে চিনি পালে।

— ছৰী, আই এম ৰিয়েলী ছৰী। সি যিমান পাৰে সিমান গহীন আৰু নম্ৰতাৰে ক'লে।

— ইটছ্ অ'কে। কিন্তু চাব যাতে আকৌ কাকো খুন্দিয়াব লগীয়া নহয়। তাই কথাষাৰ কৈ আঁতৰি গ'ল।

কিন্তু ল'ৰাটো তাতে কিছু সময় ৰৈ গ'ল। গাঁৱৰ পৰা গুছি আহিবৰ দিনা যাক এবাৰ চোৱাৰ হেঁপাহ মনতে ৰৈ গৈছিল তাইক আজিয়েই হেঁপাহ পলুৱাই চাবৰ মন গৈছে।

— কি হ'ল ৰাখী সাক্ষাৎকাৰত কি হ'ব ভাবি ভয় লাগিছে নেকি? পৰ্ণাই ধেমালিৰ ছলেৰে ক'লে।

— তোৰ হে ভয় লাগিছে ছাগৈ, মোৰ লগা নাই। কিন্তু কিয় জানো বুকুখন বৰকৈ কঁপিছে। কিবা এটা যে মই ভুল কৰিছো, কিবা এটা যেন পাইও হেৰুৱাইছো তেনে লাগিছে। কিবা এটা যেন তাইৰ হৃদয়ে অনুমান কৰিছে। তাইক খুন্দিওৱা ল'ৰাটোৰ চাওঁ নাচাওঁকৈ চোৱা চকুহাল নয়নৰ চকু হালৰ লগত একাকাৰ হ'ব ধৰিছে। আচৰিত মিল। নয়নৰ চকুহালৰ লগত এই অচিনাকী ল'ৰাটোৰ চকুহালৰ তুলনা কৰাৰ অপৰাধবোধত নে তাক পাহৰিব ধৰিছে বুলি ভয় ভাৱটো অনুভৱ কৰিছে ধৰিব পৰা নাই তাই। কিন্তু তাইৰ হৃদয়ে জানে যে এতিয়াও যদি সি তাইৰ আগত আহি তাইক নিজৰ কৰাৰ প্ৰস্তাৱ দিয়ে তাই নিৰ্বিবাদে মানি ল'ব।

প্লাৱন ওৰফে নয়ন যেন স্থবিৰ হৈ গ'ল। কাষতে পাইয়ো তাৰ ভাল লগা হাঁহিটোৰ গৰাকীক সি একো ক'ব নোৱাৰিলে। ক'ব নোৱাৰিলে তোমাক লগ পাবৰ বাবে মই সদায় ব্যাকুল, তাহানিতে তুমি টিউচন কৰিবলৈ অহা দেখাৰে পৰা। ক'ব নোৱাৰিলে ফ্ৰেঞ্চ কাট দাড়ি ৰখাই থোৱা, দেখিলেই সন্দেহজনক যেন ল'ৰাটো আন কোনো নহয় নয়ন। কিন্তু সি নোৱাৰিলে, সি জানে তাৰ এই আন্ধাৰ জগতত দুৰ্বলতা এক প্ৰকাৰৰ মৃত্যু যন্ত্ৰ। থাকক তাই তাইৰ জীৱনত সুখী হৈ, লাহে লাহে মচি দিব তাৰ নামটো সময়ে তাইৰ মনৰ পৰা। ইমান দিনে পুৰণি চাইকেল চলাই যোৱা ল'ৰাটোৰ কথা তাইৰ মনত আছে বা নাই? যি নহওঁক, সি তাইক পৰিচয় নিদিয়ে। যিটো হাঁহিয়ে তাক এতিয়াও নিৰ্জনতাত অলপ সুখ দিয়ে সেই হাঁহিটো স্মৃতি হৈয়ে থাকক, দুখৰ চকুলোৰে বুৰাই নেপেলাওক। সি ঘড়ীটো চালে আৰু কিছু ঘন্টাৰ পাছতে সি পাবগৈ লাগিব তাৰ লক্ষ্যস্থান। সি মোবাইলটো উলিয়াই দুটা বেলেগ বেলেগ স্থানলৈ ফোন কৰিলে। তাৰ সিদ্ধান্ত জীৱনৰ প্ৰতি আজি বাস্তৱ হ'ব। ইতিমধ্যে বায়েকহঁতৰ নামত এটা গধুৰ পৰিমাণৰ ধন বেংকত জমা থৈছে যাৰ সহায়ত সি নেথাকিলেও তেওঁলোকে চলিব পাৰিব আৰামেৰে। ট্ৰেইনখন ৰখিবলৈ উদ্যত হ'ল, সিও সাজু হৈ ৰ'ল আহিবলগীয়া পৰিস্থিতিটোৰ বাবে। আজি পাঁচ কেজি ড্ৰাগছৰ স'তে প্লাৱন নামৰ ড্ৰাগছৰ ব্যৱসায়ীৰ সোঁহাত, শিলচৰত ডেলিভাৰী দিবলৈ অহাৰ কথা। সিও জানে নয়নে চোৰাংচোৱাক খবৰ দিছে যেতিয়া তথ্যটো একেবাৰেই ভুল হ'ব নোৱাৰে। লাহে লাহে প্লেটফৰ্মৰ জনঅৰণ্যত মিলি গ'ল সি যেনেতেনে লক্ষ্যস্থান পাবগৈ লাগে। ◆

# জীৱন অনুক্ৰমণিকাৰ বিষাদৰ পৃষ্ঠাবোৰৰ সোঁৱৰণ

অভিলেখ গগৈ
ৰসায়ন বিজ্ঞান বিভাগ

"বুকুত এজাক ধুমুহা
ওফন্দি উঠিছে ঢৌ
অ বাঢ়নী নৈ, কৈ দে দে কৈ
তোৰ যাবৰ হ'ল নে নৌ।"

সোমবাৰ ৰাতিপুৱা আঠ বাজি তিৰিশ বজাৰ গীতাঞ্জলী অনুষ্ঠানত গানটো দি আছিল। ভাল লাগে পুৰণা গান। হ'লে কি হ'ব, ৰেডিঅ'ত পুৰণা গান শুনাৰ বাবে হোষ্টেলত লগৰবোৰৰ যিমানহে কামোৰ খাবলগীয়া হয়। সেইদিনাও শুনিছিলোহে, কাষৰ ৰূম দুটাৰ পৰা অহা চিঞৰ-বাখৰে কাণত ধৰিছিলহি। এই ১৯৪৬ .... তোৰ পুৱাই পুৱাই চুৰু হৈ গ'ল বে। উপায় নাই হোষ্টেলৰ ভাষাবোৰৰ এনেকুৱা। প্ৰথমতে অলপ বেয়া লাগিছিল। এতিয়া কিন্তু ভাল লগা ধৰণৰ হ'লগৈ। হোষ্টেলত থকাৰ পৰা ৰাতিপুৱা দেৰিকৈ শুই উঠাটো এটা অভ্যাস হৈ গৈছিল। পিছে সেইদিনা অলপ সোনকালেই আছিল। ৮-৪৫ ৰ পৰা মেজৰ ক্লাচ আছিল। বাথৰূমৰ পৰা ওলাই আহি ৰূম পাইছিলোহিহে মোবাইলটো বাজিল। 'মা'ৰ ফোন। সাধাৰণতে মাই সন্ধিয়াহে ফোন কৰে, সেইদিনা ৰাতিপুৱাই ফোন কৰা দেখি অজানিতে কিবা ভয় ভয় লাগিছিল। ফোন ৰিচিভ কৰি সঁচাই বেয়া খবৰহে শুনিছিলো। দাইটিৰ প্ৰেচাৰ ষ্ট্ৰ'ক হৈছিল। হস্পিটাললৈ নিছে। অৱস্থা সিমান ভাল নহয়। মোক মাতি পঠালে। কলেজ যোৱা নহ'লেই, চিধাই চুপাৰ ছাৰক নোকোৱাকৈ ঘৰলৈ গুচি আহিছিলো।

মই ঘৰ পোৱাৰ আগতেই দাইটিৰ মৃতদেহ ঘৰ পাইছিলহি। হস্পিটাললৈ নিওঁতে ৰাস্তাতেই ঢুকাল। দাইটিয়ে বিয়া-বাৰু কৰা নাছিল। গতিকে ভতিজাক হিচাবে সকলো বিলাক নিয়মৰ কাম মোৰ ওপৰতেই পৰিছিল। দাইটিয়ে জীৱনটো বৰ কষ্টৰে পাৰ কৰিছিল। ভালপোৱাজনৰ ভালপোৱাক উপেক্ষা নকৰি বিয়া নকৰোৱাকৈয়ে বিদায় মাগিলে। মই প্ৰায় এবছৰমান আগয়েহে



দাইটিৰ অতীতটোৰ বিষয়ে জানিছিলো।

দাইটি পঢ়াশুনাত ভালেই আছিল যদিও হায়াৰ চেকেণ্ডাৰী পাছ কৰাৰ পাছত ককায়ে আৰু পঢ়িব নিদিলে, বোলে গাওঁৰ ল'ৰা গাওঁতেই খেতি কৰ, পঢ়ি শুনি বৰ অফিচাৰ হৈ দেখুৱাব নালাগে। ককাই যি ক'লে দাইটিয়েও তাকেই শুনিলে। সিমানতে শিক্ষা জীৱনৰ সামৰণি মাৰিলে। দশম শ্ৰেণীলৈকে দাইটিয়ে মোক পঢ়াইছিল। খেতি বাতিতেই লাগি থকা দাইটিয়ে ভাল বৰগীত গাইছিল। ক'তো সংগীতৰ শিক্ষা গ্ৰহণ নকৰা দাইটি গাৱঁৰ ভাওনাৰ বায়নীয়াৰ খোলাত নবহিলে নহৈছিলেই। কিন্তু তেনে এজন মানুহৰ জীৱন নাটৰ কেইটামান গুৰুত্বপূৰ্ণ দৃশ্য মঞ্চস্থ নকৰাকৈ থাকি গ'ল মাত্ৰ চাকৰিটোৰ কাৰণে।

দাইটিৰ ওচৰৰ বৰপথাৰ গাওঁৰ হৰেণ ককাৰ জীয়েকক মনে খাইছিল। হৰেণ ককাৰ জীয়েক জানকী পেহীয়েও দাইটিক জীৱনৰ লগৰী হিচাপে পাব বিচাৰিছিল। কিন্তু দাইটিৰ চাকৰি বাকৰি একো নাছিল, সেই বাবেই দুয়োজনৰ মিলনত বাধা আহিল। হৰেণ ককাহঁত পুৰণি ধনী মানুহ আছিল। মা-দেউতাই সৰুতে কোৱা এতিয়াও মনত আছে— "হৰেণ ককাৰ ঘৰত পাঁচটা হাতী আছিল। যদি বেয়া কাম কৰ' আৰু চিঞৰি চিঞৰি





কান্দি থাক' গোটেইকেইটা আহিব আৰু চব বিস্কুট খাই পেলাব।" পাঁচোটাকৈ হাতী থকা হৰেণ ককাহঁত সেই সময়ত ওচৰ-পাজৰৰ আটাইকেইখন গাৱঁৰ ভিতৰতেই ধনী মানুহ আছিল। গতিকে নিজৰ মান-মৰ্যদা তললৈ নমাই দাইটিৰ দৰে খেতি কৰা এটাক নিজৰ একমাত্ৰ জীয়েকক বিয়া দিবলৈ কোনোমতেই মান্তি হোৱা নাছিল। দাইটিৰ হৈ হেনো মোৰ দেউতাইও হৰেণ ককাক ছোৱালী খুজিব গৈছিল। হৰেণ ককাই আগতে ভায়েৰক চাকৰি দে তাৰ পাছত ছোৱালী খুজিবি বুলি ধমকহে দিলে।

দাইটিয়েও ভালপোৱাৰ তাড়নাতে হায়াৰ চেকেণ্ডাৰী চাৰ্টিফিকেটখনি লৈ কিবা এটা চাকৰি যোগাৰ কৰিবৰ কাৰণে ৰাতিপুৱাই চহৰলৈ যাবলৈ ওলাইছিল। সেই সময়ত সিমানখিনি শিক্ষাই দাইটিয়ে হয়তো ভাল চাকৰি এটাই পালেহেঁতেন। কিন্তু দাইটিক ককাই যাব নিদিলে। ককা বৰ একা-চেকা ধৰণৰ মানুহ আছিল। ঘৰত যদি ভাত-শাক-জুতি নলগা হয় তেতিয়া চৰু কেৰাহী বিলাক বাৰীৰ এচুকত নি ধানখেৰেৰে পুৰিছিল আৰু তাৰ পিছত ঘঁহি ঘঁহি ধুই চাফা কৰিছিল। সদায় ৰাতি সাতমান বজাতে ভাত খাই বিচনাত পৰিছিল আৰু ৰাতিপুৱা চাৰিমান বজাতে উঠি 'এতিয়ালৈকে বাহিৰ চোতাল সৰা নাই, চব ধোদ সোপা গোটখালে, ইত্যাদি ইত্যাদি গোৱাল লাগি পাৰে। ককাৰ মৃত্যু হোৱা দিনালৈকে এই কৰ্মকাণ্ডবোৰৰ কিন্তু পৰিবৰ্তন হোৱা নাছিল। সেই ককায়ে দাইটিক চাকৰি বিচাৰি যাব নিদিলে। বোলে কি হৰেণৰ জীয়েকেহে ছোৱালী আছেনে? চাকৰি নহ'লেও তোলৈ ছোৱালী দিয়া মানুহ ঢেৰ আছে, আৰু কেনেবাকৈ যদি হৰেণৰ জীয়েকক ঘৰত সোমাৱাওহি তাইক কেতিয়াও বোৱাৰী বুলি মানি নলওঁ। ককাৰ কথা দেউতা আৰু দাইটিয়ে কোনোদিনে অমান্য কৰা নাছিল। সেই হেতুকে দাইটিয়েও ককাৰ কথাকেই সৰোগত কৰি চাকৰিৰ আশা বাদ দিলে। কিন্তু মনৰ পৰা জানকী পেহীৰ প্ৰতি যি ভালপোৱা আছিল সেইয়া আঁতৰাই পঠিয়াব নোৱাৰিলে। নিজৰ ভালপোৱাক এক উচ্চ আসনত ৰাখি গোটেই জীৱনতো আন কাকোৱেই নিজৰ কৰি নল'লে। আৰু জানকী পেহীয়েও বিয়া নোহোৱাকৈয়ে থাকি গ'ল। ককাৰ মৃত্যুৰ পাছত পৰিয়ালৰ সকলোৱে জানকী পেহীৰ লগতেই দাইটিক বিয়া পাতি দিব বিচাৰিছিল যদিও দাইটিয়ে সেই বিয়াত সন্মতি নিদিলে। কাৰণ ককাই জানকী পেহীক কোনোদিনেই বোৱাৰী হিচাবে মানি নলওঁ বুলি কৈছিল আৰু এতিয়া ককা নাই বুলিয়েই সেই ঘৰত জানকীক বোৱাৰী হিচাবে সোমোৱাবলে ককাৰ আত্মাই কষ্ট পাব বুলি ভাবিছিল।

সঁচাকৈয়ে দাইটিয়ে দেউতাকৰ কাৰণেই জীৱনত বহুতখিনি ত্যাগ কৰিছিল। দেউতাকৰ আদেশক মানি ভালপোৱাক বিসৰ্জন দিয়া আজিৰ যুগত হয়তো খুওব কমহে পোৱা যাব।

দাইটিক খৰি দিবলৈ যোৱাৰ আগ মুহূৰ্ত্তত জানকী পেহী আহিছিল। হয়তো খবৰটো পাইয়েই খুউব কান্দিছিল। চকুযোৰ ফুলি আছিল। বগা কাপোৰেৰে ঢকা দাইটিৰ নশ্বৰ দেহটোলৈ থৰ লাগি চাই আছিল। কোনেও একো এটা কোৱাৰ সাহস কৰিব পৰা নাছিল। হুৰা হুৰে চকুলো নামি আহিছিল জানকী পেহীৰ দুচকুৰে। অন্তৰত কম এহোপা জীয়া যন্ত্ৰণা লৈ জীয়াই আছিল নে বাৰু? দাইটিক চিতাত তোলতে জানকী পেহীয়ে চিঞৰি চিঞৰি কান্দিছিল। দাইটিৰ মৃত্যুৰ শোকতকৈ জানকী পেহীৰ হিয়া ভগা কান্দোনেহে সকলোকে কন্দুৱাইছিল।

জানকী পেহীক ঘৰৰ পৰা ককায়েকহঁতে লৈ গৈছিলহি। তিনি দিনৰ দিনা তিলনী, দহ দিনৰ দিনা দহা, সবাহ একোতেই জানকী পেহী নাহিল। আমাৰ ঘৰৰ পৰাও কোনেও গৈ খবৰ এটা লোৱাৰ সাহস কৰা নাছিল। সবাহৰ দুদিনৰ পাছত মই আৰু ওচৰৰ খুড়া এজনৰ সৈতে পেহীৰ ঘৰ পালোগৈ। মই ঘৰ চিনি পাইছিলো যদিও সেইদিনাহে প্ৰথম সোমাইছিলো। এখন ডাঙৰ বাৰীৰে সৈতে এটা প্ৰকাণ্ড ঘৰ। পুৰণি ধনীৰ চিন হিচাবে আলহী ঘৰৰ চুকৰ শ্বো-কেচটোত চাৰিটা হাতীৰ দাঁত ট', ট'কৈ জিলিকি আছিল। আমি আলহী ঘৰত বহাৰ অলপ পাছতেই জানকী পেহী সোমাই আহিল। বুকুত যে শিল গধূৰ এহোপা বেদনা লৈ পেহী জীয়াই আছে দেখিয়েই তেনেকুৱা লাগিল। আমাক তামোল দি পেহী ভিতৰলৈ যি গ'ল আৰু ওলাই নাহিল। পেহী ওলাই নহাত কিন্তু অলপো বেয়া নালাগিল। পেহীৰ ডাঙৰ ককায়েক বদন খুড়াই পেহীৰ জীৱনৰ অতীতৰ দিনবোৰৰ বিষয়ে যিমান খিনি ক'লে সেইবোৰে মনটো একেবাৰে সেমেকাই পেলাইছিল। জীৱন অনুক্ৰমণিকাৰ প্ৰতিটো পাততে দাইটি আৰু পেহীয়ে বিসৰ্জন দিছিল ভালপোৱাক।

বিদায় ল'বৰ বেলিকা পেহীক মাত এষাৰ দিওঁ বুলিও দিয়া নহ'ল। এটা বিষণ্ণ মন লৈ ঘৰ সোমালেহি। ঘৰত দিনটো ক'ত আছিলি বুলি সুধিছিল যদিও পেহীৰ ঘৰলৈ গৈছিলো বুলি নক'লো। কাৰণ দাইটি আৰু পেহীৰ সেই বিষাদৰ দিনপঞ্জীবোৰৰ কথা পুনৰুত্থাপন কৰি ঘৰৰ মানুহবোৰৰ মন গধূৰ কৰা ইচ্ছা একেবাৰেই নাছিল। ◆

# হাংগেৰীৰ লকাৰ


মমিনা বেগম
স্নাতক প্ৰথম বৰ্ষ
ইতিহাস বিভাগ

।। এক ।।

ঃ 'মোৰ এটা গুলীৰ আঘাতত তই সিপুৰী পাবলৈ বেছি পৰ নালাগে। নিজকে বেছি বুদ্ধিমান বুলি দেখুৱাবৰ চেষ্টা নকৰিবি ; নাইন এম. এম. ৰেমিংটন ৰিভলভাৰটো ৰাচেলৰ পিনে টোঁৱাই ক্ষোভ মিশ্ৰিত কণ্ঠেৰে মিঃ ৰাউলিঙে গৰগৰাই উঠিল।

ৰাচেলৰ মুখ মণ্ডলত কোনো বিশেষ ভাৱান্তৰ পৰিলক্ষিত নহ'ল। সি গিলাচটোত চুমুক এটা মাৰি স্কটচ্‌ৰ অৱশেষখিনি শেষ কৰিলে আৰু সেকা গাহৰিৰ ডাঙৰ টুকুৰা এটা একান্তমনে চোবোৱাত লাগিল। নিৰুত্তৰ ৰাচেলৰ বেপেৰুৱা আচৰণে এইবাৰ মিঃ ৰাউলিঙক যথেষ্ট উত্তেজিত কৰি তুলিলে। মিঃ ৰাউলিঙে ৰাচেলৰ কলাৰত ধৰি ৰিভলভাৰটো তাৰ মূৰত লগাই ক্ষোভ মিশ্ৰিত চেপা মাতেৰে পুনৰ ক'বলৈ ধৰিলে— ক'ত লুকুৱাই থৈছ, কৈ দে। নহ'লে তোৰ মূৰৰ লাওখোলা টুকুৰা টুকুৰ কৰি দিম।

ৰাচেলৰ চকু মুখত এইবাৰ বিৰক্তিৰ ছাপ ফুটি উঠিল। সি আচাৰ মৰাৰ দৰে কৰি মিঃ ৰাউলিঙৰ হাতৰ পৰা তাৰ চোলাৰ কলাৰটো মুক্ত কৰি চকীত বহিল আৰু গিলাচত পেগ এটা ঢালি ক'লে— 'যোৱা দুবছৰ মই আছিলো চিলিকণ ভেলীৰ মুখ্য কাৰাগাৰত, পুৰণি বেংক ডকাইতিৰ গোচৰ এটাত অভিযুক্ত হৈ। তাৰপৰা তোমাৰ লগত যোগাযোগ কৰাৰ কোনো উপায় নাছিল। আৰু টকাৰ বিষয়ে কিয় চিন্তা কৰিব লাগে? মই দেখোন নিজেই তোমাৰ সন্মুখত। গোটেই টকা অক্ষত অৱস্থাতেই আছে। বহু চেষ্টা কৰিও মই হাংগেৰীত নিৰ্মিত আপদীয় লকাৰটো খুলিব নোৱাৰিলোঁ। খুলিব যে পাৰিম, সেই আশাও নকৰাই ভাল। সেইদৰে, টকাখিনি মই ক'ত লুকুৱাইছো, সেয়া মোৰ বাদে পৃথিৱীৰ আন কোনেও নাজানে। আনকি তুমিও। মই তোমাক বিশ্বাসঘাতকতা কৰাৰ বিষয়ে



অকণো ভবা নাই। মোক বাৰে বাৰে অপমান কৰি মোৰ ধৈৰ্যৰ পৰীক্ষা নল'বা।

ৰাচেলৰ চকুত ফুটি উঠিছিল ক্ষোভ আৰু ঘৃণামিশ্ৰিত চাৱনি। ৰাচেলৰ কথা শুনি মিঃ ৰাউলিং বিমৰ্ষ আৰু হতাশ মনেৰে চকীখনত বহি পৰিল।

ঃ 'হতাশ কিয় হৈছা মিঃ ৰাউলিং। উপায় এটা এতিয়াও আছে।' মিঃ ৰাউলিঙলৈ পেগ এটা আগবঢ়াই ৰাচেলে পাইপত অগ্নি সংযোগ কৰিলে।

ৰাচেলৰ কথাখিনিয়ে মিঃ ৰাউলিঙক যথেষ্ট উৎকণ্ঠিত কৰি তুলিলে। ৰাচেলে আগবঢ়াই দিয়া পেগটো গলাধঃকৰণ কৰিলে আৰু মুখখন যথেষ্ট ওচৰ চপাই নি চকু দুটা ডাঙৰ কৰি সুধিলে— 'কি উপায়?'

ৰাচেলে ধোঁৱাৰ কুণ্ডলী পকাই বেঁকা হাঁহি এটা মাৰি ক'বলৈ ধৰিলে— 'উপায়টো হ'ল আলফ্ৰেডো লজাৰিঅ'। লেটিন আমেৰিকাৰ এক কুখ্যাত বেংক ডকাইত। মাদ্ৰিদৰ কেন্দ্ৰীয় বেংকৰ পৰা যিজনে অনায়াসে লুটি নিছিল অজস্ৰ





টকা। আলফ্ৰেডো বৰ্তমান হেনো স্পেইনৰ লিঅ'নত আত্মগোপন কৰি আছে। হাংগেৰীত নিৰ্মিত লকাৰৰ কথা বাদ দিয়ক, যিজনে, নিমিষতে খুলি দিব পাৰে চুইছ বেংকৰ কঠিনৰো কঠিনতম লকাৰো।

মিঃ ৰাউলিঙৰ সূক্ষ্ম পৰ্যবেক্ষণত ধৰা পৰি গৈছিল যে ৰাচেল মানুহটো বিশ্বাসযোগ্য ।

।। দুই ।।

লুচিয়ানা মেট্ৰ'পলিটান বেংকৰ কেচিয়াৰ আছিল মিঃ ৰাউলিং। টকা-পইচাৰ প্ৰতি ৰাউলিঙৰ আছিল তীব্ৰ আসক্তি। অবিবাহিত ৰাউলিঙে বেংকৰ টকা-পইচা নিজ হাতেৰে লেন-দেন কৰি নিজে কাম কৰা বেংকটোৰ পৰা বুজন পৰিমাণৰ ধন চলে-বলে কৌশলে হস্তগত কৰিবলৈ সিদ্ধান্ত লৈ পেলাইছিল। তীক্ষ্ণ বুদ্ধিসম্পন্ন মানুহজন সময় সাপেক্ষে হৈ পৰিছিল ভয়ানক ভাৱে হিংস্ৰ। অৱশেষত মিঃ ৰাউলিঙৰ কু-অভিসন্ধি পূৰণত সহায় কৰিলে কুখ্যাত বেংক ডকাইত ৰাচেলে। অৱসৰলৈ মাত্ৰ কেইদিনমান বাকী থকা অৱস্থাত মিঃ ৰাউলিঙৰ সুপৰিকল্পনা আৰু ৰাচেলৰ নিখুঁত হাতৰ পৰশত দুয়ো হস্তগত কৰিবলৈ সক্ষম হ'ল অজস্ৰ টকাৰে ভৰপূৰ এক লকাৰ। মিঃ ৰাউলিঙৰ পৰিকল্পনা ইমান বেছি নিখুঁত আছিল যে এফ. বি. আইৰ তদন্তকাৰী দলো বিফল মনোৰথেৰে ঘূৰি যাবলগীয়া হ'ল। কিন্তু মিঃ ৰাউলিং আৰু ৰাচেলৰ প্ৰতিও ভাগ্যদেৱীও সুপ্ৰসন্ন নহ'ল। অশেষ চেষ্টাৰ পাছতো ৰাচেলে লকাৰটো খুলিব নোৱাৰিলে। বিপদৰ ভয়ত মিঃ ৰাউলিঙে লকাৰটো কোনো নিৰাপদ স্থানত লুকুৱাই থোৱাৰ দায়িত্ব দিছিল ৰাছেলক।

।। তিনি ।।

মিঃ ৰাউলিং আৰু ৰাচেল এই সিদ্ধান্তত উপনীত হ'ল যে যিমান সোনকালে পাৰে, সিমান সোনকালে আলফ্ৰেডক লগ কৰাটো হ'ব বুদ্ধিমানৰ কাম।

তীব্ৰ গতিত গাড়ী আগবাঢ়িছে লিঅ'ন চহৰ অভিমুখে। মিঃ ৰাউলিঙৰ লেগু ৰভাৰ ড্ৰাইভিং ছিটত ৰাচেল। মিঃ ৰাউলিঙৰ মনত বাৰে বাৰে ক্ৰিয়া কৰিছে এটা কথাই। আলফ্ৰেডেই যদি ধনৰ সিংহভাগ দাবী কৰে, তেনেহ'লে অৱশিষ্টখিনিৰ পৰা ৰাচেলকো দিব লাগিব। আলফ্ৰেডৰ হাতেৰেই যেন খোল খাব মিঃ ৰাউলিঙৰ ভাগ্যৰ দুৱাৰ। সকলো চিন্তাৰ পৰা মুক্তি বিচাৰি মিঃ ৰাউলিঙে অৱসাদগ্ৰস্ত দেহাটো এৰি দিলে নিদ্ৰাদেৱীৰ কোলাত।

গাড়ী লিঅ'নত প্ৰৱেশ কৰোঁতে সাজ লাগিছিল। ৰাচেলে আলফ্ৰেডৰ সৈতে পূৰ্বতে পূৰ্বতে ঠিক কৰি থোৱা অনুসৰি নিৰ্দিষ্ট কাচিনখনত গাড়ী ৰখালে। নিশাৰ অন্ধকাৰ নামি অহাৰ লগে লগে লেটিন আমেৰিকাৰ চহৰখনত আৰম্ভ হৈছিল এক ৰঙীন পৰিবেশ। কাচিনখনৰ ভিতৰতে চলি আছিল অৰ্দ্ধনগ্ন সুন্দৰী নৰ্তকীৰ উদ্দাম নৃত্য। গ্ৰাহকক আকৃষ্ট কৰিবৰ বাবে দেহোপজীৱিনীৰ বিভিন্ন আবেদনময়ী কৌশল, জুৱাৰী-মদাহীৰ চিঞৰ-বাখৰ। সকলোৰে গতি-বিধি লক্ষ্য কৰাৰ পাছত মিঃ ৰাউলিঙৰ অনুভৱ হ'ল যে কাচিনখনত উপস্থিত প্ৰায়সংখ্যক লোকেই অপৰাধ জগতৰ সৈতে জড়িত। মিঃ ৰাউলিঙে কঁকালৰ খোচনিত থকা চিৰলগৰী ৰিভলভাৰটোত হাত ফুৰাই আশ্বস্ত হ'ল।

এখন টেবুল দুয়ো দখল কৰি দুগিলাচ হুইস্কীৰ অৰ্ডাৰ দিলে আৰু অপেক্ষা কৰিলে সিহঁতৰ ভাগ্যৰ দুৱাৰ খুলি দিব পৰা আলফ্ৰেড লাজাৰিঅ'ৰ বাবে। কিছু সময় অপেক্ষা কৰাৰ পাছত স্পেনিছ ভাষাৰ অভিনন্দনসূচক শব্দটো শুনা পালে— 'গ্ৰেচিয়াছ'।

— ৰাচেলে আলফ্ৰেডক চিনি পালে আৰু একে শব্দ উচ্চাৰণ কৰি তেওঁক অভিনন্দন জ্ঞাপন কৰিলে। মিঃ ৰাউলিঙে দেখিলে, আলফ্ৰেডে এখন হাতেৰে এগৰাকী স্বল্প বসনাৰ ককালত ধৰি আছে আৰু আনখন হাতেৰে হুইস্কিৰ গিলাচ লৈ আছে। কাষত এজন হৃষ্ট-পুষ্ট দেহৰক্ষী জাতীয় মানুহ। এইবাৰ আলফ্ৰেডৰ নিৰ্দেশত দুয়োৰে প্ৰস্থান ঘটিল। আলফ্ৰেডে চকী এখন টানি মিঃ ৰাউলিঙৰ মুখামুখিকৈ বহি ল'লে। মিঃ ৰাউলিঙে সূক্ষ্মভাৱে নিৰীক্ষা কৰিলে আলফ্ৰেডক— কপালৰ তললৈ বৈ পৰা ৰঙচুৱা চুলিৰ তলত তিৰবিৰাই আছে এযুৰি বুদ্ধিদীপ্ত চকু, দীৰ্ঘ দেহ, সবল সুঠাম ৩৫-৩৬ বছৰীয়া সুদৰ্শন পুৰুষজনৰ মুখত গম্ভীৰতা। আলফ্ৰেডক দৰ্শন কৰি মিঃ ৰাউলিং যেন শিহৰিত হৈ উঠিল। মিঃ ৰাউলিঙে বুলি পালে, সেই আপদীয়া হাংগেৰীৰ লকাৰটোৰ নিখুঁত চাবি-কাঠি তেওঁৰ সন্মুখত। এতিয়া কেৱল হস্তগত কৰিবলৈ বাকী আছে। মিঃ ৰাউলিঙে আলফ্ৰেডৰ ওচৰত বিনয়ীভাৱে উদ্দেশ্য ব্যাখ্যা কৰিলে। আলফ্ৰেডে বিশেষ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। আলফ্ৰেডে চিগাৰেট এটাত অগ্নি সংযোগ কৰি দীঘল ভৰি দুখনৰ এখন আনখনৰ ওপৰত তুলি লৈ ৰাউলিঙৰ ফালে চাই সুধিলে — 'আচ্ছা', মিঃ ৰাউলিং, তাত থকা ধনৰ পৰিমাণটোৰ বিষয়ে আপোনাৰ ধাৰণা কি?

ক্ষন্তেকৰ বাবে মিঃ ৰাউলিঙৰ তীক্ষ্ণ চকুজুৰি তিৰবিৰাই

উঠিল। তেওঁ মূৰৰ টুপীটো খুলি মেজৰ ওপৰত থ'লে।

ঃ আলফ্রেড, তুমি হয়তো বিশ্বাস কৰিবলৈ টান পাবা, তাত আছে বিশাল অংকৰ ধন। আমি যদি সেই টকা সমানে ভগাই লওঁ, তেতিয়াও আমাৰ পাছৰ কেইবাটাও প্ৰজন্মই সেই ধনেৰে শুই-বহি খাব পাৰিব।

এইবাৰ আলফ্রেডৰ মুখমণ্ডলত বিয়পি পৰিল এটি সন্তুষ্টিৰ হাঁহি। তেওঁৰ মুখৰ পৰা স্বতঃস্ফূৰ্ত্তভাৱে নিৰ্গত হ'ল স্পেনিচ আনন্দসূচক শব্দ — 'ব্ৰেভো ব্ৰেভো'।

সি আৰু ক'লে 'মোৰ পঞ্চাশ শতাংশ আৰু বাকী পঞ্চাশ শতাংশ তোমালোকৰ।'

কথাষাৰে যেন মিঃ ৰাউলিং আৰু ৰাচেলৰ কাণত শেল হৈ বিন্ধিলে।

ঃ সেয়া অসম্ভৱ আলফ্রেড। মিঃ ৰাউলিঙৰ পোনপটীয়া উত্তৰ।

ঃ তেনেহ'লে সেই টকা জহন্নামে যাওক আৰু তোমালোকো জহন্নামে যোৱা। অথবা মোৰ সময় নষ্ট নকৰিবা।

আলফ্রেডে ক্ষোভ মিশ্ৰিত কণ্ঠেৰে কথা কৈ উঠি খোজোতেই মিঃ ৰাউলিঙে পৰিস্থিতিটো নিজৰ আয়ত্তলৈ আনি মাত দিলে—

— 'তুমি বিচৰাৰ দৰেই হ'ব। মাথো আমাক সহযোগ কৰা।'

— মিঃ ৰাউলিঙৰ চকুত ফুটি উঠিছিল এক তীক্ষ্ণ চাৱনি। সেই চাৱনি কিন্তু আলফ্রেডৰ দৃষ্টিৰ পৰা সাৰি যোৱা নাছিল। তিনিও তাতেই আলোচনাৰ জৰিয়তে অভিযানৰ দিন বাৰ ঠিক কৰিলে। তেওঁলোকৰ সৈতে আলফ্রেডৰ ঘনিষ্ঠ এজনকো সহযোগী ৰূপে নিবলৈ ঠিৰাং কৰা হ'ল।

।। চাৰি ।।

গাড়ী তীব্ৰ গতিত আগবাঢ়িছে এৰিজনা প্ৰদেশৰ পশ্চিমে অৱস্থিত এখন অৰণ্য অভিমুখে। চালকৰ আসনত ৰাচেল। লগত আলফ্রেডৰ সহযোগীজন। পাছৰ আসনত ৰাউলিং আৰু আলফ্রেড। ৰাউলিঙৰ কপালত চিন্তাৰ বক্ৰৰেখা। আলফ্রেডৰ মুখমণ্ডলত স্বাভাৱিকতা। ৰাচেলে গুৰু গম্ভীৰভাৱে গাড়ী চলাই গৈছে। আলফ্রেডৰ সহযোগীজনে যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে।

মূল পথৰ পৰা ফালৰি কাটি যোৱা এটা লুং-লুঙীয়া পথেৰে গাড়ী অগ্ৰসৰ হ'ল। আৰম্ভ হ'ল জনপ্ৰাণীহীন এক বিশাল আৰু অটব্য অৰণ্য। মূল পথৰ পৰা প্ৰায় দুঘন্টামান গাড়ী চলাৰ পাছত ৰাচেলে গাড়ী ৰখালে। ৰাচেলৰ ইঙ্গিত অনুসৰি সকলোৰে খোজ পেলালে গন্তব্য স্থান অভিমুখে। সকলোৰে হাতে হাতে উদ্যত মাৰণাস্ত্ৰ। জনবসতিহীন এই অৰণ্যত কোনেও হিংস্ৰ জীৱ-জন্তুলৈ ভয় কৰা নাই, ভয় পৰস্পৰলৈ। কোনেও কাকো বিশ্বাসত ল'ব পৰা নাই। টকাৰ লোভত দলটোৰ যিকোনো এজন হৈ যাব পাৰে চৰম বিশ্বাসঘাতকতা।

ৰাচেলৰ ইংগিতত দলটো ৰৈ গ'ল। সকলোৰে চকুত সন্ধানী দৃষ্টি। মিঃ ৰাউলিং যথেষ্ট চিন্তাক্লিষ্ট। ৰাচেলে এক বিশেষ স্থানত থকা পুৰণি গছৰ মূঢ়া এটা বাকী কেইজনৰ সহযোগত উঠাই আনিলে। সকলোৰে চকু তিৰবিৰাই উঠিল। গছৰ মূঢ়াটোৰ তলত সুৰংগৰ দৰে এটা গাঁত আৰু তাতেই সিহঁতৰ আকাংক্ষিত হাংগেৰীত নিৰ্মিত লকাৰটো। লকাৰটো গাঁতৰ পৰা, উঠাই অনা হ'ল। মিঃ ৰাউলিঙৰ তীক্ষ্ণ চকুজুৰি আকৌ তিৰবিৰাই উঠিল। তেওঁৰ চকুৰ দৃষ্টিয়ে প্ৰতিজনকে মুহূৰ্ত্তৰ বাবে চুই গ'ল। যেন এক সূক্ষ্ম পৰ্যবেক্ষণ।

।। পাঁচ ।।

এইবাৰ সকলোৰে দৃষ্টি নিবদ্ধ হ'ল আলফ্রেডৰ ওপৰত। আলফ্রেডৰ ওঁঠত এটা মিচিকিয়া হাঁহি। সি চিগাৰ এডালত অগ্নি সংযোগ কৰি মৃদু ধমকিৰ সুৰত ক'লে— 'মিঃ ৰাউলিং আৰু ৰাচেল, নামমাত্ৰও বুদ্ধি প্ৰদৰ্শনৰ চেষ্টা নকৰিবা। মই কথা দিয়ামতে মোৰ কাম কৰিম আৰু তোমালোকেও কথা ৰাখিবা বুলি আশা ৰাখিলো।

আলফ্রেডৰ হাঁহিটো যি ৰাউলিঙৰ তীক্ষ্ণ বুদ্ধিৰ সন্মুখত বাগি মাৰি সৰকি গ'ল। মিঃ ৰাউলিঙে নুবুজিলে, আলফ্রেডৰ হাঁহিটোৰ অন্তৰালত কি লুকাই আছে? আলফ্রেডে নিজে কামত লাগি গ'ল। লকাৰটোৰ সৰু চকাটোত সি হাত লগালে। বাকীবোৰে মন্ত্ৰমুগ্ধৰ দৰে তালৈ চাই ৰ'ল।

ঃ 'কেৰ.... কেৰ ......... কেৰ...... কট'।

আলফ্রেডৰ হাতৰ পৰশত খোল খাই গ'ল লকাৰটোৰ দুৱাৰ। সকলোৰে দেখা পালে, লকাৰটোৰ ভিতৰত ঠাহ খাই থকা অগণন টকাৰ বাণ্ডিল। ভাগ্যৰ দুৱাৰ খোল খাই যোৱা দেখি সকলোৰে চকু কপালত উঠিল। মিঃ ৰাউলিঙৰ চকুত জিলিকি উঠিছিল বিন্দু বিন্দু ঘামৰ কণিকা। আলফ্রেডৰ মুখেৰে স্বতঃস্ফূৰ্ত ভাৱে স্পেনিছ ভাষা নিৰ্গত হ'ল— 'এল ডৰাডো' অৰ্থাৎ অবিশ্বাস্য।

ঃ 'ধুম্'। হঠাৎ ৰাচেলৰ শ্বট গানটো গৰ্জি উঠিল।





নিমিষতে ঢলি পৰিল আলফ্রেডৰ সহযোগীজন। দ্বিতীয়বাৰৰ বাবে ৰাচেলে সময়েই নাপালে, আলফ্রেডৰ পিষ্টলৰ গুলীত ৰাচেলৰ মূৰৰ এচোৰা উফৰি গ'ল। মিঃ ৰাউলিঙে নিজৰ কু-অভিসন্ধি চৰিতাৰ্থ কৰি মৰমৰ ৰেমিংটনটোৰ পৰা এটা অব্যৰ্থ লক্ষ্যৰ বুলেট এৰি দিলে। কিবা এটা কৰাৰ আগতেই আলফ্রেডৰ বুকুৰ মাজেৰে সৰকি গ'ল সেই বুলেট। আলফ্রেডৰ দেহ মাটিত ঢলি পৰিল।

মিঃ ৰাউলিঙে আৰু বেছি সময় দেৰি কৰা উচিত নহ'ব বুলি উপলব্ধি কৰি ৰাচেলৰ মৃতদেহটোৰ লগত থকা ডাঙৰ চামৰাৰ বেগটোত বেগা বেগিকৈ লকাৰৰ পৰা টকাৰ বাণ্ডিল উলিয়াই ভৰোৱাত লাগিল। হঠাৎ মিঃ ৰাউলিঙৰ এক মৰণকাতৰ আৰ্তনাদে বিশাল অৰণ্যখন কঁপাই তুলিলে।

লকাৰৰ ধাতৰ দুৱাৰখন স্বয়ংক্ৰিয় ভাৱে বন্ধ হৈ যোৱাত মিঃ ৰাউলিঙৰ হাত দুখন তাত আবদ্ধ হৈ গুৰি হৈ পৰিছিল। ছিন্ন-ভিন্ন হৈ পৰিছিল মাংসপেশী। মিঃ ৰাউলিঙে সহায়ৰ বাবে চিঞৰ-বাখৰ কৰিলেও সেয়া ৰূপান্তৰিত হ'ল অৰণ্যৰোদনলৈ।

।। ছয় ।।

আলফ্রেডৰ দেহত তেতিয়াও নামমাত্ৰ প্ৰাণ বাকী আছিল। তাৰ মুখত ফুটি উঠিছিল এক কুটিল হাঁহি। সি সেহাই সেহাই মিঃ ৰাউলিঙক ক'বলৈ ধৰিলে।

— মিঃ ৰাউলিং, তুমি নিজকে যিমান চালাক বুলি ভাৱিছিলা, সিমান চালাক নহয়। মই আগতেই তোমালোকৰ ষড়যন্ত্ৰৰ উমান পাইছিলো। তুমি হয়তো এটা কথা নাজানা যে হাংগেৰীত নিৰ্মিত এই লকাৰবোৰ স্বয়ংক্ৰিয়, এক নিৰ্দিষ্ট সময়ত লকাৰৰ দুৱাৰখন আপোনাআপুনি বন্ধ হৈ যায়। মই পূৰ্বেই পাঁচ মিনিট সময় নিৰ্দিষ্ট কৰি দিছিলো, যিটো তুমি গমিবই নোৱাৰিলা। টকাখিনিৰ সৈতে কিছু সময় অতিবাহিত কৰা আৰু আমাৰ পথেৰেই আহি থাকা। এতিয়া বিদায় মিঃ ৰাউলিং।

এইবুলি কৈ আলফ্রেডে শেষ নিঃশ্বাস ত্যাগ কৰিলে।

কিছুসময় ধৰি মিঃ ৰাউলিঙে চিঞৰ-বাখৰ কৰি থাকিল। লাহে লাহে অতিমাত্ৰা ৰক্তক্ষৰণৰ বাবে ৰাউলিঙৰ দেহৰ বৰণ নীলা হৈ পৰিল। কিছু সময়ৰ পাছতেই মিঃ ৰাউলিঙৰ প্ৰাণহীন দেহটো ওলমি থাকিল হাংগেৰীত নিৰ্মিত আপদীয়া সেই লকাৰটোত। ◆

(বিঃ দ্ৰঃ গল্পটোৰ পটভূমি বিদেশী যদিও ইয়াত বিদেশী গল্পৰ ছাঁ পৰা নাই। কেৱল পৰীক্ষামূলক ভাৱে এক বিশেষশৈলী প্ৰয়োগৰ চেষ্টা কৰা হৈছে।)

# কুঁহিৰ সুবাস

কৃতী চাংমাই
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ঘৰত সোমায়ে ঘৰখনৰ উদুলি-মুদলি পৰিৱেশটো দেখি মৃণালিনী প্ৰথমে আচৰিতেই হৈছিল। কিন্তু হঠাতে তাইৰ মনত পৰিল, আজি যে কুঁহিৰ প্ৰথম বাৰ্ষিক জন্মদিন। দিনটো অফিচৰ কৰ্মব্যস্ততাৰ মাজত মৃণালিনীয়ে কুঁহিৰ জন্মদিনৰ কথা পাহৰিয়েই আছিল। আনদিনা অফিচৰ পৰা আহি পালে মাকে সোধে, "মৃণালিনী আহিলি, পানী এগিলাচ খাবি নেকি?" কিন্তু আজি কাৰো মাত এষাৰ লগাবলৈকে আহৰি নাই।

অফিচৰ বেগটো শোৱা কোঠাত থৈ মৃণালিনী ওলাই আহিল। সকলোকে নিৰীক্ষণ কৰিলে। তাইৰ মাকে কুঁহিক কোলাত লৈ জন্মদিনলৈ বুলি অহা অতিথি সকলৰ লগত কথা পাতিছে, বৌৱেক পাকঘৰৰ কামত ব্যস্ত হৈ আছে, দেউতাক আৰু ককায়েকে নিৰ্দিষ্ট কোঠা এটা আমন্ত্ৰিত সকলক আপ্যায়ণৰ বাবে যা-যোগাৰ কৰিছে। সকলো কুঁহিৰ জন্মদিনটোৰ কাৰণে ব্যস্ত। মৃণালিনীয়ে ঘৰৰ প্ৰতিজন সদস্যৰে মুখত বিৰিঙি থকা সন্তোষৰ হাঁহিটোলৈ লক্ষ্য কৰিলে। সকলোকে দেখি মৃণালিনীৰ হৃদয়তো সঞ্চাৰ হ'ল এখ অবুজ (সন্তুষ্টিৰ) অনুভূতি।

চিৰ প্ৰৱাহমান নদীৰ দৰে সময়বোৰ নীৰৱে পাৰ হৈ গৈছে। এই সময়বোৰৰ লগত পাৰ হৈ যোৱা মৃণালিনীহঁতৰ ঘৰৰ প্ৰতিজন সদস্যৰে জীৱনৰ এটা কোণত যেন অনুভূত হ'ল এক অনাবিল আনন্দ। দিনটো অফিচৰ কৰ্মব্যস্ততাৰ অৱসাদ আঁতৰাই বাথৰুমৰ পৰা ওলাই আহি মৃণালিনীয়ে বৌৱেকক ইটো-সিটো কামত সহায় কৰি দিলে।

কুঁহি মৃণালিনীৰ ককায়েকৰ জীয়েক। ভতিজী। মৃণালিনীৰ আজি সেই দিনবোৰলৈ মনত পৰিছে। যেতিয়া ঘৰখনত বিৰাজ কৰিছিল এক নিজান-নিতাল পৰিৱেশ, পৰিয়ালৰ প্ৰত্যেকেই যেন গতানুগতিক ভাৱে নিজ নিজ কৰ্মবৃত্তৰ মাজত ব্যস্ত হৈ পৰিছিল। চৰকাৰী চাকৰিৰ পৰা অৱসৰ পোৱা দেউতাক প্ৰায়ে লিখা পঢ়াত ব্যস্ত হৈ থাকিছিল, ককায়েক ৰাতিপুৱাই দিনটোৰ বাবে নিজৰ ব্যৱসায়-বাণিজ্যৰ কামত ওলাই গৈছিল, মাক আৰু বৌৱেক দৈনন্দিন কাম-বনত ব্যস্ত হৈ পৰিছিল ; আৰু মৃণালিনী, তাইওতো ৰাতিপুৱা খৰখৰকৈ গৈ অফিচত উপস্থিত হৈ যন্ত্ৰচালিত মেচিনৰ দৰে প্ৰতিদিন এক নিৰস জীৱনৰ পাতনি মেলিছিল। তাই লক্ষ্য কৰিছিল কুঁহিৰ জন্মৰ আগৰ দিনবোৰত মাক আৰু বৌৱেকৰ মাজত কিছু ক্ষেত্ৰত কথা-বাৰ্ত্তা, কাম-বনত অমিল হৈছিল। সেয়ে পৰিয়ালত মাজে মাজে আভ্যন্তৰীণ কন্দলৰ সৃষ্টি হৈছিল। কিন্তু অধ্যয়নশীল আৰু সচেতন মৃণালিনীয়ে বুজি পায় মাক আৰু বৌৱেক দুটা সম্পূৰ্ণ পৃথক পৰিৱেশৰ পৰা অহাৰ বাবে তেওঁলোকৰ চিন্তাধাৰা বেলেগ বেলেগ হোৱাটো স্বাভাৱিক। সেয়েহে তাই এনেবোৰ গতানুগতিক পাৰিবাৰিক কন্দলৰ মাজত নিজকে জড়িত কৰিব নিবিচাৰে। ধৈৰ্য্যৰে মাজে-মাজে দুয়োকে সময় সুযোগ বুজি সু-পৰামৰ্শ দিবলৈহে চেষ্টা কৰে। মৃণালিনীয়ে দুয়োৰে ক্ষেত্ৰত নিৰপেক্ষ থাকি কাকো দোষী বুলি নাভাবে।

কিন্তু আজিৰ এই পৰিৱেশ যেন সম্পূৰ্ণ পৃথক। মৃণালিনীৰ অনুভৱ হয় ঘৰখনৰ পৰা আঁতৰি যাব খোজা সৌহাৰ্দ্যতাবোৰ যেন কুঁহিৰ জন্মই পুনৰ ঘূৰাই আনিছে। সকলোৰে মাজত সৃষ্টি কৰিছে এক সুমধুৰ মুহূৰ্ত্ত। কুঁহি আজি এবছৰীয়া হ'ল। এই এবছৰে তাই কেনেকৈ যে সকলোকে বান্ধি পেলাইছে। কুঁহিৰ থুপুক-থাপাক খোজ, আধা ফুটা মাত কথাবোৰ, তাইৰ পৰি-ধৰি কন্দাকটা কৰা মৰমৰ আমনিবোৰত পৰিয়ালৰ প্ৰত্যেকেই ভাগ লৈ যেন পাহৰি যাব খোজে জীৱনৰ জটিলতাবোৰ। সকলোৱে যেন তাইৰ কথা-কাণ্ডবোৰত অংশ লৈ এখন্তেক মন খুলি হাঁহিব বিচাৰে। তাইৰ সৈতে খেল-ধেমালি কৰি নিজৰ শৈশৱলৈ ক্ষন্তেকৰ বাবে হ'লেও যেন পুনৰ ঘূৰি যাব বিচাৰে। মৃণালিনীয়ে অফিচৰ পৰা আহি এপলক কুঁহিৰ সান্নিধ্য পাবলৈ আকুল হৈ পৰে। পাহৰি যাব খোজে দিনটোৰ ব্যস্ততাবোৰ। বসন্তবোৰ কুঁহিপাত, কুলি-কেতেকীৰ মিঠা মাততেহে যেন ঘৰখনত ভুমুকি মাৰিছে। এয়া যেন বিশ্বজনীন বাৎসল্য প্ৰেমৰেই অসীম মহিমা। ◆





# অতিথি দেৱ ভৱ

মৃগাংক হাতীমূৰীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।

আঁঠুলৈকে বোকাময় হৈ থকা পথাৰত ভুঁই ৰুই থাকোতে য়াকাং বুঢ়ীয়ে দূৰৰ পৰা 'মা, মা' বুলি চিঞৰি থকা মাত এটা শুনিবলৈ পালে। মাতটো শুনিয়েই য়াকাং বুঢ়ীয়ে ধৰিব পৰিলে সেয়া তাইৰ আটাইতকৈ সৰু পুত্ৰ হিন্দাৰ মাত। কামত ব্যাঘাত জন্মাত য়াকাং বুঢ়ীৰ খং উঠিল যদিও আলি বাটলৈ মূৰ দাঙি চালে। মাকে হিন্দাক চোৱা দেখি সি ততাতৈয়াকৈ ক'লে, 'মা, ডাঙৰ ককাইদেউ আজি ঘৰলৈ আহিব।' ডাঙৰ পুত্ৰ বিদা আহিব বুলি খবৰ পাই য়াকাং বুঢ়ীয়ে হিন্দাক সুধিলে, 'কেতিয়া পাবহি'? মাকৰ প্ৰশ্নত সি বিদা দুপৰীয়া আহিব বুলি ক'লে আৰু লগতে ইয়াকো ক'লে যে ককাইদেউৰ চাহাবো আহিব গতিকে ভালদৰে ভাত ৰান্ধিব লাগিব।



'ইস, আগতে খবৰ নিদি হঠাৎ এনেকৈ আহিলে মই কি খুৱাম? ঘৰত শুকান গাহৰি মাংস আৰু লাউপানীৰ বাহিৰে একো নাই বুলি য়াকাং বুঢ়ীয়ে মনতে দুখ পালে। য়াকাং বুঢ়ীয়ে এইবাৰ হাতৰ কঠীয়া মুঠিটো লগত ভুঁই ৰুই থকা জীয়েক দুজনীক দি ক'লে, 'মই ঘৰলৈ যাওঁ আৰু বস্তুৰ যোগাৰ কৰোঁগে, তইঁতে ভুঁই ৰুই শেষ কৰি আহিবি।'

য়াকাং বুঢ়ীয়ে বোকা খচকি খচকি আলিবাটৰ ফালে লাহে ধীৰে আগুৱাই গ'ল। আলিবাট পোৱাত য়াকাং বুঢ়ীয়ে হিন্দাক ঘৰত শুকান গাহৰি আৰু লাউপানীৰ বাদে আৰু একো নাই বুলি ক'লে তেতিয়া হিন্দাই ক'লে যে সি সকলো বস্তুৰ যোগাৰ কৰিব গতিকে মাকে চিন্তা কৰিব নালাগে। মাকে মাথো বোকাৰে লুতুৰি পুতুৰি হৈ থকা দেহাটো ভালদৰে ধুই চাফা হৈ থাকে যাতে ককাইদেউৰ চাহাবে সিহঁতৰ ঘৰখনক বেয়া আৰু লেতেৰা বুলি নাভাবে, হিন্দাই মাকক অনুৰোধ কৰিলে। হিন্দাৰ কথা শুনি মাকে ক'লে, হ'ব হ'ব, মই জানো নহয় আলহী অতিথিৰ আগত কেনেকৈ ওলাব লাগে, তইঁতে মোক শিকাব নালাগে।' মাকৰ কথা হিন্দাই ক'লে, 'হ'ব দিয়া তোমাক নো আৰু কথাৰ বলেৰে পাৰিনে?' মাকে হিন্দাক অলপ ধমকি দি ক'লে— 'যা যা বস্তুৰ যোগাৰ কৰগৈ ইয়াত কথা পাতি থাকিবলৈ তোক কোনেও কোৱা নাই।'

ঘৰলৈ আহিয়েই য়াকাং বুঢ়ীয়ে দেখিলে যে ঘৰখনৰ ভিতৰ চ'ৰা অতি বিশৃংখল ভাৱে আছে। ঘৰখন পুৰা সাৰিবলৈ

সময় নোপোৱাত জাবৰ জোঁথৰেৰে লেতেৰা হৈ আছে। জুহালৰ কাষত লেতেৰা বাচন-বৰ্তনবোৰ দ'ম পৰি আছে। আলনাৰ কাপোৰ-কানি অ'ত ত'ত পৰি আছে। খেতিপথাৰত এতিয়া ভূঁই ৰোৱাৰ সময় সেয়েহে ঘৰৰ ফালে চাবলৈ য়াকাং বুঢ়ীৰ সময় নাই। য়াকাং বুঢ়ীয়ে প্ৰথমতে অ'ত-ত'ত সিঁচৰিত হৈ বস্তু বিলাক সামৰি-সুতৰি ঘৰখন ঠিক-ঠাক কৰাত লাগিল। ইতিমধ্যে হিন্দাই বজাৰৰ পৰা সকলো বস্তুৰ যোগাৰ কৰি আনিছে আৰু সিও মাকক অলপ সহায় কৰি দিলে। সিহঁত দুটাই ঘৰখন চাফা কৰিলে তথাপিও বাচন বৰ্ত্তনবোৰ ধুই শেষ হোৱা নাই। এইবোৰ মাকে অকলে কৰি থাকিলে বহুত দেৰি বুলি জানি হিন্দাই তাৰ বাইদেউ য়াপা আৰু য়ালুক মাতি আনিলেগৈ। হিন্দাই ঘৰলৈ নাহি পোনে বাইদেউক দুজনীৰ কথামতে গেছ আনিবলৈ গ'ল। য়াপা আৰু য়ালু ঘৰ পোৱাত মাকে হিন্দাৰ কথা সুধিলে। মাকৰ কথাত য়াপাই ক'লে যে সিহঁতে তাক গেছ আনিবলৈ পঠিয়াইছে। য়াপাৰ কথাত মাকে ক'লে, 'গেছ কিয় লাগে? ঘৰত ইমানবোৰ খৰি আছেই দেখোন।' 'তোমাৰ কেঁচা খৰি সিজোৱা ধোঁৱা ধোঁৱা গোন্ধ থকা ভাত-আঞ্জা ডাঙৰ ককাইদেউৰ চাহাবে ক'ত খাব পাৰিব।' — য়াপাই ক'লে। জীয়েক য়াপাৰ কথাত য়াকাং বুঢ়ীয়ে ক'লে, 'খাব। কিয় নাখাব? মোৰ ঘৰত তোমালোকৰ ডাঙৰ ডাঙৰ বন্ধু-বান্ধৱী, চাহাব, মেমচাহাবে খৰিৰে ৰন্ধা ভাত আঞ্জা খাই প্ৰশংসা কৰিছে। বিদাৰ চাহাবেনো নাখাব কিয়?'

মাকৰ দাম্ভিকতাভৰা কথা শুনি দুই বাই-ভনীয়েকে খুক খুক কৰি হাঁহি নিজৰ মাজতে ফুচফুচালে। তাৰপিছত য়ালুৱে ক'লে, 'মা, আজি আমি ৰন্ধা প্ৰতিযোগিতা কৰিম। তুমি খৰিৰ জুইত ভাত ৰান্ধিবা আৰু আমি গেছত ভাত ৰান্ধিম। চোৱা যাওকচোন, তোমাৰ খৰিত ৰন্ধা ভাত ককাইদেউ চাহাবে ভাল পায় নে আমাৰ গেছত ৰন্ধা ভাত বেছি ভাল পায়। বাজী?'

'বাজী। মই জিকিলে কি দিবা তোমালোকে?' — জীয়েক দুজনীৰ স'তে ধেমালি কৰি য়াকাং বুঢ়ীয়ে ক'লে।

'মই গাহৰি এটা মাৰি দিম। — য়াপাই ক'লে।

'মই মতা এৰি থৈ তোমাৰ লগত বাকী জীৱন কটাই দিম'। য়ালুৱে ক'লে। সৰুজনী জীয়েকৰ ধেমালি সুৰত কোৱা কথাখিনি শুনি য়াকাং বুঢ়ীৰ মনটো সেমেকি গ'ল। কিয়নো সৰু জোঁৱায়েক হাচাঙে অন্য এজনী গাভৰুৰ সৈতে কৰা লেটি-পেটীৰ কথা বুঢ়ীয়ে অহুকাণে-পহুকাণে শুনিছে। য়াকাং বুঢ়ীয়ে সৰু জোঁৱায়েকৰ কথা 'য়ালুক সুধিবলৈ সাহস গোটাব পৰা নাছিল কিন্তু য়ালুৰ মুখত জোঁৱাকেৰ কথা শুনি কথাবোৰ সঁচা নে মিছা সুধিবৰ ডাঙৰ সুবিধা পালে।

'মই শুনি থকা কথাবোৰ সঁচা নে য়ালু'? 'কি কথা মা?'

য়াপাই কিবা লুকুৱাব বিচাৰি মাকক ক'লে। ই যে সৰু জোঁৱাইৰ কথা। একো কথা মোৰ পৰা নুলুকুৱাবা। মই তোমাৰ মা। কথাবোৰ মই জানিব লাগে।

বাচন-বৰ্তন মাজি থকা য়ালুৱে হঠাৎ উচুপি উচুপি কান্দিবলৈ ধৰিলে। 'মা তোমাৰ পৰা এতিয়া আৰু কি লুকাম। তোমাৰ মনত দুখ নিদিম বুলিয়েই আমি সকলোৱে কথাটো লুকুৱাই ৰাখিছিলো। তুমি যি শুনিছা সেইবিলাক একেবাৰে সঁচা কথা। য়ালুৰ কথাৰ শেষ হোৱা মাত্ৰেই য়াপাই ক'লে, 'মা, ইয়াৰ বাবে তুমিয়েই দোষী। আমি তোমাক কিমানবাৰ কৈছিলো য়ালুক হাচাঙলৈ নিদিবলৈ। আমি ইমান কোৱা সত্বেও তুমি তাইক জবৰদস্তি কৰি হাচাঙলৈ বিয়া দি দিলা। তাইৰ জীৱনটো তুমিয়েই খালা।' য়াপাৰ কথাত য়াকাং বুঢ়ীৰ মনটো সেমেকি গ'ল। 'য়ালু, নাকান্দিবা। কান্দি কি লাভ? মই আজিয়েই বিদা আৰু হিন্দাৰ সৈতে তোমাৰ আৰু হাচাঙৰ বিষয় লৈ কথা পাতিম। হাচাঙে বদমাছি কৰিলেই হ'বনে?' মাকে ক'লে।

মাকৰ কথা শুনি য়ালুৱে কান্দিবই এৰিলে আৰু পুনৰ বায়েক য়াপাৰ সৈতে কামত লাগিল।

গেছ ষ্টোভ লৈ হিন্দা আহি পোৱাত য়াপই ঘৰৰ এচুকত এখন টেবুল ৰাখি তাত গেছ ষ্টোভ স্থাপন কৰিলে। তাৰপিছত চিলিণ্ডাৰটো ষ্টোভৰ সৈতে সংযোগ কৰি ক'লে— 'মা, চাহ খাবৰ মন গৈছে, ঘৰত চাহপাত আছেনে?'

য়াপাৰ কথাত হিন্দাই ক'লে, 'এয়া ল'।' 'মই বজাৰৰ পৰা লৈয়ে আনিছো আৰু এইখিনি চেনি। য়াপাই চাহ বনাই সকলোকে দিলে। চাহ খাই থাকোতে য়াকাং বুঢ়ীয়ে হিন্দাক ক'লে— 'তুমি কথাটো শুনিছানে নাই?' 'কি কথা মা?' কুকুৰা দুটা মাৰিবলৈ লৈয়ে হিন্দাই সুধিলে। 'সৰু জোঁৱাই হাচাঙে বোলে য়ালুক এৰি কোনোবা বেলেগ গাভৰুৰ সৈতে লেটিপেটি কৰিছে। মাকৰ কথা শেষ হোৱা মাত্ৰই হিন্দাই খঙত ক'লে, 'সি হাৰামজাদা আৰু আগবাঢ়কচোন, মই এইদৰে তাৰ ডিঙি মুচৰি ছিঙিম।' কথাষাৰ কৈ থাকোতে হিন্দাই এটা কুকুৰা মুচৰি ধৰিলে। 'ওঁ তেনেদৰে মাৰি য়ালুক বিধৱা কৰিবি নেকি?' য়াপাই ইতিকিং কৰি ক'লে। য়াপাৰ কথাত হিন্দাই ক'লে, 'ৰ' সময় আহিব দে।'

ভাত খাবৰ বাবে সকলো যোগাৰ কৰি ভালদৰে মুখ হাত চাফা কৰি ভাল কাপোৰ পিন্ধিলে। দুপৰীয়াৰ আগে আগে য়াকাং বুঢ়ীহঁতে বাহিৰত গাড়ী এখন ৰোৱাৰ শব্দ শুনিলে। য়াকাং বুঢ়ীয়ে বাহিৰলৈ গৈ অতিথিক আদৰি আনিলে। তাৰপাছত বিদাই ঘৰৰ সকলোকে চাহাবৰ লগত চিনাকি কৰাই দিলে। অলপ সময়ৰ পিছত চাহাবজনক ভাত খোৱা টেবুললৈ লৈ গ'ল। আৰু বিদাই চাহাবক ভাত খাবলৈ অনুৰোধ কৰিলে। বিদাই পুনৰ ক'বলৈ আৰম্ভ কৰিলে, 'ছাৰ, এয়া আমাৰ থলুৱা নিমখ খালে ভাগৰ নালাগে। চাহাবজনে আঙুলিৰে অলপ নিমখ লৈ খাই চাই মুখ বিকটাই দিলে আৰু উঠি গৈ বাৰান্দাত থু পেলাই নিজৰ বটলৰ পানীৰে মুখ ধুই উভতি আহি বহিল। য়ালুয়ে এটা কাপত লাউপানী আনিলে আৰু য়াপাই এখন কলপাতত কুকুৰাৰ মাংস আনিলে। লাউপানী দেখি বিদাৰ চাহাবে বিদাক সুধিলে, 'এইটো কি বস্তু'? চাহাবজনৰ কথাত য়ালুৱে মাত লগালে, 'এয়া লাউপানী, খাওক ছাৰ।' বিদাৰ চাহাবে বুজি নোপোৱাত বিদাই ক'লে, 'ছাৰ এয়া হৈছে, ঘৰত তৈয়াৰ কৰা এবিধ মদ। আমাৰ গাঁৱত আলহী আহিলে প্ৰথমতে ইয়াকে যচা হয়। আমাৰ ইয়াত চাহ খোৱাৰ প্ৰচলন খুব কম। আগতেতো ইয়াত চাহ নাখাইছিলেই আজিকালিহে চাহৰ প্ৰচলন অলপ হৈছে। বিদাৰ চাহাবক দিয়া লাউপানী চাহাবজনে হাতেৰেও নুচুলেও আৰু কুকুৰাৰ মাংসখিনিও নাখালে তেওঁ কেৱমাত্ৰ নিজে অনা বটলৰ পানীহে খাবলৈ ধৰিলে। চাহাবজনে একো নোখোৱা দেখি য়াকাং বুঢ়ীয়ে য়াপাক চাহ বনাই আনিবলৈ ক'লে। য়াপই চাহ কৰি আনিলে কিন্তু চাহাবজনে চাহখিনি দূৰৰ পৰাই চাই থাকিল। শেষত চাহাবে চাহকাপ অলপমান খাইছিলহে মাথোন তেতিয়া তেওঁ ক'লে— 'এইয়া গৰুৰ গাখীৰ নে?' 'নহয় পাউডাৰ গাখীৰ'। — য়াপাই ক'লে। য়াপাৰ কথাত বিদাৰ চাহাব প্যাৰেলাল শ্ৰীবাস্তৱে ক'লে, 'গৰুৰ গাখীৰ নাখায় নেকি? তেতিয়াহ'লে গৰু কিয় পুহিছে?' বিদাই শ্ৰীবাস্তৱৰ কথাত উত্তৰ দিলে 'ছাৰ, মাংস খাবৰ বাবে।' 'আপোনালোকে কি গো-মাংস খায়? আৰু কি কি জন্তুৰ মাংস খায়?' 'আমি আপাতানি সকলে সকলো জন্তুৰে মাংস খাওঁ। আমি নোখোৱা জন্তু সংসাৰত নায়েই।' — বিদাই গৰ্বৰে ক'লে। বিদাৰ কথা শুনি শ্ৰীবাস্তৱে প্ৰশ্ন কৰিলে, 'বান্দৰ, কুকুৰ আদিৰ মাংস ৰন্ধা-বঢ়া কৰেনে?' 'হয় ছাৰ ঘৰতে ৰান্ধো।' —বিদাই উত্তৰ দিলে। ঘৰত সোমোৱাৰ পৰাই এনেই শ্ৰীবাস্তৱ চাহাবৰ অলপ ঘিন লাগি আছিল যদিও বান্দৰ, গৰু, কুকুৰ আদিৰ মাংস ঘৰতে ৰান্ধে আৰু খায় বুলি জানি তেওঁৰ ঘিণ দুগুণে বাঢ়িব ধৰিলে। এনেকৈ ঘিণ বাঢ়ি যোৱাত চাহাব শ্ৰীবাস্তৱে আৰু তাত ৰখি থাকিব নোৱাৰিলে। তেওঁ ওলাই আহোঁতে বিদাক কৈ গ'ল — 'মোৰ পেট বেয়া লাগি আছে। মই একো নাখাওঁ। আপুনি ভাত খাই লওক।'

'তোমাৰ চাহাবে আমাৰ খোৱা বস্তুবোৰক ঘিণ কৰিছে 'বিদা' — য়াকাং বুঢ়ীয়ে দুখত কৈ উঠিল। 'নহয় মা, তেওঁৰ পেট হেনো বেয়া। সেই কাৰণে একো খাব খোজা নাই।'

বিদাই কৈফিয়ৎ দিয়াৰ চেষ্টা কৰিলে। 'মোক মিছা কথা নক'বা। মই তেওঁক বহুত সময়ৰ পৰাই লক্ষ্য কৰি আছো। তেওঁৰ মুখত ঘৃণাৰ ভাৱ এটা বিৰিঙি উঠিছে।' য়াকাং বুঢ়ীৰ মাতক চেৰ পেলাই বাহিৰত শ্ৰীবাস্তৱে জোৰে জোৰে ওৱাক ওৱাক কৰি বমি কৰিবলৈ যত্ন কৰাৰ শব্দ ভাঁহি আহিল। লগে লগে বাৰান্দাত বহি থকা শ্ৰীবাস্তৱৰ ড্ৰাইভাৰ ভিতৰলৈ সোমাই আহি ক'লে— 'ছাৰে অলপ পানী খুজিছে।' বিদাই শ্ৰীবাস্তৱৰ পানী বটলটোলৈ চালে। নাই, পানী শেষ। গতিকে য়ালুৱে ভাতৰ স'তে খাবলৈ ৰাখি থোৱা পানীৰ জগটো ড্ৰাইভাৰৰ হাতত তুলি দিবলৈ লৈছিলহে মাথোন, য়াকাং বুঢ়ীয়ে লগে লগে বিদাৰ হাতৰ পৰা জগটো কাঢ়ি খঙত চিঞৰি উঠিল— 'যি অতিথিয়ে গৃহস্থৰ ঘৰৰ বস্তু খাবলৈ ঘিণ কৰে, সেই ঘৰৰ পানী খাবলৈ তাৰ অধিকাৰ নাই। তোমাৰ চাহাবে মোৰ ঘৰৰ বস্তু খাবলৈ ঘিণ কৰিছে। তেওঁ কিয় এই ঘৰৰ পানী খাব? নোৱাৰে খাব তেওঁ এই ঘৰৰ পানী।' ◆



গল্প সোণালী


# এটা উত্তৰবিহীন প্ৰশ্ন

শ্ৰীমতী দেৱযানী গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ
প্ৰথম ষাণ্মাষিক

**ৰ**শ্মি ................, আচম্বিতে শুনা মাতটোত তাই ৰৈ গ'ল। তাইৰ নাম ধৰি গুৱাহাটী মহানগৰীত কোনে মাতিছে? তাইৰ ভাৱ হ'ল ধুসৰ হৈ যোৱা অতীতৰ পৰা যেন হাত বাউলি মাতিছে, তাইৰ এটি চিনাকি মাতে। ঐ তই ৰ'চোন, আকৌ মাতিছে। তাই অদূৰত দেখা পালে মৌমিতাক। তাইৰে একালৰ বান্ধৱী মৌমিতাক। তাই ৰৈ দিলে, মনটোৰ আকুল আহ্বানত। বহুদিন আগতে ভাঙি যোৱা বিশ্বাসৰ ভেটিটোত ভৰি থৈ মৌৰ চকুযোৰ চলচলীয়া হৈ উঠিল। কোনেও নমতাকৈ ইজনীয়ে সিজনীক চাই আছে। মৌমিতা কান্দি উঠিল, এইজনী সেইজনী ৰশ্মি হয় জানো? প্ৰতিবাদী, যুক্তিবাদী, জেদী মনৰ। তাই যেন বহু পৰিৱৰ্তন হ'ল। শান্ত, নিৰ্মল, প্ৰশান্তিৰে ভৰপূৰ দুচকুত দেখা পালে দুটোপাল অশ্ৰু।

বহু সময়ৰ পাছত মৌমিতাই প্ৰশ্ন কৰিলে, ক'লৈ আহিছিলি? ভন্টিক হোষ্টেলত থ'বলৈ আহিছিলো, ৰশ্মিৰ পোনপটীয়া উত্তৰ। ব'ল আমাৰ ঘৰলৈ মৌমিতাৰ কাতৰ অনুৰোধ। মৌমিতাৰ বহু কথা ক'বলৈ আছে তাইক। তাই গুচি যোৱাৰ পাছত সিহঁতৰ জীৱনত ঘটা কিছুমান ঘটনাৰ কথা। যিবোৰ জানিলে হয়তো মৌৰ প্ৰতি থকা অভিমানবোৰ গলি যাব।

বাৰে বাৰে হাৰি যায় ৰশ্মি জীৱন যুঁজত। কিয় এনে হয়? কেৱল আদৰ্শৰ খাতিৰতে নিজকে সকলোতে উছৰ্গা কৰিব নোৱাৰে তাই। বৰ্তমান সমাজত নাৰীৰ মৰ্যদা হানি হ'লে তাইৰ আত্মা কান্দি উঠে। পুনৰ বাঁহ লয়হি একেই পুৰুষৰ প্ৰতি অশ্ৰদ্ধা, ঘৃণা আৰু বিতৃষ্ণাই। সৰুৰে পৰা পুঞ্জীভুত হোৱা ক্ষোভবোৰ নাইকিয়া হৈছিল তাইৰ জীৱনৰ পৰা যৌৱনৰ দুৱাৰদলিত। কাৰণ তাই প্ৰেমত পৰিছিল, প্ৰাঞ্জলৰ প্ৰেমত। যেতিয়া তাইৰ এই অশ্ৰদ্ধাবোৰ সীমাহীন ভালপোৱাৰে



পৰিৱৰ্তন হৈছিল। কিন্তু সময়ে তাইৰ মনত আকৌ দৃঢ় কৰি দিছিল, সেই ভাৱে যে পুৰুষ বিশ্বাসঘাতক। তাইক মৈত্ৰেয়ীয়ে বাৰে বাৰে বুজাইছিল, সকলো একে নহয় ৰশ্মি, এতিয়াও সমাজত নাৰীক শ্ৰদ্ধা কৰা অনেক পুৰুষ আছে। নহয়, তাইৰ ভাঙি যোৱা বিশ্বাসবোৰক পুনৰ প্ৰতিপাল কৰিব বিচৰা নাছিল। বিয়াৰ প্ৰস্তাৱ একেমুখে প্ৰত্যাখ্যান কৰিছিল। মাক-দেউতাক ভাগৰি পৰিছিল। তাই দেউতাকক কৈছিল, “মই অকলে জীয়াই থাকিব পাৰিম দেউতা।” বিবাহ শব্দটোৰ প্ৰতি তাইৰ জন্ম হৈছিল বিতৃষ্ণা। কাৰণ তাই চকুৰ আগতে তিলতিলকৈ পুৰুষৰ হাতত জহি পমি যোৱা দুজনী নাৰী মূৰ্ত্তিক দেখিছে। যিদিনা পেহীয়েকজনী চিৰদিনৰ কাৰণে আহিছিল মাতৃগৃহলৈ। সিদিনা দুচকুত অশ্ৰুৰে বাট নেদেখা হৈ ককায়েকক কৈছিল, সেই মৃত্যুসম যন্ত্ৰণাৰ কথা। তেতিয়া সপ্তম শ্ৰেণীত পঢ়ি থকা ৰশ্মিয়ে কান্দিছিল। পেহীয়েকক কৈছিল, “মই প্ৰতিশোধ লম পেহী, মই ইয়াৰ প্ৰতিবাদ কৰিম। সেই একে বাটেৰেই তাইৰ শিক্ষয়িত্ৰী মাহীয়েকজনী একমাত্ৰ তিনি বছৰীয়া ল'ৰাটোক লৈ ঘূৰি আহিছিল





পিতৃগৃহলৈ। তথাপি সিহঁত দুজনীয়ে উজ্বলাই ৰাখে স্বামীৰ সন্মানৰক্ষক শিৰৰ সেন্দুৰকণ।

জীৱনৰ সুন্দৰ বাটটিত বিশ্ববিদ্যালয়ৰ মজিয়াত ভাল পাই পেলাইছিল প্ৰাঞ্জলক। হৃদয় উজাৰি ভালপোৱা ল'ৰাটোৰেও ৰশ্মিৰ দৰে আউটডেটেড ছোৱালীক বিয়া নকৰালে। বিয়া কৰালে তাইৰ অন্তৰংগ বান্ধৱী মৌমিতাক। মৌমিতাৰ বিয়াৰ খবৰ পাইছিল স্মিতাৰ পৰা। বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ দিনা স্মিতাই কৈছিল সেই কথা, তাই সেইদিনাই ঘূৰি আহিছিল গুৱাহাটীৰ পৰা গাঁৱৰ ঘৰলৈ। তাৰ পাছৰ পৰা সম্পূৰ্ণ বেলেগ হৈ গ'ল তাই। প্ৰতিবাদী ছোৱালীজনী মৌন হৈ পৰিল।

কিছুদিনৰ পিছত এখন চিঠি আহিছিল প্ৰাঞ্জলৰ পৰা। দেউতাকৰ বাবে তাইক বিয়া নকৰোৱাৰ কথা জনাইছিল। তাৰ পিছৰখিনি নপঢ়িল, টেবুলৰ ড্ৰয়াৰতে সোমাই আছে। তাইক টেলিফোনত যোগাযোগ কৰিব নোৱাৰি মৌমিতাই এখন চিঠি পঠাইছিল। তাই খুলি চোৱা নাই। তেনেকৈয়ে আছে.....। এনেকৈয়ে তাই জীয়াই আছে। শিক্ষয়িত্ৰীৰ চাকৰিটো পোৱাৰ পিছত তাইৰ জীৱনৰ অংকটো মিলাই চোৱা নাই। আজি মৌমিতাক লগ পাই জীৱনৰ অংকটোত আউল লাগিল ৰশ্মিৰ।

চাহকাপ খায়েই মৌমিতাৰ ঘৰৰ পৰা আহিবলৈ ল'লে তাই। ওহোঃ মৌৰে নিদিয়ে। প্ৰাঞ্জল আহকচোন অফিচৰ পৰা। অনুতাপত দগ্ধ দুটি জীৱনক চাই যাবলৈ মৌমিতাৰ অনুৰোধ। প্ৰাঞ্জল প্ৰতাৰণাৰ অনুতাপত দগ্ধ আৰু মৌ বান্ধৱীৰ বিশ্বাসৰ ভংগৰ দোষত দগ্ধ। দুয়োটা কেৱল জীয়াই থাকিবৰ কাৰণেহে যেন জীয়াই আছে। ৰশ্মিৰ ওচৰলৈ ক্ষমা খুজিবলৈ যাবলৈ সাহস নাই সিহঁতৰ। হঠাতে গেট খোলাৰ শব্দ হ'ল। ড্ৰয়িং ৰুমৰ দুৱাৰদলিত প্ৰাঞ্জল ৰৈ গ'ল তাইক দেখি, অতীত হৈ যেন ৰশ্মি নামৰ ছোৱালীজনী আহিছে। তাৰ দুচকু সেমেকি উঠিল, সিক্ত চকুযোৰে যেন তাইক কৈছে “মোক ক্ষমা কৰি দিয়া।” ক্ষমা বাস্তৱৰ দুৱাৰদলিত তাই যেন উজুটি খালে, তাই ঘূৰাই আনিব পাৰিব জানো সেই বিশ্বাস, সেই ভালপোৱাক। এটা উত্তৰবিহীন প্ৰশ্ন তাইৰ বাবে। ◆

(মৰমৰ মাহী আৰু পেহীৰ হাতত শ্ৰদ্ধাৰে)


আপোনাবিলাকৰ
হঃ
হেৰ',
কিয়?







কবিতা

# আহ্বান

শ্ৰীমতী সাগৰীকা সন্দিকৈ
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা

মানুহে  মানুহক কৰিছে বধ
মানুহৰ শান্তিৰ বাবে।
নৈতিকতাৰ বান্ধ খহিব ধৰিছে।
শাসক গোষ্ঠিৰ ভৰত।
শান্তিৰ প্ৰতীক কপৌজাকে ভয়তে ।
আহাৰৰ ঠাইত পাইছে মৰাশ।
ফেঁচাৰ কিৰিলিত আকাশ হৈছে
ধুসৰিত।
শিপিনিৰ শালত ৰখা আচুৰ ঠাইত
কেচাঁ তেজে লৈছে সাজঁ
এনেখন কাপোৰ লৈয়ে
ৰাইজৰ মাজত ধৃত প্ৰজাজনে
বিচাৰিছে ; হবলৈ ৰজা
নহ'ব
চলনাৰ হাতত সময়ক নোৱাৰি এৰিব
আহা মানুহৰ দল
মানুহৰ ভাষাৰে আমি কথা পাতো।

****






# এপিয়লা নীলা আবেগ

প্ৰণীতা কলিতা
সহঃ অধ্যাপিকা
শিক্ষাতত্ত্ব বিভাগ


এক শূণ্য অনুভৱত
ক্ৰমাৎ হেৰাই যাব বিচাৰে জীৱনৰ সত্বা।
যি শূণ্যতাত থাউনি হেৰায়
পোৱা, নোপোৱা আৰু পাই হেৰুৱাৰ গাথাঁসমূহ।
জিকাৰ খাই উঠে আউঁসীৰ আন্ধাৰবোৰ।
এজাৰ ফুলীয়া বিষাদত
মোচৰ খাই উঠে হৃদয়ৰ সেউজবোৰ।
টোপ টোপ বৰষুণত সৰি পৰে
ল'ৰালিৰ অবুজ হাঁহিবোৰ।
ধূসৰিত ধূলিময় পথত
পৰি ৰয় সোঁৱৰণিৰ ক্ষণবোৰ।
এজাক ধুমুহাৰ অত্যাচাৰত সৰিপৰা পাতখিলা
আকাশৰ অকলশৰীয়া পখিটি
দূৰৈৰ মন্দিৰৰ বৈ বৈ ভাহি অহা ঘণ্টা ধ্বনি,
সকলোতে যেন থমকি বাজে
শূণ্যতাৰ সুৰ এটি।
সেই শ্বাস্বত অনুভৱত
ত্ৰমাৎ হেৰাই যাব বিচাৰে —
জীৱনৰ সত্ত্বা।

****

# সময়ৰ বালিত স্পৰ্শৰ কলম

শ্ৰীপবিত্ৰ চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

*মোৰ কলমৰ নিপ্‌বোৰ*
*লহপহকৈ বাঢ়ি আহিছে।*
*যেন গাভৰুৰ যৌৱনৰ উমানহে পাইছে*
*যৌৱনৰ মাদকতাই কলমৰ সোৱাদ জোঙা কৰিছে।*
*তাই যেন এই যৌৱনৰ পৰশতেই*
*কলমৰ মিঠা সোৱাদ অনুভৱ কৰিছে।*
*কিন্তু! মোৰ কলমৰ শিপাহবোৰ*
*আজিকালিকৈ কোঁচ খাই আহিছে।*
*সেয়ে, সময়ৰ সোঁতত বিলিন হৈ পৰিছে*
*বৰ্তমানৰ এই ৰঙিন কলমবোৰ।*
*যাৰ শিপাবোৰে শিপাহবলৈ*
*ঠাই বিচাৰি পোৱা নাই।*
*সেয়ে মই আজিকালি নিজেই*
*কলমৰ নিপ্‌বোৰ জোঙা কৰিছো।*
*যাতে এই জোঙা নিপবোৰে*
*কাৰোবাৰ অন্তৰত আঘাত হানিব পাৰে*
*কাৰোবাক হত্যা কৰিব পাৰে।*
*নিপ্‌বোৰৰ আগত বিৰিঙী থকা চিয়াঁহীবোৰ*
*যাতে শুকাই নাযায় তাৰ প্ৰতি*
*মই মোৰ চিয়াঁহীৰ ৰং ৰঙীণ কৰিছো।*
*সেই গাভৰু বিলাকে কৰা জোঙা*
*মম্ বোৰৰ দৰে।*
*মোৰ কলমৰ নিপবোৰ*
*দিনক দিনে জোঙা হৈছে।*
*কাৰোবাৰ বাধাত যাতে মোৰ*
*কলমৰ নিপ্‌বোৰ ভাঙি নাযায়*
*তাৰ বাবে মই আজি-কালি-*
*নিজে কৰোঁ বুলি কলমৰ নিপ্ জোঙা কৰিছো।*
*বৰ্তমান আৰু ভৱিষ্যতৰ বাবেহে*
*মোৰ এই জোঙা কলমৰ নিপ্‌বোৰে*
*এটি নতুন পুৱাৰ বাবেও আশা কৰিছে।*



*যাৰ বাবে এই জোঙা নিপ্‌বোৰে*
*লৈ আহিব নতুন পুৱাৰ ৰেঙণি।*
*সেয়ে আজি কলমৰ নিপ্‌বোৰ*
*বেছি জোঙা হৈ উঠিছে।*

****






# তোমাৰ জন্মদিনত

ননীমাধৱ ফুকন
প্ৰাক্তন ছাত্ৰ।

*তোমাৰ জন্মদিন*
*সময় ২৯ চেপ্তেম্বৰ, ২০১১*
*শৰতৰ উমাল সন্ধিয়া উন্মনা হৈ থকা*
*যেন এচপৰা মেঘ এই সময়,*
*এই যে বৰষিব, চুমা আঁকি যাব, শুভেচ্ছা যাচি যাব,*
*সেউজীয়া পাহাৰ এখন হৈ জী উঠিবা তুমি*
*তাৰ সিপাৰে জন্ম হ'ব পোহৰ ......... বেলি, নক্ষত্ৰ,*
*ৰঙাকৈ কৃষ্ণচূড়া ফুলিব, ৰঙাকৈ গোলাপ ফুলিব,*
*তোমাৰ কপালেদি ৰঙা পদূলি আঁকি ফুলিব সময়;*
*ফুলিব হাঁহি,*
*আন্ধাৰৰ কুঁৱলী, কুঁৱলীৰ ফাঁকেৰে এই পাহাৰ খনেই*
*তৰাফুলৰ বাগিছা এখন হৈ ফুলিব ৰাতি,*
*নৈ এখনৰ দৰে শিপাব, নৈৰ পাকনিত ঢৌ উঠিব*
*গান হৈ কল্লোলিত হ'ব, নিজৰি নিজৰি*
*বুকুয়েদি উঠা নমা কৰা এটি উশাহৰ দৰে,*
*যেন এটি সৰ্পিল ফল্গুধাৰা তোমাৰ এই জন্মদিন*
*তোমাৰ ধুনীয়া চকুহালৰ সম্মোহনত সি বনজুই হৈ*
*ফিৰিঙি থাকিব;*
*নৈ লৈ হালি যোৱা বাহঁনি ডৰা চোৰা*
*সেউজীয়া চুলিকোচা তিয়াইছে,*
*দুপৰীয়াটোয়ে হাল কোৰ সামৰি গছৰ ছাঁত ক্ষন্তেক*
*জিৰাইছে, চাই আছে গাভৰু জাকলৈ,*
*আৰু হঠাৎ মনত পেলাইছে,*
*আজি ২৯ চেপ্তেম্বৰ, ২০১১ তোমাৰ জন্মদিন*
*মটিয়া মেজাংকৰি পিন্ধা পথাৰৰ আলিটোয়ে*
*দুপৰীয়াৰ চোকা ৰ'দ জাক ভাল পাই —*
*তাতে গাত মেৰিয়াই লৈছে হাওলি পৰা সোণোৱালী*
*হেপাঁহৰ থোক —*
*ৰ'দে বৰষুণে জপিয়াই জপিয়াই পাৰ হৈছে সময়,*
*বতাহে বতাহে বানপানীৰ দৰে বৰ কোবা কোবিকৈ*
*এন্ধাৰ সোমাইছে,*
*কোনোবা দূৰ প্ৰান্তত আকাশৰ ঢৌ উঠিছে —*



*এহালিছা খেতিৰ ধান বেচা ধনেৰে নিমখ তেলৰ বজাৰখন*
*ঘৰমুৰা চাইকেলৰ কেৰিয়াৰত গধূৰ হৈছে —*
*তাকে কাঢ়িয়াই সন্ধিয়াটো তোমাৰ ঘৰৰ ফালে গৈ আছে —*
*সুৰ এটাৰ সতে —*
*গৈ আছে অজস্ৰ প্ৰাৰ্থনা, পাছে পাছে এজাক সপোন*
*ঘৰমুৰা বাটত গৰখীয়াজনে সুধিছে —*
*জাকৈ মাৰি উভতা ছোৱালীজনীয়ে সুধিছে —*
*পথাৰৰ পৰা উভতা কৃষক জনেও সুধিছে —*
*"এতিয়া কিমান সময়, বাটৰুৱা"*
*"আজি ২৯ চেপ্তেম্বৰ, ২০১১ সময় শুভ জন্মদিন"*

****

# 'ৰ'দালিৰ মৃত্যু'

শ্ৰীমতী জুৰি দত্ত
প্ৰাক্তন ছাত্ৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়




কালিকা লগা সন্ধ্যা এটাও
শৈলুৰৈয়ে নিচুকাই থকা চোটাল এখন দেখুৱাই,
বাঁহ পাতেৰে উপচা উৰুখা মুধচটো দেখুৱাই কৈছিল-
জোনাকৰ তিনিটা বসন্তই
ইয়াত সেউজীয়া নদীত সা-ৰে-গা-মা-গায়।
কিন্তু, কোৱাতো নাছিলা ফাগুন
এন্ধাৰ আৰু এৰাবাৰীৰ কথা বোৰ.......
সোঁৱৰণি মেলি শুকান উচুপনি এজাক চোবাই থাকিলেই
তাক লঠঙা অৰণ্য বুলি নকয়
অথবা জাপিবও নোৱাৰি
এৰাসূঁতিৰ বালিচৰত বহল মৰভূমিৰ সংজ্ঞা!
অৱলা ফাগুন,আঘোণৰ কোৰাছেৰে কি মুকলি কৰিব
ৰ'দালিৰ বসন্ত মঞ্চ?
কে'কটাছ, বেদুইনৰ জীৱন গাঠাক
নিঃ সংগতাৰ গোপন বাটেদি ওলাই গ'লেই কয়নে,
ৰাতিৰ নাঙঠ চহৰৰ কবিতা ?
উৱলি যোৱা ঠিকনাবিহীন হৃদয়ত
কাঠফুলা গজিলেই জানো উভটি আহে
পুৰণি কথাবোৰৰ সেউজীয়া বৰষুণজাক?

সেইদিনা সুৱাগমনিক লগ পালোঁ
তাইক ক'লো-
কোৱাচোন,
গৰখীয়া ল'ৰাটোৰ পেটৰ ভোক মৰিলনে?
সি আৱলি এটা গুঠাৰ কথা আছিল
একৈশটা হেঁপাহৰ ছন্দ
আৰু বিয়াল্লিছটা ব্যথাৰ হুমুনিয়াহেৰে,
গুঠিল নেকি?
তাই ক'লে-
সেমেকা চুবুৰীটোৰ পৰা সেইদিনা
এন্ধাৰজাক চুলিমেলি ওলাই আহি
মেৰ খাই থকা ৰাতিটো মেলি ল'লে,কুঁৱলীবোৰ ভয়ত বৰফ
হ'ল,
সৰাপাতবোৰ আধাবাটতে থমকি ৰ'ল,
আৰু
আধামৃত বসন্ত তিনিটাই
ফেঁকুৰি গুচি গ'ল
কলংৰ পাৰত বাজি থকা ছিগা সুৰৰ মাজেদি!........
মই আকৌ সুধিছিলোঁ-
গৰখীয়া ল'ৰাটো???....
তাই ক'লে-
জানো, নাজানোঁ....

তাৰ পাছত,
জোনাকৰ খোৰাঙৰ পৰাও জুমি চাই দেখা নাই
ছাঁ-বোৰ দীঘল হৈ-হৈ হোৱা
ৰ'দালিৰ মৃত্যু!..

****





# অনুভৱ আৰু দুটা স্তৱক নিয়ৰৰ গান...


সৌৰভ চেতিয়া
প্ৰাক্তন ছাত্ৰ

কেচা আলিটোৰে নিয়ৰ উজায়
মন উজায় নৈ হয়
নিয়ৰৰ গান গুণ-গুণাই
বাঢ়ি আহে
ধান ফুলাৰ ৰাতি।

কহুৱা বোৰ উৰি গ'ল
সেউজীয়া পাতৰ কামিজ সিৰা
চৰাইজনীও উৰি গ'ল
পাখি কোবাই
এৰা; সৰা পাতৰ কামিজৰ তলত
জী থাকে জানোঁ সময়ৰ হৃদপিণ্ড।

****



# অপ্ৰকাশ্য বেদনা

শ্ৰীমতী ময়ুৰী বৰঠাকুৰ
স্নাতক প্ৰথম বৰ্ষ, শিক্ষা বিভাগ

উন্মাদনা এক অসহ্য যন্ত্ৰণা
অন্তৰৰ আচহুৱা কোনৰ
এক তিক্ত বিষাদ

হাঁহাকাৰ কৰে শব্দবোৰে
হাঁহাকাৰ কৰে বিষাদবোৰে
সিহঁত যে অপ্ৰকাশ্য

সীমাহীন সাগৰৰ ঢৌত উটি যোৱা
দিশহাৰা জাহাজৰ দৰে
প্ৰানৰ মমতাত ব্যাকুল হোৱ
নাৱিকৰ দৰে
শব্দবোৰে, বিষাদবোৰে যেন
বিশাল প্ৰতিধ্বনি তোলে
হিয়াৰ ওপঙা শিলত
খুন্দা মাৰি...........
য'ত প্ৰকাশ পায় এক অবুজ বেদনাৰ চিন
উন্মাদনাত যেন সৃষ্টি হয় বিভ্ৰান্তি....।


****


## সুখবোৰ বাটৰুৱা ...........

ৰিতুপৰ্ণা শৰ্মা
স্নাতক প্ৰথম যান্মাষিক
শিক্ষা বিভাগ

*সুখবোৰ বাটৰুৱা জান?*
*আমালৈ ৰিংটো মাৰি পুনৰ আপোন বাট বুলে*
*থমক্ মাৰি নিজকে এবাৰ চাই*
*নাদৰ ফতিক পানীত*
*মোৰ চোতালৰ ঘুৰণীয়া জোনটো*
*তোৰ চোতালতো ওলায়*
*নঙলামুখৰ সুৰকীয়া আলিটোৰেদি*
*পলৰীয়া ভাৱবোৰ নাজানো ক'লৈ যায়*
*আঁটি বন্ধা জপনাখন দেই যাব নোৱাৰি*
*অভিমানবোৰেও ডিঙিৰ পোৱালমণি আঁজুৰি ছিঙে*
*বাঁহতলৰ নিজানত*
*জেকা ঘাঁহনিৰ জোপোহাত অকলে*
*গধুলিটোৱে দোতোৰা বজায়..........*
*পানীপচাত গলি গলি বুকুখন আকৌ চোন বাখৰ হৈ পৰে।*

****





## যান্ত্ৰিক জীৱন

শ্ৰীদিব্যজ্যোতি গগৈ
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা

*হৃদয়বোৰ গোটমাৰি হৈছে মেচিনলৈ পৰিবৰ্তন*
*চুইছ টিপি জনাইছে ওৱেলকামৰ সম্ভাষণ*
*কেচামাটিৰ গোন্ধ থকা পথটোত*
*যান্ত্ৰিকতাই....................... ...*
*আলকতৰাৰ তৰপ সানিছে*
*ঘৰবোৰ ইটা বালিৰ বেৰ গাঠি*
*নগৰবোৰত.......................*
*কংক্ৰিটৰ ঘৰে যেন আকাশহে চুব খুজিছে।*
*আগবাঢ়িছে কম্পিউটাৰ কাষলৈ*
*ইফালে সিফালে মানুহৰ কোৱাল গতি*
*এই....................................*
*খোজবোৰে যেন তুলিছে*
*মেচিনৰ এক প্ৰকাণ্ড ধ্বনি।*
*কোনোবাই খোজ লৈছে অফিচলৈ*
*আকৌ................................*
*কোনোবাই খোজ লৈছে কলেজলৈ*
*পথৰ কাষৰ ভিক্ষাৰী জনে*
*দুহাতমেলি ৰৈ আছে,*
*অথচ...........................*
*দেখা নাই নে চোৱা নাই।*
*কোনোৱে কালৈও চোৱাৰ*
*সময় নাই।*

****





## শৰৎ

শ্ৰীশৰত কুমাৰ গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

শৰৎ তোমাক স্বাগতম
প্ৰতিটো ক্ষণ, প্ৰতিটো পল,
কেৱল তোমাৰ বাবে,
তোমাৰ সুভাষ,
তোমাৰ স্বপ্ন,
কেৱল মোৰ বাবে।
দহো দিশ আমোল মোল,
কেতেকী , শেৱালিৰ গোন্ধ,
অন্তৰৰ প্ৰতিটো ভাৱমূৰ্ত্তি,
তোমাৰ বাবে।
হেৰুৱা অতীতৰ স্বপ্নবোৰ,
শৰৎ তোমাৰ বাবে।
শৰৎ তুমি নাযাবা,
তোমাৰ মৃত্যু নাই,
ক্ষণ-পল গণি তুমি,
তুমি পথ আৰু যোৱা
মুহূৰ্তৰ বাবেও মোৰ মন প্ৰান-
কান্দি উঠে।
শৰৎ তোমাৰ বাবে।
তোমাৰ স্বপ্ন,
মোৰ বাবে বাস্তৱ।
তোমাৰ স্বপ্ন,
মৰহি যাবলৈ ,
নিদিওঁ শৰৎ,
নিদিওঁ কেতিয়াও,
এয়া মোৰ ধ্ৰুৱপ সত্য।
প্ৰতিজ্ঞা কৰিছো শৰৎ,
তোমাৰ ৰেহ-ৰূপ,
মোৰ বাবে চিৰস্মৰণীয়।
শৰৎ তোমাক,
পুনৰ স্বাগতম।

****



## GOD

**Sri Nabajyoti Khandadhara**
**T.D.C 1st Semester**

*God is the light*
*we love*
*Nobody knows God*
*What is he?*
*Who is he?*
*Nobody knows*
*Who is God?*
*Nobody knows too,*
*How to know*
*About the God?*
*I say are you also*
*Say it like other*
*It is the word 'God'*
*It turned into flash*
*and*
*Dwells among us,*
*Dwells among all.*
*Its may know about God*
*by*
*The self-realisation*
*That we are living our life*
*By the living life we*
*Know about God and know*
*You also ..................... It's reality.*

****

# In search of.......

**Miss Porishmita Buragohain**
**B.A. 2nd Semester**
**Deptt.of English.**

*The unsolved question disturbs me*
*when I'am alone,*
*and I find myself*
*in an isolated corridor.*
*But why? because I love solitarity*
*may be not.*
*Hey, "my beloved"........*
*You can see the sky*
*from my eyes,*
*enjoy the landscapes*
*from my heart,*
*But,*
*Can't find myself in my smiles.*
*It is ridiculous when I think.*
*about my existence.*
*My heart becomes shake,*
*increasing my heart-beat.*
*Tired of searching myself*
*in my existence.*

*But still,*
*I am eagerly waiting*
*for the moment ,*
*when I would be able to*
*find a better 'me'*
*and an appropriate answer*
*of that unsolved question.*

****




# উত্তপ্ত চকুলো

শ্ৰীঅমৃত প্ৰধান
স্নাতক দ্বিতীয় বৰ্ষ

*ক্ষনিকৰ মুষলাধাৰ বৃষ্টিপাতে*
*বুৰাই পেলাইছিল পথৰ কাষৰ*
*আৱৰ্জনাৰ দ'মবোৰ।*
*ঠিক তেতিয়াই নলাৰ স্থবিৰ নীৰে*
*সাৰ পাই উঠিছিল,*
*আইৰ সুধাকণ্ঠত সাৰ পাই উঠা*
*নিদ্ৰাৰত শিশুৰ দৰে।*
*পথৰ কাষৰ আৱৰ্জনাবোৰে*
*সোঁতৰ উপদেশ পালন কৰিছিল*
*একান্ত বাধ্য ছাত্ৰৰ দৰে।*
*এতিয়া.........*
*আৰু আকাশৰ কতো নাই*
*বিষাদৰ ছাঁ।*
*অৰুণে পুতৌৰ হাঁহি মাৰিছে*
*আকাশলৈ চাই*
*কিন্তু, সি জানো টুকিছে*
*কেতিয়াবা বিষাদৰ এটুপি উত্তপ্ত চকুলো?*

****





# মোৰ অনুভৱ

শ্ৰীসঞ্জীৱ শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ
ৰাজনীতি বিভাগ

*এক অবুজ শিহৰণত মোৰ হিয়াখন কঁপি উঠে,*
*যেতিয়া মোৰ মনত পৰে বিদায় মুহূৰ্তৰ কথাবোৰ,*
*যেতিয়া মোৰ মনত পৰে সৌ তাহানি এৰি অহা দিনবোৰ,*
*এৰি অহা সমনিয়াবোৰ আৰু বহুত ঘটনা।*
*বিদায় মুহূৰ্তই দি যায় মোক মাথো বেদনা,*
*সহিব নোৱাৰা এক যান্ত্ৰণা।*
*মই মাথো দি আহিলো বিদায়,*
*মোৰ নিজতকৈ ভালপোৱা আপোনজনক,*
*মৰম চেনেহেৰে ভৰা দিনবোৰক,*
*মই মাথো দি আহিলো বিদায়।*
*আজি মাথো অনুভৱ হয় মই*
*নোৱাৰিলো কাকো ধৰি ৰাখিব,*
*নোৱাৰিলো কাৰো মৰম বান্ধিব,*
*চকুৰ আগতে আৰম্ভ হ'ল মোৰ*
*চকুৰ আগতে শেষ হৈ গ'ল,*
*মই মাত্ৰ নিৰৱ-নিথৰ হৈ চাই ৰলো*
*মই মাথো বিদায়হে দিলো।*
*মই মাথো বিদায়হে দিলো।।*

****




# মানুহে ভৰা গুদাম

শ্ৰীমতী প্ৰিয়ংকা শৰ্মা
প্ৰাক্তন ছাত্ৰী

*চাৰিও ফালে কেৱল গুলী বাৰুদৰ*
*গুৰুম গুৰুম শব্দ।*
*মাজতে কেইবাদিনো বন্ধ,*
*তাৰ পাছত আকৌ আৰম্ভ।*
*পৃথিবীখন যেন মানুহে ভৰি থকা গুদাম নহয়,*
*হয় মাথো গুলী বাৰুদৰহে।*
*য'ত অকনমানি জুইৰ ফিৰিঙতি এটা পৰাৰ লগে লগেই*
*আৰম্ভ হয় গুলী বাৰুদবোৰৰ উৎপাত।*
*উৎপাত কঁৰোতে কঁৰোতে সিহতেপাহৰি থাকে,*
*সিহঁতৰ কৰ্তব্য কি?*
*মাথো গুৰুম গুৰুম শব্দ কৰিবলৈ ধৰে জাউৰিয়ে জাউৰিয়ে*
*তাৰ ফলত হৈছে কি? ক্ষতি হৈছে কাৰ?*
*ক্ষতি হৈছে এই গুদামটোৰ,*
*য'ত সিহঁতে স্থায়ি ভাৱে থাকিবলৈ পাইছে।*
*এই পৃথিবীৰূপী মানুহৰ গুদামটো;*
*লাহে লাহে ধ্বংস হ'ব ধৰিছে,*
*ভূমিকমম্প হৈছে, চুনামী আহিছে, ধুমুহা আহিছে,*
*মানুহ-দুনুহ, ঘৰ-বাৰী উটোৱাই, ভাঙি ছাৰখাৰ কৰিছে,*
*কিহৰ বাবে? এই গুলী বাৰুদৰ বাবে।*
*আৰু নকৰিবনো কিয়?*
*প্ৰাকৃতি মহাজৈৱিক ক্ৰিয়াৰ দ্বাৰাই সৃষ্টি হৈছিল,*
*আমাৰ প্ৰকৃতি, ধৰিত্ৰি,আমাৰ এই মানুহবোৰৰ গুদামটোৰ,*
*গতিকে, প্ৰাকৃতিক দুৰ্যোগেহে ইয়াক ধ্বংস কৰাৰ অধিকাৰ পাইছে,*
*ৰাসয়নিক বিক্ৰীয়াৰ জৰিয়তে সৃষ্টি হোৱা গুলী বাৰুদে নহয়।*
*প্ৰকৃতিয়ে যি সিদ্ধান্ত লৈছে,*
*সেই সিদ্ধান্তই উচিত সিদ্ধান্ত।*
*মই প্ৰকৃতিৰ লগত একমত।*
*আৰু আপুনি.................. ??*

****

# জীৱন

সৌৰভ বৰ গোঁহাই
স্নাতক ষান্মাসিক
অৰ্থনীতি বিভাগ

(১)
থপিয়াই ধৰিব খুজিছিলো
আবেলিৰ ৰঙা বেলি.........
আকাশে হাঁহি মাৰি ক'লে
সপোনৰো পৰিধি আছে বুলি নাজানা নেকি?
(২)
ব'দ আহক বুলি
মেলি থওঁ মোৰ কোঠাৰ খিৰিকি;
যদিহে ডাৱৰে আকাশ,
হৃদয়ে কয়
দুখ হেনো জীপাল হয় বৰষুনত তিতি।
(৩)
এটা স্বপ্নৰ স'তে ব্যস্ত থাকে জীৱন......
পোহৰৰ বাট বিচাৰে
এন্ধাৰ কুটি কুটি;
ভৰি পৰা দুচকুৰে বুজায়
এন্ধাৰ নেদেখাজনে
বুজে জানো, পোহৰ মানে কিঙ্কঙ্কঙ্ক

****





# আহিনৰ বৰষুণ

অশোক নায়ক
উচ্চ মাধ্যমিক দ্বিতীয় বৰ্ষ

আহিনত ৰিঙিয়াই হৃদয়ত শাতদিয়া;
সীমাহিন আশাৰ শেষৰ বৰষুণ।

হৃদয়ৰ যত' যান্ত্ৰনাৰ গৃহ ভঙা বাবে;
যাৰ ওচৰত কৃতজ্ঞ মোৰ জীৱন।

বুকুৰ কুটুম আহিনৰ শেষ বৰষুণ;
মোৰ জীৱনৰ এক ৰঙীন দাপোন।
বৰষুণ জাকৰ আগমনৰ সময়ত;
এই ঠাই খনে নিজ অস্তিত্ব পাহৰে।

এই বৰষুণ টোপোল বোৰে সপোন ৰচে;
মোৰ এক সুন্দৰ সেউজ পৃথিবীৰ।

থাকিবা তুমিঙ্গ কিন্তু মোৰ দেহ ত্যাগ কৰিব
এই পৃথিবীৰ য'ত যন্ত্ৰনা ধুৱলৈ।।

****





# My college

By Samim Rajashree
H.S 1st yr (Arts)

*In a pleasent corner of Sonari,*
*Sonari college stands;*
*where hundreds of pupils come to learn,*
*To read, write and understand.*

*The pupils dress in black, white and green,*
*Marching toward the college with sanctity heart,*
*With a dream of future that shines so bright ;*
*And to fullfill the dream and shine like a shining starat night.*

*A college like temple.*
*with God like professors,*
*Whose teaching and guidance;*
*Make the purpose of learning.*

*Oh! Holy temple your powerful God,*
*How moulded me in the shape of wiseman;*
*So I will always be greatful,*
*For your blessing and guidance.*

****



# জ্ঞান মন্দিৰ

শ্ৰীমতী বৰ্ণালী গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ
স্নাতক তৃতীয় বৰ্ষ।

প্ৰণমো তোমাক
হে জ্ঞানমন্দিৰ
সোণাৰি মহাদ্যিালয়খনি,
ৰং বিৰিঙৰ নানা
জ্ঞানৰ দীপ জ্বলাই
ৰাখিছা উজ্জলাই
আমাক আজি।
হে জ্ঞানমন্দিৰ
যাচিছোঁ তোমাক
শত সহস্ৰবাৰ প্ৰণাম
দি যাম তোমাক আজি আমি
চিৰনমস্যৰ জয়গান।


****

# The Almighty God

**Miss Rajashree Kaushik**
**H.s. 1st yr.**

*'God' is always with you,*
*Whatever problem you have,*
*First of all share with him*
*He is your saviour, your solution....*
*So what to fear !! he is always with you.*
*His love is so mighty, faithful ... He will*
*Never love you if we all have the trust*
*And believe in him.*

****





# দুখৰ চিঠি আৰু তুমি

শ্ৰী ভাস্কৰ জ্যোতি হাজৰিকা
স্নাতক দ্বিতীয় ষান্মাষিক

*"জীৱনৰ নিমিলা অংকৰে লিখা,*
*দুখৰ আখৰ আৰু,*
*শোকৰ জৰীৰে গাঠঁা চিঠি এখনে,*
*এদিন.....*
*মোৰ ওচৰলৈ' আহি ল,*
*হাতত ধৰা চিঠিখনে বুকুত বগালে,*
*এনেদৰে,*
*চিঠিখনে পঢ়ি গ'ল জীৱনৰ পাঠ*
*আৰু অকস্মাতে গুচি গ'ল,*
*এৰি থৈ জনা নজনা বিষাদ।।"*

****







# Nagative Attitude

**Miss Bandita Dey**
**H.S. 1st year.(Arts)**

*If you think you are beaten, you are;*
*If you think you dare not, you don't;*
*If you want to win but think you can't*
*It's almost cinch you won't*
*If you think you'll lose you're lost,*
*For out in the world we find*
*Success begins with a fellow's will,*
*It's all in the state of mind*
*Life's battles don't always go*
*To the stronger and faster man*
*But sooner or later the man who wins,*
*Is the man who thinks he can.*

****





# দুখৰ স'তে 'কম্প্ৰমাইজ'

শ্ৰীমতী পৰিস্মিতা বুঢ়াগোঁহাই
স্নাতক তৃতীয় ষান্মাষিক
ইংৰাজী বিভাগ

*মই তেওঁৰ বাবে ৰৈ আছিলো*
*মোৰ জীৱনৰ সেউজীয়া কেকুৰিটোত।*
*আকাশৰ মেঘৰ মোহনাত এখন ছাঁয়াছবিয়ে*
*মোক উপহাস কৰিছিল।*
*বুকুত মোৰ সুপ্তহৈ থকা*
*সেই জুইকুৰা দপদপাই জ্বলি উঠিছিল।*
*ফিৰিঙতি হৈ উৰিবলৈ লওঁতেই*
*আহিছিল সেই বৰষুনজাক,*
*যিজাকে মোক এঙাৰলৈ পৰিণত কৰিছিল।*
*এঙাৰৰ শস্যৰ পৰা দুচকু মেলি আকাশলৈ*
*চাওঁতে দেখিছিলো পুনৰ সেই ছাঁযাছবি*
*কিন্তু এতিয়া আৰু সেই খন*
*ধূসৰ হৈ থকা নাছিল।*
*সেউজীয়া কেকুঁৰীটোৰ মই ধৰিব পাৰিছোঁ*
*সেই খন মোৰে প্ৰতিচ্ছবি,*
*আৰু মোৰ নিচে ওচৰত ৰৈ আছিল 'তেও'*
*যিজনে মোৰ জীৱনত ইতিমধ্যে*
*প্ৰৱেশ কৰিছিল, কোন তেওঁ?*
*তেওঁ জীৱনসমুদ্ৰৰ হাজাৰটা ঢৌ,*
*মোৰ জীৱনৰ চৰম সত্য....,*
*অন্য নাম 'দুখ'।*


****

# কবিতা

শ্ৰী নীতিশ চেতিয়া ফুকন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

*আন্ধাৰে কুটি খোৱা পৃষ্ঠাবোৰত
জোনাকৰ নামমাত্ৰ অৱশেষ
বিৰহত কান্দিছে তৰাই
ছিটিকি পৰিছে নিৰ্জনতাত
সিহঁতৰ তপত চকুলো
বৰষুণৰ অঘৰী টোপাল হৈ
ঠিক এটোপ,এটোপ, দুটোপ হৈ।*

****



# Easy v/s Difficult

**Satroghna Borah**
**T.D.C. 1st semester (Art's)**

*Easy is to get a place in someone's address book
Difiicult is to get a place in someone's heart
Easy is to judge the mistakes of others,
Difficult is to recognize our own
Easy is to talk without thinking,
Difficult is to refrain the tongue.
Easy to hurt someone who loves you,
Difficult is to heal the wound
Easy to forgive other,
Difficult is to ask for it.
Easy is to dream every night,
Difficult is to fight for a dream.
Easy is to show victory,
Difficult is to accept defeat with dignity.
Easy is to admire a full moon,
Difficult is to see the other side.
Easy is to show our love,
Difficult is to show it everyday.*

****









# আঁকিছে হৃদয়ে প্ৰেমৰ ছবি

শ্ৰীমতী উৰ্মিলা গগৈ
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

*শৰতৰ কোমল স্পৰ্শত
আঁকিছে হৃদয়ে প্ৰেমৰ ছবি
গোপনে জনাইছে সুখৰ বতৰা
শেৱালি চোন আকৌ ফুলিল।
দুৱৰি দলিচাত উমলিবলৈ
নিয়ৰৰ টোপাল বোৰক সপোন দিবলৈ।
কহুঁৱাৰ পাহি বোৰতো এতিয়া
ৰঙাজিএাঁৰ চঞ্চল পাখি
কঢ়িয়াইছে নাৱৰীয়াৰ বুকুত অংকিত
হৈ উঠা সপোন লাহী পাহি।
বুকুত গুজি দিছে গৰখীয়াৰ হেপাঁহত
জী উঠা চেঙেলীয়া মনৰ উদ্যাম বাঁহী।
জোনাকৰ স্বপ্ন সাৰদী ৰাণীৰ আগমন।
সাৰদী ৰাণীৰ স্বপ্ন জোনাকৰ বৰষুণত তিতাৰ।
শৰৎ দোভাগ ৰাতি আকাশত
পূৰ্ণিমাৰ বিশাল পোহাৰ
য'ত আঁকিছে হৃদয়ে প্ৰেমৰ ছবি
এখন শেৱালি কোমল হৃদয়ৰ
ৰঙীণ ছবি।*


****

# শৈশৱ

শ্ৰীমতী অলিম্পীকা বৰগোঁহাই
স্নাতক তৃতীয় বৰ্ষ

*স্মৃতিৰ পাকলগা বাটত
শৈশবৰ সোণালী দিনৰ দিনলিপি
বালিৰ ভেটা বান্ধি বান্ধি বান্ধিছিলো
হৃদয়ত আটোম টোকাৰি ঘৰ
নিৰ পলস পৰা মাটিত
গঢ়িছিলো হৃদয়ৰ
সুদৃশ্য ভাস্কৰ্য
আজি
সেই ঘৰ
সেই ভাস্কৰ্য
চকুলেৰে উটুৱাই লৈ গ'ল
মাথো ৰৈ গ'ল
স্মৃতিত খোজৰ গভীৰ ছাপ
স্মৃতিৰ সোণালীৰ দিনবোৰ।*

****



# অপেক্ষাৰে

টুনুমণি ফুকন
অসমীয়া বিভাগ
স্নাতক তৃতীয় বিভাগ

বলুকাৰ পাৰে পাৰে
ৰেঙণি ভৰা আবেলিত,
জিলিকিয়া সাঁজেৰে
লাহি ককাঁলৰ ভাজত,
নচা কুঁৰবীক চাই
আছিলা বৈ......

আকাশ জোনাক
নমাই আনি
পুষ্পিত বননিত,
সুগন্ধি বিলাই
দলিচা পাৰি বহি
আছিলা বৈ......

ফাগুনী মলয়াৰ সমীৰণত
সোঁৰৰণিৰ পাত লুটিয়াই
শাৰী শাৰী নাহৰৰ তলে,তলে
আচঁল ভৰাই চাইছিলা
দুৰণিৰ একাঁবেকা বাটলৈ
আহিব বুলি আছিলা বৈ.....

ন- বৰ্ষৰ অনাগতত
মন চৰা তোৰণ সাজি,
ন-ফুলৰ গামোচাৰে
আদৰিবলৈ....
আহিবা বুলি আছিলা বৈ...... ।
****



# ভূপেনদাৰ কবিতা

জুলি বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

ভূপেনদা তুমি জাগৃত কৰিলা অসমীয়া জাতিক
তুমি প্ৰান দিলা অসমীয়াক
তোমাৰ গীতৰ সুৰেৰে
তুমি জগতৰ বিজয়ী হ'লা।
তুমি হলা আমাৰ মৰমৰ ভূপেনদা
তোমাৰ কণ্ঠৰ মাটিৰ গোন্ধেৰে, গানেৰে তুমি জগত জিনিলা।
অসমীয়া তেজৰ সিৰে সিৰে সোমালা
তুমি অসমীয়াৰ গৌৰৱ হ'লা।
কিন্তু আজি সেই গান ক'ত?
সেই মাটিৰ গোন্ধৰ অসমীয়া প্ৰাণ ক'ত
ক'ত হেৰালা তুমি ভূপেনদা
আজি এটা গান শেষ হ'ল।
তুমি ৰচা লুইতৰ পাৰে পাৰে
সেই সেউজি ধ্বণি আৰু নাই।
তুমি আমাৰ আত্মা বন্তি
এতিয়া মাথো ইতিহাস হ'লা।
ভূপনদা তুমি ....
আকৌ এবাৰ আহিবানে অসমীয়া
জাতিক মোৰ দাঙি উঠাবলে?
****





# নুমাই গ'ল বন্তি গছি



শ্ৰীহেমন্ত গগৈ
স্নাতক তৃতীয় বৰ্ষ

আজি পুৱাৰ বেলি মাৰ গ'ল
পৃথিৱীখন আন্ধাৰ হ'ল
সূৰ্য্যৰ পোহৰৰ অস্তিত্ব যেন
নাইকিয়া হ'ল.....
মই এতিয়া কোন বাটে যাওঁ
চাৰিওফালে দেখোন আন্ধাৰে আবৰা
ভূপেন দা দেহ আজি ফিৰিঙতি হ'ল
ফিৰিঙতিয়ে ফিৰিঙতিয়ে
দেশ ঘুৰি মানৱতাৰ
চকুলো ব'ল
ভূপেন দা মৃত্যু হ'ল।
ভূপেন দা মৃত্যুৰ বাৰ্তায়ে
দেশ ঘুৰি ভূমিকম্প নামে
তোমাৰ কথাৰে আমাৰ হিয়া ভাঙে
তুমি গুচি গলা
আমাক অকলশৰে এৰি থৈ
তোমাৰ যি গীতৰ সংস্কৃতিৰ পথাৰ
বোৱালা-তুমি গোটেই বিশ্ব জুৰি
তোমাৰ বিয়োগত মোৰ ভাৰ হয়
যেন গাম্ভীৰ্য্য গীত-সীমাবদ্ধ হৈ ৰ'ল নেকি?
হে ভূপেন দা;
তোমালৈ শতবাৰ কৰিছো প্ৰণাম
তোমাৰ সৃষ্টি বৈ গৈছে লুইতে লুইতে
সৃষ্টিৰ পাতনি অন্ত হ'ব
তথাপি ভূপেন দা অমৰত্ব হৈ ৰব।।

**(ভূপেনদাৰ স্মৃতিত)**

****

# লুইতৰ বুকুত মৃত্যুঞ্জয়ৰ সুধা

শৰৎ গগৈ
উঃমাঃদ্বিতীয় বৰ্ষ
(বিজ্ঞান শাখা)



তোমাৰ অমৃত গানৰ জিঞ্জিৰিয়ে
সাতভনীৰ ঐক্যৰ বান্ধোন
চিৰযুগমীয়া কৰি গ'ল ।
বাস্তৱৰ উকা কেনভাছ
ঘন সেউজীয়া হৈ গ'ল।
তুমি মৃত্যুঞ্জয়ী.....বিশ্ববিজয়নী....... ।।

লক্ষ্য লক্ষ্য চকুলোৰে
তুমি অমৰত্ব।
নোৱাৰো যে জনাব বিদায়,
মই, তুমি, আমি.......
তৰুতৃণ কিম্বা সেই পাৰকেইটিয়েও...... ।

সাগৰ সংগ্ৰামত সাতুৰি সাতুৰি,
তুমি সিপাৰলৈ গুছি গ'লা ।
শোকদগ্ধ যদিও আমি গৰ্বিত,
কালৰ বুকুতহে বিলীন অস্থায়ী দেহ,
কিন্তু ............
তোমাৰ অন্তৰাত্মা,
তোমাৰ সত্বা.......
আমাৰ উশাহত ...... হৃদয়ৰ মাজত .... ।
শ্বিলংৰে মনালিছাই নহয়,
বিশ্ব বিপুল সত্বাই
গীতাৰত ঝিলিমিলি তান বজাই যাব।
লুইতৰ বুকু বহ্নিমান হব।
কিয়নো.................
আমি যে একোখন নাৱৰে যাত্ৰী।
নালাগে আকাশীগঙ্গা।
লাগে মাথো এটুকুৰা আলসুৱা মেঘ।
নীলীম আকাশৰ পৰাই ঢালিবা।
অমৃত প্ৰাণৰ সুধা।
শীতৰ সেমেকা সেমেকা
দুটি ওঁঠত দিবা ৰক্তিমাৰ আভা।
সদায়েই চিৰপ্ৰৱাহমান হৈ ৰ'বা......
বৰলুইতৰ দৰে ............
অনাদি কাললৈ ......... ।।।


****





# তোমাৰ অপেক্ষাত....

কল্যাণী বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক
শিক্ষা বিভাগ



তুমি,
আহিবা বুলি কেইটা আবেলি,
কেইটা সন্ধিয়া পাৰ কৰিছো মই।
ভোগদৈ ঘাটৰ পাৰৰ
বকুল জোপাৰ তলত
অপেক্ষা কৰিছো মই;
কেৱল তোমাৰ বাবে..... ।

পশ্চিমৰ নীলা আকাশৰ বুকুত
ৰান্ধনি বেলিও বুৰ মাৰিছে,
চৰাইবোৰে সুললিত গীত গাই
বাঁহলৈ আহিছে, সেউজীয়া দুৱৰিত
নিয়ৰৰ মুকুতা সৰিছে...
এই সকলোবোৰ মোৰ ঘৰলৈ
যাবলৈ সকিয়নি দিয়ে;

অথচ....,
মই যোৱা নাই, যাবও পৰা নাই
বৈ আছো, কেৱল তোমাৰ অপেক্ষাত... ।
তুমিতো,
কালৰ বুকুত হেৰাই যোৱা নাই -
কিন্তু, কিয় অহা নাই ?

হয়তু...
মোৰ সান্নিধ্য তোমাৰ ভাল নালাগে
নতুবা, অতীতৰ সেই ক্ষনবোৰ
তুমি পাহৰি গৈছা .... ?
কিন্তু, মই বৈ আছো
বৈয়ে থাকিম তুমি অহালৈ।
....বৈ-বৈ ভাগৰি পৰিছে
মোৰ হৃদয়, চাই চাই
ভাগৰি পৰিছে মোৰ নয়নজুৰি...
ভাগৰি পৰিছো মই।
এবাৰ হলেও আহিবা;
মোৰ ভাগৰুৱা হৃদয়খন
জুৰ পেলাবলৈ..
সেই আশালৈ মই বৈ আছো
কেৱল তোমাৰ অপেক্ষাত.. ।


****

## অপেক্ষাত

শ্ৰীমতী প্ৰন্তীময়ী দত্ত
স্নাতক দ্বিতীয় ষান্মাসিক

*আজি আবেলি যে দিছিল বৰষুণ জাক*
*বৰষুণ জাকত তিতি সোণোৱালী ধাননিডৰা মাজেৰে*
*আহি থাকোতে তোলৈ বৰ মনত পৰিছিল জান'.......*
*সিদিনা দিয়া ধুমুহা জাকত ঘটা ঘটনাবোৰ*
*মনৰ পাতত ভাহি আহিছিল,*
*আমাৰ ঘৰৰ কাষত থকা গছজোপা পৰিযে*
*আমাৰ সৰু পজাটো ভাঙি থাকিল*
*সেইটো আজিও ঠিক কৰিবয়ে পৰা নাই নহয়......*
*আজি চাগে বৰষুণ পৰাত*
*মোৰ ৰুগীয়া পিতায়ে চকুৰ পানীৰে বাট নেদেখা হৈছে......*
*পাৰিলে তই এবাৰ আহি যাবিচোন*
*তাইৰ সেমেকি উঠা চকুহালত কিজানি*
*অলপ হাঁহি বিৰিঙেই।*
*তোকনো আৰু নতুনকৈ কি বুলি কম।*
*বেয়া লাগে দেচোন,*
*ভাইটোৰ কথাতো জানয়েই*
*সি থাকিও নথকাৰ দৰে দেখোন*
*পাৰিলে এবাৰ আহি যাবি*
*ভুল নুবুজিবি*
*তয়েটো এতিয়া আমাৰ একমাত্ৰ সাহস....।*

****



## অনুভৱৰ তিনিটা স্তৱক

শ্ৰীঅতুল বৰগোহাঁই
ইংৰাজী বিভাগ (২য় বৰ্ষ)

(১)

*শব্দৰ কঠোৰতাই শাসন কৰা এটা আৱেলি*
*তুমি কবিতা লিখিছিলা মৰমৰ ভাষাৰে।*
*তুমি জানা? মই কবিতা ভাল পাওঁ,কিন্তু বুজিহে নাপাওঁ*
*যেতিয়া আকাশফআলি ফুলশয্যা পাচি'এৰিছিল*
*এজাক কামাজতুৰ চৰাইয়ে।*
*এজাক জাকৈয়া গাভৰু খোজত............*
*সাৰ পাই উঠিছিল মোৰ এঙাৰ ৰঙী পাহৱাল সপোন*
*তেতিয়া মই মোৰ পজাঁৰ পৰা তোমালৈ বুলি*
*এঙাৰ সন্তিয়া মৰম কঢ়িয়াই নিয়াত ব্যস্ত।*

(২)

*এতিয়া মই তোমাৰ হৃদয়ৰ যাযাবৰী প্ৰেমিক*
*পান কৰো প্ৰতি নিশাৰ উজাগৰী ক্ষনবোৰ*
*বিষাদৰ বুকুফালি, ওলাই আহিব খোজা*
*ভালপোৱা বোৰ উদযাপন কৰিব খোজে*
*তুমি অহা প্ৰেম ঋতু।*

(৩)

*তোমৰ নিষ্ঠুৰ ভালপোৱা বোৰে শাসন কৰা*
*মোৰ বিষাদৰ বোৰে ক্ৰমশঃ উপচি উঠিছে*
*এতিয়া তোমাৰ হৃদয়ৰ ঠিকনা*
*মোৰ বাবে মাথো এক পুৰতী নিশাৰ সপোন*
*দিঠক হোৱাৰ অপেক্ষাৰত মোৰ হৃদয়।*

****





# সোণাৰি কলেজৰ সোণসেৰীয়া দিন

শ্ৰীচিন্ময় গগৈ
স্নাতক তৃতীয় বৰ্ষ

সময়বোৰ খুব খৰ গতিৰে পাৰ হৈ যায়..... । Time flies and flies away like a swift bird. সময়বোৰ ধৰি ৰাখিব পৰা হ'লে জীৱনৰ ভাল লগা মিঠা সময়বোৰ সদায় ধৰি ৰাখিলোহেঁতেন। সকলো মানুহ সুখী হ'লহেঁতেন। কিন্তু সেইয়া অসম্ভৱ। কিয়নো সময় গতিশীল। চিৰন্তন সত্য এইয়া।

সোণাৰি মহাবিদ্যালয়.....। সোণাৰি চহৰৰ একমাত্ৰ মহাবিদ্যালয়। ১৯৭০ চনত বহু মহান লোকৰ ত্যাগ আৰু কষ্টৰ ফলত এই মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল। এতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হৈছে। বহুতক জীৱনৰ পথ দেখুৱালে। ২০০৮ চনৰ জুলাই মাহৰ কোনোবা এটা দিনত মইয়ো মহাবিদ্যালয় পৰিয়ালৰ হাজাৰ জনৰ মাজৰ এজন হৈছিলো। এটা শংকা আৰু ভয় মিহলি মন লৈ উপস্থিত হৈছিলোহি এই জ্ঞানৰ মন্দিৰৰ চৌহদত.....। মনত ৰেগিঙৰ ভয়.......। স্কুলৰ ছাৰ-বাইদেউৰ চেকনিৰ কোব আৰু কঠোৰ আবেষ্টনিৰ মাজৰ পৰা ওলাই ঘপকৈ এনেকুৱা এটা পৰিবেশ পাই আচৰিত লাগিছিল। পলাই ফুৰিছিলো ডাঙৰবোৰৰ পৰা। কিন্তু তেনেকুৱা একো নহ'ল, সৰু-সুৰা চিনাকিৰ বাদে...। লাহে লাহে সকলো সহজ হ'ল। ভাল লাগিবলৈ ধৰিলে কলেজখন। ইয়াৰ পৰিবেশবোৰ।

আকৌ ভয়........। এইবাৰ ভয়ৰ কাৰণ বেলেগ। ভয় লাগে আমাৰ সকলোৰে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলী ছাৰলৈ। ইমানেই ভয় কৰিছিলো ছাৰলৈ যে তেখেতক দেখিলেই পেটতে হাত-ভৰি লুকাই। প্ৰথম অহা বছৰে ছাৰৰ পৰা গালি খালো। এটা বেয়া অভ্যাস আছিল। পাছ পকেটত বহী সোমোৱাই কলেজ অহা। এদিন ছাৰে দেখা পাই ধৰি লৈ আহিল ৰুমলৈ। মাৰ খাম বুলি ভাবিছিলো। কিন্তু বেছি একো নকৈ কাইলৈৰ পৰা বেগ আনিবি কৈ, যাব দিলে। পাছদিনা আকৌ গেটৰ মুখতে পাই গ'ল। ভাগ্য ভাল বেগটো লগত আছিল। সেই তেতিয়াৰ পৰা আজিলৈকে বহীখন কেতিয়াও পকেটত সোমোৱা নাই। আৰু মোতকৈ সৰু ভাইটিবোৰকো কওঁ যে এনে কাম কেতিয়াও নকৰিবা। কাৰণ স্বৰস্বতীৰ স্থান পাছ পকেটত নহয়.....।

হায়াৰ চেকেণ্ডাৰী পাছ কৰাৰ পৰা ছাৰৰ লগত ভাল হ'লো। ছাৰে চিনি পোৱা হ'ল। কাৰণ সেই বছৰ প্ৰথম বিভাগত পাছ কৰা অকল দুগৰাকী ছাত্ৰ-ছাত্ৰীয়েই আছিল। তাৰ মাজত ময়ো এজন আছিলো ভগৱানৰ কৃপাত। ইংৰাজী সন্মানীয় বিষয় হিচাপে লৈ শিক্ষা জীৱনৰ দ্বিতীয় ঢাপ আগুৱালো। সেই বছৰ ইলেকচন খেলি জিকাৰ পাছত ছাৰৰ লগত আৰু ঘনিষ্ঠ হ'লো। প্ৰথমে ছাৰক অকল ভয় কৰিব জানিছিলো। ছাৰক এজন খঙাল ব্যক্তি বুলিয়ে ভাবি লৈছিলো। কিন্তু ছাৰৰ মাজতো যে এজন ভাল লগা ৰসাল চৰিত্ৰৰ মানুহ সোমাই আছে পাছলৈ বুজিলো। প্ৰাক্তন সাধাৰণ সম্পাদক দেৱ কুমাৰ গুপ্তা আৰু মোৰ মাজত ভাল বন্ধুত্ব। সেয়ে আমি যিকোনো কাম ছাৰক সুধি ছাৰৰ পৰামৰ্শ মতে আগবাঢ়িছিলো। ভুল দেখিলে আঙুলিয়াই দিছিল। মোৰ শিক্ষা জীৱনত ছাৰৰ সমান ভাল শিক্ষাগুৰু মই পোৱা নাই।। সোণাৰি কলেজখনৰ যদি আজি ইমান উন্নতি হৈছে, তেন্তে তাৰ গুৰিতে ছাৰৰ নাম উল্লেখ কৰিব লাগিব।

আৰু এজন মোৰ শিক্ষাগুৰু। শ্ৰদ্ধাৰ অধ্যাপক সুনীল দত্ত ছাৰ। তেখেতৰ বিষয়ে উল্লেখ নকৰিলে মোৰ এই লেখাটো আধৰুৱা হ'ব। হায়াৰ চেকেণ্ডাৰীৰ পৰাই তেওঁৰ লগত মোৰ সম্পৰ্ক ভাল। কাৰণটো — মই ইংৰাজী বিষয়টোত অলপ ভাল আছিলো। বহুত ভাল ধৰণে তেখেতে পাঠবোৰ বুজাই দিছিল। সদায় ভাল ৰিজাল্ট কৰিবলৈ উৎসাহ দিছিল। ক্লাছত কিতাপৰ কথাতে সীমাবদ্ধ নহৈ আমাক বহুতো বাহিৰা জ্ঞানও

দিছিল। ছাৰে য'ত লগ পায় হাঁহিমুখে "চিন্ময় ভাল নে" বুলি সুধিবলৈ নাপাহৰে। এইবোৰৰ কাৰণেই দত্ত ছাৰ আমাৰ সকলোৰে প্ৰিয়। ইংৰাজী বিভাগৰ অন্য অধ্যাপক-অধ্যাপিকা যেনে— অনিতা বাইদেউ, অঞ্জুৰাৰা বাইদেউ, দীপাঙ্কৰ ছাৰ, এইসকল ছাৰ বাইদেউৱে আমাক সকলো দিশৰ পৰা বহু সহায়-সহযোগিতা আগবঢ়ায় যাতে আমি ভাল ৰিজাল্ট এটা কৰিব পাৰো। উৎসাহ দিয়ে। 'ৰশ্মি বাইদেউ' যি বৰ্তমান সোণাৰি জুনিয়ৰ কলেজত শিক্ষকতা কৰে, তেখেতো আমাৰ সকলোৰে প্ৰিয় অধ্যাপিকা আছিল। তেখেতক আমি হায়াৰ চেকেণ্ডাৰীতে পাইছিলো। ক্লাছত বহুত ভালদৰে বুজাই দিছিল পাঠবোৰ। আগতে Alternative Englishৰ ক্লাছলৈ কিতাপ নিয়া নাছিলোঁ। খুব গালি দিয়ে বাইদেউৱে। গালি খালেও একেটা ভুলকে কৰিছিলো। বুজা নাছিলো কিয় গালি দিছিল। কিন্তু এতিয়া সেই গালিবোৰৰ মূল্য বুজিলোগৈ। আমাক ভাল কৰিবলৈহে সেই গালি আছিল। তাৰ পাছৰ বছৰ বাইদেউক নাপালো আৰু। বেলেগ কলেজলৈ গ'লগৈ। এতিয়াও লগ পালে বাইদেউৱে পোনেই পঢ়া কেনেকুৱা হৈছে বুলি খবৰটো লয় সদায়।

এই ভাল লগাবোৰৰ মাজতে কেনেকৈনো পাঁচটা বছৰ পাৰ হৈ গ'ল ক'বই নোৱাৰিলো। সোণাৰি কলেজত এই বছৰে মোৰ শেষ বছৰ। সময়বোৰ যে এনেকৈ যাব ভবা নাছিলো। এই পাঁচটা বছৰৰ স্মৃতিয়ে মনত দকৈ সাঁচ বহুৱাই গ'ল। মন নগ'লৈও কলেজখন এৰি যাব লাগিব। সময়ে যে নিদিয়ে.....। সেই প্ৰথম ভয় লগাটো যে এদিন ইমান ভাল লগা হৈ যাব ভবাই নাছিলো। ভাবি দুখ লাগে যে এইখন কলেজৰ আমুক নম্বৰ ৰুমত বহি লগৰবোৰৰ লগত আৰু ক্লাছ কৰিবলৈ নাপাম। ছাৰৰ শাসন, খং যিবোৰলৈ আগতে ভয় কৰিছিলো, বেয়া পাইছিলো, সেইবোৰৰ মাজতে এতিয়া নিজকে ভাল লাগিবলৈ ধৰিছে। কিন্তু নিষ্ঠুৰ সময়ে জানো মানিব......। নামানে কেতিয়াও। বহু নজনা কথা, শিকিবলৈ পালো, এই পাঁচ বছৰে। যি সময়ত উপযুক্ত শিক্ষা নাপালে ছাত্ৰ-ছাত্ৰীয়ে ভুল পথত ভৰি দিয়ে, সেই সময়ত সোণাৰি কলেজৰ সুস্থ পৰিবেশ, মৰমীয়াল ছাৰ-বাইদেউ সকল আৰু তেওঁলোকৰ উন্নত মানদণ্ডৰ শিক্ষাই মোক চাৰিওফালৰ পৰা আৱৰি ৰাখিলে। কলেজীয়া শিক্ষা জীৱনৰ এইয়া শেষ বছৰ। স্মৃতিৰ মণিকোঠাত সোণাৰী কলেজৰ সোণসেৰীয়াবোৰ সোণালী আখৰেৰে ছপাই লিপিবদ্ধ কৰাই ল'লো.....। এই পাহৰিব নোৱাৰা মিঠা স্মৃতিবোৰ লগত লৈ জীৱনৰ বাটত আগুৱাই যাম।

এই পাঁচটা বছৰত ছাৰ-বাইদেউ, সতীৰ্থ, বন্ধু, ভাইটি-ভন্টী, অইন কৰ্মচাৰীকে আদি কৰি বহুতক লগ পালো। যদি অজানিতে কেতিয়াবা নক'বলগীয়া, নকৰিবলগীয়া কিবা কৈ কাৰোবাক দুখ দিছো তাৰ বাবে এই লেখাৰ জৰিয়তে ক্ষমা বিচাৰিছো। সোণাৰি কলেজৰ হেজাৰটা ধুলিকণাৰ মাজৰ এটা হ'বলৈ পাই নিজকে ধন্য মানিছো। নিজকে গৌৰৱবোধ কৰো যে মই সোণাৰি মহাবিদ্যালয়ৰ এজন ছাত্ৰ। কৈ থাকিলেও যেন শেষ নহ'ব মোৰ এই মৰমৰ কলেজখনৰ কথা....। কিন্তু ইমানকে লিখিলেও আলোচনী সম্পাদক অভিলেখ ডাঙৰীয়াৰে বিপদ....। কিতাপ ছপা কৰোৱা খৰচ বাঢ়ি যাব........।

শেষত আমাৰ সকলোৰে শ্ৰদ্ধাৰ আৰু মৰমৰ ছাৰ ড° ৰাজেন তামুলী দেৱক কৃতজ্ঞতা জনাই মোৰ এই লেখাৰ সামৰণি মাৰো। ছাৰৰ এই বছৰ বিদায়ী বছৰ। এই বছৰতে ছাৰে অৱসৰ ল'ব। সোণাৰি মহাবিদ্যালয়খন যিটো পৰিস্থিতিৰ পৰা নি আজিৰ এই অৱস্থাত উপনীত হৈছেগৈ, এই কৃতকাৰ্যতাৰ বাবে একমাত্ৰ ছাৰৰ নামেই ল'ব লাগিব। বহু নজনা কথা জানিবলৈ পালো, শিকিবলৈ পালো ছাৰৰ পৰা এই কেইবছৰে। তাৰ বাবে অশেষ ধন্যবাদ ছাৰক। ছাৰ দীৰ্ঘায়ু হওক। তাৰেই কামনাৰে........

জয়তু সোণাৰি মহাবিদ্যালয়। ◆





# "বেলি গ'ল গধূলি হ'ল আমাৰো দিহা-দিহি যাবৰ হ'ল"

ত্ৰিভূৱন গগৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

"......... যাবৰ পৰত সৰা শেৱালী বুটলি কি হ'ব কোৱা.....।।"

দুহেজাৰ পাঁচ চনৰ কোনোবা এটা দিন। যিটো দিনত মই গৈছিলো মোৰ দেউতাৰ সতে সোণাৰী মহাবিদ্যালয়লৈ বুলি বুকুত এবুকু সপোন লৈ উগুল-থুগুল মনেৰে। তেতিয়া অধ্যক্ষৰ কোঠাত বহি আছিল, অকলশৰে, মৌনতাৰে মোৰ শ্ৰদ্ধাৰ পূজনীয়া ৰতিপ্ৰভা গগৈ বাইদেউ। দেউতাৰ লগত মইয়ো গ'লো বাইদেউৰ কোঠালৈ। ..... অলপ দেৰীৰ পাছত গম পালো মোৰ নাম ভৰ্ত্তি হ'ল। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত কলা বিভাগত, শাখা 'খ'।

এনেদৰেই নাটকীয়ভাৱে আহিছিলো সোণাৰী মহাবিদ্যালয়লৈ। সেই তেতিয়াৰ ইয়াৰ এখন জীৱন্ত ছবি মোৰ মনত এতিয়াও সজীৱ হৈ আছে। জপনা পাৰ হৈয়েই শিল, ইটা ভগা দিয়া কেকুৰীযুক্ত দীঘল পদূলি। এখন ডাঙৰ আহল-বহলখেল পথাৰ। তাত অসংখ্য খেৰজাতীয় ঘাঁহৰ মেলা। কাষত এটা মধ্যমীয়া চাইকেল ৰখাৰ ঘৰ। চমকা চমকে মামৰ ধৰা টিনেৰে অলপ অনুজ্জ্বল সোণাৰী মহাবিদ্যালয়খন। ইক' পাৰ্কৰ কাষতেই বৰ্তমানৰ ঠাইতেই মহাবিদ্যালয়ৰ পুথিভড়ালটো। আকাৰটো এতিয়াৰ দৰে ডাঙৰ নহয়। তেতিয়া গ্ৰন্থাগাৰিকা আছিল চুটিকৈ চুলিৰে সুকণ্ঠী বাইদেউ, বাণী দেৱী। অধ্যয়ন কক্ষ আছিল প্ৰথম সোমায়েই সোঁফালৰ কোঠাটো যিটোত বৰ্তমান কিতাপবোৰ আছে। শ্বহীদ বেদীটো বৰ্তমানৰ ঠাইতেই সুশোভিত ফুলৰ মাজত। ছাত্ৰীনিবাস আছিল একমহলীয়া আৰু সৰু।

সেই বছৰতেই আহিল মোৰ অতিকৈ শ্ৰদ্ধাৰ পূজনীয় শিক্ষাগুৰু ৰাজেন তামুলী ছাৰ অধ্যক্ষৰ কোঠালৈ। ৰতি বাইদেউ গুচি গ'ল উপাধ্যক্ষৰ কোঠালৈ আৰু মানিক বৰুৱা ছাৰ হৈ পৰিল শিক্ষা বিভাগৰ মূৰব্বী অধ্যাপক। নতে নঅঁৰা পুৰণি হ'লে ছয় অঁৰা বুলি কোৱাৰ দৰে প্ৰথমতে ভাৱ হৈছিল নতুন অধ্যক্ষৰ আদৱ-কায়দা বা কেনেকুৱা? পিছে বুজিবলৈ বৰ বেছিদিন নেলাগিল। ছাৰৰ দুচকুৰ চাৱনিত কি যাদুকৰী গুণ আছে নাজানো সেই চাৱনিত দপ্-দপাই জ্বলা জুইয়ো শাম কাটি যাব। ইউনিফৰ্ম আৰু বেজ বাধ্যতামূলক নীতি-নিয়ম কঠোৰ, শ্ৰেণীবোৰ সম্পূৰ্ণকৈ, প্ৰেম-পিৰীতি, মুখৰোচক, মোবাইল ফোনত ক'ৰ ল'ৰাৰ গাত ছোৱালীৰ বস্তু, খোৱা পানীৰ বাবে অত্যাধুনিক সজুলিৰ ব্যৱহাৰ আদিয়ে মোৰ লগতে সমূহ ছাত্ৰ তথা সোণাৰীবাসীৰ চকু থৰ লগাই দিলে। তাতে আকৌ মহাবিদ্যালয়ৰ ফলাফলে দুৰণিৰ ছাত্ৰকো পদুমে ভোমোৰাক আকৰ্ষণ কৰাৰ দৰে আকৰ্ষণ কৰিলে ("ছাত্ৰই" উভয়লিঙ্গ বুজাইছে) ডালে-ডালে, আগফালে কি, পাছফালে কি, সবেই ধাপলি মেলিলে আকাশ চুবলৈ অট্টালিকাৰ ৰূপলৈ। চকুৰ পচাৰতেই ৰূপ সলালে সোণাৰি মহাবিদ্যালয়ে। সোণত সুৱগা চৰাৰ দৰে বহু ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন দিশত সুনাম কঢ়িয়ালে মহাবিদ্যালয়লৈ। মুঠতে সকলো ফালতে প্ৰতিটো দিশত পৰিপুষ্টি লভিলে সোণাৰী মহাবিদ্যালয়ে।

এইয়া হ'ল সাত বছৰে মোৰ চকুৰ আগত হোৱা সোণাৰী মহাবিদ্যালয়ৰ ৰূপৰ পৰিবৰ্তন। সাত বছৰৰ এটা ৰহস্য আছে। সেয়া হ'ল দুহেজাৰ পাঁচ চনত আহি উচ্চতৰ মাধ্যমিকত দুটা বছৰ হেলিৰ ধুমকেতুৰ দৰে অদৃশ্য হৈ পুনৰ দুহেজাৰ ন চনত স্নাতক পৰ্যায়ত নামভৰ্ত্তি হওঁ। ইয়াৰ কাৰণ বুজাত জটিল

নিশ্চয় নহয়। মোৰ জীৱনৰ উল্লেখনীয় কথাটো হ'ল— মেট্ৰিকৰ টেষ্টত অংকত এশৰ ভিতৰত শূন্য কিন্তু ফাইনেলত তেত্ৰিশ। আৰু বেছি নকওঁ।

ডিগ্ৰী পঢ়িলো হয়— ৰামায়ণ পঢ়ি ধাংধিধাং কৰি সীতা মতা নে মাইকী নুবুজাৰ দৰে কি শিক্ষা পালো বা জ্ঞান পালো সেইটো বিচাৰ্য বিষয়। কিয়নো শিক্ষা এটা জীৱনজোৰা প্ৰক্ৰিয়া। ইয়াকলৈ কাহানিও শেষ কৰিব নোৱাৰি। কেৱল কিতাপৰ দ্বাৰাই মানুহ শিক্ষিত হ'ব পাৰে কিন্তু জ্ঞানী নহ'বও পাৰে। মানুহে বিভিন্ন ঘাত-প্ৰতিঘাত, কষ্ট-আঘাত, বিভিন্নজনৰ সাৰুৱা কথাৰ সাৰ সংগ্ৰহৰ ফলতহে আৰু সাধনাৰ ফলতহে জ্ঞান অৰ্জন হয়। কেৱল শ্ৰেণীত শিক্ষকে পঢ়ালে-শুনিলে বা পৰীক্ষাত প্ৰথম স্থান পালেই যে সি প্ৰকৃত জ্ঞানী পুৰুষ তাক মই নেভাবো। কিয়নো প্ৰথম স্থান পোৱা ছাত্ৰই পাছলৈ ইঞ্জিনীয়াৰ হৈ বনোৱা এখন দলং বা অট্টালিকাও এদিন খহি পৰিব পাৰে বা ভাল ডাক্তৰ হ'লেও সাধাৰণ দুখীয়া নিচলাৰ বাবে সি উপযোগী নহ'বও পাৰে। মানুহ উচ্চ শিক্ষাৰে শিক্ষিত হ'লেই জ্ঞানী নহয়। জ্ঞান আৰু শিক্ষা দুয়োটা পৃথক বস্তু।

পলকতে বহুকেইজন শিক্ষাগুৰুৱে অৱসৰ ল'লে মোৰ চকুৰ আগতে। বিনন্দ মহন ছাৰ, ৰতি বাইদেউ, মানিক বৰুৱা ছাৰ আৰু শৈলেন্দ্ৰ ফুকন ছাৰে জীৱনৰ পৰাই অৱসৰ ল'লে। পৰম পূজনীয় চিৰ নমস্য মোৰ শিক্ষাগুৰু সকল আপোনাসৱৰ সেই চিনাকি মুখবোৰলৈ সদায়ে মনত পৰে। আশা কৰো সদায়ে যেন আপোনাসৱৰ আশীৰ্বাদ পাওঁ।

মানসপটৰ পৰা আঁতৰি যাব নোখোজা তেজৰ সম্বন্ধ নথকা অথচ আপোন আপোন লগা সেই মুখবোৰৰ সেই মৌমিঠা মাতবোৰ আজিও মাজে মাজে শুনা পাওঁ। বন্ধুত্ব। ক'ৰ ক'ৰ পৰা অহা সেই হাঁহি-ধেমালীবোৰ যে এতিয়াও মোৰ দুহাতত খিলখিলায়। জানা, কিমান ভাল লাগিছিল ন। গুড় মৰ্ণিং। সেইয়া আচলতে যৌৱনৰ দুৱাৰদলিৰ সেউজী ৰ'দালী।

এই বছৰ কলেজ সপ্তাহ বেছ ভাল লাগিল। নাটক কৰিলো, পুৰস্কাৰ পালো, পিকনিক গ'লো। ব্ৰহ্মপুত্ৰৰ শুকান বালিত, আমাৰ সমদলৰ সান্নিধ্যই প্ৰশান্তহঁতৰ বিহুগীতৰ সুৰত, ফেৰীৰ বোকোচাত, সিপাৰলৈ ...... কিমান যে আনন্দ।

"শীতৰ সৰা পাতেহে জানে বসন্ত
অহাৰ বাতৰি ......।"

আৰুনো কি কম, কিছুমান বিদায় হৃদয়বিদাৰক আৰু কিছুমান বিদায় আনন্দ-ফূৰ্ত্তিৰো। আচলতে বিদায় বুলিলে পৃথিৱী এৰি গুচি যোৱাটোহে বুজায়। এইবোৰ লুকা-ভাকুহে। সেয়ে আজি একৈশ শতিকাৰ বুঢ়ী আইতাইয়ো বিদায় ল'ব নোখোজে মৰমৰ মোবাইল ফোনত বৰ জীয়েকক পাই। বুঢ়ী আইয়ে নাতিয়েকক কয়— "ঐ সোণকণ মবিয়লটো লগাই দেচোন, আইটিৰ লগত কথা পাতোং। বিলঞ্চ-ফিলঞ্চ নাই যদি হুঁহ এই টকা কুইটা ল ভলঙৰ দোকানৰ পা ইচাচ্ নে ফিচাছ কিবা এটা লৈ আহ।"

মাকৰ সৰু পুতেকটোক দাড়ি-চুলি পকি বুঢ়া হ'লেও মাকে সদায় তাক সেই আহডিয়া পোনাটি বুলিয়েই ভাৱে। যেনেকৈ মই সোণাৰী মহাবিদ্যালয়খন ভাবো। কিয়নো ইয়াৰ কোলাতেই মই উচ্চ শিক্ষাৰ প্ৰথম সোৱাদ পালো। এটা কথা ক'বৰ মন যায় যে লোকক দেখুৱাই শিক্ষকক ভৰিত চুলেই গুৰুক সন্মান কৰা নুবুজায় নেকি? গুৰু-ছাত্ৰৰ মধুৰ মিলন তথা অন্তৰৰ একান্ত ভক্তিভাৱৰ দ্বাৰাহে দুয়োৰে বান্ধোন কট্‌কটীয়া হয়। কিন্তু ......??

সোণাৰী মহাবিদ্যালয় সোণালী হৈ পৰক সোণাৰী হ্ৰদত সোণাৰী মহাবিদ্যালয় এপাহি পদুম হৈ জিলিকি ৰওক। তালৈ ভোমোৰা আহক দূৰ-দূৰণিৰ পৰা। আহক মৌমাখি জাকে জাকে। ইয়াৰ পৰা মৌ লৈ গৈ মৌ বাঁহ সাজক নিজ নিজ ঠাইত। সেই ঠাইৰ পৰুৱাক (মানুহক) ইয়াক সোৱাদ দিয়ক। অন্ততঃ তুলসীৰ লগত মৌ মিহলি হৈ মানুহৰ কাহ ভাল কৰক।

শেষত সোণাৰী মহাবিদ্যালয়ৰ পৰা কি পালো কি নেপালো, কি ল'লো কি নল'লো, শিক্ষকে কি বিচাৰিছিল, কি পালে কি নেপালে সেইয়া বিচাৰ্য বিষয়। হয়তো বহুত পালো কিন্তু বিনিময়ত একো দিব নোৱাৰিলো। হ'লেও সোণাৰী মহাবিদ্যালয়লৈ শত সহস্ৰ প্ৰণাম। ◆





# প্ৰকৃত বন্ধু

নাট্যকাৰ ঃ শ্ৰীভবেশ গগৈ
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ

**নাটকৰ চৰিত্ৰবোৰ ঃ**

১। ৰাজু
২। হৰেণ
৩। বিপ্লৱ
৪। বন্টু
৫। খুড়া

(আঁৰ কাপোৰ উঠাৰ লগে লগে মঞ্চত দেখা যাব এটা ভাড়া ঘৰৰ ৰুম ; ৰুমটোৰ চকী, টেবুল, বিচনা আদি। আঁৰ কাপোৰ উঠাৰ লগে লগেই ৰাজু ভিতৰৰ পৰা ওলাই আহে। ৰাজুৰ মোবাইলটো বাজি উঠে)

ৰাজু ঃ (মোবাইলটো Receive কৰি) Hello', Hello' অ' ৰমেন ক। মই .... অ' ম'ই ৰুমতে আছো। ৰ গৈছো, তই কাৰেং ধাবাতে ৰৈ থাক। মই দহ মিনিটত পাই গৈছো। অ'... ঠিক আছে ৰাখ। (ভিতৰলৈ চাই) হৰেণ, ঐ হৰেণ, অলপ ওলাই আহচোন।

হৰেণ ঃ ৰ, গৈছো। (ভিতৰৰ পৰা মাতে)।
(হৰেণৰ প্ৰৱেশ)

হৰেণ ঃ কি হ'ল? কিয় মাতিছিল ক।

ৰাজু ঃ মই অলপ ওলাই যাওঁ।

হৰেণ ঃ সোনকালে আহিবি। মই হ'লে সদায় সদায় মালিকক মিছা কথা ক'ব নোৱাৰো দেই।

ৰাজু ঃ ঠিক আছে, সোনকালে আহিবলৈ চেষ্টা কৰিম। (প্ৰস্থান)

হৰেণ ঃ চেষ্টা কৰে; এই ৰাজুটো যে আৰু, ঘূৰাৰ বাহিৰে যেন একোকে চিনি নাপায়।
(বাহিৰত বিপ্লৱৰ মাত)

বিপ্লৱ ঃ ৰাজু, অই ৰাজু ঘৰত আছ নে?

হৰেণ ঃ কোন .....?

বিপ্লৱ ঃ মই বিপ্লৱ।

হৰেণ ঃ অ' বিপ্লৱ, আহ, আহ, ভিতৰলৈ সোমাই আহ। বহ ইয়াতে (চকী এখন আগবঢ়াই দি)।

বিপ্লৱ ঃ বন্টু নাই নেকি?

হৰেণ ঃ আছে, ভিতৰত মোবাইলত লেকচাৰ দি আছে।

বিপ্লৱ ঃ কাৰ লগত লেকচাৰ দিছে নো?

হৰেণ ঃ কাৰ লগত হ'ব আৰু ; ঘৈণীয়েকৰ লগত ছাগে।

বিপ্লৱ ঃ ৰাজু নাই নেকি?

হৰেণ ঃ ৰাজু? সিতো সদায় টিউচন কৰো বুলি ওলাই যায়, পিছে .....

বিপ্লৱ ঃ পিছে... পিছে কি হ'ল?

হৰেণ : টিউচন কৰে নে নকৰে, একমাত্ৰ ভগৱান আৰু সিহে জানে, তাৰ বাহিৰে আৰু কোনেও ক'ব নোৱাৰে।

বিপ্লৱ : ৰাজুৱে তেনে কাম কৰিব জানো? ৰাজু দেখোন পঢ়াতো ভাল আছিল। মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা নাছিল জানো?

হৰেণ : আছিল, পিছে ইয়ালৈ আহি বেয়া হৈ গ'ল। তাৰ চাল-চলন একেবাৰে সলনি হৈ গ'ল। ঘৰত মাক-দেউতাকৰ শাসনত ডাঙৰ-দীঘল হৈছিল আৰু ইয়াত মুকলি আকাশত চৰাইৰ দৰে ঘূৰিবলৈ পাইছেতো; সেই কাৰণে। শুনিছো বোলে সি আজিকালি এজনী ছোৱালীৰ প্ৰেমত পৰিছে আৰু সেই ছোৱালীজনীৰ লগত সি সদায় ঘূৰি ফুৰে।

বিপ্লৱ : সি কিন্তু এনেকৈ ঘূৰি ফুৰিলে এইবাৰ পৰীক্ষাত ফাৰ্ষ্ট ডিভিজনতো দূৰৰে কথা থাৰ্ড ডিভিজনও নাপাব।

হৰেণ : কথাটো আমিও লক্ষ্য কৰিব লাগিব।

বিপ্লৱ : তই ঠিকেই কৈছ, আৰু যদি সঁচা হয় তেনেহ'লে ঘৰত কথাটো জনাই দিয়াই ভাল হ'ব। (ৰন্টুৰ প্ৰৱেশ)

ৰন্টু : (হাতত মোবাইল লৈ) Hello', Hello, ধেৎ তেৰি Network Fail। এই নেটৱৰ্কটো যে আৰু এই সময়তে ফেইল হ'ব লাগে নে? একেবাৰে কমনচেঞ্চ নাই দেই।

বিপ্লৱ : কাৰ ফোন নো ৰন্টু? অথনিৰে পৰা যে অকল মোবাইলতে ব্যস্ত হৈ আছে যে?

ৰন্টু : আৰে বিপ্লৱ, তই আক' টিপ-টপ্ কেতিয়া আহিলি? মই তোক দেখাই নাই নহয়।

বিপ্লৱ : দেখা নাই নে, নেদেখাৰ ভাও জুৰিছিলি?

ৰন্টু : তোৰ কিন্তু একেবাৰে Commonsense নাই দেই। দেখিলেনো মই তোক মাত এষাৰ নিদওঁনে?

বিপ্লৱ : ঠিক আছে বাৰু, মই মানি লৈছো তই মোক নাই দেখা বুলি।

হৰেণ : ৰন্টু, যাচোন বিপ্লৱলৈ চাহকে একাপ বনাগৈ।

ৰন্টু : তই টিপ-টপ্ বহি থাক আৰু মোক চাহ বনাবলৈ ক'বি।

বিপ্লৱ : ৰন্টু, চাহ বনাব নালাগে। মই এইমাত্ৰ ভাত খাই আহিছো।

ৰন্টু : তোক মই কোৱা নহয়, মই হৰেণকহে কৈছো আৰু মই তোক একাপ চাহ বনাই খুৱাব নোৱাৰিম নে? ৰ তই বহ মই টিপ্-টপ্ একাপ চাহ বনাওঁগৈ। (মোবাইল টিপি টিপি ৰিন্টুৰ প্ৰস্থান)।

হৰেণ : এই ৰন্টুটো, একল ধেমালিহে কৰিব জানে।

বিপ্লৱ : হ'ব দে, এনেকুৱা এজন ল'ৰা লগত লাগে।

হৰেণ : লাগে, লাগে, ৰাজু কেনিবা ওলাই গ'লে ইয়াৰ লগতে ধেমালি কৰি থাকো। কি যে হাস্যৰস সৃষ্টি কৰিব জানে। কেতিয়াবা ইয়াৰ কথা শুনোতে শুনোতে ভাত বনাবলৈকো পাহৰি যাওঁ। (ৰাজুৰ প্ৰৱেশ)

ৰাজু : আৰে বিপ্লৱ ফ্ৰেণ্ড কেতিয়া আহিলি? তোৰ দেখোন বহুদিন খা-খবৰেই নাই।

বিপ্লৱ : বহু দেৰি হ'ল। ভাবিলো তহঁতৰ খবৰ এটাকে কৰি আহো। সেই ভাবিয়েই ওলাই আহিলো। পিছে তইনো ক'লৈ গৈছিলি?

ৰাজু : টিউচনলৈ।

বিপ্লৱ : কিন্তু তোৰ হাতত দেখোন বহী, কলম একোৱে নাই।

ৰাজু : বহীখন লগৰ এজনে নিলে। কালি সি টিউচনলৈ অহা নাছিল। সেয়েহে মোৰ বহীখনকে লৈ গ'ল। বাৰু বাদ দে সেইবোৰ, এতিয়া তোৰ খবৰ ক।

বিপ্লৱ : মোৰ খবৰ ভলেই। মোতকৈ তোৰহে খবৰ বোলে বেছি ভাল বুলি শুনিছো। (চাহ লৈ ৰন্টুৰ প্ৰৱেশ)

ৰাজু : (ৰন্টুলৈ চাই) কি অ' ৰন্টু, তই, মই অহা গম পালি নেকি চাহ আনিলিয়েই যে।

ৰন্টু : তোলৈ নহয়, বিপ্লৱ আৰু হৰেণলৈহে আনিছো। বিপ্লৱ চাহ খাবি।

বিপ্লৱ : হ'ব বাৰু......।





ৰাজু : মোলৈ অকণমান আনগৈ যা।

ৰন্টু : মই নোৱাৰো দেই।

ৰাজু : হ'ব দে, নালাগে বাৰু। বিপ্লৱ তই বহ, মই অলপ ওলাই যাওঁ (প্ৰস্থান)।

ৰন্টু : এই ৰাজুটো যে আৰু কাৰো কথা নুশুনি কেৱল ছোৱালীৰ লগত ঘূৰি ফুৰিব বিচাৰে। মাক-দেউতাকে ভাবিছে ল'ৰাটো পঢ়িছে কিন্তু আমিহে জানো ল'ৰাই কিতাপ পঢ়ে নে ছোৱালীৰ লগত লাইন মাৰে।

হৰেণ : লোকৰ গুণ গাব নালাগে। (ৰন্টুৰ মোবাইল ৰিং হয়)

ৰন্টু : (Receive কৰি) Hello অ' হয়, কোৱাচোন। খবৰ..... কি খবৰ, কোৱা। কি ..... হয় নেকি? ঠিক আছে।

বিপ্লৱ : কাৰ ফোন ৰন্টু?

ৰন্টু : মৃণালীৰ ভনীয়েকৰ।

হৰেণ : কি কৈছে তাই?

ৰন্টু : Network Fail।

বিপ্লৱ : তাৰ মানে.........।

ৰন্টু : মৃণালী আন হেণ্ডচেটৰ লাইফ টাইম হৈ পৰিল। মোৰ একেবাৰে শেষ হৈ গ'ল অ'।

হৰেণ : কি শেষ হৈ গ'ল?

ৰন্টু : Network Fail হৈ গ'ল যেতিয়া শেষ নহ'ব নেকি?

বিপ্লৱ : Network Fail হ'ল কিন্তু তোৰ জীৱনটোতো ফেইল হোৱা নাই।

ৰন্টু : হয় বিপ্লৱ, মই এতিয়া উপলব্ধি কৰিছো। কেৱল ছোৱালী ভাল পালেই নহ'ব। তাৰ অৰ্থ বুজি পাব লাগিব। ভালপোৱা কথাটো ইমান সহজ নহয়।

হৰেণ : এইবোৰ কথা যদি তই আগতে ভাবিলিহেঁতেন, তেনেহ'লে তোৰ আজি এনেকুৱা অৱস্থা নহ'লহেঁতেন।

ৰন্টু : ঐ ৰ-চোন ৰ, সৌটো টিপ্-টপ্ আমাৰ Commonsense নথকাটো নহয় জানো?

বিপ্লৱ : অ' হয়তো, তাৰো নিশ্চয় কিবা এটা হ'ল, নহ'লে সি কিয় মন মাৰি আহিব। (ৰাজুৰ প্ৰৱেশ)

হৰেণ : কি হ'ল ৰাজু ...... তোৰ গা বেয়া নেকি, বৰ মন মাৰি আহিলি যে?

ৰন্টু : কি হ'ব, Network Fail চাগে। (ৰাজুৱে কান্দে)

হৰেণ : তই কিয় কান্দিছ? (ৰাজুৱে কান্দে)

বিপ্লৱ : তোৰ কি হৈছে আমাক কচোন।

ৰাজু : মৌ..... চু ...... মী, মৌচুমী মোৰ জীৱনৰ পৰা আঁতৰি গ'ল।

ৰন্টু : তই সেই সাধাৰণ কথাটোকে লৈ কান্দিছ যে, মানুহে শুনিলে কি বুলি ক'ব।

হৰেণ : মই তোক কৈছিলো নহয়। তইতো মোৰ কথাত গুৰুত্বই নিদিয়। পালি এতিয়া মজাটো।

ৰাজু : মই এতিয়া উপলব্ধি কৰিছো অ' বিপ্লৱ। হৰেণে মোক বহুত বুজাইছিল কিন্তু মই তাৰ কথাত গুৰুত্বই দিয়া নাছিলো। মই ভাবিছিলো, মোৰ বন্ধুৱে মোক কি কৰিব। যিটো মোৰ কোনো নহয় কেৱল বন্ধুহে। মই এই 'বন্ধু' শব্দটোৰ মূল্য বুজিয়েই পোৱা নাছিলো। কিন্তু আজি উপলব্ধি কৰিছো যে বিপদৰ বন্ধুহে আচল বন্ধু।

বিপ্লৱ : এতিয়া সেইবোৰ বাদ দে। বুজি পাইছ যেতিয়া সকলোবোৰ হ'ব। (ঘৰৰ মালিকৰ প্ৰৱেশ)

হৰেণ : অ' খুড়া, আহক, ঐ ৰন্টু খুড়াক বহিবলৈ দে।

খুড়া : হ'ব বাৰু।

বিপ্লৱ : খুড়া ভালনে?

খুড়া : অ' বিপ্লৱ, তুমি কেতিয়া আহিলা?

বিপ্লৱ : মই অহাৰ অলপ সময় হ'ল। আপোনাৰ বয়সো হৈ আহিছে যে সেই কাৰণে চকুৱে ডিষ্টাৰ্ব কৰে ছাগে।

খুড়া : তুমি ঠিকেই কৈছা বিপ্লৱ আৰু দুদিনমানৰ পিছত চছমা ল'ব লাগিবই যেন পাইছো। ৰাজু তুমি দেখোন মনে মনে আছা? গা-বেয়া নেকি? টিউচনলৈ যোৱা নাই নেকি?

ৰাজু : নাই যোৱা।

খুড়া : পৰীক্ষা পালেহিয়েই দেখোন, এতিয়া টিউচন ক্ষতি কৰিলে তোমাৰহে লোকচান হ'ব। (ৰাজুৱে কান্দে)

খুড়া : তুমি কান্দিছা কিয় ৰাজু?

ৰাজু : মই আপোনাৰ আগত বহুত মিছা কথা কৈছিলো খুড়া।

খুড়া : মিছা কথা। .........

ৰাজু : হয় খুড়া, মই টিউচন কৰা নাই খুড়া।

খুড়া : তেনেহ'লে দুপৰীয়া তুমি কেনি যোৱা?

ৰাজু : মই মানে এজনী ছোৱালীৰ ........

খুড়া : হ'ব, আৰু মোৰ ক'ব নালাগে। মই সকলো বুজিলো। তুমি এনেকুৱা ল'ৰা বুলি ভবা নাছিলো। কিন্তু তাৰ প্ৰমাণ আজি মই পালো। এশ গৰু মাৰিলে বাঘৰো মৰণ। তোমাক ইয়াত ৰাখিলে কোনোবাদিনা মোৰো বিপদে আগভেটি ধৰিব। গতিকে তাৰ আগতেই তুমি ইয়াৰ পৰা গুচি যোৱা।

ৰাজু : মোক ক্ষমা কৰক খুড়া, মোৰ ভুল হৈ গ'ল। মই ইমানবোৰ হ'ব বুলি কেতিয়াও ভবা নাছিলো।

খুড়া : সেই কাৰণে ইমান ওপৰলৈ উঠি গ'লা। তোমাৰ নিচিনা ল'ৰা এজন ৰাখিলে কোনোবা এদিনা মই লাজত পৰিব লাগিব।

ৰাজু : খুড়া .....।

খুড়া : নামাতিবা মোক খুড়া বুলি। তোমাৰ মুখত এই শব্দটো শোভা নাপায়। (যাবলৈ লয়)

বিপ্লৱ : খুড়া, তাক ক্ষমা কৰক।

হৰেণ : হয় খুড়া, তাক এইবাৰ আমি বুজাম।

খুড়া : (অলপ ভাবি) ঠিক আছে তোমালোকে কৈছা যেতিয়া মই তাক ক্ষমা কৰি দিলো। আৰু শুনা, এদিন যদি এনেকুৱা কথা পুনৰ শুনো তেনেহ'লে সকলোকে বাহিৰ কৰি দিম। (প্ৰস্থান)

ৰন্টু : এই সকলোবোৰ Commonsense নথকাটোৰ পৰাই হ'ল আৰু আজিৰ পৰা আমাক খুড়াই বিশ্বাসেই নকৰিব।

ৰাজু : খুড়াই আমাক ইমান মৰম কৰিছিল, বিশ্বাস কৰিছিল কিন্তু সেই বিশ্বাস মই হেৰুৱাই দিলো। (কান্দে) আজি তহঁত নথকা হ'লে খুড়াই মোক ঘৰৰ পৰা উলিয়াই দিলেহেঁতেন। বন্ধুৱে যে বন্ধুৰ কাৰণে কিমান ত্যাগ কৰিব পাৰে সেইটো মই আজি উপলব্ধি কৰিছো। সঁচাকৈ আজিহে মই 'প্ৰকৃত বন্ধু'ক চিনিব পাৰিছো। আচলতে বিপদৰ বন্ধুহে আচল বন্ধু। ইমানদিনে মই মায়াৰ অন্ধকাৰত বুৰ গৈ আছিলো, কিন্তু আজি সেই সকলোবোৰ নাইকিয়া হ'ল।

বিপ্লৱ : তই সঁচাই কৈছ নে?

হৰেণ : তই আকৌ এবাৰ কচোন।

ৰাজু : এবাৰ কিয়, হাজাৰবাৰ কম — "বিপদৰ বন্ধুহে আচল বন্ধু, তহঁতেই মোৰ প্ৰকৃত বন্ধু।" আৰু এই বন্ধুৰ মৰমৰ শিকলিডাল কেতিয়াও ছিঙিবলৈ নিদিওঁ।

ৰন্টু : তাৰমানে আজি তোৰ Commonsense আহিল। এইবাৰ আৰু Network Fail নহয়। বন্ধু একেবাৰে লাইফ টাইম হৈ গ'ল।

ৰাজু : মানে...........।

ৰন্টু : মানে আৰু কি "প্ৰকৃত বন্ধু"। (সকলোৱে হাঁহে, তাৰ লগে লগেই আঁৰ কাপোৰ পৰে)

সমাপ্ত





LIBRARY STAFF



NON TEACHING STAFF

# COLLEGE ACHIEVEMENTS




NATIONAL LEVEL LAWN BOWLS PLAYER ANANYA SAIKIA



STATE HAND BALL PLAYER
PINKY PHUKAN



NATIONAL LEVEL
LAWN BOWLS PLAYER
ANINDITA GOGOI



NATIONAL LEVEL
LAWN BOWLS PLAYER
PORISMITA GOGOI



RANJIT TROPHY PLAYER
MANASH PROTIM GOGOI



BEST LITERARY AWARDEE
PRIYANKA CHETIA PHUKAN



BEST ACTRESS
ALIVEA GOGOI




BEST SINGER
PRIYASHEE GOGOI



BEST COMEDY ACTOR
TRIVUBAN GOGOI





# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন

# Annual Report of General Secretary



At the outset of my Annual Report, I would like to convey my sincere honour to our respected Principal Dr. Rajen Tamuli sir, Vice-pricipal Mr. Arpon KumarBaruah sir & to all respected Professors of Sonari College for their valuable advice and co-operation.

As I was being selected as "General Secretary" by my loving friends, brothers and sisters. I am greatly thankful to them, those who gave me an opportunity to handle this respectable portfolio, as GENERAL SECRETARY to serve this college. Well, but I don't know upto which limit I have succeeded, to my promises that I have made to you that as a GENERAL SECRETARY I believe that I had done every work in a proper way, sincerely and in a disciplined manner. During my session, I had organized Teacher's Day for two times, 6 National Seminars for both (Sci&Arts), 3 Workshops, GS meet at Rabindra Bhaban(GUWAHATI), Blood donation camp at college week, Arragement of Multi-Gym, A Flower Garden camp at Rajapukhuri Hospital organized by NSS unit, Construction of Indoor Stadium, construction of library, sanction of swimming pool and many more's.

At last, I request to all the Lecturers, Friends, brothers & Sisters to forgive me, for the mistakes I had done in my session. Also I would like to give a special cordial thanks to Dr. Rajen Tamuli sir, Mr. Arpon kr. Barauh sir, Mr. Sunil Dutta sir, Mr. Raghunath Kagyung sir for their valuable advice, guidance and Co-operation. Again I would like to give a special thanks to my brothers- sajid(boon) da, Ex-GS Debo kr Gupta, Abhilakh, Prasanta da, Chandan da, Khadyut(sunu),Bhaskar(chintu), Mukuta, Sanjib, Teza, Sisters-Rupa ba, Jahnabi, Friends- Debasish (papu), Medini, Bhargav, Rupam, Akash, Anil, Aditya, Pallabi and all the Union secretary and many mores. Before I finish my writings I would also like to give a special thanks to the IV grade workers- Kakoty sir, Baba da, Duluda, Dudul da, Basanta da, Juti da, Dibya da and many more's. At last I want to apologize if I have done mistakes or forgot to metion something in my Annual Report.

LONG LIVE, SONARI COLLEGE.
with thanks,
**Nishit Kr. Deka ,**
General Secretary,
Sonari College.

# ২০১১-২০১২ বৰ্ষৰ উপ-সভাপতিৰ প্ৰতিবেদন

উপ সভাপতিৰ পাতনি আৰম্ভ কৰিবলৈ লোৱাৰ প্ৰাক্‌মূহুৰ্তত মই সেই সকললৈ প্ৰণাম জনাইছোঁ যি সকলৰ অশেষ কষ্ট, যত্নৰ ফলত জ্ঞানৰ মন্দিৰ “সোণাৰি মহাবিদ্যালয়” সোণাৰি নগৰৰ মাজ মজিয়াত স্থাপন হ'ল। দ্বিতীয়তে আমাৰ এই জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয়ক প্ৰকৃত সোণালী ৰূপ দিবলৈ যত্ন কৰা তথা ৰূপ দিয়াত আগভাগলোৱা আমাৰ মহাবিদ্যালয়ৰ কাৰ্য্যৰত অধ্যক্ষ শ্ৰদ্ধাৰ ডঃ ৰাজেন তামুলী ছাৰ, শ্ৰদ্ধাৰ উপাধক্ষ্য মহোদয়, শ্ৰদ্ধাৰ শিক্ষক শিক্ষয়ত্ৰীবৃন্দ মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ আৰু বিশেষভাৱে সোণাৰি মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীক মই এই সুযোগতে আন্তৰিক অভিনন্দন তথা শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

মই ২০১১-২০১২ বৰ্ষৰ উপসভাপতি পদৰ প্ৰাৰ্থী হিচাবে জয় লাভ কৰিছিলোঁ যদিও কলেজৰ উন্নতি হকে বিশেষ কৰিব নোৱাৰিলো।

সদৌ শেষত মই মহাবিদ্যালয়ৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলৈ ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

**স্বপ্নজিৎ বৰগোঁহাই**
সোণাৰি মহাবিদ্যালয়, ছাত্ৰ একতা সভা





# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদন আগবঢ়োৱাৰ বাট চ'ৰাতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকললৈ শ্ৰদ্ধা নিবেদিছোঁ। যিসকল ব্যক্তিয়ে দেশ আৰু স্বজাতিৰ হকে প্ৰাণ বিসৰ্জন দিলে সেইসকল ব্যক্তিৰ আত্মাৰ চিৰশান্তিৰ বাবে মিনতি জনাইছো। লগতে সোণাৰি মহাবিদ্যালয়খনি প্ৰতিষ্ঠা আৰু উন্নতিৰ ক্ষেত্ৰত আগ-ভাগ লোৱা মহান ব্যক্তি সকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

বিগত ২০১১-১২ বৰ্ষটিত মোক সাধাৰণ সহঃ সম্পাদিকাৰ পদলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয়ত সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সমূহ শুভাকাংক্ষীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিগত বৰ্ষটিত ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে বাৰ্ষিক ক্ৰীড়া সমাৰোহত অন্যান্য বিষয়ববীয়া সকলৰ লগতে তেওঁলোকৰ কাৰ্যত সহায়-সহযোগ আগবঢ়ালো। মই মহাবিদ্যালয়ৰ হকে কিছুমান কাম কৰিম বুলি ভাবিছিলো কিন্তু সকলোবোৰ বাস্তৱত সম্পূৰ্ণ ৰূপে ৰূপায়িত কৰিব নোৱাৰিলো।

শেষত মোৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহায় সহযোগিতাৰ লগতে সু-দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধেয় ড° ৰাজেন তামুলী ছাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনাই মোৰ জ্ঞাত অজ্ঞাত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলো। লগতে মহাবিদ্যালয় উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'
'জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা'

**শ্ৰীমতী নৰস্মৃতা শইকীয়া**
সহঃ সাধাৰণ সম্পাদিকা
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১১-১২ বৰ্ষ

# ২০১১-২০১২ বৰ্ষৰ লঘূ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ কলম ধৰাৰ প্ৰাক্‌মূহুৰ্ত্তত মই সেই সকল দূৰদৃষ্টি সম্পন্ন তথা মহান ব্যক্তি সকলক সোঁৱৰিছো যি সকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত সোণাৰি নগৰৰ মাজ-মজিয়াত এই জ্ঞানৰ মন্দিৰ "সোণাৰি মহাবিদ্যালয়" খন প্ৰতিষ্ঠা হ'ল। ইয়াৰ পাছতে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধক্ষ্য মহোদয় প্ৰমূক্ষে কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া লগতে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলক এই সুযোগতে মৰম-চেনেহ, কৃতজ্ঞতা তথা শুভকামনা জ্ঞাপন কৰিছোঁ।

মই ২০১১-২০১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিলো যদিও মই আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ আগমূহুৰ্তত এক দূৰ্ঘটনাত পতিত হৈ ক্ৰীড়া সপ্তাহত সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰিলো। মোক সেই সময়ত বিশেষ ভাৱে কামখিনি আগবঢ়াই নিয়াত সহায় কৰিছিল উপ-সভাপতি শ্ৰী স্বপ্নজিৎ বৰগোঁহাই তথা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াই। মই এই সুযোগতে তেওঁ লোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই বাৰ্ষিক ক্ৰীড়া সপ্তামহৰ সময় সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰিলেও তাৰ পিছৰ প্ৰতিটো কাৰ্য্যসূচীত ছাত্ৰ-একতা সভাৰ লগত সক্ৰিয় ভাৱে জড়িত আছিলোঁ।

সৰ্বশেষত মই পুনৰ বাৰ সকলোকে মৰম-চেনেহ, শ্ৰদ্ধা, কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**অনিল ওজা ফুকন**
লঘু খেল বিভাগৰ, সম্পাদক





# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় একলমৰ প্ৰাক্‌-মুহুৰ্ত্ততে যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত এই জ্ঞানৰ মন্দিৰটি প্ৰাণ পাই উঠিছিল সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ, শ্ৰদ্ধাৰ ৰাজেন তামুলী চাৰ, উপাধ্যক্ষ শ্ৰীযুত অৰ্পন বৰুৱা চাৰ আৰু সমূহ শিক্ষাগুৰু সকল আৰু কৰ্মচাৰী বৃন্দলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০১১-১২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সংগীত বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পিছতেই সকলোৰে হেঁপাহৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ আৰম্ভণি হৈছিল। এই সপ্তাহত মই সংগীতৰ বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰিছিলো য'ত ছাত্ৰ-ছাত্ৰী সকলে যথেষ্ট পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। এই সময়ছোৱাত সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত ৰঞ্জিত বুঢ়াগোহাঁই চাৰ, শ্ৰীযুতা ৰীতা দত্ত বাইদেউ, শ্ৰীযুত ৰঘুনাথ কাগয়ুং চাৰ আৰু সমূহ শিক্ষাগুৰু সকল, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল আৰু বন্ধু-বান্ধৱী সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ শুভাকাঙ্খী হিচাপে এই এবছৰীয়া কাৰ্যকালত কিমানদূৰ সফল হ'লো এইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। বাৰ্ষিক ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰী সকলে যি পাৰদৰ্শিতা দেখুৱাইছিল এইয়া অতি প্ৰশংসাৰ বিষয়। আশা কৰোঁ ভৱিষ্যতে তেওঁলোকে পৃথিৱীৰ অন্যান্য ক্ষেত্ৰতো সফল হৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব আৰু মহাবিদ্যালয়ৰ সোণালী ঐতিহ্য তথা সন্মান চিৰযুগমীয়া কৰি ৰাখিব।

সৰ্বশেষত মোৰ কাৰ্যকালৰ অজানিতে হোৱা ভুলবোৰৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো। আগন্তুক বৰ্ষত উক্ত বিভাগটিৰ অধিক উন্নতি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

"জয়তু সোণাৰী মহাবিদ্যালয়"

**শ্ৰীনৱজিৎ বৰগোহাঁই**
সংগীত বিভাগৰ সম্পাদক
২০১১-১২ বৰ্ষ

# Result of Music Competition

| | | |
|---|---|---|
| 1. Jyoti Sangeet | 1st | Miss Priyashree Gogoi |
| | 2nd | Miss Rituparna Sarma |
| | 3rd | Miss Puja Gogoi |
| 2. Rabha Sangeet | 1st | Miss Priyashree Gogoi |
| | 2nd | Miss Priyanka Chetia Phukan |
| | 3rd | Miss Rituparna Sarma |
| 3. Bihu Geet | 1st | Sri Abhilakh Gogoi |
| | 2nd | Miss Bhagyashree Phukon |
| | 3rd | Sri Nirmal Gogoi |
| 4. Lokogeet | 1st | Miss Puja Gogoi |
| | 2nd | Miss Priyashree Gogoi |
| | 3rd | Miss Rituparna Sarma |
| 5. Parwati Sangeet | 1st | Miss Rituparna Sarma |
| | 2nd | Miss Priyashree Gogoi |
| | 3rd | Miss Sweta Ghosh |
| 6. Bhupendra Sangeet | 1st | Miss Sweta Ghosh |
| | 2nd | Miss Anindita Borgohain |
| | 3rd | Miss Priyashree Gogoi |

Best Singer – Miss Priyashree Gogoi

****





# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে সোণাৰি মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে পৰম শ্ৰদ্ধাভাজন উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকল আৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ ; লগতে মই সেইসকল মহান লোকৰ ব্যক্তিৰ চৰণত মোৰ অন্তৰৰ পৰা একাজঁলি শ্ৰদ্ধাৰ পুষ্পাঞ্জলি অৰ্পণ কৰিছো, যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ জৰিয়তে প্ৰসিদ্ধ চৰাইদেউ মহকুমাৰ সোণাৰি নগৰৰ মাজমজিয়াত জ্ঞানৰ মন্দিৰ ‘সোণাৰি মহাবিদ্যালয়’ গঢ়ি উঠিল।

২০১১-১২ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক “সাহিত্য বিভাগৰ সম্পাদক হিচাপে” ছাত্ৰ-ছাত্ৰী সকলে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ কাৰণে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে চিৰনমস্য মোৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টী সকললৈ আন্তৰিক মৰম যাচিলোঁ।

সাহিত্য বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইসপ্তাহমানৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ আৰম্ভ হয়। এই ক্ৰীড়া সমাৰোহতেই মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ শৃংখলাবদ্ধতা আৰু প্ৰতিভা দেখি মই অভিভূত হ'লো। মোৰ কাৰ্যকালত প্ৰতিযোগিতাসমূহ সুকলমে অনুষ্ঠিত কৰাত বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছিল সাহিত্য বিভাগৰ তত্বৱধায়ক ৰঘুনাথ কাগয়ুং ছাৰ, পৰাণন কোঁৱৰ ছাৰ, ৰীতা দত্ত বাইদেউ, ৰাজীৱ কটকী ছাৰ, শ্ৰদ্ধেয় অনিতা কোঁৱৰ বাইদেউ, নিকু বাইদেউ, চক্ৰপানী পাতিৰ ছাৰে। বিভিন্ন সময়ত সহায় আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ আন শিক্ষাগুৰু সকল তথা অধ্যক্ষ মহোদয়, আৰু উপাধ্যক্ষ মহোদয়, দাদা - বাইদেউ, বন্ধু-বান্ধৱী নিৰ্মল দা, সৌৰভ দা, অভিলেখ, দুলু, অৰ্চনা, নৱনীতা, ভাৰতী, নায়িকা, ভৱেশ, তপন, মায়া মেঘালী বা, আশাকিৰণ বা, সুনীল, দেবা দা প্ৰমুখ্যে ছাত্ৰী নিবাস আৰু ছাত্ৰ নিবাসৰ সমূহ আবাসীলৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুলসমূহৰ বাবে মোৰ শিক্ষাগুৰু তথা অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা নিবেদিছো আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়ালৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি সোণাৰি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

‘জয়তু সোণাৰি মহাবিদ্যালয়’

“জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা”

**জ্যোতিষ বুঢ়াগোঁহাই**
সাহিত্য বিভাগৰ সম্পাদক
২০১১-১২ বৰ্ষ

# সাহিত্য প্ৰতিযোগিতাৰ ফলাফল

**১। অসমীয়া কবিতা আবৃতি প্ৰতিযোগিতা**

১। প্ৰথম অনিন্দিতা গগৈ — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ
২। দ্বিতীয় প্ৰিয়ংকা শৰ্মা — স্নাতক, তৃতীয় বৰ্ষ
৩। তৃতীয় বন্দিতা বৰুৱা — স্নাতক, ২য় বৰ্ষ

**২। অসমীয়া বাতৰি পঢ়া প্ৰতিযোগিতা**

১। প্ৰথম পল্লৱী বৰগোহাঞি — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ
২। দ্বিতীয় মাইনু কাকতি — স্নাতক, তৃতীয় বৰ্ষ
৩। তৃতীয় প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ

**৩। ইংৰাজী বাতৰি পঢ়া প্ৰতিযোগিতা**
**উদগণিমূলক বঁটা**

১। প্ৰথম ৰাজশ্ৰী কৌশিক — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ
২। দ্বিতীয় মঞ্জুৰী কোঁৱৰ — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ

**৪। থলিতে লিখা কবিতা প্ৰতিযোগিতা (অসমীয়া)**
**বিষয় ঃ তোমাৰ মৃত্যুত তোমাৰ যাত্ৰাত (ঁড° ভূপেন হাজৰিকা/ ঁমামণি ৰয়ছম গোস্বামী)**

১। প্ৰথম শ্ৰীমতী প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ
২। দ্বিতীয় শ্ৰী অভিজিৎ শইকীয়া — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ
৩। তৃতীয় শ্ৰীমতী মায়া মেঘালী বৰুৱা — স্নাতক, তৃতীয় বৰ্ষ

**৫। থলিতে লিখা চুটি গল্পৰ প্ৰতিযোগিতা**
**বিষয় ঃ উৰুলি**

১। প্ৰথম শ্ৰীমতী প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ
২। দ্বিতীয় অনিন্দিতা গগৈ — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ
৩। তৃতীয় শ্ৰীসৌৰভ চেতিয়া — স্নাতক, তৃতীয় বৰ্ষ
শ্ৰীমতী মাইনু কাকতি — স্নাতক, তৃতীয় বৰ্ষ
উদগণি — শ্ৰীমতী সুকৃতী চাংমাই — স্নাতক, তৃতীয় বৰ্ষ





**৬। থলিতে লিখা কবিতা প্ৰতিযোগিতা (অসমীয়া)**
**বিষয় ঃ তোমাৰ মৃত্যুত তোমাৰ যাত্ৰাত (ঁড° ভূপেন হাজৰিকা/ ঁমামণি ৰয়ছম গোস্বামী)**

১। প্ৰথম শ্ৰীমতী প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ
২। দ্বিতীয় শ্ৰী অভিজিৎ শইকীয়া — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ
৩। তৃতীয় শ্ৰীমতী মায়া মেঘালী বৰুৱা — স্নাতক, তৃতীয় বৰ্ষ

**৭। চিত্ৰাংকণ প্ৰতিযোগিতা**
**বিষয় ঃ উৰুলি**

১। প্ৰথম সুনীতি কাকতি — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ
২। দ্বিতীয় চন্দন নয়ন দাস — স্নাতক, তৃতীয় বৰ্ষ
৩। তৃতীয় মিঠু ফুকন — স্নাতক, দ্বিতীয় বৰ্ষ
প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ
উদগণি — শৰৎ গগৈ — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ

**৮। কবিতাৰ পাণ্ডুলিপি**
**বিষয় ঃ উৰুলি**

১। প্ৰথম প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ
*শিৰোনাম — সৰাপাতৰ দৰে সৰি পৰা ৰাতিবোৰ আৰু মই*
২। দ্বিতীয় নীহাৰিকা বৰগোঁহাই — স্নাতক, ২য় বৰ্ষ
*শিৰোনাম — খোজ*
৩। তৃতীয় শ্ৰীসৌৰভ চেতিয়া — স্নাতক, তৃতীয় বৰ্ষ
*শিৰোনাম — একাজলি উশাহ শব্দ আৰু অনুভূতি*
উদগণি —
১। পবিত্ৰ চেতিয়া — স্নাতক, ২য় বৰ্ষ
*শিৰোনাম — এমুঠি তৰাৰ নাচোন*
২। অভিলেখ গগৈ — স্নাতক, ২য় বৰ্ষ

**৯। চুটি গল্প**

১। প্ৰথম প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ
২। দ্বিতীয় কৃতী চাংমাই — উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ

**১০। একাংকিকা নাটৰ পাণ্ডুলিপি**
**বিচাৰকৰ বিশেষ বঁটা "সম্প্ৰীতি"**

১। শ্ৰীনিৰ্মল গগৈ — স্নাতক, তৃতীয় বৰ্ষ

**১১। প্ৰবন্ধ**

**বিষয় ঃ অসম ২০৫০**

| | | | |
|---|---|---|---|
| ১। প্ৰথম | ঋতুপৰ্ণা দত্ত | — | স্নাতক, তৃতীয় বৰ্ষ |
| ২। দ্বিতীয় | পবিত্ৰ চেতিয়া | — | স্নাতক, ২য় বৰ্ষ |
| ৩। তৃতীয় | কৃতি চাংমাই | — | উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ |
| | চন্দন নয়ন দাস | — | স্নাতক, তৃতীয় বৰ্ষ |

**১২। আবেদন**

**বিষয় ঃ মহাবিদ্যালয়ৰ সমস্যা**

| | | | |
|---|---|---|---|
| ১। প্ৰথম | শ্ৰীশৰৎ কুমাৰ গগৈ | — | স্নাতক, ২য় বৰ্ষ |
| ২। দ্বিতীয় | শ্ৰীমতীকৃতী চাংমাই | — | উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ |
| ৩। তৃতীয় | শ্ৰীঋষিকেশ বুঢ়াগোহাই | — | উচ্চতৰ মাধ্যমিক, ৩য় বৰ্ষ |
| উদগণিমূলক- | শ্ৰীঅংকিতা নন্দী | — | উচ্চতৰ মাধ্যমিক, ১ম বৰ্ষ |

**১৩। শ্ৰেষ্ঠ সাহিতিকৰ বঁটা**

১। প্ৰিয়ংকা চেতিয়া ফুকন — স্নাতক, তৃতীয় বৰ্ষ

****





# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান ব্যক্তিক অতি শ্ৰদ্ধাৰে সুঁৱৰিছো যিসকল ব্যক্তিয়ে অশেষ কষ্ট কৰি হেঁপাহেৰে জ্ঞানৰ মন্দিৰ সোণাৰি মহাবিদ্যালয় স্থাপন কৰি নগৰখনৰ শিক্ষাৰ মানদণ্ড উন্নত কৰিলে। সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলী ছাৰ প্ৰমুখ্যে শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ মৰম, কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো।

২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰে। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ প্ৰতি যি সেৱা আগবঢ়াবলৈ মোক সুবিধা প্ৰদান কৰিলে সেই সকল চিৰ নমস্য মোৰ দাদা, বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টী সকললৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ক্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

**কৌশিক গগৈ**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১১-১২ বৰ্ষ

**Carrom (Single)**

1. 1st Position – Sri Raju Bauri
2. 2nd Position – Sri Sajnoy Gogoi
3. 3rd Position – Sri Monuj Baruah

**Carrom Double (Boys)**

1. Dilwar Hussain Champion
   Seraj Ali Mansuri
2. Animesh Hazarika Runners up
   Partha Pratim Baruah
3. Bijoy Sankar Borah
   Probal Protim Gogoi

**Chess (Boys)**

1. Lakhi Nandan Das – Winner 1st
2. Idul Hussain – Runners up





# ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিলে সেইসকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সুঁৱৰিছো ; আৰু লগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে মাননীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সকলো ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

২০১১-১২ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণী চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাচিছোঁ।

ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা হিচাপে মই কিমানদূৰ সফল হ'লোঁ সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসাৰে প্ৰতিটো দায়িত্ব আৰু কৰ্ত্তব্য সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিলো। এইক্ষেত্ৰত মোক দিহা পৰামৰ্শ আগবঢ়োৱা সকলোটিলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল। মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটি সমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

শেষত মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰিলো।

'জয়তু সোণাৰি মহাবিদ্যালয়'

**পূৰবী শইকীয়া**
সম্পাদিকা
ছাত্ৰী জিৰণি চ'ৰা বিভাগ

# Results of Games held under Girl's Common Room Secretary

**Carrom Single**

1. Maya Meghali Boruah
2. Shyamalima Gogoi
3. Bandita Dey

**Carrom Double**

1. Maya Meghali Boruah, Juri Lama
2. Simi Shyam, Puja Gogoi

**Musical Chair**

1. Sweta Ghosh
2. Parishmita Gogoi
3. Pallabi Borgohain

**Salad**

1. Rituparna Dutta
2. Olympica Borgohain
3. Rimjhim Dulakakhoria

**Chess**

1. Puja Gogoi
2. Munmi Saikia
3. Purabi Saikia





# Debating Secretary's Report



At the starting of my Annual Report, I would like to convey my sincere honour to respected Principal Dr. Rajen Tamuli Sir, Vice-Principal Mr. Arpon Kr. Boruah Sir and all my teachers of our college.

As I was selected as "Debating Secretary" of my good wishers and loving friends, I am greatly thankful to them for handling this respectable portfolio and for giving me an opportunity to serve for this college. Well, I do not know upto which limit I have succeeded in my duty and promise made to you but I believe that I had contributed a very little to the debating and quiz in the college. During my session, I organised all the competitions such as Debate, Quiz, Memory Test, Extempore speech under debating section in College week. In remembering my duty, I always provided my helpful hand in all the activities of our student union.

At last, I request to all of you to forgive me, for my ignorance. Also I would like to give my cordial thanks to respected Mr. Rajib Kotoky Sir, Mr. Sunil Dutta Sir, Mr. Dipankar Sir, Mr. Raghunath Kagyung Sir, Mr. Dilip Ranjan Sir, Mrs. Ranu Mohan Madam, Dr. Rana Konwar Sir, Mrs. Reena Borthakur Madam for their valuable advice and co-operation. Again, thankful to my friends, Bhargav, Akash, Aditya, debasish, Abhijit, Abhilakh, Prasanta, Kaushik, Prantymoyee, Mithu, Sumsum, Kaylani, Medini, Probin, Satrughna, Nabasmita, Nishit, Saurav, Porishmita, Wasim, Anil, Masud, Sanjay, Saddam, Surajit, Dhrubo and all the students of our college for their help in holding the competitions.

In my last column, I wish a bright future of "Sonari College".

"Long Live Sonari College

Long Live Sonari College Students Union".

**Sri Rupam Tasha**
*Debating Secretary*

# Games Under Debating Sercretary

1. Mujahin Ahmed, TDC, 3rd Year – First (1st)
2. Nipun Silpi Bailung, TDC, 3rd Year – Second (2nd)
3. Aie Yogn Shyam, H.S. 2nd Year – Third (3rd)

**Oral Quiz**

1. Sukumar Bhuyan & Rajlakhan Hatimuriya, H.S. 2nd Year – First (1st)
2. Md. Mujahid Ahmed & Nipun Silpi Bailung, TDC, 3rd Year – Second (2nd)
3. Bibi Bhorolua & Anindita Gogoi, H.S. 1st Year – Third (3rd)

**Best Audience**

1. Arindom Chakraborty, TDC, 3rd Year

**Extempore Speech**

1. Bandita Boruah, H.S. 1st Year – First (1st)
2. Rajeshree Kaushik, H.S. 1st Year – Second (2nd)
3. Saurav Chetia, TDC, 3rd Year – Third (3rd)

**Memory Test**

1. Pinky Matiya, TDC, 3rd Year – First (1st)
2. Munmi Saikia, TDC, 3rd Year – Second (2nd)
3. Pranty Moyee Dutta, B.A. 1st Sem. – Third (3rd)

**Debating Competition**

1. Anubha Bhuyan, TDC, 3rd Year – First (1st)
2. Swapnajit Borgohain, TDC, 3rd Year – Second (2nd)
3. Chayaniki Konwar, TDC, 3rd Year – Third (3rd)

**Best Debator**

Arunabh Bhuyan, , TDC, 3rd Year

****





# ২০১১-২০১২ বৰ্ষৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



পোন প্ৰথমে শ্ৰদ্ধা নিবেদিছোঁ সেই সকল মনিষীলৈ যি সকলৰ অশেষ চেষ্টা অংকুৰিত হৈ ক্ৰমে ক্ৰমে আজিৰ তাৰিখলৈকে যি সকলৰ সান্নিধ্যত সোণাৰি মহাবিদ্যালয়খনে চতুৰ্থ দশকৰ ক্ৰমোন্নতিৰ দেওনা পাৰ কৰিলে সেই সকললৈ। বিশেষকৈ সন্মান যাচিছোঁ আৰু শ্ৰদ্ধা নিবেদিছোঁ সোণাৰি মহাবিদ্যালৰ পৰিয়াললৈ।

২০১১-২০১২ বৰ্ষত মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদৰ দায়িত্ব গ্ৰহণ কৰো আৰু ইয়াৰ বাবে মোক আগবঢ়াই দিয়া সকলোলৈকে মোৰ মৰম যাচিলোঁ। কামবোৰ কৰি যোৱাৰ এটি হেপাহী মন আৰু আপোনালোকৰ সহয় সহযোগিতাৰে মই কিমানখিনি আগুৱাব পাৰিলোঁ নাজানো। সদায় ভাবিছিলোঁ ক্ৰমাগত দিশ আগুৱাই যাওক আৰু কিবা এটা নতুনত্ব থাকক। ভাল লাগিলে কামবোৰ কৰিবলৈ সুযোগ পাই। সৰু সৰু কিছু প্ৰতিশ্ৰুতি থাকি গ'ল। যি অনাগত দিনত পূৰণ হ'ব বুলি আশা ৰাখিছোঁ।

............ যন্তবৎ সময় যন্তবৎ জীৱন .......... প্ৰতিযোগিতাৰ সমদলত ভাগ লোৱা ত্ৰুটি খোজ। তাৰ মাজতেই নিহিত হৈ থাকে সাংস্কৃতিক এটা গভীৰ টান। যি টানৰ মনৰ গৰাকী হৈ আমি ভাবীকালৰ একো একোজন নিপুন খনিকৰ ......... সাংস্কৃতিৰ ......।

সময়ৰ সোতত বুঢ়ালুইতৰ বুকুৰ দুয়োপাৰৰ নিৰবধি প্ৰবাহমানত অ'ত ত'ত লাগি ৰোৱা ভাষা, নৃত্য, কলা-সংস্কৃতি আদিৰ ঠাল ঠেঙুলিবোৰক নিয়েই গঠিত বৃহৎ অসমীয়া জাতি ও ভাষা আৰু সংস্কৃতি। অসমীয়া জাতি যেনেকৈ সমন্বয়ৰ জাতি, অসমৰ সংস্কৃতিও সমন্বয়ৰ সংস্কৃতি। সংস্কৃতিৰ আৱৰণ সদায় পৰিবৰ্তনশীল। কালৰ চাকনৈয়াত পৰি আমাৰ সংস্কৃতিয়ে যে সলনি হৈছে সেইয়া সঁচা। পৰিবৰ্তনৰ নামত আমি সংৰক্ষণো কৰিব নোৱাৰো। কিন্তু সংস্কৃতিৰ, ভাষাৰ মূল শিপাডাল আমি সদায় ধৰি ৰাখিব লাগিব। মহাপ্ৰলয়ত আমি স্থিতপ্ৰজ্ঞ নাবিক হৈ ৰ'ব লাগিব আৰু তেতিয়াহে জাতীয় ঐতিহ্যৰ ভেটিত গঢ় লৈ উঠা অসমীয়া জাতীয় সংস্কৃতিত যোগ বিয়োগৰ ৰীতি মান কালৰ বুকুত জীয়াই থাকিব। নতুনত্বৰ সন্মান সকলোৰে থাকে, আমি সকলোৱে বিচাৰো সামগ্ৰিক উন্নতি। কিন্তু আমাক আজিৰ তাৰিখত এক নতুন দৃষ্টিভংগীৰ প্ৰয়োজন যি দৃষ্টিভংগীত থাকে সম্যক বিচাৰ ক্ষমতা, উদাৰতা আৰু গুণগ্ৰাহিতা।

কলেজীয়া জীৱন আৰু এবছৰীয়া কাৰ্য্যকালৰ অভিজ্ঞাতাৰে 'এখন মহাবিদ্যালয়ত সংস্কৃতিক বাতাবৰণ আৰু মোৰ কিছু অনুভব' ব্যক্ত কৰিবলৈ ওলাইছোঁ .......।

এটি মহান শিক্ষাদীপ্ত, জ্ঞান-অন্বেষণৰ চানেকীস্বৰূপ আমাৰ মহাবিদ্যালয়বোৰ। য'ত সময়ে সময়ে

জ্ঞান পিপাসুৰ আদৰণিৰ খোজ .......... মহাবিদ্যালয়ৰ সুস্থ সুন্দৰ বতাবৰণৰ স'তে জীৱনৰ প্ৰতিশ্ৰুতি ৰাখি নৈতিক, আধ্যাত্মিকতাৰ গৰাকী হৈ নিষ্ঠাবান নাগৰিক হিচাবে কালিলৈ একো একোজন সমাজৰ আদৰ্শৰ পুৰুষ আৰু সেই আদৰ্শৰেই মহীয়ান হ'ব আমাৰ ভাবীকালৰ সমাজ আৰু সংস্কৃতিৰ ......।

এনেকুৱা এটা বৃহৎ প্ৰতিনিধিত্বত আমি মহাবিদ্যালয়ৰ পৰা কি ল'ব পাৰিছোঁ বা আমি কি দিব পাৰিছোঁ? দেখা যায় আজিৰ তাৰিখত মহাবিদ্যালয়বোৰৰ সাধাৰণ নিৰ্বাচনবোৰত আমাৰ জাতীয় সংগঠন বিলাকে তেওঁলোকৰ প্ৰভাৱ বিস্তাৰ কৰিব বিচাৰে। কিয় উথপথপ লাগে আমাৰ জাতীয় দলবোৰৰ মাজতেই? এখন মহাবিদ্যালয় সম্পূৰ্ণ নিকা পৰিবেশ, নিকা একো একোটি মন। এনেদৰে প্ৰভাৱসমূহৰ হেঁচাত আমাৰ সুস্থ বাতাবৰণটো অলপ হলেও বিনষ্ট নহ'বনে? অলপ হলেও প্ৰভাৱ নপৰিবনে আমাৰ মানসিক ভাৰসাম্যতাত আৰু তাৰ আঁৰৰ একোখন সমাজত? আমাৰ সংস্কৃতিত? যিহেতু শিক্ষা আৰু ৰাজনীতিও এক সংস্কৃতি। কিন্তু আজিৰ তাৰিখত আমাৰ শিক্ষানুষ্ঠানবোৰৰ নিৰ্বাচন আৰু মন্ত্ৰীমহলৰ নিৰ্বাচন প্ৰায় একাকাৰ হোৱা দেখা যায়। কিন্তু ইয়াৰ কেৰোণ কণনো ক'ত? নিশ্চয় আমাৰ মাজতেই। গতিকে আমি প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব যে আমি তাৰ চেকা নলগাকৈ থাকো আৰু গুণগত মানদণ্ডৰ এক বাতাবৰণ সদায় বজায় ৰাখো।

কৃতজ্ঞতা —

মোৰ এই কাৰ্য্যকাল দায়িত্বভাৰ গ্ৰহণ কৰাৰে পৰা সকলোৰে পৰা ইমান সুন্দৰকৈ সহায় সহযোগিতা পাইছিলোঁ তাক মই নশলাগি নোৱাৰো। মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু সন্মানীয় ছাৰ বাইদেউ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোক সকলো সময়তে দিহা-পৰামৰ্শ দি সকলো কাৰ্য্য সম্পাদন কৰাৰ ক্ষেত্ৰত বিভাগৰ উপদেষ্টা ৰীতা দত্ত বাইদেউ, অনিতা কোঁৱৰ বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষভাৱে কৃতজ্ঞ হৈ ৰৈছোঁ সুচিত্ৰ নাৰায়ণ ৰাজখোৱা ছাৰ আৰু দিব্যজ্যোতি কোঁৱৰ ছাৰৰ ওচৰতো যি মোৰ বিভিন্ন সময়ত বিভিন্ন দিহা পৰামৰ্শৰে মোৰ কাৰ্য্যক আগুৱাই নিবলৈ সহায় কৰিছিল। সকলোতকৈ বেছি মোৰ প্ৰতিটো কৰ্মতে কাৰ্য্যমানে সহায় কৰিছিল মোৰ বন্ধুবৰ্গ, ককাইদেউ বাইদেউ আৰু ভাইটি ভণ্টীসকলে। এই সকলোলৈকে মোৰ মৰম আৰু কৃতজ্ঞতা যাচিছোঁ। বিশেষকৈ প্ৰতিটো সময়তে মোৰসতে থকা বন্ধু দেৱ, অভিজিৎ, চন্দন, ভাস্কৰ, পৰাণ, দেবা, অভিলেখ, ধ্ৰুৱ, শান্তনু, সৌৰভ, নিশ্চিত, দুলু, ভাৰ্গৱ, ৰমেন, ধৰ্ম, কাব্য, প্ৰিয়াশ্ৰী, অলিম্পিকা, ভণ্টী চমু, পূজা, মইনী, ময়ুৰী, ভৰতী, নৈৰিকা, অক্লান্তিকা, মায়ামেঘালী, শ্যামলীমা, প্ৰতিমা, প্ৰিয়াক্ষী, কল্যাণী, চুমচুম, মিথু, প্ৰান্তী, প্ৰিয়াঙ্কু, ফাৰিজ, মুনিৰ, পল্লৱ সকলোলৈকে মোৰ মৰম যাচিলোঁ আৰু কৃতজ্ঞ হৈ ৰ'লো।

অনাগত দিনত সোণাৰি মহাবিদ্যালয় জ্যোতিস্মান হৈ উঠক। তাৰেই আলোকেৰে পোহৰাই তোলক নকৈ ফুলি উঠা সমাজ। যাৰ গৌৰৱত গৌৰম্বিত হয় সকলো আৰু আমিও।

"জয়তু সোণাৰি মহাবিদ্যালয়।

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

**প্ৰশান্ত বৰুৱা**
সাংস্কৃতিক সম্পাদক





## ২০১১-২০১২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ

| | | | |
|---|---|---|---|
| ১। | **আধুনিক নৃত্য** : | প্ৰথম | প্ৰিয়ংকা শৰ্মা। |
| | | দ্বিতীয় | যুথিকা গগৈ। |
| | | তৃতীয় | বিনীতা গগৈ। |
| ২। | **বিহু নৃত্য** : | প্ৰথম | প্ৰিয়ংকা শৰ্মা। |
| | | দ্বিতীয় | পল্লৱী বৰগোঁহাই। |
| | | তৃতীয় | কল্যাণী বৰুৱা। |
| ৩। | **দলীয় নৃত্য** : | প্ৰিয়ংকা চেতিয়া ফুকন আৰু সংগীবৃন্দ (প্ৰশংসাসূচক বঁটা)। | |
| ৪। | **সাজপাৰ প্ৰতিযোগিতা** : | প্ৰথম | অলিম্পিকা বৰগোঁহাই। |
| | | দ্বিতীয় | বন্দিতা দে। |
| | | | অচ্যুত গগৈ। |
| | | তৃতীয় | যুথিকা গগৈ। |
| | | | সম্পূৰ্ণা বুঢ়াগোঁহাই। |
| ৫। | **একক অভিনয় প্ৰতিযোগিতা** : | প্ৰথম | ত্ৰিভুবন গগৈ। |
| | | দ্বিতীয় | অভিজিৎ শইকীয়া। |
| | | তৃতীয় | প্ৰিয়ংকা শৰ্মা। |
| | | | অভিলেখ গগৈ। |
| ৬। | **কৌতুক অভিনয় প্ৰতিযোগিতা** : | প্ৰথম | লটিঘটি কৌতুক গোষ্ঠী। |
| | | দ্বিতীয় | ফিট ফাট কৌতুক গোষ্ঠী। |
| | | তৃতীয় | চয়নিকা কোঁৱৰ। |
| ৭। | **মুকভিনয় প্ৰতিযোগিতা** : | প্ৰথম | নিৰ্মল গগৈ। |
| | | দ্বিতীয় | অচ্যুত গগৈ। |
| | | তৃতীয় | চন্দন লাহন। |
| ৮। | **একাংক নাট প্ৰতিযোগিতাৰ ফলাফল** : | | |
| | | শ্ৰেষ্ঠ নাট | ধানটো পটানটো। |
| | | দ্বিতীয় | সম্প্ৰীতি। |
| | | তৃতীয় | শেষ নিশাৰ অতিথি। |
| | | শ্ৰেষ্ঠ অভিনেতা | ভাস্কৰ বৰগোঁহাই (চৰিত্ৰ-গদৰাম) (নাট - ধানটো পটানটো) |

| | |
|---|---|
| দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা | ৰিকু বৰগোঁহাই (চৰিত্ৰ - ৰংমন) |
| তৃতীয় শ্ৰেষ্ঠ অভিনেতা | ভাৰ্গৱ শ্যাম (সভাপতি) ধানটো পটানটো |
| শ্ৰেষ্ঠ অভিনেত্ৰী | অলিভিয়া বৰা (পদুমী) সম্প্ৰীতি |
| দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী | পূজা গগৈ (জিনা) শেষ নিশাৰ অতিথি |
| তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী | পুষ্পী দত্ত (মানেদা) ধানটো পটানটো |
| শ্ৰেষ্ঠ সহঃ অভিনেতা | ত্ৰিভুবন গগৈ (মুহিৰাম) সম্প্ৰীতি |
| শ্ৰেষ্ঠা সহঃ অভিনেত্ৰী | যুথিকা গগৈ (মাকন) ধানটো পটানটো |
| শ্ৰেষ্ঠা কৌতুক অভিনেত্ৰী | ৰিমঝিম গগৈ (চাহনি) (বনভোজ) |
| শ্ৰেষ্ঠা পৰিচালক | ধৰ্মজ্যেতি বৰুৱা (ধানটো পটানটো) |
| বিচাৰকৰ বিশেষ | সম্পূৰ্ণা বুঢ়াগোহাঁই (জোনালী) আমৰাৰ |

****





# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে বুৰঞ্জীয়ে পৰশা ঐতিহাসিক চৰাইদেউ মহকুমাৰ সোণাৰী মহাবিদ্যালয়ৰ জন্মদাতা বৰেণ্য মহানুভৱ ব্যক্তি সকলক সশ্ৰদ্ধ প্ৰণাম জনাইছো আৰু শ্ৰদ্ধাৰে সুঁৱৰিছো ; লগতে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ৰাজেন তামুলী চাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ ছাৰ-বাইদেউ, সমূহ কৰ্মচাৰী তথা অনুজ-অগ্ৰজ সকলোকে আন্তৰিক শ্ৰদ্ধা আৰু মৰম সেৱা যাচিলোঁ।

ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ৰ ২০১১-২০১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদকৰূপে মই কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। তথাপি মই মোৰ কাৰ্যবোৰ সুন্দৰভাৱে সমাপণ কৰিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ সহযোগ আৰু পৰামৰ্শ অনুযায়ী "ৰক্তদান শিবিৰ" অনুষ্ঠিত কৰা হয়। লগতে যোৱা বৰ্ষৰ দৰে এইবাৰো 'নগৰ চাফাই অভিযান' কাৰ্যসূচী হাতত লোৱা হয়।

মই সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে যিখিনি কাৰ্য কৰিলো তাত কিছুমান ভুল-ত্ৰুটি ৰৈ যোৱাটো তেনেই স্বাভাৱিক ; কিয়নো এইয়া মোৰ প্ৰথম পদক্ষেপ। তথাপিও চাৰ-বাইদেউ আৰু প্ৰাক্তন ছাত্ৰ সভাৰ বিষয়ববীয়া সকলৰ গঠনমূলক পৰামৰ্শই হৈছে মোৰ সফলতাৰ কৱচ।

সীমাহীন কল্পনাৰে ভৰপূৰ মানুহৰ মন। মইও কল্পনাৰ বাটেদি বাট বুলাই গৈছো। আশা আছিল মহাবিদ্যালয়ৰ বাবে আৰু কিবা কৰিব পৰাহেঁতেন, কিন্তু সময়ে যে নামানে। চাওঁতে চাওঁতে মোৰ এবছৰীয়া কৰ্মকালৰ যৱনিকা পৰিবৰ হ'ল। গতিকে মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় কৰা শিক্ষাগুৰু মূহীধৰ চেতীয়া চাৰ, প্ৰাক্তন সমাজসেৱাৰ সম্পাদক কাব্যৰঞ্জন দা, সা. স. দেৱকুমাৰ দা, ছাত্ৰী নিবাস, ছাত্ৰাবাস, বন্ধু-বান্ধৱী কৌশিক, নিশিত, মেদিনী, কল্যাণী, প্ৰান্তী, প্ৰিয়ংকা-বা, চুমী-বা এই সকলোলৈকে এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিছো।

সৰ্বশেষত, সোণাৰি মহাবিদ্যালয়ৰ উত্তৰণৰ হকে খোজত খোজ মিলাই আগবাঢ়ি যোৱা আৰু শিক্ষাৰ বন্তিৰে বিশ্ব দৰবাৰত জিলিকি উঠাৰ কামনাৰে মই মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

"জয়তু সোণাৰী মহাবিদ্যালয়
জয়তু সোণাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

**শ্ৰী শত্ৰুঘ্ন বৰা**
সমাজসেৱা বিভাগৰ সম্পাদক
২০১১-১২ বৰ্ষ

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে সোণাৰি মহাবিদ্যালয়ৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ, কৰ্মকৰ্ত্তা, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টিলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

২০১১-২০১২ বৰ্ষৰ সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'লোঁ। মহাবিদ্যালয়ৰ সন্মান অক্ষুন্ন ৰাখি মই মোৰ দায়িত্ব সূচাৰুৰূপে পালন কৰিম বুলি গোপনীয়তাৰ শপত বাক্য পাঠ কৰি কাৰ্যভাৰ গ্ৰহণ কৰিলো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হয়।

শৰীৰ চৰ্চা বিভাগৰ অন্তৰ্ভূক্ত খেলসমূহৰ ভিতৰত পাঞ্জা, শক্তি উত্তোলন, ভাৰোত্তলন, দেহশ্ৰী প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ কলেজ কৰ্ত্তৃপক্ষই গুৰুত্ব সহকাৰে প্ৰয়োজনীয় সকলো সা-সজুলি তথা উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে যথেষ্ট উপকৃত হ'ব। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক তথা মানসিক বিকাশ ঘটোৱাটোত শৰীৰ চৰ্চাই এক বিশেষ বৰঙণি যোগাব পাৰে। অধ্যয়নৰ লগতে শৰীৰ চৰ্চাকো প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বাধ্যতামূলক কৰি লোৱাটো অত্যন্ত প্ৰয়োজনীয়।

মোৰ কাৰ্যকালত বিশেষকৈ ক্ৰীড়া সপ্তাহৰ সময়ত বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়াই অহা মোৰ সতীৰ্থ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। পৰিচালনাৰ বাবে বিচাৰক হিচাপে আমন্ত্ৰিত কৰি অনা শ্ৰীযুত গোপীনাথ ৰায়দেৱ তথা দেহশ্ৰী প্ৰতিযোগিতাৰ মুখ্য বিচাৰক হিচাপে আমন্ত্ৰণ কৰি অনা ডাঃ ৰাজেন গগৈ দেৱলৈও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। মোৰ সকলো দিশত সহায়-সহযোগিতা আগবঢ়োৱা তত্বৱধায়ক শ্ৰীযুত চক্ৰপানি পাতিৰ চাৰলৈয়ো আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে মোৰ ভাতৃ তথা ভগ্নীসম সকলো ছাত্ৰ-ছাত্ৰীকো প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

"জয়তু সোণাৰি মহাবিদ্যালয়"
জয়তু ছাত্ৰ ঐক্য।
ধন্যবাদেৰে

**শ্ৰীডিম্বেশ্বৰ খাখলাৰী**
সম্পাদক
২০১১-১২ বৰ্ষ





# Result of the Gymnasium Secretary

**Arm Wrestling Boy's Weight Category**

**0 – 50 Kg.**

1. 1st Sri Sochankar Rajkhuwar
2. 2nd Sri Papu Dey
3. 3rd Sri Dipankur Gogoi

**51 – 60 Kg.**

1. 1st Sri Sandan Chatia
2. 2nd Sri Sonmaina Deryloria
3. 3rd Sri Sanjy Dutta

**61 – 70 Kg.**

1. 1st Sri Rantu Hazarika
2. 2nd Sri Anuj Fwyai
3. 3rd Sri Dipjyoti Saikia

**71 – Above**

1. 1st Sri Dimbeswar Khaklari
2. 2nd Sri Deep Jyoti Barman
3. 3rd Sri Mithun Das

Champion of the Champion (Arm Wrestling Boy)
Sri Dimbeswar Khaklari

**Arm Wrestling (Girl's) Weight Category**

**0 – 50 Kg.**

1. 1st Miss Lakhipriya Bora
2. 2nd Miss Pallabi Baruah
3. 3rd Miss Sujata Ghosh

**51 – 60 Kg.**

1. 1st Miss Nobonita Phukan
2. 2nd Miss Jebin Sultana
3. 3rd Miss Jitamani Borgohain

**61 – Above**

1. 1st Miss Piyaksi Gogoi
2. 2nd Miss Bhaygashree Phukan
3. 3rd Miss Jenifa Nasrin

Champion of the Champion (Arm Wrestling Girls')

Miss Nobanita Phukan

| **Power Lifting Boy's** | | | Total Kg. |
|---|---|---|---|
| | **0 – 52 Catagory** | | |
| 1. | 1st Sri Sajid Hussain | – | 238 |
| 2. | 2nd Sri Akib Jaman | – | 221 |
| 3. | 3rd Sri Rustam Saikia | – | 167 |
| | **53 – 58 Catagory** | | |
| 1. | 1st Sri Sariful Ahmed | – | 279 |
| 2. | 2nd Sri Sanjay Dutta | – | 272 |
| 3. | 3rd Sri Anuj Buragohain | – | 256 |
| | **54 – 64 Catagory** | | |
| 1. | 1st Sri Nabajit Borgohain | – | 275 |
| 2. | 2nd Sri Probrifa Gogoi | – | 272 |
| 3. | 3rd Sri Chandan Chetia | – | 271 |
| | **65 – 75 Catagory** | | |
| 1. | 1st Sri Dimbeswar Khaklari | – | 356 |
| 2. | 2nd Sri Deepjyoti Saikia | – | 296 |
| 3. | 3rd Sri Rantu Hazarika | – | 291 |
| | **75 Up Catagory** | | |
| 1. | 1st Sri Biju Pal | – | 310 |
| 2. | 2nd Sri Prabal Pratim Gogoi | – | 262 |
| 3. | 3rd Sri Chaimay Gogoi | – | 257 |

| **Power Lifting Girls** | | | Total Kg. |
|---|---|---|---|
| | **0 – 50 Catagory** | | |
| 1. | 1st Miss Pallabi Baruah | – | 123 |
| 2. | 2nd Miss Lakhmi Priya Bora | – | 114 |
| 3. | 3rd Miss Jasmin Sultana | – | 106 |
| | **51 – 60 Catagory** | | |
| 1. | 1st Miss Alisa Wangru | – | 156 |
| 2. | 2nd Miss Jabin Sultana | – | 131 |
| 3. | 3rd Miss Nabanita Phukn | – | 131 |
| | **61 – 70 Catagory** | | |
| 1. | 1st Miss Bani Nayak | – | 115 |
| 2. | 2nd Miss Janifa Nasrin | – | 109 |
| | **72 up Catagory** | | |
| 1. | 1st Miss Chayanika Konwar | – | 131 |
| 2. | 2nd Miss Olimipica Borgohain | – | 107 |





Strong Man of the College

Sri Dimbeswar Khaklari (356 Kg.)

Strong Woman of the College

Miss Alisa Wangru (156 Kg.)

| **Weight Lifting Boy's** | | | Total Kg. |
|---|---|---|---|
| | **0 – 52 Catagory** | | |
| 1. | 1st Sri Sajid Hussain | – | 80 |
| 2. | 2nd Sri Akib Jaman | – | 78 |
| 3. | 3rd Sri Lohit Baishya | – | 77 |
| | **53 – 58 Catagory** | | |
| 1. | 1st Sri Sariful Ahmed | – | 100 |
| 2. | 2nd Sri Sanjay Datta | – | 95 |
| 3. | 3rd Sri Jitu Gogoi | – | 92 |
| | **59 – 64 Catagory** | | |
| 1. | 1st Sri Nabajyoti Buragohain | – | 100 |
| 2. | 2nd Sri Pabitra Gogoi | – | 99 |
| 3. | 3rd Sri Chandan Chetia | – | 86 |
| | **65 – 75 Catagory** | | |
| 1. | 1st Sri Dimbeswar Khaklari | – | 121 |
| 2. | 2nd Sri Rantu Hazarika | – | 110 |
| 3. | 3rd Sri Anupal Phukan | – | 98 |

**79 up Catagory**

| | | | |
|---|---|---|---|
| 1. | 1st Sri Iqbal Hussain | – | 91 |
| 2. | 2nd Sri Mithun Das | – | 90 |
| 3. | 3rd Sri Deba Kumar Gupta | – | 90 |

**80 up Catagory**

| | | | |
|---|---|---|---|
| 1. | 1st Sri Biju Pal | – | 105 |
| 2. | 2nd Sri Dipjyoti Barman | – | 95 |
| 3. | 3rd Sri Probal Pratim Gogoi | – | 85 |

Best Lifter Boys

Sri Dimbeswar Khaklari

**Weight Lifting Girl's**

**0 – 50 Catagory** Kg.

| | | | |
|---|---|---|---|
| 1. | 1st Miss Jasmin Sultana Begum | – | 53 |
| 2. | 2nd Miss Jabin Sultana | – | 53 |
| 3. | 3rd Miss Bani Nayak | – | 54 |

**61 – 70 Catagory**

| | | | |
|---|---|---|---|
| 1. | 1st Miss Olimpica Borgohain | – | 53 |
| 2. | 2nd Miss Nabanita Phukan | – | 49 |
| 3. | 3rd Miss Janifa Nasrin | – | 41 |

**70 up Catagory**

| | | | |
|---|---|---|---|
| 1. | 1st Miss Alisa Wangru | – | 60 |
| 2. | 2nd Miss Jitamoni Borgohain | – | 57 |
| 3. | 3rd Miss Chayanika Konwar | – | 56 |


Best Lifter Girl's

Miss Alisa Wangru





# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে মই দেশমাতৃৰ চৰণ বুকুৰ তেজেৰে ধুৱাই নিকা কৰাৰ সেই শত শত 'শ্বহীদ'ৰ বিদেহী আত্মালৈ একাজলী অশ্ৰু-অঞ্জলি নিবেদিছোঁ ; লগতে এই মধুৰ ক্ষণত সেইসকল বৰেণ্য ব্যক্তিকো মই শ্ৰদ্ধাৰে সুঁৱৰিছো যিসকল ব্যক্তিৰ অশেষ কষ্ট, শ্ৰম আৰু ত্যাগে সোণাৰি মহাবিদ্যালয়ৰ দৰে এটি পবিত্ৰ জ্ঞানৰ মন্দিৰ স্থাপন কৰি সোণাৰি নগৰৰ চৌপাশ পুষ্পিত আৰু সুৱাসিত কৰিলে। সোণাৰী মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি মহবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। ইয়াৰ লগতে যোৱা ২০১১-১২ বৰ্ষৰ সোণাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত গুৰু খেল বিভাগৰ দৰে এটি গধুৰ পদত অধিষ্ঠিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াই যাবলৈ সুবিধা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সোণাৰী মহাবিদ্যালয়ৰ ২০১১-১২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে মই কি কি অৱদান আপোনালোকলৈ আগবঢ়াব পাৰিলো সেয়া আপোনালোকৰ বিবেচ্য বিষয়। তথাপিতো মই মোৰ সাধ্য অনুসাৰে যিমানখিনি পাৰিছিলো সেয়া আপোনালোকক দিবলৈ যথোচিত ভাৱে চেষ্টা কৰি গৈছিলো। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ হ'ল গুৰু খেল বিভাগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মুহূৰ্ত্ত।

মই ২০১১-১২ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত গুৰু খেল বিভাগত থকা আটাইবিলাক খেল অনুষ্ঠিত কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলো যদিও সময় কম হোৱাৰ বাবে মই আটাইবিলাক খেলৰ প্ৰতিযোগিতাসমূহ বৰ কম সময়তে সামৰিব লগা হৈছিল। ফলস্বৰূপে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল কিছু অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। ইয়াৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মই এটা কথা মন কৰিছিলো যে ক্ৰীড়া সপ্তাহত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তথা প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগন্য। কি কাৰণে এনে হৈছে এইয়া আমাৰ বাবে এটা বিচাৰ্যৰ বিষয়। মহাবিদ্যালয়খনে আমাৰ সুবিধাৰ্থে সকলোখিনি সুযোগ আগবঢ়াইছে। মাত্ৰ আমি নিজে এই সুবিধাকণ ল'ব লাগে। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ হৈছে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ এক অন্যতম মঞ্চ। গতিকে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰাৰ উপৰিও এনেবিলাক দিশত নিজৰ প্ৰতিভা বিকাশত গুৰুত্ব দিয়া উচিত। সেয়েহে মই ছাত্ৰী সকললৈ এই প্ৰতিবেদনৰ দ্বাৰাই অনুৰোধ জনাইছোঁ যে অনাগত দিনবোৰত তেওঁলোকে মহাবিদ্যালয়ৰ

ক্ৰীড়া সপ্তাহত উপস্থিত থাকি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ লগতে আনকো উৎসাহিত কৰে যেন।

মই গুৰু খেল বিভাগৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব এটা পালন কৰাৰ ক্ষেত্ৰত অনেকৰে কিবা ক'বলগীয়া থাকিব পাৰে। মোৰ কাৰ্যকালত অজানিতে ক'ৰবাত যদি কিবা ভুল-ত্ৰুটি ৰৈ গৈছে, আপোনালোকে মোক আপোনালোকৰ মাজৰ এজন বুলি ক্ষমা কৰি দিয়ে যেন। এইয়াই মোৰ আপোনালোকৰ ওচৰত জনাবলগীয়া বিনম্ৰ অনুৰোধ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

সৰ্বপ্ৰথমে মই সেইসকল স্বনামধন্য ব্যক্তিক কৃতজ্ঞতা জ্ঞাপন কৰিছো যি সকলে মোক গুৰু খেল বিভাগৰ সম্পাদকৰ পদটোৰ বাবে উপযুক্ত বুলি বিবেচনা কৰি মোক ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাহস ও প্ৰেৰণা যোগাইছিল। আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে যোৱা নিৰ্বাচনত উপযুক্ত বিবেচনা কৰি গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰাৰ্থী বুলি বিবেচনা কৰি নিৰ্বাচিত কৰিলে— তেওঁলোককো মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ, মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়ৰ লগতে জ্যোতিপ্ৰসাদ ফুকন ছাৰ, ফনিন্দ্ৰ বৰুৱা ছাৰ, দিব্যজ্যোতি কোঁৱৰ ছাৰ, বিনোদৰাজ খনিকৰ ছাৰকে প্ৰমুখ্য কৰি সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ প্ৰতিটো কামতে সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে মোক উৎসাহ আৰু সহায় আগবঢ়োৱা ভাস্কৰ দা, দেবা দা, চন্দন দা, বিজু দা, ভৃগু দা, সৌৰভ দা, বাবা পেহা, জীতুল দা, বসন্ত দা, ছেত্ৰী দা, খুচি দা, মায়া বা, চয়নিকা বা, ভাগ্যশ্ৰী বা, জানুমণি বা, মোৰ বন্ধু পূৰ্ণানন্দ, পুলক, সমীৰ, প্ৰফুল্ল, নয়ন, প্ৰাঞ্জল, পল্লবী, ভাৰতী, প্ৰণামী, প্ৰিয়াশ্ৰী, পপী, কাবেৰী, কাকু মোৰ সকলো বন্ধুবৰ্গ, ছাত্ৰ নিবাসৰ বন্ধুসকল ছাত্ৰী নিবাসৰ বাইদেউ, ভন্টি তথা বান্ধৱীসকল আৰু সোণাৰি মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী সকলোলৈকে মোৰ হিয়াভৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

"সোণাৰি মহাবিদ্যালয় দীৰ্ঘজীৱী হওক"

"জয়তু সোণাৰি মহাবিদ্যালয়"

জয়তু সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

**কল্যাণ কুমাৰ গগৈ**
সম্পাদক, গুৰু খেল বিভাগ
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০১১-১২ বৰ্ষ





# SCENIC BEAUTY

## PHOTOGRAPHED BY STUDENTS DURING EXCURSION TOUR



FORGETTING ALL PREDICMENTS



THE BURNING SKY



SILENT TALK- AMBROSIAL LOVE



SOLITARY PEACE



LOST HORIZON-
BEAUTY BEYOND EMBELLISHMENT



MILES TO GO FOR DIVINE COMPANY

# SOME MOMENTS OF COLLEGE SEMINAR



SEMINAR ON AIDS




SEMINAR ON QUANTUM MECHANICS




UGC SPONSORED SEMINAR



SEMINAR ON BIHU




SEMINAR ON HUMAN RIGHTS



SEMINAR ON LASER



শান্তিৰ জাজ্বল্যমান প্ৰতীক তুমি
আন্ধাৰ, অশান্তি, হিংসা বিনাশী
গঢ়ি তোলা নিৰ্ভীক
মতিচ্ছন্নতাৰ লেলিহান শিখা পান কৰি
জগাই তোলা নতুন সংস্কৃতি
সৃষ্টি হওঁক জ্ঞানৰ নব কানন।